


দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মির্জা

# সুদক্ষিণা

চতুৰ্বিংশতিতম সংখ্যা, ২০১৬ ইং চন

২০

সম্পাদিকা ঃ মমতা নাজমিন

D.K. GIRLS' COLLEGE LIBRARY
MIRZA
Class No.............................
Book No.............................
Acc. No.............................

## সুদক্ষিণা সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা ঃ যমুনা মালী, ড° ৰঞ্জন ভূএগ্ৰা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), ড° নৱকান্ত অধিকাৰী।
থিয় হৈ বাওঁফালৰ পৰা ঃ ড° সৰস্বতী কলিতা, মিতালী দাস, মমতা নাজমিন, জিন্টি দাস, চিবিমণি দাস।

## মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ তথা তত্ত্বাৱধায়ক-তত্ত্বাৱধায়িকাৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যসকল



বহি বাওঁফালৰ পৰা ঃ দিপ্তী চৌধুৰী, সংঘমিত্ৰা সিনহা, ড° জগন্নাথ বৰ্মন, ড° ৰঞ্জন ভূএগ্ৰা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), হবিবুৰ ৰহমান, ড° সৰস্বতী কলিতা, ৰঞ্জনা ডেকা, ৰোজবেৰী চুলতানা।
থিয় হৈ বাওঁফালৰ পৰা ঃ লক্ষ্মী ৰাভা, চন্দনা দাস, কমলা বেগম, ইলা কাকতি, মমতা নাজমিন।

NOT FOR ISSUE LIBRARY COPY

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# সুদক্ষিণা

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন

চতুৰ্বিংশতিতম সংখ্যা, ২০১৬ ইং

*প্ৰীতি আৰু শ্ৰদ্ধাৰে—*

____________________

____________________

তত্ত্বাৱধায়িকা ঃ
ড° সৰস্বতী কলিতা


সম্পাদিকা ঃ
মমতা নাজমিন

## "সুদক্ষিণা" সম্পাদনা সমিতি


| | | |
|---|---|---|
| সভাপতি | ঃ | ড° গজেন্দ্ৰ অধিকাৰী, অধ্যক্ষ |
| উপ-সভাপতি | ঃ | ড° ৰঞ্জন ভূঞা, উপাধ্যক্ষ |
| তত্ত্বাৱধায়িকা | ঃ | ড° সৰস্বতী কলিতা |
| শিক্ষক সদস্য | ঃ | যমুনা মালী |
| | | ড° নৰকান্ত অধিকাৰী |
| সম্পাদিকা | ঃ | মমতা নাজমিন |
| ছাত্ৰী সদস্যা | ঃ | মিতালী দাস |
| | | চিবিমণি দাস |
| | | জিন্টিমণি দাস |


| | | |
|---|---|---|
| বিশেষ কৃতজ্ঞতা | ঃ | জুৰি, গীতাঞ্জলি |
| বেটুপাত পৰিকল্পনা | ঃ | ড° সৰস্বতী কলিতা |
| মুদ্ৰক | ঃ | চাৰু প্ৰকাশন |
| | | উপৰহালী - ৭৮১১২২ |


# শ্ৰদ্ধাঞ্জলি



নলিনীধৰ ভট্টাচাৰ্য্য
জন্ম ঃ ৪ ডিচেম্বৰ, ১৯২১ ইং চন
মৃত্যু ঃ ২ চেপ্তেম্বৰ, ২০১৬ ইং চন



তিলক হাজৰিকা
জন্ম ঃ ৩ অক্টোবৰ, ১৯২১ ইং চন
মৃত্যু ঃ ২২ অক্টোবৰ, ২০১৬ ইং চন



ধৰণী বৰ্মণ
জন্ম ঃ ৯ জানুৱাৰী, ১৯২৬ ইং চন
মৃত্যু ঃ ২৮ জানুৱাৰী, ২০১৭ ইং চন



ৰতন লহকৰ
জন্ম ঃ ১৮ ফেব্ৰুৱাৰী, ১৯৪০ ইং চন
মৃত্যু ঃ ২৯ জানুৱাৰী, ২০১৭ ইং চন

আমাৰ মাজৰ পৰা চিৰদিনৰবাবে হেৰাই যোৱা মহানুভৱ কেইগৰাকীৰ লগতে
জ্ঞাত-অজ্ঞাত সকলৈ
'সুদক্ষিণা'ৰ জৰিয়তে মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা
'শ্ৰদ্ধাঞ্জলি' জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি—
'সুদক্ষিণা'

# তত্ত্বাৱধায়িকাৰ কলম

শিক্ষানুষ্ঠান সমূহতেই ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য সৃষ্টি প্ৰতিভাৰ গজালি মেলে। উদাহৰণ স্বৰূপে আমি শংকৰদেৱৰ কথাকে ক'ব পাৰো। শংকৰদেৱে গুৰু গৃহত থাকোতেই 'হৰিশ্চন্দ্ৰ উপাখ্যান' ৰচনা কৰিছিল। সেয়ে মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে বিভিন্ন আলোচনী, প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাৰ লগতে বিভিন্ন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ছাত্ৰীসকলৰ সৃজনীশীল প্ৰতিভা বিকাশৰ বাবে বছৰেকীয়া আলোচনী 'সুদক্ষিণা' প্ৰকাশ কৰাৰ লগতে প্ৰাচীৰ পত্ৰিকা আৰু সাহিত্য বিষয়ক নানান প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

যোৱা বছৰটোত আমাৰ মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট'ৰ দুটি সংখ্যা আৰু 'জোনাকী'ৰ এটি সংখ্যা প্ৰকাশ পাইছে। তিনিওখন প্ৰাচীৰ পত্ৰিকাকে ছাত্ৰীসকলে আকৰ্ষণীয় ৰূপে সজাই পৰাই তুলিছে। হাতে লিখা আলোচনী 'নীহাৰিকা'খনো এক অনন্য ৰূপত প্ৰকাশ কৰিছে। এই আলোচনীখনত সাহিত্য আৰু আলোচনা বিভাগৰ সম্পাদিকা মমতা নাজমিনৰ শিল্পী সুলভ মনৰ সুন্দৰ প্ৰতিফলন ঘটিছে। সৰস্বতী পূজা উপলক্ষে শিক্ষক আৰু কৰ্মচাৰীসকলৰ লিখনীৰে প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী' ছাত্ৰীসকলে আকৰ্ষণীয়ৰূপে সজাইছে। 'শ্ৰীপঞ্চমী'ৰ ছপা ৰূপো প্ৰকাশ কৰা হৈছে। মহাবিদ্যালয় সপ্তাহত সাহিত্য আৰু আলোচনী বিভাগৰ অন্তৰ্গত সাহিত্যৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰীসকলক সাহিত্য সৃষ্টিৰ প্ৰতি আগ্ৰহী কৰিব বিচৰা হৈছে।

সাহিত্য আৰু আলোচনী বিভাগৰ শেষ কাৰ্যসূচী বছৰেকীয়া আলোচনী 'সুদক্ষিণা'ক সুন্দৰকৈ সজাই পৰাই তোলাৰ প্ৰয়াস কৰা হৈছে। 'সুদক্ষিণা'ৰ প্ৰতিটো পৃষ্ঠাতে কবিতা, গল্প, প্ৰবন্ধ, ভ্ৰমণ কাহিনী, চিত্ৰাংকন, আলোকচিত্ৰ, মহাবিদ্যালয়ৰ বিভিন্ন খবৰ আদিৰ জৰিয়তে ছাত্ৰীসকলৰ সৃষ্টিশীল মনৰ ৰঙীন আল্পনা অংকিত হৈছে। মাজে মাজে দুই চাৰিটা শিতানত শিক্ষক-কৰ্মচাৰীৰ সৃষ্টিশীল মনৰ প্ৰতিফলন ঘটাই ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে সুদক্ষিণাক আকৰ্ষণীয় ৰূপ প্ৰদান কৰিব বিচৰা হৈছে। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত ছাত্ৰীসকলক আমি এটি কথা উনুকিয়াব বিচাৰিছো যে গভীৰ অধ্যয়ন অবিহনে কেতিয়াও উৎকৃষ্ট সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। সেয়ে ছাত্ৰীসকলে সাহিত্য সৃষ্টিৰ আগমুহূৰ্তত যেন গভীৰ অধ্যয়নত ৰত হয়। সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকা হিচাবে আমি এই বিভাগটোৰ সকলোখিনি দায়িত্ব সুপৰিকল্পিতভাবে মনোগ্ৰাহী ৰূপত সম্পাদন কৰাৰ আঁচনি গ্ৰহণ কৰিছিলো। তাকে কৰিবলৈ যাওতে অজানিতে বা অনাকাংক্ষিতভাৱে আমি কিবা ভুল-ক্ৰুটি কৰিছো তাৰ বাবে ক্ষমা মাগিছো।

চমুৰছ ইং বৰ্ষৰ সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকাৰ দায়িত্ব অৰ্পণ কৰি ছাত্ৰীসকলৰ মনৰ পথাৰখনত ভুমুকি মাৰি চোৱাৰ লগতে বিভিন্ন দিশৰ জ্ঞান লাভ কৰাৰ সুযোগ দিয়াৰ বাবে আমি অধ্যক্ষ মহোদয়লৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিগত বছৰটোত সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকাৰ দায়িত্ব পালনত উপাধ্যক্ষ, শিক্ষক, শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰীসকলে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে আমি তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত 'সুদক্ষিণা' প্ৰকাশত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আমি অধ্যক্ষ মহোদয়কে আৰম্ভ কৰি সম্পাদনা সমিতিৰ সমূহ সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো। সম্পাদনা সমিতিত নাথাকিলেও অধ্যাপিকা শেৱালী মেধিয়ে আমাক যিদৰে সহায়-সহযোগিতা আগবঢ়াইছে তাৰ বাবে আমি তেওঁৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। 'সুদক্ষিণা' প্ৰকাশত ছাঁটোৰ দৰে লাগি থকা সম্পাদিকা মমতা নাজমিনক আমি আন্তৰিক মৰম যাচিছো। 'সুদক্ষিণা'খন সময় মতে উলিয়াই দিয়া বাবে আমি চাৰু প্ৰকাশনৰ সমূহ কৰ্মচাৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। আগন্তুক দিনবোৰত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় অগ্ৰগতি কামনা কৰাৰ লগতে 'সুদক্ষিণা'ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকাৰ কলমৰ ইতি ৰেখা টানিছো।

*ধন্যবাদেৰে-*

ড° সৰস্বতী কলিতা



# সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো, যি সকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু প্ৰচেষ্টাৰ জৰিয়তে আমাৰ মহাবিদ্যালয়খন স্থাপন হৈছে। এই মহান ব্যক্তি সকলৰ দূৰদৰ্শিতাৰ বাবে আজি দক্ষিণ কামৰূপত স্ত্ৰী শিক্ষাৰ প্ৰসাৰত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল সাহিত্য হ'ল এক দপোণ স্বৰূপ। কাৰণ দাপোণ এখনত যিদৰে মুখ খন চালে আমি আমাৰ দেহৰ সকলো বোৰ বিচাৰ কৰিব পাৰো থিক তেনেদৰে সাহিত্য চৰ্চা কৰিলেও আমি সমাজ এখনৰ বিচাৰ বিশ্লেষণ কৰিব পাৰো । সাহিত্য চৰ্চা কৰিবলৈ হ'লে সদায় এক সমাজ সচেতন, সামাজিক দায়বদ্ধতা আৰু সুষ্ঠিৰ মানসিকতাৰ প্ৰয়োজন।

মনত বহু ৰঙীণ আশা আৰু কল্পনাৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনৰ সকলো আলোচনী এক নতুন আৰু সকলোতকৈ সুকিয়া ৰূপে অলংকৰণ কৰিম বুলি ২০১৫-১৬ বৰ্ষৰ ছাত্ৰী একোটা সভাৰ নিৰ্বাচনত প্ৰতিদন্দিতা কৰিছিলো। পিছত মোক মোৰ বান্ধৱী আৰু বাইদেউসকলে তেওঁলোকৰ সৰ্বাধিক মৰম আৰু স্নেহেৰে মোক বিনা প্ৰতিদ্বন্দিতাৰে জয় যুক্ত কৰিলে। এই সুযোগ পাই মই নিজকে বহু সৌভাগ্যবান বুলি গৌৰব কৰিছিলো।

মোৰ কৰ্তব্যৰ কৰ্মখিনি কিমান সঠিককৈ পালন কৰিছিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। সাহিত্য আৰু আলোচনী সম্পাদিকা হৈ শপত গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ । এই বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ ২৭-১-২০১৬ ইংৰাজী তাৰিখৰ পৰা ৩০-১-২০১৬ ইংৰাজী তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে উলহ মালহেৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাই মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট'ৰ প্ৰথম সংখ্যা উন্মোচন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীনয়নমণি দাসদেৱে। এই প্ৰাচীৰ পত্ৰিকাখনত মোক মোৰ সহায়ৰ হাত আগবঢ়োৱা আচিফ জেকচন চাৰ লগতে মোৰ মৰমৰ বান্ধৱী গীতাঞ্জলী আৰু জুবিলৈ মোৰ হিয়াভৰা ওলগ জাচিলো; কাৰণ এই পত্ৰিকাখন অইন বেলিতকৈ এক নতুন আৰ্হিৰে অংকণ কৰা হৈছিল। ইয়াত সাগৰীয়া শামুক আৰু জাপীৰ ভিতৰত লিখনি সমূহ সজাই পৰাই তুলা হৈছিল। মোৰ দ্বিতীয় কাৰ্যসূচী আছিল বাৰ্ষিক সপ্তাহৰ লগত সংগতি ৰাখি সাহিত্য আৰু আলোচনী তৰফৰ পৰা প্ৰায় ৬টা প্ৰতিযোগিত অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগীতাসমূহত বটা লাভ কৰা সমূহ ছাত্ৰী বান্ধৱীৰে মই উজ্জ্বল ভবিষ্যত কামনা কৰিলো। মহাবিদ্যালয় সপ্তাহৰ পিছত সৰস্বতী পূজা উপলক্ষে প্ৰচীৰ পত্ৰিকাখন আৰু 'শ্ৰীপঞ্চমী'ৰ চপাৰূপ উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকা খনত মোক সহায়ৰ হাত আগবঢ়োৱা মোৰ বিশ্বাসী বান্ধৱী কমলা, চন্দনা, জুৰি, গীতা, লক্ষ্মী, ৰোজবেৰীলৈ মই ধন্যবাদ জ্ঞাপন কৰিছো। এই পত্ৰিকাখনও অইন বেলিতকৈ সুকীয়াকৈ বনাইছিলো, ইয়াত দালী, ধান, বিদ্যা ফুলৰ পাত আৰু লগতে বুট আৰু চন্দন গছৰ পাতেৰে অতি কষ্টৰে সজাই পৰাই তুলিছিলো। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ চন্দ্ৰ অধিকাৰীয়ে আৰু ছপা পুথি 'শ্ৰীপঞ্চমী' উন্মোচন কৰে শ্ৰীৰূপেন কলিতা দেৱে। তাৰ পিছতেই মোৰ চতুৰ্থ কাৰ্যসূচী আছিল নৱাগত আদৰণী সভা উপলক্ষে দুখন প্ৰাচীৰ পত্ৰিকা 'জোনাকী' আৰু 'হাৰাঘাট'ৰ উন্মোচন। এই দুখন পত্ৰিকা মই অতি কম দিনৰ ভিতৰত উন্মোচন কৰিব লগীয়া হোৱাত মই কঠোৰ পৰিশ্ৰমৰ সন্মুখীন হ'বলগীয়া হৈছিল। ইয়াত মোক অশেষ সহায় কৰিছিল চিৰিমণি আৰু মিতালী। ইহঁতৰ সহায় আৰু কষ্ট মই কেতিয়াও পাহৰিব নোৱাৰো। এই দুখন পত্ৰিকা বিৰণ আৰু গামোচাৰে তৈয়াৰ কৰি উলিয়াইছিলো। 'হাৰাঘাট' উন্মোচন কৰে আমাৰ মহাবিদ্যালয়ৰ উপাধক্ষ্য ড° ৰঞ্জন ভূঞা চাৰ দেৱে। 'জোনাকী' উন্মোচন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীনয়নমণি দাস দেৱে। ইয়াৰ পিছতে মোৰ পঞ্চম কাৰ্যসূচী আছিল NAAC Visit হোৱা উপলক্ষে হাতে লিখা আলোচনী 'নিহাৰিকা' খন অধিক আকৰ্ষণীয় কৰি তোলা। থিক সেইদৰে তত্ত্বাৱধায়িকাৰ আদেশ মৰ্মে মই এই নিহাৰিকা খন অধিক আকৰ্ষণীয় কৰি সজাই পৰাই তুলিছিলো। এই আলোচনীখনত মোক মোৰ শ্ৰদ্ধাৰ প্ৰাঞ্জল চাৰ দেৱে বিভিন্ন দিশত দিহাপৰামৰ্শ আগবঢ়াইছে। তেওঁৰ সহায় সহযোগিতাৰ বাবে মই তেওঁৰ ওচৰত সদায় চিৰ কৃতজ্ঞ হৈ ৰম। লগতে

মোৰ বান্ধৱী চিবি, মিতালী, জিন্টি, শিখাৰ্লৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মই আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধৱীকে এটা কথাই ক'ব বিচাৰো তেওঁলোকে যেন সাহিত্যৰ প্ৰতি অলপ আগবাঢ়ি আহে আৰু অলপ সাহিত্য চৰ্চাৰ প্ৰতি যেন অনুৰাগী হয়। চেষ্টাৰ অসাধ্য একো নাই। অইন বেলিৰ সম্পাদিকাৰ দৰে এই বেলিও মই লিখনিৰ বাবে কথোৰ সমস্যাৰ সন্মুখিন হৈছিলো। লিখনিসমূহ বিচৰা ধৰণে পোৱা নাছিলো। ভৱিষ্যতে যেন কাৰো এনেকুৱা নহয়। এই কামখিনি কৰিবলৈ গৈ যথেষ্ট অভিজ্ঞতাও লাভ কৰিছো। মোৰ কাৰ্য কালৰ শেষৰ কাৰ্যসূচী হৈছে মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'সুদক্ষিণা'ৰ প্ৰকাশ। এই আলোচনীখন মই এক নতুন ৰূপত সজাই পৰাই তোলাৰ বাবে আপ্ৰান চেষ্টা চলাইছো। সৰস্বতী বাইদেৱে মোক আলচনীখনৰ বিভিন্ন দিশৰ ভুল ত্ৰুটি বোৰ দেখুৱাই দি আলোচনীখনক আকৰ্ষণীয় ৰূপ দিয়াত গধূৰ দায়িত্ব বহন কৰিছে। আলোচনীখনত সন্নিবিস্ত বিভিন্ন দিশৰ প্ৰবন্ধ, গল্প, কবিতা, মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ খবৰ আলোক চিত্ৰ আদিৰ সুবাসেৰে পাঠকৰ মন আপ্লুত কৰিবলৈ চেষ্টা কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় সহাযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ ছাৰ,বাইদেউ,মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰী বান্ধৱী, বাইদেউ, ভণ্টি সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। 'সুদক্ষিণা' প্ৰকাশকে আদি কৰি মোৰ কাৰ্যকালত সম্পাদন হোৱা সকলো কাৰ্যতে মোক উপদেশ দি আগবঢ়াই নিয়া মোৰ বিভাগৰ তত্বাৱধায়িকা সৰস্বতী বাইদেউলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। এই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী আৰু উপাধক্ষ্য ড° ৰঞ্জন ভুএগ চাৰ দেৱলৈ মোৰ কাৰ্য কালত আগবঢ়োৱা সহায় সহযোগিতাৰ বাবে তেওঁলোকলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে মই ক্ষমা বিচৰাৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি সম্পাদকীয়ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

*"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"*

*ধন্যবাদেৰে-*
**মমতা নাজমিন**

# অধ্যক্ষৰ কলম

১.১ এই বছৰৰ পৰা কাৰ্যকৰী হোৱাকৈ শিক্ষা বিভাগ আৰু ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ প্ৰস্তাৱ কৰা হৈছিল, কিন্তু নানা কাৰিকৰী কাৰণত ই সম্ভৱ হৈ নুঠিব। পিছলৈ যত্ন কৰা হ'ব। যোৱা চেপ্তেম্বৰ মাহৰ (২০১৬ ইং) ২১, ২২, আৰু ২৩ তাৰিখে তিনিদিনীয়াকৈ NAAC ৰ মুল্যায়ণৰ বাবে বিশেষজ্ঞ সকলে আমাৰ কলেজ পৰিদৰ্শন কৰি সকলো দিশ আৰু নথি-পত্ৰ তন্ন-তন্নকৈ পৰীক্ষা কৰে। যোৱা ৫ নৱেম্বৰ (২০১৬ ইং তাৰিখে NAAC ৰ সঞ্চালকে চহী কৰা মতে মুঠ ২.৩৪ নম্বৰ পায় B Grade লাভ কৰিছো। প্ৰথম মূল্যায়ণত আমাৰ Grade আছিল C++। তথাপিও আমি সন্তুষ্ট হোৱাৰ কাৰণ নাই। তৃতীয় মুল্যায়ণত কম পক্ষেও B++ যাতে পাব পাৰো, তাৰ বাবে এতিয়াৰ পৰাই আমি চেষ্টা চলাব লাগিব। অৱশ্যে পৰিদৰ্শক সকলে আমাৰ কলেজত শৈক্ষিক বাতাবৰণ, পৰিকাঠামো, শিক্ষক-ছাত্ৰীৰ সম্বন্ধ-সম্পৰ্ক, গৱেষণা কৰ্ম আদিৰ ভূয়সী প্ৰশংসা কৰিছে। এই কথাই আমাক অধিক দায়িত্বশীল হ'বলৈ প্ৰেৰণা যোগাইছে। তদুপৰি পৰিদৰ্শনৰ সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য ড° মৃদুল হাজৰিকা, বৰিষ্ঠ অধ্যাপক হৰিপ্ৰসাদ শৰ্মা, প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতা, পঞ্জীয়ক ড° সুৰেশ কুমাৰ নাথ, তদানিন্তন দক্ষিণ কামৰূপ জিলাৰ মাননীয় উপায়ুক্ত শ্ৰীযুত ৰাজীৱ বৰুৱা, দক্ষিণ কামৰূপ জিলাৰ আৰক্ষী উপ-অধীক্ষক শ্ৰীযুতা পাহাৰী কোঁৱৰ আদি বিশিষ্ট ব্যক্তিসকলে সৌ-শৰীৰে উপস্থিত থাকি সহায় সহযোগ আগবঢ়াই কলেজৰ মৰ্যদা বৃদ্ধিত অৰিহণা যোগাইছে। এই ছেগতে সেই সকললৈ কৃতজ্ঞতা জনাইছো।

১.২ এই বছৰতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহাৰ্য্যৰে এটা ছোৱালী হোষ্টেল নিৰ্মান সম্পূৰ্ণ হৈছে আৰু নৱাগত আদৰণি সভাৰ দিনাখনেই আনুষ্ঠানিক ভাৱে উন্মোচন কৰি স্বনামধন্যা সাহিত্যিক মামণি ৰয়চম গোস্বামী বাইদেউৰ নামত নামকৰণ কৰা হয়। বৰ্তমানে ৪০ গৰাকী ছাত্ৰী থাকিব পৰাকৈ দুমহলা সম্পূৰ্ণ হৈ উঠিছে আৰু ১৬ জনী ছাত্ৰীয়ে তাত থাকি পঢ়া শুনা কৰি আছে। একেদৰে ক্ৰীড়া প্ৰকল্প এটাও নিৰ্মিয়মান অৱস্থাত আছে। ইতিমধ্যে লাভ কৰা সকলো ধনৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ ওচৰত দাখিল কৰা হৈছে আৰু ২য় কিস্তিৰ ধন পালেই ইয়াৰ নিৰ্মাণো সম্পূৰ্ণ হৈ উঠিব। মহাবিদ্যালয়ৰ চৌহদৰ দক্ষিণ ফালে থকা খাল সমূহ মাটিৰে পুৰাই তাতে দুচকীয়া আৰু চাৰিচকীয়া বাহন ৰাখিবলৈ চালি নিৰ্মাণ কৰা হৈছে। ইয়াৰো পৰি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ অৰ্থসাহাৰ্য্যৰে এটা 40 KV শক্তি সম্পন্ন বিদ্যুৎ উৎপাদক যন্ত্ৰও ক্ৰয় কৰা হৈছে। ভৰতীয় ষ্টেট বেংকৰ ই কৰ্ণাৰ এটাৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে, মাথোন বেংক কৰ্তৃপক্ষৰ লগত আনুষ্ঠানিক চুক্তিপত্ৰত স্বাক্ষৰ কৰি তাক কাৰ্যক্ষম কৰিবলৈ বাকী আছে। দুয়োটা কাম সোনকালে সম্পূৰ্ণ হৈ উঠিব। লাইব্ৰেৰীত আৰু কাৰ্যালয়ত Wi-Fi ৰ সংযোগ ঘটোৱাৰ সকলো ব্যৱস্থা সম্পূৰ্ণ হৈ উঠিছে।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বহুতো প্ৰকল্প জমা দিয়া হৈছে। মঞ্জুৰি পালে মহাবিদ্যালয়ৰ পৰিকাঠামো অধিক উন্নত কৰিব পৰা যাব।

২.১ অসম চৰকাৰৰ সিদ্ধান্ত অনুসৰি এই বছৰ উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ আৰু স্নাতক ১ম ষাণ্মাসিকৰ ছাত্ৰীসকলৰ বিনামুলীয়া নাম ভৰ্ত্তি কৰোৱা হৈছে, পিছে চৰকাৰৰ সদিচ্ছাৰ সুযোগ লৈ বহুতো সমৰ্থবানেও বিনামুলীয়াকৈ নাম ভৰ্ত্তি কৰাই এনে মঙ্গলকামী আঁচনিৰ পৰা অন্যায় লাভ উঠোৱাৰ দৃষ্টান্তও পোৱা গৈছে। চৰকাৰে এই বিষয়ত এক স্পষ্ট নীতি-নিৰ্দ্দেশনা দিলে ব্যৱস্থাটোৱে অধিক সুফল প্ৰদান কৰিব বুলি মনে ধৰে।

এই বছৰ বিভিন্ন শ্ৰেণীত মুঠতে ১৭৭১ গৰাকী ছাত্ৰীয়ে নামভৰ্ত্তি কৰিছে। যোৱা বছৰৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল এনে ধৰণৰ—

**HS Final : 2016**

| APP | Pass | | |
|---|---|---|---|
| 459 | 316 | 1st - 21 | |
| (%) | 68.84 | 2nd - 56 | |
| | | 3rd - 239 | |
| | | 316 | |

| | App | Pass | P/c |
|---|---|---|---|
| TDC 1st sem | 418 | Result not yet declared | |
| TDC 2nd sem | 212 | 163 | 76.88 |
| TDC 3rd sem | 259 | Result not yet declared | |
| TDC 4th sem | 156 | 138 | 88.46 |
| TDC 5th sem | 192 | Result not yet declared | |
| TDC 6th sem | 140 | 128 | 91.42 |

২.২ যোৱা বছৰটোত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহাৰ্য্যৰে অসমীয়া বিভাগৰ দ্বাৰা আধুনিক ভাৰতীয় সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ তুলনা মুলক অধ্যায়ন শীৰ্ষক এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু অৰ্থনীতি বিভাগৰ দ্বাৰা ক্ষুদ্ৰ উদ্যোগী সকলৰ বাবে অৰ্থৰ যোগান শীৰ্ষক কৰ্মশালা এখন অনুষ্ঠিত হয়। ইতিমধ্যে বুৰঞ্জী বিভাগৰ২টা, অৰ্থনীতি বিভাগৰ ১টা আৰু অসমীয়া বিভাগৰ পৰা ১টা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প সম্পূৰ্ণ কৰি বিশ্ববিদ্যালয় অনুদান আয়োগত জমা দিয়া হৈছে । অসমীয়া, ইংৰাজী, অৰ্থনীতি বিজ্ঞান আদি বিষয়ত কেইবাটাও তেনে গৱেষণা প্ৰকল্পৰ কাম পূৰ্ণ গতিত চলি আছে। তদুপৰি উত্তৰ-পূৰ ভাৰত ইতিহাস সন্থা (North East India History Association, NEIHA) ৰ ৩৮ তম অধিবেশন খন আমাৰ মহাবিদ্যালয়লৈ আমন্ত্ৰণ জনোৱা হৈছে। এই বছৰ অক্টোবৰ মাহত উক্ত অধিবেশন অনুষ্ঠিত হ'ব ।

আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ উন্নত কৰাত উক্ত অধিবেশনে যথেষ্ট প্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

৩.১ ৰূপালী জয়ন্তী বৰ্ষ পাৰকৰা মহাবিদ্যালয় খনৰ প্ৰাক্তন ছাত্ৰী সকলৰ অনেকেই স্ব স্ব প্ৰতিভাৰে নিজৰ আৰু সমাজৰ মঙ্গলৰ বাবে নানা বৃত্তিত নিয়োজিত হৈ আছে। প্ৰাক্তন ছাত্ৰী সকলে সততে মহাবিদ্যালয় খনৰ লগত আত্মীয় সম্পৰ্ক ৰক্ষা কৰি আহিছে। কিন্তু ১৯৯৬ চনৰে পৰা তেওঁলোকৰ নিয়মীয়া সেৱা আগবঢ়োৱাৰ পিছতো কেইবাগৰাকী শিক্ষক আৰু কৰ্মচাৰীৰ নিযুক্তি নিয়মীয়া হোৱা নাই। চৰকাৰৰ শেহতীয়া নীতি অনুসৰি কেইবা গৰাকী কৰ্মচাৰীৰ চাকৰি নিয়মীয়া হোৱাৰ কোনো আশা দেখা নাই । এনেবোৰ নেতিবাচক কথাই আমাক আশাহত কৰিছে। সেয়ে যি সকলক ১৯৯৬ চনৰ নীতি নিয়ম মতে মকৰল কৰা হৈছিল, তেওঁলোকৰ কথা অধিক মানবীয় দিশেৰে বিবেচনা কৰি তেওঁলোকৰ অতদিনৰ পৰিশ্ৰমৰ স্বীকৃতি প্ৰদান কৰিব পাৰি নেকি, এই বিষয়ে চৰকাৰ আৰু সংশ্লিষ্ট সকলো কৰ্তৃপক্ষৰে দৃষ্টি আকৰ্ষণ কৰা হ'ল।

৩.২ আজিৰ বিশ্বায়নৰ যুগত লিংগ বৈষম্য বা লিংগৰ ভিত্তিত প্ৰতিষ্ঠিত অনুষ্ঠান প্ৰতিষ্ঠানত সকলো লিংগৰে সমান অধিকাৰ স্বীকৃত হৈছে। মাননীয় শিক্ষামন্ত্ৰী মহাশয়েও তেখেতৰ বহুপঠিত অন্য এক দৃষ্টিকোণ শীৰ্ষক পুথি খনত তেখেতৰ শিক্ষা সম্পৰ্কীয় সপ্ত ধাৰাৰ আলোচনা প্ৰসঙ্গত কেৱল লৰাৰ বাবে বা কেৱল ছোৱালীৰ বাবে প্ৰতিষ্ঠিত শিক্ষা প্ৰতিষ্ঠান সমূহত সহ শিক্ষা প্ৰচলনৰ সপক্ষে গ্ৰহণ যোগ্য যুক্তি আগবঢ়াইছে। আমাৰ গাতে লাগি থকা দক্ষিণ কামৰূপৰ প্ৰথমখন হাইস্কুল (বৰ্তমান উচ্চতৰ মাধ্যমিক) আৰ.বি . উচ্চতৰ মাধ্যমিক স্কুলতো পূৰ্ব্বৰ পৰম্পৰা ভঙ্গ কৰি বৰ্তমানে ছোৱালীকো নাম ভৰ্ত্তিৰ সুযোগ দিয়া হৈছে। একেদৰে আমাৰ মহাবিদ্যালয়তো সহ শিক্ষাৰ প্ৰচলন কৰিব পাৰি নেকি ভাবি চাবলৈ সংশ্লিষ্ট সকলো পক্ষৰে দৃষ্টি আকৰ্ষণ কৰা হ'ল। বিশেষকৈ নতুনকৈ প্ৰৱৰ্ত্তন কৰা Mass Communication and Journalism আদি বিষয়ত আৰু স্নাতকোত্তৰ শ্ৰেণীত এনে পদক্ষেপ লব পাৰিলে মহাবিদ্যালয় খনত সকলো দিশৰ উন্নতি ত্বৰান্বিত হ'ব বুলি বিশ্বাস কৰিব পাৰি ।

৪.১ মহাবিদ্যালয় খন সুচাৰুকৈ পৰিচালনা কৰাৰ বাবে মোৰ মাননীয় শিক্ষক সহকৰ্মী সকলে,কৰ্মচাৰী সকলে,পৰিচালনা সমিতিয়ে, চৌপাশৰ বাসিন্দাসকলে আৰু ছাত্ৰ-ছাত্ৰী সমাজে যি ধৰণে সহায় সহযোগ আগবঢ়াইছে, তাৰ প্ৰতি কৃতজ্ঞতা জনোৱা উপযুক্ত শব্দ আমি বিচাৰি পোৱা নাই।

পৰম মঙ্গলময়ে সকলোকে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰদান কৰক। মহাবিদ্যালয় খনৰ স্বাৰ্থত আমি আটায়ে সকলো সময়তে মাৰ বান্ধি থিয় হ'ম হক।

ইতি-

ড° গজেন্দ্ৰ অধিকাৰী

১৬ ফেব্ৰুৱাৰী, ২০১৭ ইং

---

**KUMAR BHASKAR VARMA SANSKRIT AND ANCIENT STUDIES UNIVERSITY**

NAMATI, NALBARI - 781337, ASSAM
Website- www.kbvsasun.ac.in Email Id- kbvsasun@rediffmail.com
Phone – 03624-298311

*Prof. Dipak Kumar Sharma*
Vice Chancellor.

E-mail:dipaksharma2@rediffmail.com

*Ref. No. KBVS&ASU/VC-3/2013/৭৪*

*Date : 14/02/2017*



## শুভেচ্ছা বাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ **'সুদক্ষিণা'** নামৰ বাৰ্ষিক আলোচনীখনৰ ২০১৬-১৭ বৰ্ষৰ সংখ্যাটি অচিৰে প্ৰকাশ পাব বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ। যোৱা দুই দশকৰ অধিক সময়ৰ পৰা মহাবিদ্যালয়খনে দক্ষিণ কামৰূপৰ এখন বিস্তীৰ্ণ অঞ্চলৰ নাৰীৰ বাবে উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াই আহিছে। বিদ্যায়তনিক ক্ষেত্ৰতেই সীমাবদ্ধ হৈ নাথাকি এই মহাবিদ্যালয়ৰ ছাত্ৰীসকলে সমাজৰ বাবে প্ৰয়োজনীয় বিভিন্ন ক্ষেত্ৰত নিজৰ দক্ষতা প্ৰতিপন্ন কৰি আহিছে।

মহাবিদ্যালয়ৰ আলোচনীখন বিদ্যাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ ভাৱনা প্ৰকাশৰ অন্যতম শ্ৰেষ্ঠ মঞ্চ । আশাকৰোঁ এই সংখ্যাৰ **'সুদক্ষিণা'**ত প্ৰকাশ পাবলগীয়া সৃজনাত্মক, চিন্তামূলক তথা তথ্যপৰক গুৰুত্বপূৰ্ণ লেখাৰ পৰা পঢ়ুৱৈসকল উপকৃত আৰু আহ্লাদিত হ'ব। লেখক-লেখিকাসকললৈ অভিনন্দন জনাই এই সংখ্যাটিৰ প্ৰকাশৰ সৈতে জড়িত সবাৰে প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

*"দ্বে বিদ্যে অধীতব্যে- পৰা চৈৱাপৰা চ"* ।।

২৪.০২.২০১৭

(দীপক কুমাৰ শৰ্মা)



# শুভেচ্ছাবাণী


দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন 'সুদক্ষিণা' এইবেলিও প্ৰকাশিত হ'ব বুলি জানিব পাৰি মই আনন্দিত হৈছো। ভৱিষ্যতে নিজকে এজন সু-সাহিত্যিক ৰূপে গঢ়ি তোলাৰ কঠিয়াতলি হৈছে স্কুল আৰু মহাবিদ্যালয়ৰ আলোচনীসমূহ। ছাত্ৰীসকলে এই আলোচনীৰ জৰিয়তে নিজৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দাঙি ধৰি সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিৰ বৌদ্ধিক বিকাশত অৰিহণা আগবঢ়াব বুলি আশা কৰিলো। দক্ষিণ কামৰূপৰ স্ত্ৰী শিক্ষাৰ এক উল্লেখযোগ্য অনুষ্ঠান এই মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন দিশত উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

হীৰা নেওগ


(হীৰা নেওগ)
*সভাপতি*
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
পৰিচালনা সমিতি

# সূ চী প ত্ৰ


- ❑ সম্পাদকীয়
- ❑ অধ্যক্ষৰ টোকা
- ❑ প্ৰবন্ধ
  - ➢ ঐতিহাসিক মনোৰম ঠাই ৰাজাপুখুৰী আৰু বলদেৱ মন্দিৰ ✍ কৃষ্ণা কুমাৰী /১
  - ➢ বায়খো উৎসৱ ✍ লক্ষ্মী ৰাভা /৩
  - ➢ চাহ জনগোষ্ঠীৰ চমু জীৱন ধাৰা ✍ ইলা কাকতি /৪
  - ➢ বিমুদ্ৰাকৰণ আৰু নগদমুদ্ৰাহীন সমাজ ব্যৱস্থা ✍ জিনু দাস /৬
  - ➢ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ওপৰত মোৰ কিছু অভিজ্ঞতা ✍ চন্দনা চৌধুৰী /৮
  - ➢ ভাৰতীয় সংস্কৃতিৰ মূলধাৰ হিচাপে বেদৰ ভূমিকা ✍ জয়শ্ৰী শৰ্মা /৯
  - ➢ দক্ষিণ কামৰূপ সুৰ্বৰি উৎসৱ ✍ অৰ্চনা কলিতা /১০
  - ➢ মাতৃ ভাষাৰ অৱনতি ✍ শিখাৰাণী ঠাকুৰীয়া /১১
  - ➢ ইছলাম সম্প্ৰদায়ৰ ধৰ্মীয় উৎসৱ 'ঈদ-উল-ফিতৰ' আৰু ইয়াৰ ঐতিহাসিক তাৎপৰ্য ✍ লিলিমা বেগম /১২
  - ➢ এইড্‌ছ ✍ স্মৃতি কলিতা /১৩
  - ➢ অসমৰ সাংস্কৃতিক সমন্বয় আৰু অসমীয়া বিহুগীত ✍ ভূমিকা নাথ /১৪
  - ➢ লক্ষ্মীনাথ বেজবৰুৱাৰ 'চক্ৰধ্বজ সিংহ' নাটকত শ্বে'ক্সপীয়েৰৰ প্ৰভাৱ ✍ ৰুমী দাস /১৬
  - ➢ শিক্ষকতাৰ অনুভৱ ✍ যমুনা মালী /১৯
  - ➢ অসমীয়া সাহিত্যত জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান ✍ চন্দ্ৰামিকা দাস /২০
  - ➢ দেৱী দুৰ্গাৰ নৱৰূপ ✍ মৌচুমী হীড়া /২২
  - ➢ ৰাসলীলাৰ আধ্যাত্মিক তাৎপৰ্য্য ✍ সীমাশ্ৰী ঠাকুৰীয়া /২৪
  - ➢ দখলা পাহাৰ : এক আলোচনা ✍ প্ৰাণজিৎ শৰ্মা /২৬
  - ➢ মাধৱদেৱৰ গুৰু ভক্তি আৰু সাম্প্ৰতিক সমাজত ইয়াৰ প্ৰাসংগিকতা ✍ অযোধ্যা ৰাম অধিকাৰী /২৭
  - ➢ ভাৰতবৰ্ষত জনবিস্ফোৰণ আৰু ইয়াৰ নেতিবাচক প্ৰভাৱ ✍ অংগনা ঠাকুৰীয়া /২৮
  - ➢ ইয়াৰুইঙম উপন্যাসত টাংখুল নগা জীৱনৰ চিত্ৰ ✍ ড° সৰস্বতী কলিতা /৩০
  - ➢ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমকালীন অসমীয়া সমাজ ✍ ড° জাহ্নৱী দেৱী /৩৪
  - ➢ বৰ্তমান যুগত Social Media ✍ মমতা নাজমিন /৩৮
  - ➢ সজ আচৰণৰ সু-প্ৰভাৱ ✍ মিতালী দাস /৩৯
  - ➢ Role of Media in Advocating Women Empowerment ✍ Probin Hazarika/৪০
  - ➢ Demonitization & India ✍ Indrani Devi/৪৪
  - ➢ The Global Hunger Index (GHI) & Indian Sceanio ✍ Dr. Nibedita Devi/৪৪
  - ➢ নাচিকৰ কুম্ভমেলা (ভ্ৰমণ কাহিনী) ✍ নিৰল শৰ্মা /৪৮
  - ➢ সূৰ্য পাহাৰত এভুমুকি (ভ্ৰমণ কাহিনী) ✍ জুৰি কলিতা /৫০
- ❑ গল্প
  - ➢ ন্যায় বিচাৰি ✍ ৰশ্মিউল চুলতানা /৫১
  - ➢ অভিশপ্ত নিশা ✍ চন্দ্ৰাণী কলিতা /৫৩
  - ➢ হেৰোৱা জোনাকবোৰ ✍ কুশল কলিতা /৫৬
  - ➢ অচিনাকি প্ৰেমৰ অৱদান ✍ ৰূপালী ৰাভা /৫৮
  - ➢ আশাৰ সপোন ✍ জিতা শৰ্মা /৫৯
  - ➢ আপোন ✍ নিজৰা কুমাৰী /৬০

- দেউতা ✍ কাকলি দাস /৬১
- দাপোন ✍ বৰ্ণালী গোস্বামী /৬২
- সপোন ✍ চুমি ঠাকুৰীয়া /৬৩
- তেজৰ নহয়, হৃদয়ৰ ✍ মিনাক্ষী মালাকাৰ /৬৪
- প্ৰতীক্ষা ✍ গায়ত্ৰী শৰ্মা /৬৭
- মহানুভৱতা ✍ পল্লৱী বড়ো /৬৯


❑ কবিতা

- উদং হৃদয়ত প্ৰেমৰ পৰশ ✍ চন্দ্ৰানী কলিতা /৭১
- শীতৰ আবেলি ✍ প্ৰিয়ংকা দাস /৭১
- ত্যাগ আৰু অশ্ৰু ✍ অনিন্দিতা দাস /৭২
- নতুন তোমালৈ ✍ মিছ তহৰিমা বেগম /৭২
- কবিতা ✍ মন্দিৰা মালী /৭২
- হে জননী ✍ ৰুমী মালী /৭২
- অবুজ ভাষাৰ চকুলো ✍ বনশ্ৰী মহন্ত /৭৩
- তুমি ✍ অৱনীতা মালী /৭৩
- জয় আই অসম ✍ জুমি নাথ /৭৩
- মা ✍ জিন্টী দাস/৭৪
- কবি হ'ব বিচাৰো ✍ চন্দ্ৰানী কলিতা /৭৪
- কান্দোনৰ ৰোল ✍ মিছ ৰশ্মিউল চুলতানা /৭৪
- জীৱন ✍ নিজৰা ৰাভা /৭৫
- সপোন ✍ অনামিকা দাস /৭৫
- এটি কবিতা ✍ দিপ্তী ৰাণী নাথ /৭৫
- জীৱনৰ লক্ষ্য ✍ পল্লৱী ঠাকুৰীয়া /৭৬
- জীৱন কল্পনা ✍ ৰুমী দাস /৭৬
- জীৱনৰ ধুমুহা ✍ পংখী দাস /৭৬
- জন্মভূমি ✍ ইলা কাকতি /৭৭
- নাৰী ✍ ৰীতা কলিতা /৭৭
- ৰঙীন সপোন ✍ লতিকা পাটোৱাৰী /৭৭
- বৃদ্ধাশ্ৰমৰ এগৰাকী মাতৃৰ আহ্বান ✍ ড° ৰঞ্জন ভূঞা /৭৮
- এন্ধাৰ ✍ পল্লৱী দাস /৭৮
- অপেক্ষা ✍ মুনু দাস /৭৮
- জন্মভূমি ✍ গীতাঞ্জলি দাস /৭৯
- শৰৎ ✍ চুমী ঠাকুৰীয়া /৭৯
- অচিনাকি পক্ষী ✍ বিজু নাথ /৭৯
- বালিঘৰ ✍ পাপৰী দাস /৭৯
- বেদনা ✍ গায়ত্ৰী শৰ্মা /৮০
- হেৰুৱাৰ বেদনাত ✍ বৰষা মহন্ত /৮০

❑ পুৰস্কাৰ প্ৰাপ্ত লিখনি সমূহ

❑ বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন আৰু মহাবিদ্যালয়ৰ ভিতৰচ'ৰা

❑ NAAC ৰ মূল্যায়নৰ প্ৰমাণ পত্ৰ

❑ আলোকচিত্ৰ






# ঐতিহাসিক মনোৰম ঠাই ৰাজাপুখুৰী আৰু বলদেৱ মন্দিৰ

✍ কৃষ্ণা কুমাৰী
*স্নাতক, তৃতীয় ষাণ্মাসিক*

**আৰম্ভণি ঃ** এখন ঐতিহাসিক মনোৰম ঠাই হৈছে ৰাজাপুখুৰী। ইয়াত থকা বিশালময় পুখুৰীৰ নামেৰেই ঠাইখনৰ নাম ৰাজাপুখুৰী সত্ৰ আৰু গাঁওখনৰ নাম ৰাজাপুখুৰী হয়। ৰাজাপুখুৰী এই অঞ্চলৰ এটি পুৰণি কীৰ্তিচিহ্ন। আহোম ৰজাৰ দিনৰ অসমৰ শিৱসাগৰ জিলাত থকা শিৱসাগৰ, জয়সাগৰ প্ৰভৃতি পুখুৰীবোৰৰ দৰে ৰাজাপুখুৰীও অসমৰ ভিতৰত এটি লেখত লবলগীয়া পুখুৰী। এই পুখুৰীটোৰ বুৰঞ্জীমূলক লিখিত ইতিবৃত্ত পোৱা নাযায় যদিও পুখুৰীৰ লগত বহুতো পুৰণি কীৰ্তিচিহ্ন আৰু সংস্কৃতিমূলক তথ্যপাতি জড়িত আছে। কামৰূপৰ ৰজা আৰিমত্তৰ দিনত এই পুখুৰী খন্দোৱা হৈছিল বুলি এটি কিম্বদন্তী মানুহৰ মুখে মুখে প্ৰচলিত আছে। ৰাজাপুখুৰী নামাকৰণ সম্পৰ্কেও অতীতৰ পৰা বহুতে বহুধৰণে কৈ আহিছে। কিছুমানৰ মতে ৰজাই খন্দোৱা বাবে ইয়াৰ নাম ৰাজাপুখুৰী হৈছে। কিছুমানৰ মতে এই অঞ্চলৰ সকলো পুখুৰীতকৈ ডাঙৰ কাৰণে ৰাজাপুখুৰী নাম দিছে। আকৌ আন কিছুমানৰ মতে এটি প্ৰবাদ আছে যে ৰজাই পুখুৰী খন্দাই বহুদিন পুখুৰীৰ নামাকৰণ কৰিব পৰা নাছিল। এদিন এজন গৰখীয়া ল'ৰাই পুখুৰী পাৰলৈ গৰু চৰাবলৈ আহি পুখুৰীটো দেখি হঠাতে কৈ পেলালে "বোপা ঐ পুখুৰীও পুখুৰী একেবাৰে ৰাজাপুখুৰী"— তেতিয়াৰে পৰা পুখুৰীৰ নাম ৰাজাপুখুৰী হ'ল লগতে গাঁওখনৰ নামো ৰাজাপুখুৰী ৰখা হ'ল। এই পুখুৰীটো অতীতত ৰাজাপুখুৰী সত্ৰৰ পাট্টাভুক্ত নিষ্পিখেৰাজ ধৰ্মোত্তৰ জমীৰ ভিতৰত আছিল। কোনো এটি সময়ত সত্ৰাধিকাৰসকলে পুখুৰী আৰু পুখুৰীৰ ওচৰৰ কিছু পৰিমাণৰ জমী ইস্তাফা দিয়াত ই চৰকাৰৰ অধীনলৈ যায়। এই পুখুৰীৰ ভিতৰত বৰ্তমান মাটি কালি প্ৰায় ৮০ বিঘাৰ ওপৰত।

ৰাজাপুখুৰীৰ দক্ষিণ পাৰত বলদেৱ গোসাঁইৰ থান বহুতে ইয়াক সতীৰ থানো বোলে। প্ৰবাদ আছে সত্ৰাধিকাৰ ৰূপনাৰায়ণ গোসাঁইৰ বংশৰ বলদেৱ গোসাঁই শ্ৰীহাটী সত্ৰৰ পৰা ৰাজাপুখুৰী সত্ৰলৈ শিষ্য ফুৰিব আহি হঠাতে ইয়াতে স্বৰ্গী হোৱাত তেওঁৰ সতী সাধ্বী পত্নী বিষ্ণুপ্ৰিয়া দেৱী স্বামীৰ সৈতে সহ মৰণৰ ইচ্ছা প্ৰকাশ কৰে। শিষ্যসকলে তেওঁৰ কথাত মান্তি নোহোৱাত তেওঁ শিষ্যসকলক কিছুমান অলৌকিক ঘটনা প্ৰদৰ্শন কৰি স্তম্ভিত কৰে আৰু স্বামীৰ চিতাত প্ৰাণ ত্যাগ কৰে। ভাৰতীয় সতী নাৰীসকলৰ ই এটি যুগমীয়া স্মৃতিচিহ্ন। এতিয়া প্ৰতি বছৰে ৰাজাপুখুৰী বাইজে বলদেৱ গোসাঁইৰ থানত পূজা আৰু হোম নাম কৰে। বলদেৱ গোসাঁইৰ থানত গোপাল ভোগ,পূজা অৰ্চনা কৰিলে মনোবাঞ্চা পূৰ্ণ হয় বুলি এতিয়াও জনবিশ্বাস অটুট হৈ আছে।

**অৱস্থিতি ঃ** ৰাজাপুখুৰী কামৰূপ গ্ৰাম্য জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে গুৱাহাটীৰ পৰা প্ৰায় ২৩ মাইল পশ্চিমে ৰামপুৰ মৌজাত ৰাজাপুখুৰী গাঁও অৱস্থিত। ৰাজাপুখুৰীৰ চাৰিসীমা বৰ্ণনা কৰিবলৈ গ'লে আমি উত্তৰত পাওঁ- নহিৰা গুইমাৰা সত্ৰ,পূৱত পাওঁ- হালিগাঁও, দক্ষিণত পাওঁ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু পশ্চিমত খিদিৰপুখুৰী সত্ৰ।

**অভ্যাসগত ঠাইৰ প্ৰভাৱ ঃ** ৰাজাপুখুৰীৰ ওপৰত ওচৰ-চুবুৰীয়া বহুতো গাঁও বিশেষকৈ সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলৰ মানুহৰ প্ৰভাৱ পৰিলক্ষিত হয়। ৰাজাপুখুৰীয়ে মানুহৰ ওপৰত ভাল ভাবেই প্ৰভাৱ পেলাইছে। অৱশ্যে সকলো বস্তুৰ ভাল-বেয়া দুয়োটা দিশ থকাৰ দৰে ৰাজাপুখুৰীযো মানুহৰ ওপৰত দুই এটা বেয়া প্ৰভাৱ নথকা নহয়।

**ভাল প্ৰভাৱ ঃ** শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত ৰাজাপুখুৰীয়ে সমগ্ৰ দক্ষিণ কামৰূপৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আছে। কিয়নো এই ৰাজাপুখুৰী গাঁওতে পুখুৰীৰ পূৱ পাৰত "দক্ষিণপাৰ বিদ্যোৎসাহিনী চতুষ্পাঠী" নামেৰে সমগ্ৰ দক্ষিণ কামৰূপৰে সংস্কৃত ভাষা শিক্ষাৰ একমাত্ৰ অনুষ্ঠান সংস্কৃত টোলখন অৱস্থিত। এই টোলৰ পৰাই সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলত সংস্কৃত ভাষা-শিক্ষাৰ জ্ঞান দিয়া হয়। দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰী আহি ইয়াৰ পৰা সংস্কৃত ভাষা শিক্ষাৰ জ্ঞান লাভ কৰি আছে। অসম সংস্কৃত বোৰ্ডে বছৰি অনুষ্ঠিত কৰা বিভিন্ন ধৰণৰ পৰীক্ষাত (প্ৰবেশিকা, মধ্যমা আৰু শাস্ত্ৰী) এই টোলৰ পৰা উত্তীৰ্ণ হৈ অসমৰ বিভিন্ন ঠাইত সংস্কৃত ভাষাৰ প্ৰচাৰ চলাই আহিছে। বছৰি কেইবাজনো ছাত্ৰই এই বিদ্যালয়ৰ পৰা ডিগ্ৰী লাভ কৰি বিভিন্ন শিক্ষানুষ্ঠানত সংস্কৃত ভাষাৰ শিক্ষা প্ৰদান কৰি আছে। গতিকে অসমৰ সংস্কৃত ভাষাৰ উন্নতিৰ ক্ষেত্ৰত ৰাজাপুখুৰীয়ে নিশ্চয়কৈ এটা ভাল প্ৰভাৱ বিস্তাৰ কৰি আছে। ইয়াৰ উপৰিও ৰাজাপুখুৰী অঞ্চলৰ মানুহে আন এটা কথাত প্ৰভাৱ বিস্তাৰ কৰি আছে। সেইটো হৈছে ৰাজাপুখুৰীত বাস কৰা সৰহভাগ মানুহেই প্ৰধানকৈ কুমাৰ সম্প্ৰদায়ৰ। সেয়েহে এই অঞ্চলৰ মানুহে প্ৰধানকৈ মাটিৰ বাচন তৈয়াৰ কৰি জীৱিকা নিৰ্বাহ কৰে। ৰাজাপুখুৰীৰ মানুহে বনোৱা মাটিৰ বাচনে সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলৰ চাহিদা পূৰোৱাৰ উপৰিও এইবোৰ আজিকালি গুৱাহাটী মহানগৰীৰ বহুতো ঠাইত বজাৰ দখল কৰিছে।

ৰাজাপুখুৰীয়ে মানুহৰ ওপৰত সকলোতকৈ ভাল প্ৰভাৱ পেলাইছে ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যই। পুখুৰীটোত ফুলা পদুম ফুল আৰু ইয়ালৈ বিভিন্ন সময়ত অহা নানা ৰঙৰ পৰিভ্ৰমী চৰাইৰ সৌন্দৰ্যই সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

**বেয়া প্ৰভাৱ ঃ** ৰাজাপুখুৰীৰো দুই এটা বেয়া প্ৰভাৱ নথকা নহয়। ৰাজাপুখুৰীৰ ইমান ধুনীয়া প্ৰাকৃতিক সৌন্দৰ্যৰ ওপৰতো মানুহৰ লোভনীয় দৃষ্টি নপৰাকৈ থকা নাই। বিভিন্ন সময়ত চোৰাঙকৈ মানুহে ৰাজাপুখুৰীত ফুলা বহুমূলীয়া পদুম ফুলবোৰ চিঙি আৰু ইয়ালৈ অহা পৰিভ্ৰমী চৰাইবোৰ মাৰি ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য বিনষ্ট কৰিছে। তদুপৰি ইয়াত উৎপাদন কৰা মাছবোৰ দুষ্টচক্ৰই চোৰাঙকৈ মাৰি চোৰাং ব্যৱসায় চলাই আছে।

**সামৰণি ঃ** ১৯৫৫ চনত অসমৰ ৰাজ্যপাল শ্ৰীজয়ৰাম দাস দৌলত ৰামে ৰাজাপুখুৰী পাৰত ৰাজহুৱা সভা পাতি ৰাজাপুখুৰী সংস্কাৰ সম্পৰ্কে ভাষণ দিছিল। সেই বছৰতে অসম চৰকাৰে ৰাজাপুখুৰীটো চৰকাৰী মীন মহল হিচাপে অধিগ্ৰহণ কৰে। বৰ্তমান 'ৰাজাপুখুৰীটো' ৰাজাপুখুৰী ৰাইজে চৰকাৰৰ পৰা লীজত লৈ মাছ উৎপাদন কৰিবলৈ লৈছে। ৰাজাপুখুৰী ৰাইজ গয়ৰহে বৰ্তমান ৰাজাপুখুৰীত মাছ উৎপাদন কৰি বছৰি বহুটো ধন উপাৰ্জন কৰি লাভৱান হৈছে। ৰাইজে বৰ্তমান পুখুৰীটোৰ ৰক্ষণাবেক্ষণৰ বাবে ভালেমান ব্যৱস্থা হাতত লৈছে। এতিয়া ৰাইজৰ কঠোৰ শাসনত পুখুৰীত কোনেও চোৰাঙকৈ মাছ ধৰিব, পদুম ফুল চিঙিব, চৰাই আদি চিকাৰ কৰিব নোৱাৰে। এইটো সঁচাকৈয়ে ৰাজাপুখুৰীৰ বাবে শুভ লক্ষণ। বৰ্তমান অসম চৰকাৰেও ৰাজাপুখুৰী আৰু ৰাজাপুখুৰী পাৰৰ বিভিন্ন অনুষ্ঠানসমূহৰ উন্নয়ন মূলক আঁচনি গ্ৰহণ কৰিলে আঞ্চলিক ৰাইজৰ বহুতো উপকাৰ সাধন হ'ব। ❑

■ ■ ■

## মহৎলোকৰ বাণী

- যাৰ দুচকু নাই তেওঁ অন্ধ নহয়, যিজনে নিজৰ দোষ ঢাকি ৰাখে আনৰ দোষ খুঁচৰি ফুৰে তেওঁহে প্ৰকৃততে অন্ধ।
  — মহাত্মা গান্ধী
- যাৰ নিজৰ ওপৰত বিশ্বাস নাই, তেওঁ কোনো কামতে সফল হ'ব নোৱাৰে। — নেপোলিয়ন
- উদ্দেশ্য যদি মহৎ, কৰ্তব্যত যদি শিথিলতা নাথাকে, ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে। — বেঞ্জামিন
- ফুল ফুলি মৰহি যোৱাটো ফুলৰ ধৰ্ম— কিন্তু ফুলৰ যি সৌৰভ, সেই সৌৰভ কোনেও কোনো কাৰণতে পাহৰিব নোৱাৰে।
  — ড° সৰ্বপল্লী ৰাধাকৃষ্ণন

সংগ্ৰাহক ঃ ৰাখী মালী
*স্নাতক, ১ম বৰ্ষ*





# 'বায়খো উৎসৱ'

✍ লক্ষ্মী ৰাভা
*স্নাতক, ৩য় ষাণ্মাসিক*

ৰাভা সকলৰ প্ৰধান জাতীয় উৎসৱ 'বায়খো'। বায়খো উৎসৱ আৰু বিহুৰ সম্পৰ্ক তুলনামূলকভাৱে অতি ওচৰ। কিয়নো 'বিহু' উৎসৱ সমুদায় অসমীয়া জাতিৰ উৎসৱ। বায়খো বা বায়খু উৎসৱ জেঠ মাহত আৰম্ভ হয়। এটা নিৰ্দিষ্ট দিন হিচাপে 'জেঠ মাহৰ পূৰ্ণিমা তিথি'ত ইয়াক সাৰ্বজনীনভাৱে পালন কৰে। কিন্তু সময়ৰ সা সুবিধা অনুযায়ী ইয়াক আজি কালি চৈত্ৰ— পূৰ্ণিমাৰ পৰাই আৰম্ভ কৰে। সাধাৰণতে দেওবাৰ, বুধবাৰ অথবা শুক্ৰবাৰে এই উৎসৱৰ পাতনি তৰা হয়। উৎসৱৰ প্ৰথম দিনটোক 'নক খি'থাৰ কায়' অৰ্থাৎ ঘৰ শুদ্ধিকৰণ বুলি কোৱা হয়। সেই দিনাখন ঘৰ-দুৱাৰ, ঘৰৰ আচবাব-প্ৰত্ৰাদি পৰিষ্কাৰ কৰা হয়, কাপোৰ-কানিবোৰ ধোৱা হয়। এটা সময়ত ওজাপালিয়ে বাটি এটাত পিঠাগুৰি লৈ মঙ্গলসূচক গীত গাই গাঁৱৰ প্ৰত্যেক ঘৰ মানুহৰ ঘৰৰ চালে চালে পিঠাগুৰি ছটিয়াই। ৰাভাসকলে বিশ্বাস কৰে যে ঘৰৰ চালত পিঠাগুৰি দেখিলে খোকচি দেৱীয়ে পূজা খাবলৈ আহিব। ঘৰত পিঠাগুৰি ছটিওৱা কাৰ্যটোক 'নক্ জুমকায়' বোলা হয়। ওজাপালিয়ে পিঠাগুৰি ছটিয়াই যাওতে গাঁৱৰ ৰাইজক উৎসৱত ভাগ ল'বলৈ গীতৰ জৰিয়তে আহ্বান জনায়—

*"কৈ কৈ হাছি ছানি কুৰি ছাও ৰাটাংও*
*কুৰি ছানি চিংবা টিবালাংচি*
*কুৰি খেৰে ছানা লাগিয়া।*
*চিংবা টৌগা গান্দাছে পুই খেৰে ছাই ৰেংয়া লাগিয়া।*
*চিংবা চহৰো জুম্মিছে ছা ৰাংয়া লাগিয়া*
*কৈ কৈ হাছি ছানি কুৰি টাংও*
*হাছি ছানি কুৰি টাংও।*
*কৈ কৈ কাকায়নি পাৰি ধুতি ছাৰাই খেৰেণা দংবে*
*পাৰ ধুতি মিনিনা দংও।*
*কৈ কৈ ঘেৰক পাছা ৰেংডি খেৰেণা দংবে*
*কৈ কৈ লাই পাছাৰি মিনিনা দংবে।"*

অৰ্থাৎ, "ল'ৰা-ছোৱালীসকল আহা, আমি চাকৈ চকোৱাৰ দৰে হাঁহি-ধেমালি কৰি খাই যাওঁ আহা। আমি কাউৰীৰ দৰে খেলি যাওঁ আহা। ৰাইজ আহা, ধুতিৰ আঁচল এৰি হাঁহি-ধেমালি কৰো আহা। আহা আহা, ঘিলা খেল খেলোঁ আহা, পথাৰত মিলি-জুলি খেলোঁ আহা।"

সেই দিনাখন ওজাপালি গোটেই নিশা 'হৈ মাৰু' গীত গায়। দ্বিতীয় দিনাখনক ভৰ বা পূজাৰ দিন বোলা হয়। সেই দিনাখন বায়খো দেৱী আৰু অন্যান্য দেৱ-দেৱীক পূজা কৰা হয়। পূজাৰ শেষত ভোজ-ভাত খাই তেওঁলোকে গাঁৱলৈ উভতে। থানৰ পৰা উভতি আহোঁতে তেওঁলোকে এডাল দীঘল কৰীয়া লতা লৈ আহে। তেওঁলোকে গাঁৱত উপস্থিত হোৱাৰ লগে লগে গাঁৱত ৰৈ থকা লোকসকলে ৰাস্তাত গছ-পুলি পুতি ৰাখি তাৰ তলত ল'ৰা-ছোৱালীবোৰক ৰাখি তেওঁলোকক বাধা দিয়ে। তেতিয়া থানত যোৱা মানুহবোৰে খাম, বাদুংদুপ্পা আদি বাদ্য বজাই গছ পুলিবোৰৰ চাৰিওফালে সাতবাৰ ঘূৰি গছ পুলিবোৰ ভাঙি পেলায়। এই কাৰ্যটোক 'কিল্লা দিবিকায়' অৰ্থাৎ কিল্লা ভঙা বোলা হয়।

'বায়খো' উৎসৱ প্ৰকৃততে দদানৰ জীৱনৰ কাহিনী। ই ৰামায়ণত ৰামৰ কাহিনীৰ বিৱৰণীৰ দৰে ইয়াত দদান আৰু তাৰ 'সাতভনী'ৰ কীৰ্তি কাহিনী বৰ্ণিত আছে। দৰাচলতে দদানবীৰৰ সৈতে যিসকল ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ বিভিন্ন ঠাইৰ মাজেৰে এই অঞ্চললৈ (দক্ষিণ কুললৈ) আহিছিল তাৰ ভিতৰত স্ত্ৰী নদাই, আৰু সাতভনী ক্ৰমে-দাদুৰী, তমায়, নাকাটি-চাম্পায়, ৰংবুদি, ৰংমাৰী আৰো-চুছাৰী (কিছুৰাণী) আৰু দপান বীৰৰ প্ৰিয় পৃষ্ঠপোষকসকলে দাদন বীৰৰ বীৰত্বৰ গুণ-গাথা গাই বায়খো উৎসৱ পাতে। ❑

# চাহ জনগোষ্ঠীৰ চমু জীৱন ধাৰা

✍ ইলা কাকতি
*স্নাতক, ৫ম যাণ্মাসিক*

চাহ জনগোষ্ঠীৰ লোকসমূহ বিভিন্ন ঠাইৰ পৰা অহা লোক। বিভিন্ন ঠাইৰ বিভিন্ন ভাষাৰ সংমিশ্ৰণ হোৱা বাবে তেওঁলোকৰ ভাষাটোক বাগানীয়া ভাষা বুলিব পাৰি। তেওঁলোকৰ জীৱন-ধাৰণ অতি দুখজনক। কিন্তু তেওঁলোকৰ জীৱিকাৰ ক্ষেত্ৰত কোনো ধৰণৰ মতভেদ দেখা নাযায়। তথাপিও মহিলাখিনিৰ যথেষ্ট কষ্ট পৰিলক্ষিত হোৱা দেখা যায়। এওঁলোকে প্ৰধানকৈ চাহ বাগিছাত চাহ তোলা কাম কৰে। কম মজুৰিত অধিক শ্ৰম কৰা পৰিশ্ৰমী কৰ্মীবিলাকে হ'ল চাহপতীয়াসকল। কিছু সংখ্যক লোকে গছবোৰ বুঢ়া হ'লে আগবোৰ কাটি দিয়া, কলঘৰত চাহপাত গুৰি কৰা আদি কাৰ্য কৰে। এই সময়তে ইজনীয়ে সিজনীৰ আগত মনৰ ভাব প্ৰকাশ কৰে।

শিক্ষাৰ ক্ষেত্ৰত এই জনজাতিসকল অতি পিছপৰা। সৰু-সৰু ল'ৰা-ছোৱালী ওৰে দিনটো বাগানত মাক-দেউতাকৰ লগত থাকি কটায়। স্কুললৈ যাবৰ মন নকৰে। চেনা ঘৰত আন সৰু ল'ৰা-ছোৱালীৰ লগত ওমলি দিনটো পাৰ কৰে। মাজে-মাজে দুই এগৰাকী যায় যদিও বিদ্যালয়সমূহ বহুদূৰত অৱস্থিত। আনহাতে সিহঁতৰ বিদ্যালয়ৰ ৰাস্তা-ঘাট একেবাৰে বেয়া। আকৌ ৰাস্তাত জন্তুৰ আক্ৰমণৰ ভয়ত কম্পিত হৈ স্কুললৈ যাব নোখোজে।

তেওঁলোকৰ যাতায়তৰ ক্ষেত্ৰত বহু পিছপৰা যদিও লাহে লাহে উন্নত হোৱা দেখা যায়। বহু সময়ৰ মূৰত বাছ ধৰি অহা-যোৱা কৰিব লগা হয়। তেওঁলোকৰ ভিতৰৰ ৰাস্তাসমূহ একেবাৰে ঠেক বাবে গাড়ী-মটৰ অহাযোৱা নকৰে। গাড়ী মটৰৰ অহা-যোৱাৰ বাবেও উচ্চ পৰ্যায়ৰ শিক্ষা ছাত্ৰ-ছাত্ৰীয়ে গ্ৰহণ কৰিব নোৱাৰে। এই ক্ষেত্ৰতো বিশেষ অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়।

চাহপতীয়াসকলে বিভিন্ন ঋতুত বিভিন্ন উৎসৱ উদ্‌যাপন কৰে। যেনে ঃ কৰম, টুচু, সহৰাই, সৰহু, ফাগুৱা, দুৰ্গা পূজা, কালিপূজা, অন্নপ্ৰাসন, বিয়া, জাতকৰ্ম আদি পালন কৰে। ঘাইকৈ তেওঁলোকে ঝুমুৰ নাচ চাহ বাগিচাত প্ৰদৰ্শন কৰে।

চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত প্ৰচলিত আনবোৰ লোক গীতৰ তুলনাত ঝুমুৰ নৃত্য গীতৰ সমাদৰ বেছি। অসমত অতীজৰ পৰা বসবাস কৰা প্ৰায়বোৰ জনগোষ্ঠীয়ে নিজা নিজা বসন্ত উৎসৱ থাকিলেও বিহুক উমৈহতীয়াভাৱে গ্ৰহণ কৰে। ঝুমুৰ নৃত্য আৰু গীতে চাহ জনগোষ্ঠীৰ সংস্কৃতিক অনন্য ৰূপ প্ৰদান কৰিছে। চাহপতীয়াসকলে সাংস্কৃতিক কাৰ্যক্ৰমণিকাসমূহত নানাবিধ বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে। যেনে ঃ

(ক) তত বাদ্য — সাৰেঙ্গী, বীণ, একতাৰা।
(খ) ঘনবাদ্য— ঘণ্টা, তাল, গিনি।
(গ) আনন্দ বাদ্য— জয়ঢোল, ঢোল, মাদল আদি।

এই গোষ্ঠীসকলে বিভিন্ন অলংকাৰ বিভিন্ন সময়ত পৰিধান কৰি সাজি কাচি ওলাই। পুৰুষ-মহিলা উভয়ে বিভিন্ন ধৰণৰ অলংকাৰ পৰিধান কৰে। স্বাভাৱিকতেই পুৰুষতকৈ মহিলাসকলে বেছি সংখ্যক অলংকাৰ পৰিধান কৰে। কিন্তু বৰ্তমানে পৰিধান কৰা দেখা নাযায়।

যেনে ঃ

(ক) কাণত পিন্ধা— কেৰু, কাণফুল।
(খ) নাকত পিন্ধা— নাকফুল, নাকচি।
(গ) ডিঙিত পিন্ধা— চিকিমালা, মাদলি।
(ঘ) হাতত পিন্ধা— বাজু আৰু বিভিন্ন ধৰণৰ চুড়ী।
(ঙ) ভৰিত পিন্ধা— পয়ৰী, পায়ল।

পুৰুষ আৰু মহিলাৰে সৃষ্টি সমাজখনৰ এটাক বাদ দি আনটোৰ কথা সামাজিক দিশত আলোচনা কৰিব নোৱাৰি। জনসৃষ্টিৰ দিশত দুয়োবো অৰিহণা সমানভাৱে থাকিলেও দায়িত্ব বহনত মহিলাৰ কষ্ট সমাজ এখনত বেছি পৰিমাণে থকা পৰিলক্ষিত হয়। মাতৃত্বৰ গৌৰৱ অনুভৱকাৰি মহিলাসকলে এই কষ্ট সদায় হাঁহি মুখে বহন কৰি আহিছে। মহিলাই ঘৰ-সংসাৰ ধৰি বখাৰ ওপৰিও পুৰুষৰ সেৱা-শুশ্ৰূষা কৰে। ল'ৰা-ছোৱালী পালন কৰে। ইমানখিনি কৰাৰ পিছতো মহিলাই আপোনজনৰ পৰা লাঞ্চিত, বঞ্চিত, প্ৰহৃত হ'ব লগা হয়।

চাহ জনজাতিৰ মহিলা সমাজ আন সমাজতকৈ পিছপৰা। কৰ্মপদ্ধতিয়েই তাৰ মূল কাৰণ। বাগান বস্তিয়েই যাৰ পৃথিৱী। পৃথিৱীখন কিমান বিশাল তেওঁলোকে নাজানে। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো তেওঁলোক পিছপৰা। কেৱল বয়স হ'লে সময়ত বিয়া দি লেঠা মাৰে। ফলত বহুত সময়ত বিবাহিতা জীৱন দুখৰ হৈ পৰে, গিৰিয়েকৰ মাৰ-কিল খাবলগাত পৰে। গৰ্ভৱতী অৱস্থাতো কঠোৰ পৰিশ্ৰম কৰে। সেয়ে কোৱা হয় লাউ সদায় পাতৰ তলত থকাৰ দৰে তেওঁলোকো সদায় তলতেই পৰি থাকে।

ফাঁকিৰ মাজেদি সঁচাক বিচাৰি মৰীচিকাত দীঘলীয়া সাঁতুৰ দিয়া চাহ জনজাতিসকলৰ আৰ্থিক অৱস্থা আদিৰে পৰা বেয়া। হাড়ভগা পৰিশ্ৰম





কৰি দুবেলা দুমুঠি ভালমতে খাবলৈ নেপায়। পুষ্টিকৰ আহাৰৰ পৰা দূৰতে থাকে। খাদ্যৰ অভাৱত চাহ বাগিচাত মানুহৰ মৃত্যু হৈছে। তেওঁলোকৰ ভাষাৰ লগত মান্য অসমীয়া, কামৰূপী ভাষাৰ যথেষ্ট পাৰ্থক্য দেখা যায়—

| মান্য অসমীয়া | কামৰূপী ভাষা | চাহ জনজাতীয় বা বাগানীয়া ভাষা |
|---|---|---|
| নদী | নদী | নাদী |
| চৰাই | চৰে | চিৰিয়া |
| মন্দিৰ | মন্দিৰ | মান্দিৰ |
| গধুলি | গধূলা | গুদৰি |

সদৌ শেষত ক'ব পাৰি যে এওঁলোক অতি পৰিশ্ৰমী লোক। ☐

■ ■ ■

## মহৎলোকৰ বাণী

- কথা ক'মকৈ ক'বা, কাম বেছিকৈ কৰিবা, আনক উপদেশ ক'মকৈ দিবা। — চক্ৰেটিছ
- সাজ-সজ্জাই মানুহক ভদ্ৰ কৰি নোতোলে, সৎ চিন্তা আৰু প্ৰকৃত শিক্ষাৰেহে এজন প্ৰকৃত ভদ্ৰলোক হ'ব পাৰি। — মহাত্মা গান্ধী
- জীৱন জুখিবা হাঁহিৰে, বয়স জুখিবা কৰ্মৰে। — লক্ষ্যধৰ চৌধুৰী
- বিবেক এক পবিত্ৰ আদালত, য'ত ভগৱানে বিচাৰ কৰে। — লেমে লাইচ
- সৰস্বতী পুজা কৰি জ্ঞানী হ'বলৈ যত্ন কৰাতকৈ দুখন কিতাপ পঢ়াটো বেছি ভাল। — হেম বৰুৱা

**সংগ্ৰাহক ঃ টুটুমণি দাস**
*স্নাতক, ১ম যাণ্মাসিক*

# বিমুদ্ৰাকৰণ আৰু নগদমুদ্ৰাহীন সমাজ ব্যৱস্থা— এক অৱলোকন

✍ জিনু দাস
*অধ্যাপিকা, অৰ্থনীতি বিভাগ*

'বিমুদ্ৰাকৰণ' অৰ্থবিজ্ঞানৰ এক ধাৰাবাহিক প্ৰক্ৰিয়া। দেশৰ অৰ্থ ব্যৱস্থাত যেতিয়া ক'লা ধনৰ পৰিমাণ বৃদ্ধি হয় অথবা কোনোধৰণৰ অবাঞ্চিত বা অৰ্থনীতিৰ বাবে হানিকাৰক পৰিঘটনা অবধাৰিত ভাৱে ঘটি থাকে তেতিয়া দেশে এইবোৰ ৰোধৰ বাবে বিমুদ্ৰাকৰণ (মুদ্ৰা নোহোৱা) নীতি গ্ৰহণ কৰে। ছাত্ৰীসকলক এইখিনিতে জনাই থওঁ যে — ধন বা মুদ্ৰা দুই প্ৰকাৰৰ। এবিধ ক'লা ধন আনবিধ বগা ধন। হিচাপ নথকা অৰ্থাৎ চৰকাৰে নজনাকৈ জমা কৰা ধন, কৰ ফাঁকি দিয়া ধন আদিক ক'লা ধন (Black Money) বোলে। আনহাতে যিধনৰ সম্পূৰ্ণ হিচাপ চৰকাৰৰ হাতত থাকে (বা বেংকৰ হাতত থাকে) আৰু যিধনৰ বাবে উচিত কৰ (Tax) পৰিশোধ কৰা হয় তাক বগা ধন (White Money) বোলে। ভাৰতবৰ্ষত বহু ধনৰ গৰাকীয়ে নিজৰ উপাৰ্জিত ধনৰ বাবে কোনো কৰ নিদিয়ে অৰ্থাৎ কৰ ফাঁকি দিয়ে। ই এক অপৰাধ। কাৰণ ক'লা ধনে দেশৰ প্ৰগতিত প্ৰচুৰ বাধাৰ সৃষ্টি কৰে। বস্তুৰ দাম দিনে দিনে বৃদ্ধি পায় আৰু ইয়াৰ প্ৰভাৱ খাটি খোৱা দুখীয়া লোক, দুখীয়া কৃষক যাৰ কোনো ক'লা ধন নাই তেওঁলোকহে অধিক ক্ষতিগ্ৰস্থ হয়।

ভাৰতবৰ্ষত ১৯৪৬ চনত, ১৯৫৪ আৰু ১৯৭৮ চনত বিমুদ্ৰাকৰণৰ দ্বাৰা ক'লাধন আৰু জালনোট ৰোধ কৰাৰ চেষ্টা কৰা হৈছিল যদিও সফলতা পোৱা দেখা নগ'ল। কাৰণ বিমুদ্ৰাকৰণৰ বিষয়ে আগতেই খাজখৰা হোৱাৰ ফলত ক'লা ধনৰ গৰাকীয়ে তেনে ধন সলাই পেলায় অথবা বগা ধনলৈ পৰিবৰ্ত্তিত কৰে। ২০১৬ চনৰ ৮ নৱেম্বৰত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে হঠাৎ বহলভাৱে প্ৰচলিত ৫০০ আৰু ১০০০ টকাৰ বিলুপ্তি সাধনৰ বাবে বিমুদ্ৰাকৰণ নীতিৰ ঘোষণা কৰে। বিমুদ্ৰাকৰণ বৰ্ত্তমান সময়ৰ অতি চৰ্চিত বিষয়। ভ্ৰষ্টাচাৰ, দুৰ্নীতি, ক'লাধন আৰু সন্ত্ৰাসবাদ ৰোধৰ বিৰুদ্ধে আকস্মিক যুদ্ধ সদৃশ আক্ৰমণ (Surgical Strike on Black Money) মুদ্ৰানীতি সংশোধনৰ বাবে এনে আক্ৰমণ যুক্তি সংগত। প্ৰধানমন্ত্ৰীয়ে এনে আক্ৰমণ ঘোষণাৰ বাবে বহু সমালোচনাৰ সন্মুখীন হৈছে। প্ৰধানমন্ত্ৰীয়ে কোনো পৰিকল্পনা নোহোৱাকৈ মুদ্ৰাৰ ওপৰত আক্ৰমণ চলাইছে বুলি অভিযোগ উঠিছে, যদিও সেইবোৰ সঁচা নহয়। কাৰণ মোডী ডাঙৰীয়াই এই প্ৰচেষ্টা চৰকাৰৰ আৰম্ভণীৰে পৰা লৈছে। উদাহৰণ স্বৰূপে — মুদ্ৰাৰ অন্তৰভুক্তিকৰণ (Inclusive Money), ধন জন জমা আঁচনি তাকে শূন্য হিচাপত খাটা খোলা, দুখীয়া জনসাধৰণক (ধনজন জমা) Pay TM/ATM কাৰ্ডৰ ব্যৱস্থা, চৰকাৰী ৰাজসাহাৰ্য্য (Subsidy) বা যিকোনো চৰকাৰী টকা পইচাৰ লেনদেন বেংক একাউণ্টৰ জৰিয়তে হিতাধিকাৰীক প্ৰদানৰ ব্যৱস্থা আদি উল্লেখযোগ্য। এনেবোৰ আঁচনি বা ব্যৱস্থা মোডী ডাঙৰীয়াই চৰকাৰ গঠনৰ আৰম্ভণিৰে পৰা কৰি আহিছে আৰু এই সকলোবোৰৰ উদ্দেশ্য হ'ল ক'লা ধনৰ গৰাকীক হঠাৎ আক্ৰমণ কৰা। কোনো লুণ্ঠনকাৰী, ভ্ৰষ্টাচাৰী, দুৰ্নীতি পৰায়ণ লোকে যাতে আগতীয়াকৈ গম নাপায় আৰু সেইবাবে সকলোবোৰ নোটৰ বিৰুদ্ধে নহয় কেৱল ৫০০ আৰু ১০০০ টকাৰ বিৰুদ্ধে এই আক্ৰমণ চলোৱা হ'ল। কৃষক সকল, ক্ষুদ্ৰ ব্যৱসায়ীসকল, জনসাধাৰণ বহু অসুবিধাৰ সন্মুখীন হৈছে। এই অসুবিধাৰ ওৰ পৰিবলৈ কিছু সময় ল'ব। ক'লাধন, ভ্ৰষ্টাচাৰ, দুৰ্নীতিৰ শিপাডাল উভালি পেলাবলৈ কিছু সময় লাগিব যদিও ভৱিষ্যতৰ সকলো ভাল কামৰ বাবে দেশৰ দুখীয়া জনসাধাৰণ পোন প্ৰথমে বলি হ'ব লগা হয় তাক তেওঁলোকে বুজি পাইছে। প্ৰধানমন্ত্ৰীৰ এই পদক্ষেপ ক'লা ধনেৰে ধনীসকলৰ বাবেহে, দুখীয়া জনসাধাৰণৰ বাবে নহয়। বিমুদ্ৰাকৰণ নীতিৰ প্ৰয়োগৰ বাবে ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীক প্ৰশংসা কৰিছে। বিহাৰ অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী, আন্না হাজাৰে আনকি বিদেশতো এনে ব্যৱস্থা বলবৎ কৰাৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰীক উচ্চ প্ৰশংসা কৰিছে। অৱশ্যে নগণ্য সংখ্যক ভাৰতীয় লোক বিশেষকৈ ৰাজনৈতিক দলৰ নেতাসকলে তেওঁলোকৰ স্বাৰ্থত আঘাট পৰাৰ বাবে প্ৰধানমন্ত্ৰীক কদৰ্থনা কৰাৰ উপৰিও দুখীয়া, নিৰক্ষৰ জনসাধাৰণক বিমুদ্ৰাকৰণৰ বিৰুদ্ধে উঠাইছে।

এতিয়া কথা হ'ল বিমুদ্ৰাকৰণে কেনেধৰণৰ সুবিধা দিব? এই প্ৰশ্নৰ উত্তৰত ক'ব পৰা যায় যে—

বিমুদ্ৰাকৰণে ক'লা ধন ৰোধ কৰাত সহায়ক হ'ব।

বিমুদ্ৰাকৰণে সন্ত্ৰাসবাদীসকললৈ ধনৰ যোগান বন্ধ কৰিব।

বিমুদ্ৰাকৰণে নিচাযুক্ত সৰবৰাহকাৰীলৈ ধনৰ যোগান বন্ধ কৰিব।

বিমুদ্ৰাকৰণে আইন বিৰুদ্ধ অস্ত্ৰ শস্ত্ৰৰ যোগান ৰোধ কৰিব।

বিমুদ্ৰাকৰণে নগদমুদ্ৰাহীন সমাজৰ সৃষ্টি কৰিব।

বিমুদ্ৰাকৰণৰ ফলত কৰ আহৰণ সৰ্বাধিক হ'ব। বিমুদ্ৰাকৰণৰ অসুবিধা নথকা নহয়। ইয়াৰ অসুবিধাবোৰ এনেধৰণৰ হ'ব বুলি অনুমান কৰিব পৰা যায়—

বিমুদ্ৰাকৰণৰ সুফলাফলৰ বাবে দীৰ্ঘসময় লাগিব।





বিমুদ্ৰাকৰণে সাধাৰণ জনসাধাৰণক কিছু অসুবিধাত পেলাব।

প্ৰথম অৱস্থাত ডিজিটেল লেনদেনত নিৰক্ষৰ জনসাধাৰণৰ কিছু অসুবিধা হ'ব।

বৰ্ত্তমান সময়ৰ আন এক বহুল চৰ্চিত বিষয় হৈছে 'নগদমুদ্ৰাহীন সমাজ' (cashless society) ব্যৱস্থা। প্ৰধানমন্ত্ৰীয়ে এক 'ডিজিটেল ভাৰত' গঢ়াৰ প্ৰচেষ্টা লৈছে। অৰ্থাৎ সকলোধৰণৰ অৰ্থনৈতিক কাৰ্য ইলেকট্ৰনিক মাধ্যমত হ'ব লাগিব। নগদ মুদ্ৰা এনে এটা বস্তু যিটো সকলো মানুহৰে অতি প্ৰিয় বা সকলোৱে নগদ মুদ্ৰা নিজৰ হাতত ৰাখিব বিচাৰে। কিন্তু মুদ্ৰা অবিহনে সমাজ ব্যৱস্থা আগবঢ়াৰ কথা ভাবিবলৈ অলপ কঠিন হয়। নগদমুদ্ৰাহীন সমাজ ব্যৱস্থাত লাহে লাহে নগদ ধনৰ সহায়ত লেনদেন কাৰ্য নোহোৱা হ'ব। সকলোৱে এই ব্যৱস্থাক আদৰি লব লাগিব। ভাৰতবৰ্ষৰ প্ৰায়— ৬৫% যুৱ প্ৰজন্ম। বৰ্তমানৰ যুৱ প্ৰজন্মই গাঁৱৰে হওঁক বা চহৰৰেই হওঁক সকলোৱে মোবাইলৰ ব্যৱহাৰ জানে। মোবাইলৰ যোগেৰে লেনদেন কৰিলে আমি বহু অসুবিধাৰ পৰা হাত সাৰিব পাৰিম। সেইবোৰ হ'ল—

ভঙনীয়া পইচাৰ নাটনি দূৰ হ'ব।

মধ্যভোগী নোহোৱা হ'ব। কৃষকে মোবাইলৰ যোগেদি লেনদেন ঘৰত বহি কৰিব পাৰিব।

মধ্যভোগী আতৰ হ'লে বস্তুৰ দাম কমি যাব।

উৎপাদিত দ্ৰব্য সামগ্ৰী বজাৰ আহি পোৱাৰ আগত বহু ঘৰগুণি দি আহিব লাগে বাবে দাম বাঢ়ি যায়। সেয়েহে চৰকাৰে GST (goods and Service Tax) বিলখন প্ৰবৰ্তন কৰিছে। গতিকে উৎপাদিত দ্ৰব্যৰ উৎপাদন ক্ষেত্ৰতেই (Production Source) কৰ দিব লাগিব। একেবিধ বস্তুৰ ওপৰত বাৰে বাৰে কৰ দিয়াৰ আৱশ্যক নহ'ব। ফলত দ্ৰব্যৰ দাম কমি যাব।

ভ্ৰষ্টাচাৰ আৰু দুৰ্নীতিয়ে দেশত মুদ্ৰাস্ফীতি বঢ়োৱাত সহায়ক হৈছিল। নতুন মুদ্ৰানীতিৰ ফলত এতিয়া তেওঁলোকে খৰচ কৰাৰ ক্ষেত্ৰত অন্তত কিছু চিন্তা কৰিব। তাৰোপৰি ব্যক্তিয়ে নিজৰ সম্পত্তি আনৰ নামত অৰ্থাৎ বেনামী সম্পত্তিৰ ওপৰত ২০১৬ চনৰ ১ নৱেম্বৰৰ পৰা এখন আইন বলবৎ হৈছে। Prohibition of Benami Property Transaction Act (PBPT Act, 1988) খন চোৱা চিতাৰ দায়িত্ব আয়কৰ বিভাগৰ। গতিকে আয়কৰ বিভাগৰ কাঢ়া দৃষ্টিৰ পৰা কোনো বেনামী সম্পত্তিৰ গৰাকী হাত সাৰি যাব নোৱাৰিব।

মুঠৰ ওপৰত ১৩৩ কোটি ভাৰতীয়ৰ মাত্ৰ ২.৪% মানুহে কৰ আদায় দিয়ে। বৃহৎ অংশৰ কৰ ফাঁকিয়ে দেশৰ প্ৰগতিত আঘাট কৰিছে। আমেৰিকাত ৩% লেনদেন এতিয়াও নগদ মুদ্ৰাত হয়। গতিকে আমাৰ দেশতো ৩০% নগদ মুদ্ৰাত লেনদেন কৰি বাকী ৭০% ডিজিটেল পদ্ধতিৰে কৰিলেও অন্ততঃ ক'লা ধন ৰোধ হ'ব। দেশৰ প্ৰতিজন নাগৰিকে বেংকিং হেবিট গঢ়ি তুলিব লাগিব। সৌ সিদিনালৈকে চৰকাৰী চাকৰিয়াল কিছু সংখ্যকৰো বেংকৰ একাউণ্ট নাছিল। সাঁচতিয়া টকা তুলি বা গাৰুৰ তলত থৈছিল। বেংকলৈ যাবলৈও বহুলোকে ভয় কৰিছিল। তাৰোপৰি বেংক কৰ্মচাৰী আৰু কৰ্তৃপক্ষৰ ব্যৱহাৰ বৰ কঠোৰ আছিল। সেইবাবে মানুহে বেংক শব্দটো শুনিলেই ভয় কৰিছিল। কিন্তু এতিয়া সকলো সলনি হৈছে। দেশৰ প্ৰগতি আৰু উন্নয়নৰ স্বাৰ্থত বেংক কৰ্মচাৰিয়ে দিনে নিশাই কাম কৰি সেৱা আগবঢ়োৱা পৰিলক্ষিত হৈছে। অৱশ্যে কিছুসংখ্যক বেংক কৰ্মচাৰীৰ দুৰ্নীতিৰ কাৰণে বহু ক'লা ধন বগা হৈ আছে তাক নিতৌ T.V বাতৰি কাকতত পাই আহিছো। কিন্তু যি দেখিবলৈ পোৱা গৈছে এইবাৰ কোনো দুস্কৃতিকাৰী সাৰি যাব নোৱাৰিব যেন লাগিছে। দেশৰ ভৱিষ্যত কেনে হ'ব তাক সময়হে ক'ব। ❑

**সহায়ক ঃ**

প্ৰশান্ত জ্যোতি খাউণ্ড — 'প্ৰান্তিক' ৩৬ম বছৰ, প্ৰথম সংখ্যা (১-১৫ ডিচেম্বৰ) ২০১৬

# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ওপৰত মোৰ কিছু অভিজ্ঞতা

✍ চন্দনা চৌধুৰী
স্নাতক, পঞ্চম ষাণ্মাসিক

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সম্পূৰ্ণ আকৰটো হ'ল—

National Service Scheme জাতিৰ পিতা মহাত্মা গান্ধীৰ শতবৰ্ষত 1969 চনত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট নামৰ সংগঠনটো আৰম্ভ হয়। এই সংগঠনটোৰ মুখ্য উদ্দেশ্য হৈছে সমাজ সেৱাৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগিন ব্যক্তিত্বৰ বিকাশ লাভ কৰা।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত 1995 চনত ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটটো আৰম্ভ কৰা হৈছিল। মই 2013 চনত ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটটোত নামভৰ্ত্তি কৰিছিলো। আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ Programme officer Dr. Mitali Kathkatia বাইদেউৰ পৰা মই বহু আগ্ৰহ আৰু প্ৰেৰণা লাভ কৰিছো। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্য হ'ব পৰাটো বৰ্তমানৰ যুৱ প্ৰজন্মৰ বাবে এক গৌৰৱৰ বিষয়। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটটো হৈছে এটা পৰিয়ালৰ দৰে য'ত আমি হাঁহি, স্ফুৰ্তি, উৎসাহ আৰু প্ৰেৰণাৰ মাজেৰে সমাজ আৰু দেশৰ লগতে নিজকো সামাজিকভাৱে আগবঢ়াই নিব পাৰো। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ প্ৰতিগৰাকী সদস্যই বিনম্ৰ, আত্মসচেতন আৰু অহিংসাৰ ভাবেৰে সমাজ সেৱাৰ কামত নিজকে নিয়োগ কৰাৰ বাবে সদাই আগ্ৰহী। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্য সকলে নিজৰ আগতে আনৰ কথা ভাবিব লাগে যাৰ কাৰণে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মুল সংলাপেই হৈছে "NOT ME BUT YOU" যদি আমি এই চাৰিটা শব্দ মনত লৈ কাম কৰো তেতিয়াহ'লে আমি ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ প্ৰকৃত স্বেচ্ছাসেৱক হোৱাৰ যোগ্যতা লাভ কৰিম।

বহুতো ছাত্ৰ-ছাত্ৰীয়ে ভাৱে ৰাষ্ট্ৰীয় সেৱা আঁচনিত থাকিলে কেৱল কামহে কৰিব লাগে যাৰ কাৰণে কিছুসংখ্যক ছাত্ৰীয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনিত স্ব-ইচ্ছাই যোগদান নকৰে। সত্য যে ৰাষ্ট্ৰীয় সেৱা আঁচনিত থাকিলে সমাজৰ হকে কিছু কাম কৰিব লাগে কিন্তু সেই কামৰ জৰিয়তে আমি বহুতো বিষয়ৰ অতিকৈ গুৰুত্বপূৰ্ণ জ্ঞান লাভ কৰিব পাৰো যিটো অইন ধৰণে সম্ভৱ নহ'বও পাৰে।

আমাৰ মহাবিদ্যালয়ত 2016 চনৰ 20 june ৰ পৰা 25 june লৈ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ তৰফৰ পৰা এটা পাঁচদিনীয়া Special camp আয়োজন কৰা হৈছিল। এই শিবিৰ (camp) টোৰ জৰিয়তে আমি বহুতো জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিলো। শিবিৰ (camp) ৰ দ্বিতীয় দিনাখন আমাৰ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ৰেখা দেৱী বাইদেউৱে Adoloocent health ৰ ওপৰত এক সুন্দৰ বক্তব্য আমাৰ আগত দাঙি ধৰিছিল। এই বক্তব্যৰ পৰা আমি মানুহ এজন দৈহিক, মানসিক বা শাৰিৰীক ভাৱে কেনেদৰে সুস্থ থাকিব পাৰে তাৰ কিছু আভাস আমি পাইছিলো আৰু লগতে বৃদ্ধি আৰু বিকাশৰ প্ৰতিটো স্তৰতেই কেনেকুৱা ধৰণৰ খাদ্যৰ প্ৰয়োজন সেয়াও আমি ভালদৰে জানিব পাৰিছিলো। আকৌ শিবিৰৰ (camp) এদিনাখন আমাৰ মহাবিদ্যালয়ত NDRF ৰ পৰা এদল অভিজ্ঞ ব্যক্তি আহিছিল। এই দলটোৰ জৰিয়তে আমি দুৰ্যোগ ব্যৱস্থাপণাৰ সন্দৰ্ভত বহুতো ব্যৱহাৰিক জ্ঞান লাভ কৰিছো। এই দলটোৱে আমাক ভূমিকম্পৰ পৰা কেনেদৰে আমি নিজৰ লগতে আনৰ প্ৰাণ ৰক্ষা কৰিব পাৰো সেয়া আমাক ভালদৰে বুজাই দিছিলে আৰু লগতে দুৰ্ঘটনাৰ সময়ত ঘটনাস্থলিত উপস্থিত থাকিলে আহত লোকজনক কেনেদৰে সহায় কৰিব লাগে সেয়া আমাক তেওঁলোকে দেখাই দিছিল। NDRF National Disaster Responde force ৰ পৰা আমি বহুতো নজনা কথা শিকিব পাৰো।

1-3-2016 ৰ পৰা 5-3-2016 লৈ নাগালেণ্ডত এটা পাঁচদিনীয়া উত্তৰ পূৱ যুৱ মহোৎসৱ আয়োজন হৈছিল। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ পৰা আমি ৬ গৰাকী ছাত্ৰীয়ে তাত যোগদান কৰিছিলো। এই মহোৎসৱটো অনুষ্ঠিত হৈছিল নাগালেণ্ডৰ ৰাজধানী কহিমাৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত। এই মহোৎসৱটোৰ জৰিয়তে আমি বহুতো নজনা কথা শিকাৰ উপৰিও এই মহোৎসৱটোৰ জড়িয়তে মই মোৰ জীৱনত বহুতো অভিজ্ঞতা লাভ কৰিছো। মহোৎসৱৰ দ্বিতীয় দিনাখন ৯ বজাত বাছেৰে আমাক দ্বিতীয় বিশ্বযুদ্ধত নিজৰ প্ৰাণ বলিদান দিয়া শ্বহীদসকলৰ কিছু কাৰ্য্যকালৰ বিৱৰণ আৰু তেওঁলোকৰ প্ৰতিমূৰ্ত্তিসমূহ এক ঠাইত ৰখা হৈছিলে তাত লৈ গৈছিলে। তাত আমি কেনেদৰে বৃটিছৰ কবলৰ পৰা ভাৰতবৰ্ষক আমাৰ বীৰ শ্বহীদসকলে স্বাধীন কৰিছিল সেয়া ভালদৰে গম পাইছিলো। আকৌ সেইদিনাখনে আমাক তাৰে সংগ্ৰাহলয়লৈ লৈ গৈছিল। সংগ্ৰাহলয়ত বহুতো পুৰণি মুদ্ৰা, বহুতো জীৱ-জন্তুৰ হাড় আৰু বীৰ শ্বহীদসকলৰ প্ৰতিচ্ছবিৰ লগতে তেওঁলোকে দেশৰ কাৰণে কৰা কামৰ চমু তালিকা তাত উল্লেখ কৰা হৈছিল। এই মহোৎসৱটোৰ জৰিয়তে আমি বহুতো নেদেখা বস্তু, বহুতো নজনা কথা জানিব পাৰিছো।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সদস্য হৈ মই নিজক সামগ্ৰীকভাৱে কিছু হলেও বিকাশ কৰিব পাৰিছো। ৰাষ্ট্ৰীয় সেৱা আঁচনিত যোগদান কৰাৰ পৰা মই কামৰ প্ৰতি আগ্ৰহী হৈছো আৰু সমাজৰ প্ৰতি যে মোৰ দায়িত্ব আছে সেইটো কথা ভালদৰে উপলব্ধি কৰিব পাৰিছো। লগতে বুজিব পাৰিছো যে সমাজ সেৱাই মনৱ বিকাশৰ লগতে সমাজৰো বিকাশ কৰে। ❑





■ ■ ■

# ভাৰতীয় সংস্কৃতিৰ মূলধাৰ হিচাপে বেদৰ ভূমিকা

✍ জয়শ্ৰী শৰ্মা
স্নাতক, ৩য় ষাণ্মাসিক

সংস্কৃতিয়েই হৈছে কোনো এটা জাতি বা সমাজৰ জীৱন প্ৰতিভা। ভাষা, সাহিত্য, সুকুমাৰ কলা, দৰ্শন ইত্যাদি ক্ষেত্ৰত প্ৰকাশ হোৱা প্ৰতিভাই হৈছে কোনো এটা জাতিৰ সংস্কৃতিৰ মাপকাঠি। ঠিক তেনেদৰে ভাৰতীয় সংস্কৃতিও হৈছে এক জীৱন্ত সংস্কৃতি আৰু ইয়াৰ মূল আধাৰ বেদ। সেয়েহে বুৰঞ্জীৰ পাতে পাতে ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্য তথা গুণ-গৰিমা প্ৰকাশিত হৈছে।

ভাৰতীয় সংস্কৃতি হৈছে বেদাশ্ৰিত সংস্কৃতি। সেয়েহে ঋক তথা যৰ্জুৰেদে হৈছে ভাৰতীয় ধৰ্মীয় সংস্কৃতিৰ প্ৰকৃত মাগদৰ্শক। ভাৰতীয় সংস্কৃতি হৈছে এক সমন্বয়ৰ সংস্কৃতি। আৰ্য্য, অনাৰ্য্য, মংগোলীয়, দ্ৰাবিড় ইত্যাদি বিভিন্ন সংস্কৃতিৰ সোঁত লগ লাগি ভাৰতীয় সংস্কৃতিৰ সাগৰ গঢ়ি উঠিছে। সেয়েহে ইয়াত অনৈক্যৰ মাজত ঐক্য বিৰাজমান বুলিও কোৱা হয়। সভ্যতাৰ প্ৰাক্ক্ষণতেই ভাৰতত বেদৰ আৱিৰ্ভাৱ হৈছিল আৰু সেই বেদকেই সাৰোগত কৰি ভাৰতীয় সংস্কৃতিৰ ক্ৰমবিকাশ ঘটিছে। কিয়নো বেদত বিভিন্ন দেৱ-দেৱীৰ পূজা-পাৰ্বণ, যাগ-যজ্ঞৰ লগতে ধৰ্ম তথা দৰ্শনৰ বিস্তৃত বিৱৰণ সন্নিবিষ্ট হৈ আছে। যাৰ আধাৰতেই বৰ্তমানেও ভাৰতীয় ধৰ্মীয় সংস্কৃতি ক্ৰমে বিকশিত হৈছে। ভাৰতীয় মানুহৰ জীৱন কালত তথা জীৱনান্তৰ পিছতো প্ৰচলিত বিভিন্ন সংস্কৰমূলক কৰ্ম বেদৰ আধাৰতেই প্ৰচলিত। ঋক্‌বেদৰ মন্ত্ৰত এটা উজ্জ্বল সমৃদ্ধিময় জীৱন আৰু এখন সমাজৰ প্ৰকৃত ছবি প্ৰতিফলিত হয়। আমাৰ সমাজত বৰ্তমানো বেদ আধাৰিত সমাজ ব্যৱস্থা প্ৰচলিত হোৱা দেখা যায়। বৈদিক যুগৰ সমাজ ব্যৱস্থা পিতৃ প্ৰধান আছিল। পিতৃৰ নিৰ্দেশতে স্ত্ৰী, পুত্ৰ, বোৱাৰী আদিয়ে সুখেৰে জীৱন-যাপন কৰিছিল। বৰ্তমানো ভাৰতবৰ্ষত এই প্ৰথা বিৰাজমান হৈ আছে। আনকি আমাৰ আৰ্থিক জীৱনতো বেদৰ প্ৰভাৱ পৰিলক্ষিত হয়। বৈদিক কালত অৰ্থ উপাৰ্জনৰ মাধ্যম আছিল প্ৰধানতঃ কৃষি, শিল্প আৰু পশুপালন। যদিও বৰ্তমান যুগৰ সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ ফলস্বৰূপে এই ব্যৱস্থা কিঞ্চিৎ পৰি ৱৰ্তন হোৱা পৰিলক্ষিত হয় তথাপি কৃষি প্ৰধান ভাৰতবৰ্ষই কৃষি, শিল্প-সংস্কৃতি, পশুপালন ইত্যাদিকে প্ৰাধান্য দিছে আৰু লাভাম্বিত হৈছে।

সাহিত্য, সংস্কৃতিৰ প্ৰবাহো ভাৰতবৰ্ষৰ উচ্চ মানদণ্ডৰ। বৈদিক যুগৰ পৰৱৰ্তি কালছোৱাত ৰচিত হোৱা বিভিন্ন উচ্চমানৰ গ্ৰন্থসমূহৰো উৎপত্তিৰ মুল শ্ৰোত হিচাপে বেদকেই ক'ব পাৰি। বৈদিক সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত হোৱা ভাৰতীয় আদৰ্শত এক নৈতিক আদৰ্শ প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়। সেয়েহে ভাৰতীয় সকলৰ মাজত অহিংসা, সততা, সদাচাৰ, পৰোপকাৰ, নৈতিকতা আদি মহৎ গুণসমূহ দেখিবলৈ পোৱা যায়। ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থাৰ ক্ষেত্ৰতো বেদৰ প্ৰভাৱ মন কৰিবলগীয়া। ভাৰতবৰ্ষৰ প্ৰাচীন গুৰুকুলীয়া শিক্ষাৰ ক্ৰমবিকাশেই হৈছে বৰ্তমানৰ এই শিক্ষা ব্যৱস্থা। প্ৰাচীন কালত গুৰুগৃহত শিকোৱা বিভিন্ন শিক্ষা, কৰ্ম তথা সমাৱৰ্তনৰ সময়ত দিয়া গুৰুৰ উপদেশ যেনে— সত্য কৰা, ধৰ্ম আচৰণ কৰিবা, পিতৃ-মাতৃ, আচাৰ্য্য তথা অতিথিক দেৱতা স্বৰূপে জ্ঞান কৰিবা ইত্যাদি নীতিজ্ঞানমূলক উপদেশ তথা বিভিন্ন ধৰণৰ মুল্যবোধ সম্পৰ্কে জ্ঞান বৰ্তমানেও আমাৰ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থাত প্ৰচলিত স্নাতক ডিগ্ৰী অৰ্থাৎ স্নাতক শব্দটোও প্ৰাচীন গুৰুকুলীয়া শিক্ষাৰ পৰাই আহিছে। ভাৰতীয় সংগীতৰ ক্ষেত্ৰও হ'ল বেদাশ্ৰিত। সামবেদত উল্লেখিত বিভিন্ন সংগীত সুত্ৰৰ পৰাই ভাৰতীয় সংগীতৰ ক্ৰমবিকাশ হৈছে। বৰ্তমান প্ৰচলিত ভাৰতীয় উচ্চাংগ শাস্ত্ৰীয় সংগীত ইয়াৰেই ফল। শিক্ষা, কৰ্ম, সংগীত আদিৰ উপৰিও চিকিৎসাৰ ক্ষেত্ৰতো বেদৰ এক উল্লেখযোগ্য ভূমিকা আছে। অথৰ্ববেদত বিভিন্ন ৰেমাৰৰ বিভিন্ন বিধানৰ কথা উল্লেখ আছে। ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰও অথৰ্ব বেদত উল্লেখিত বিভিন্ন ৰেমাৰৰ বিধানৰ ক্ৰমবিকাশৰ ফল বুলি ক'ব পাৰি।

প্ৰকৃততে কবলৈ গ'লে ভাৰতীয় সাহিত্য, ভাষা, শিক্ষা, ধৰ্ম, ৰাজনীতি, বাণিজ্য, সংগীত আদি সকলোৰে মূলতেই হ'ল প্ৰাচীন অপৌৰুষেয় শাস্ত্ৰ বেদ। সেয়েহে আমি আমাৰ সংস্কৃতিৰ প্ৰবাহক, সৰ্বতো প্ৰকাৰৰ সংস্কৃতিৰ উত্থানৰ মূল গ্ৰন্থখনক সন্মান কৰা উচিত। ❑

# 'দক্ষিণ কামৰূপৰ সুৰঁৰি উৎসৱ'

✍ অৰ্চনা কলিতা
*অধ্যাপিকা, ৰাজনীতি বিভাগ*

বসন্তৰ আগমনে প্ৰকৃতিক জীপাল আৰু সেউজী কৰি তোলাৰ লগে লগে অসমীয়া লোকৰ মন প্ৰাণ জীপাল হৈ পৰে। অসমৰ প্ৰতিটো উৎসৱত ধনী-দুখীয়া প্ৰতিজন আনন্দত বিভোৰ হৈ পৰে। দক্ষিণ কামৰূপৰ প্ৰচলিত বসন্ত উৎসৱ হৈছে সুঁৱৰি। সুঁৱৰি শব্দৰ অৰ্থ হৈছে সোঁৱৰা বা স্মৰণ কৰা। ব'হাগৰ বিভিন্ন দিনত স্থান ভেদে এই উৎসৱ পালন কৰা হয়। সুঁৱৰি উৎসৱত শিশু কৃষ্ণৰ বাবে নন্দৰ ভাৰ্যা যশোদাৰ দধিমথন আৰু কৃষ্ণৰ চল-চাতুৰীক জনসাধৰণে স্মৰণ কৰে বাবে সুৰঁৰি বুলি কোৱা হয়। এই উৎসৱ দক্ষিণ কামৰূপৰ লংকেশ্বৰ, ধাধাপুৰ, আগচিয়া, পাৰ্লি, পলাশবাৰী, মিৰ্জা, ৰামপুৰ, সৰপাৰা, নহিৰা, ছয়গাওঁ, বকো, লোহাৰঘাট, ভেলেৰা আদি বিভিন্ন স্থানত পালন কৰা হয়। এই উৎসৱটি সাধাৰণতে গাৱঁৰ সত্ৰ, ৰাজহুৱা মন্দিৰ বা নামঘৰ অথবা মুকলি পথাৰত অনুষ্ঠিত কৰা হয়।

সুৰঁৰি উৎসৱৰ দিনা সুৰঁৰি স্থানত দেৱতাৰ বিগ্ৰহ স্থাপন কৰা হয়। সুৰঁৰি পৰিচালনা কমিটিৰ নিৰ্দেশমৰ্মে বাবে বৰণীয়া সংস্কৃতিৰ আয়োজন কৰা হয়। শংখ, ঘন্টা,ডবা,উৰুলিৰ ধ্বনিৰে ভগৱানক অস্থায়ী বিগ্ৰহত স্থাপন কৰা হয়। ৰাইজে বিগ্ৰহৰ সন্মুখত ধুপ-ধুনা, চাকি, ফুল আগবঢ়াই সেৱা জনায় সকলোৱে মংগল কামনা কৰে। লগতে হোম-যজ্ঞ, পূজা-পাঠ কৰে।

সুৰঁৰি উৎসৱৰ বিশেষ আকৰ্ষণ হ'ল---- 'দধিমথন' নাট প্ৰদৰ্শন কৰা। দধিমথন নাট প্ৰদৰ্শনত মণ্ডপস্থলি কলগছ সহিতে বং বিৰঙৰ কাগজেৰে সজোৱা হয়, ইয়াক মথনিশাল বুলি কোৱা হয়। মথনিশালৰ ঠায়ে ঠায়ে দৈৰ টেকেলি, কল আদি আঁৰি দিয়া হয়।

অভিনয় প্ৰদৰ্শনৰ সমূহ চৰিত্ৰসহিতে খুলীয়া দলৰ সহায়ত অভিনয় আৰম্ভ কৰা হয়। শিশু, কৃষ্ণ, বলোৰাম আৰু গোপিনীসহ নৃত্যৰ ভংগীমাৰে দধিমথন আৰম্ভ কৰে।

শিশুকৃষ্ণই ভোকাতুৰ হৈ মাক যশোদাক গাখীৰ খোজে আৰু যশোদাই দধিমথন এৰি স্তনপান কৰাই। এই কাৰ্যত বাকী গোপীসবৰ খং উঠি কৰ্কথনা কৰে। তেতিয়া যশোদাই আকৌ দধিমথনত ব্যস্ত হয়। এনেতে সূত্ৰধাৰে গায়—

সূত্ৰধাৰ ঃ—অ হে সভাসদ, আজি এই সভাৰ মাজত গোপীসবে দধিমন্থন কৰিব। তাক সবেও দেখহ শুনহ নিৰন্তৰে হৰি হৰি বোল;

সূচনা ঃ---- *এহিমতে গোপীগনে কৰি আগমণ;*
*দধি মথিবা প্ৰতি কৈলা আয়োজন।।২*
-ঃ মন্থন আৰম্ভ ঃ-

দিহ ঃ---- *হে গোপীসৱে, হে গোপীসৱে লোৱে হৰি নাম।*
*মথন্তে মথন্তে দধি দুগ্ধ ভাণ্ডি যায়।। হে*

পদঃ---- *হৰি গুণ গায়া দধি মথতে লাগয়।*
*কৃষ্ণক খাৱক লাগি মন্থন কৰয়।। হে*
*কৃষ্ণক পায়া সব গোপীৰ ভুলি গৈলা মন।*
*এহি ৰূপে ক্ৰমে চিতে আনন্দিত মন।। হে*
*প্ৰেমকুল হৈয়া গোপী বাহ্যজ্ঞান ভৈলা।*
*শিশুৰূপে সেই বেলা কৃষ্ণক দেখিলা।। হে*

যশোদাই কৃষ্ণক কোলাৰ পৰা নমাই দিয়াত কৃষ্ণই খং কৰি গোটেইবোৰ দধিৰ ভাণ্ড ভাঙি লণ্ড-ভণ্ড কৰি পেলোৱাত যশোদাৰ খং উঠি কৃষ্ণক এশিকনী দিবৰ বাবে কৃষ্ণৰ পাছে পাছে খেদি যায়। অৱশেষত যশোদাই কৃষ্ণক ৰছীৰে উড়লত বান্ধে আৰু লগে লগে কৃষ্ণই কান্দি কান্দি অনুনয় বিনয় কৰে। এনেদৰে বিনাই বিনাই ৰাইজৰ ওচৰেৰে ঘূৰে আৰু তেতিয়া ৰাইজ ৰ বিভিন্নজনে কামনা সিদ্ধিৰ বাবে কৃষ্ণৰ চৰণ স্পৰ্শ কৰি সেৱা লয়।

এইখিনিতে দধিমথনত মণ্ডপত আঁৰি দিয়া দৈৰ টেকেলিৰ দৈ আৰু কল বান্দৰৰ ভাও লোৱা কেইটাই আধা খাই আধা ৰাইজলৈ দলিয়াই দিয়ে।

সুৰঁৰি অনুষ্ঠানত বাৰ গোপাল বহুওঁৱা হয়। সুৰঁৰি স্থলিত বাৰগোপালৰ বাবে বিশেষ আসনৰ ব্যৱস্থা কৰা হয়। ভক্তপ্ৰাণ ৰাইজে মিঠাই আৰু বিভিন্ন সামগ্ৰী আগবঢ়ায় সেৱা জনায় আৰু বাৰগোপালে ওঁঠ বজাই ইৰি-ইৰি কৰি ৰাইজক আশীৰ্বাদ দিয়ে।

**সুৰঁৰি উৎসৱৰ সৈতে জড়িত লোকবিশ্বাস ঃ** ৰাইজৰ মংগলৰ বাবে সুৰঁৰি উৎসৱ অনুষ্ঠিত কৰা হয়। এই উৎসৱৰ জৰিয়তে খেতিয়ক ৰাইজে খেতি-বাতিৰ প্ৰচুৰতা বৃদ্ধিৰ কামনা কৰে। কোনো সন্তান নোহোৱা বা পুত্ৰ সন্তান নথকা নাৰীয়ে দধিমথন উৎসৱত শ্ৰীকৃষ্ণৰ চৰণত শৰাই আৰু বাৰগোপালৰ ওচৰত মিঠাই আদি আগবঢ়াই আশীৰ্বাদ লয়। এনে কৰিলে আশা কৰা ফল লাভ কৰে বুলি আমাৰ জনসমাজে বিশ্বাস কৰে। কোনো ছোৱালীয়ে যদি অলপ বেছি বয়সলৈ কন্যাকাল নোপোৱাকৈ থাকে তেন্তে সেই ছোৱালীজনীক সুৰঁৰি উৎসৱত গোপিনী সাজি দিলে সোনকালে কন্যাকাল বা পুষ্পিতা হয় বুলি লোক বিশ্বাস আছে।

দক্ষিণ কামৰূপৰ বহু অঞ্চলত কোনো ডেকা-গাভৰুৰ মন মিলিলে ঘৰৰ আপত্তি হ'লে সুৰঁৰিৰ দিনাখন ৰাইজৰ সন্মুখত সুৰঁৰিস্থলীত মালা দি বিবাহ পাশত আৱদ্ধ হয় আৰু তেতিয়া সিহঁতক কোনেও বাধা দিব নোৱাৰে।

**সুৰঁৰি সমন্বয়ৰ উৎসৱ ঃ** দক্ষিণ কামৰূপৰ সুৰঁৰি উৎসৱে জাতি-জনজাতি বিভিন্ন সম্প্ৰদায়ৰ মাজত মিলা-প্ৰীতিৰ বান্ধোন সবল কৰি তোলে। এই উৎসৱত সন্মিলিত ব্যক্তিৰ জাত-পাত, উচ্চ-নীচ, ধৰ্মীয় গোড়ামিৰ স্থান নাই। 'দক্ষিণ কামৰূপত জনসাধাৰণৰ মাজত সময়ে সময়ে সৃষ্টি হোৱা বিভেদৰ ভাৱ আঁতৰ কৰাত এই সুৰঁৰি উৎসৱে অবিহণা আগবঢ়াই আহিছে। ❑

❑ ❑ ❑

# মাতৃ ভাষাৰ অৱনতি

✍ শিখামণি ঠাকুৰীয়া
*উ ঃ মা ঃ ১ম বাৰ্ষিক*

আমাৰ মাতৃভাষা অসমীয়া। সপ্তদশ শতিকাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰচলিত সকলো ভাষাৰ মাজত ' অসমীয়া' ভাষাই সুকীয়া স্থান দখল কৰিছিল।

বৰ্তমান আমাৰ মাজৰ একাংশ লোকৰ ধাৰণা যে অসমীয়া ভাষাৰে নিজকে পৰিচয় দিব নোৱাৰি। পৰিচয় দিলে লজ্জাৰ কথা। এনে কিছুমান মনোভাৱে গা কৰি উঠিছে। যাৰ বাবে অভিভাৱকে মা-দেউতাৰ বুলি সম্বোধন ধৰাৰ বিপৰীতে সন্তানক 'মামী পাপা' বুলি মাতিবলৈ শিকায়। সন্তানক অসমীয়া মাধ্যমৰ সলনি ইংৰাজী মাধ্যমত নামভৰ্ত্তি কৰায়। থলুৱা ভাষা পূৰ্বৰ অৰ্থপূৰ্ণ শব্দবোৰ আজি এৰাই চলাৰ লগা অৱস্থা হৈছে। ব্যক্তি কেন্দ্ৰিক মনোভাৱ, আধুনিকতাৰ চিন্তাই মানুহৰ মাজত বিৰাজমান আন্তৰিকতাৰ দূৰত্ব যেন বৃদ্ধি কৰিব লৈছে মোৰ এয়া অনুভৱ। আজিৰ অসমীয়াই যেন নিজকে পাহৰি গৈছে। আমাৰ মাতৃভাষাই আজি এলাগী হ'ব লগা হৈছে। আজিৰ যুৱক যুৱতীয়ে আধুনিক সংস্কৃতিবান বুলি নিজকে পৰিচয় দিবলৈ গৈ অসমীয়া ভাষাৰ দুৰ্যোগ অথবা বেয়াৰ ফালে ধাৱমান হৈছে। মই এইটো ক'ব খোজা নাই যে অসমীয়া ভাষাক পূৰ্ণ মৰ্যদা প্ৰদান কৰিব লাগে লগতে ইংৰাজী ভাষাক হেয় চকুৰে চাব লাগে। সকলো ভাষাকে সমানে আগবঢ়াই নিয়াটোহে দায়িত্ব আমাৰ। অভিভাৱকে সন্তানক যান্ত্ৰিকতাৰ দৰে পৰিচালিত নকৰি এজন সুস্থ সবল মানুহ হোৱাৰ বাবে চেষ্টা কৰিব লাগে। বৰ্তমানৰ প্ৰতিযোগিতাৰ যুগত নিজ সন্তানক আনৰ লগত প্ৰতিযোগিতাৰ মনোভাৱ লৈ চেপি-খুন্দি মাৰিছে। এই বোৰ ভ্ৰান্তি বোধ আঁতৰাই পেলোৱা উচিত। অসমীয়াত্বৰ বিৰুদ্ধে চলি থকা বৈষম্যমূলক আঁচৰণ তথা শাস্তিপ্ৰদানৰ দৰে এক মানসিক বিকাৰ। সকলো ভাষা আমি জনা বা শিকা উচিত। মাতৃভাষাই হ'ল শ্ৰেষ্ঠতম মাধ্যম। একাংশ লোকৰ মনত থকা ঠেক মানসিকতা আঁতৰাই বহল দৃষ্টি ভংগীৰে চাব লাগে তথা এই অসমীয়া ঐতিহ্যমণ্ডিত ভাষাক যুগৰ লগত খাপখোৱাকৈ সদায় জীয়াই ৰাখিব লাগে। লগতে প্ৰতিজন অসমীয়াই মনত ৰখা উচিত যাতে এই ভাষাই নিজৰ স্বকীয় ৰূপ হেৰাই যাব লগীয়া নহয়। আহক আমি এখন সুস্থ সবল সুখময় সমাজ গঢ়ি তোলো। এয়াই আমাৰ কাম্য। ❑

# ইছলাম সম্প্ৰদায়ৰ ধৰ্মীয় উৎসৱ ‘ঈদ-উল-ফিতৰ’ আৰু ইয়াৰ ঐতিহাসিক তাৎপৰ্য

✍ মিছ লিলিমা বেগম
*স্নাতক, ৫ম ষাণ্মাসিক*

ইছলাম ধৰ্মীলোকসকলৰ এক পবিত্ৰ উৎসৱ হৈছে ‘ঈদ’। সাধাৰণতে, ইছলাম ধৰ্মৰ আটাইতকৈ ডাঙৰ আৰু প্ৰধান উৎসৱ দুটা হৈছে— ‘ঈদ-উল-ফিতৰ আৰু ‘ঈদ-উল-জুহা”। বছৰটোৰ ভিতৰত তেওঁলোকে এই দুয়োটা ঈদ সাৰ্বজনীন ভাৱে আৰু অতি উলহ-মালহেৰে পালন কৰে। ইয়াৰে ‘ঈদ-উল-ফিতৰ’ “দান কৰা উৎসৱ”, “ইফতাৰৰ আনন্দ উৎসৱ” আৰু এই ঈদ ৰমজান মাহৰ শেষত পালন কৰা হয় বাবে ইয়াক “ৰমজান ঈদ” বুলিও কোৱা হয়। ‘ৰমজান’ হৈছে বিশ্বৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ আৰবী মাহজোৰা পবিত্ৰ উৎসৱ। “ৰমজান” শব্দটো আহিছে “ৰমজ” শব্দ বা ধাতুৰ পৰা। ইয়াৰ অৰ্থ হ’ল— “পোৰা বা দহন কৰা”। বছৰটোৰ সম্পূৰ্ণ এঘাৰ মাহৰ বৈধ ভোগৰ স্বাধীনতা উপভোগৰ অন্তত ত্যাগ, আত্মসংযম, সহিষ্ণুতা আৰু পবিত্ৰতাৰ মহান উদ্দেশ্যে ৰমজান মাহৰ ৰোজা ইছলাম ধৰ্মাৱলম্বী লোকসকলে পালন কৰে। ৰোজা হৈছে— ইছলাম ধৰ্ম অনুসৰি— ‘সম্পূৰ্ণ এটা দিন পুৱতি নিশাৰ পৰা সন্ধিয়া সূৰ্য অস্ত যোৱালৈ উপবাসে থাকি সকলো ধৰণৰ উপভোগ ত্যাগ কৰি পবিত্ৰ আৰু আত্ম সংযমেৰে থকা’। ৰমজান মাহত পালিত ৰোজাৰ দ্বাৰা মানুহৰ ব্যক্তিগত জীৱনত আত্ম সংযমৰ অভ্যাস গঢ়ি উঠে। ই ব্যক্তিৰ চৰিত্ৰ সংশোধনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰোজাই ইছলাম ধৰ্মাৱলম্বী লোকসকলোৰ সহিষ্ণুতাৰ পৰিচয় দিয়ে। ই মানুহৰ সকলোবোৰ প্ৰবৃত্তি দমন কৰি একমাত্ৰ আল্লাহৰ অনুগত কৰোৱায়। ৰোজাই ধনী-দুখীয়াৰ মাজত সমধৰ্মিতা উপলব্ধি কৰায়। এইদৰে সম্পূৰ্ণ এটা মাহ উপবাসে থকাৰ লগতে সকলো ধৰণৰ উপভোগ তথা বিলাসিতাৰ পৰা আঁতৰি থাকি “ঈদ-উল-ফিতৰ”ৰ চান্দ (জোন) চাই ৰোজা ভাঙি ৰমজান মাহৰ সামৰণি মৰা হয়। পিছদিনা “ফিত্ৰা” অৰ্থাৎ (ইছলাম ধৰ্মাৱলম্বীলোকৰ দেহৰ বাৰ্ষিক খাজানা) আৰু “জাকাত” (দান) আদি দুখীয়া নিঃস্বকলক আদায় দিয়াৰ অন্তত “ঈদ-উল-ফিত্ৰ”ৰ দুই ৰাকাত সমূহীয়া নামাজ পঢ়ি পবিত্ৰ ৰমজান মাহক সম্পূৰ্ণ এটা বছৰৰ বাবে বিদায় দিয়া হয়।

সাধাৰণতে, ইছলাম ধৰ্মৰ ‘ঈদ-উল-ফিত্ৰ’ৰ উৎপত্তিগত তাৎপৰ্য হৈছে যে— ইছলাম ধৰ্মৰ প্ৰচাৰক হজৰত মহম্মদে ইফতাৰ কৰিছিল দীৰ্ঘ এমাহ ব্যাপি “ছিয়াম” (ৰোজা) সাধনাৰ অন্তত। তেওঁ ইফতাৰ কৰিছিল ‘ঈদ-উল-ফিত্ৰ’ৰ প্ৰত্যুষত শুই উঠিয়েই। তেওঁ ঈদৰ দিনটো পাৰ কৰিছিল নামাজ ইবাদত আৰু আনন্দ উৎসৱৰ মাজেদি। কোৰেইছ সকলৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি হজৰত মহম্মদে মক্কাৰ পৰা মদিনালৈ ৬২২ খ্ৰীষ্টাব্দত ১৬ জুলাইত “হিজৰত” (গমন) কৰিছিল, লগত হজৰত আবুবক্কৰ ছিদ্দিকো গৈছিল। সেই তাৰিখৰ পৰা আৰবীৰ হিজৰী চন আৰম্ভ হয় আৰু এই মদিনাতে হজৰত মহম্মদে পোন প্ৰথমে “ঈদ-উল-ফিতৰ” পালন কৰে। সেই সময়ত মদিনাবাসীয়ে “মেহেৰজান” আৰু “নিৰোজ” নামৰ এই দুটি উৎসৱ পালন কৰিছিল। হজৰত মহম্মদে এই দুটি উৎসৱৰ পৰিবৰ্তে মদিনাবাসীক “ঈদ-উল-ফিতৰ” আৰু ‘ঈদ-উল-জুহা” পালন কৰিবলৈ আদেশ দিয়ে। এইদৰে ঐতিহাসিক তথ্য অনুসৰি জনা যায় যে— ৬২৪ খ্ৰীষ্টাব্দৰ পৰা ঈদ উৎসৱ প্ৰতিবছৰে পালন কৰি অহা হৈছে।

“ঈদ-উল-ফিতৰ” শব্দৰ অৰ্থ হৈছে— “ঈদ” মানে— ‘উৎসৱ’ আৰু “ফিতৰ” মানে হৈছে— ‘দান কৰা’, অৰ্থাৎ ‘দান কৰা উৎসৱ’। ঈদ হৈছে— মানুহৰ কল্যাণ কামনাৰ দিন। ঈদ মিলনৰ উৎসৱ আৰু ই ভেদাভেদ শূণ্য, হিংসা, বিদ্বেষ পৰিহাৰ কৰি এখন সু-সংঘবদ্ধ নিকা সমাজ গঢ়ি তোলে। এই উৎসৱত ধনী দুখীয়াৰ মাজত কোনো পাৰ্থক্য দেখা নাযায়। ই শান্ত, পবিত্ৰ আৰু শৃংখলাৰ উৎসৱ। এই উৎসৱৰ শিক্ষা আৰু আদৰ্শৰ মূলতে হৈছে—‘সাম্য’, ‘ত্যাগ’ আৰু ‘সহিষ্ণুতা’। ইছলাম ধৰ্মাৱলম্বীসকলে ‘ঈদ-উল-ফিতৰ’ উৎসৱ অতি উলহ-মালহেৰে পালন কৰে। তেওঁলোকে ৰমজান মাহৰ প্ৰতিটো ধৰ্মীয় ৰীতি-নীতি, পৰম্পৰা পালন কৰে, ৰোজা ৰাখে, নামাজ পঢ়ে, কোৰাণ-শ্বৰীফ পঢ়ে ইত্যাদি। ইছলাম ধৰ্মীয় ৰীতি অনুসৰি তেওঁলোকে পিছৰাতি উঠি ‘ছেহৰী’ অৰ্থাৎ আহাৰ খায় ৰোজা ৰাখে আৰু সন্ধিয়া হোৱাৰ আগেয়ে ইফতাৰ কৰি ৰোজা ভংগ কৰে। ৰমজান মাহত দুখীয়া নিছলাক বিশেষভাৱে সহায় কৰে। ইয়াৰ উপৰি ধৰ্মীয় নীতি অনুসৰি প্ৰত্যেক পৰিয়ালে নিজৰ পৰিয়ালৰ প্ৰত্যেকজন সদস্যৰ বাবদ ১ কিলো ৬৩৩ গ্ৰাম অৰ্থাৎ ১৬৩৩ গ্ৰাম ঘেঁহুৰ বজাৰ মূল্যৰ সমান ধন দুখীয়া নিছলাসকলোক বিতৰণ কৰে। সময়ৰ লগে লগে ঘেঁহুৰ দাম যিমান পৰিমাণৰ বৃদ্ধি পায় সিমান পৰিমাণৰে ধন প্ৰতিবছৰে দুখীয়াক বিতৰণ কৰা হয়। ইছলাম সমাজত ইয়াক ‘ফিত্ৰা’ আদায় কৰা বোলে। মহিলাসকলে ঈদৰ আগেয়ে ৰমজান মাহত ঘৰতে বিভিন্ন ধৰণৰ খাদ্য প্ৰস্তুত কৰে, যেনে— পায়স, চেঁৱৈ, লাড়ু, পিঠা ইত্যাদি। ঈদৰ দিনা তেওঁলোকে ঘৰুৱা জলপানেৰে অতিথিক আপ্যায়ন কৰিবলৈ





ভাল পায়। সেইদিনা ৰাতিপুৱা সকলোৰে গা-পা- ধুই সন্মুৰে ডাঙৰক ভৰি চুই ছালাম জনাই আৰু ডাঙৰেও সৰুসকলক আশীৰ্বাদ কৰে। ইয়াৰ পিছত পুৰুষসকলে মছজিদত গৈ একেলগে সমূহীয়া ভাৱে ঈদৰ নামাজ পঢ়ে। নামাজৰ পিছত এজনে আনজনক সাৱটি ঈদৰ শুভেচ্ছা জনাই আৰু দুখীয়াক খোৱাবস্তু, টকা-পইচা আদি দান কৰে। এইদৰে ইছলাম সম্প্ৰদায়ৰ লোকসকলে “ঈদ-উল-ফিতৰ” উৎসৱ অতি উলহ-মালহেৰে পালন কৰে।❑

❑ ❑ ❑

# এইড্‌ছ

✍ স্মৃতি কলিতা
*উঃ মাঃ ১ম বাৰ্ষিক*

আধুনিক যুগৰ আটাইতকৈ ভয়াবহ ৰোগ হৈছে এইড্‌ছ ৰোগ। পৃথিৱীৰ প্ৰায়বোৰ দেশতে এই ৰোগত মানুহ আক্ৰান্ত হৈছে। বসন্ত, কলেৰা, প্লেগ আদি ৰোগতকৈ এই ৰোগে বেছি ভয়াবহ ৰূপ ধাৰণ কৰিছে। ৰাষ্ট্ৰসংঘৰ এটি সমীক্ষা মতে এই ৰোগত সমগ্ৰ বিশ্বত প্ৰতি বছৰে বিশ লাখ আশী হাজাৰ লোক মৃত্যু মুখত পৰে।

এইড্‌ছ ভাইৰাছজনিত এবিধ ৰোগ, যি দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নষ্ট কৰে। এইড্‌ছ এই নামটো আহিছে ইংৰাজীত একোৱাৰড ইম্যিউন্‌’ ডেফিচিয়েন্সি ছিনড্ৰম (Aquired Immuno Deficiency Syndrome) এই কথাখিনি চমুকৈ AIDS (এইড্‌ছ) বুলি লিখা আৰু কোৱা হয়। সংক্ৰামক বীজাণুজনিত বেছিভাগ ৰোগৰ ঔষধ প্ৰয়োগ কৰি নিয়ন্ত্ৰণ কৰিব পৰা যায়। বহুৰোগ প্ৰতিষেধক ছিটাৰ সহায়ত প্ৰতিৰোধ কৰিবও পাৰি, কিন্তু এইড্‌ছ ৰোগৰ বাবে প্ৰতিষেধক এতিয়ালৈকে আৱিষ্কাৰ হোৱা নাই।

এই ৰোগ অতি পুৰণি বুলি জনা যায় যদিও ১৯৮১ চনতহে ইয়াক প্ৰথমে এইড্‌ছ বুলি চিনাক্ত কৰা হয় আৰু ১৯৮৪ চনতহে ‘এইচ আই ভি’ ভাইৰাছক এই ৰোগৰ কাৰণ বুলি প্ৰমাণ কৰা হয়। এইৰোগ এজন মানুহৰ শৰীৰৰ পৰা আন এজনৰ শৰীৰলৈ বিয়পে।

চাৰি প্ৰকাৰে এই ৰোগৰ বীজাণু এজন মানুহৰ শৰীৰৰ পৰা আন এজনলৈ সংক্ৰমিত হ’ব পাৰে। এই ৰোগৰ বীজাণু থকা লোকৰ লগত যৌন সংসৰ্গৰ জৰিয়তে এই সংক্ৰামণ আটাইতকৈ বেছি বিয়পে। যৌন জীৱনৰ বহুগামিতাৰ ফলত আটাইতকৈ বেছি বিয়পে। তদুপৰি এইড্‌ছ আক্ৰান্ত মাতৃৰ শৰীৰৰ পৰাও গৰ্ভস্থ সন্তানৰ শৰীৰলৈ এইড্‌ছ সংক্ৰমণ হ’ব পাৰে। অস্ত্ৰোপচাৰৰ সহায়ত ৰোগীক দিয়া দূষিত তেজৰ জৰিয়তেও এই ৰোগ হ’ব পাৰে। এইড্‌ছৰ বীজাণুৱে আক্ৰান্ত কৰা লোকৰ তেজ যদি নিৰোগী লোকক দিয়া হয়, তেনেহলে এই ৰোগ বিয়পে। আনহাতে বেজীৰ সহায়ত যিবোৰ যুৱক-যুৱতীয়ে ড্ৰাগছ্‌ বা নিচাযুক্ত ঔষধ ব্যৱস্থা কৰে তেওঁলোকৰ ক্ষেত্ৰতো এনে ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি হয়।

এইড্‌ছ বীজাণুৱে আক্ৰমণ কৰাৰ পিছতো ইয়াৰ লক্ষণসমূহ বহুদিনলৈ গম পোৱা নাযায়। শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নাইকিয়া হোৱাৰ বাবে ৰোগীজন নানা তৰহৰ বীজাণুৰ দ্বাৰা আক্ৰান্ত হয় আৰু সঘনাই কাহ, পানী লগাৰ পৰা আৰম্ভ কৰি পেটৰ অসুখ হৈ থাকে। এই সময়ছোৱাত তেওঁৰ শৰীৰৰ ওজন কমি যায়, অতি দুৰ্বল হৈ পৰে আৰু অৱশেষত মৃত্যুমুখত পৰে।

এইড্‌ছ ৰোগৰ নিৰাময়ৰ উপায় নাথাকে। সেয়েহে এই ৰোগৰ বিষয়ে সমূহ ৰাইজ তথা যুৱক-যুৱতীসকলক সচেতন কৰি তুলিবলৈ বিশ্ব স্বাস্থ্য সংস্থা আৰু বেচৰকাৰী স্বাস্থ্য বিভাগবোৰে এক ব্যাপক জনশিক্ষাৰ কাৰ্যসূচী গ্ৰহণ কৰাটো অতি আৱশ্যকীয় কথা হৈ পৰিছে।

ৰোগ সম্পৰ্কে থকা শিক্ষা আৰু সচেতনতাই এই ৰোগ প্ৰতিৰোধ কৰাত বহুত সহায় কৰিব পাৰে। ড্ৰাগছ্‌ সেৱনৰ বিৰুদ্ধে অভিযান, যৌন ব্যাধি আৰু যৌন সংসৰ্গৰ বিৰুদ্ধে সচেতনতা আদিৰ সম্পৰ্কে শিক্ষা, ৰক্তদানৰ ক্ষেত্ৰত লবলগীয়া সাৱধানতা আৰু ৰক্ত দাঁতা সকলক বাধ্যতামূলক এইড্‌ছৰ বীজাণুৰ বাবে পৰীক্ষা কৰাটো এইড্‌ছ প্ৰতিৰোধ কাৰ্যসূচীৰে অন্যতম অংশ হোৱা উচিত। এনেদৰে এক ব্যাপক জনশিক্ষা অভিযানৰ দ্বাৰা এনে ৰোগ বিয়পাত বহুপৰিমাণে বাধা দিব পৰা যায়। আমাৰ দেশৰ স্কুল-কলেজ আদিৰ লগতে জনসাধাৰণৰ মাজত প্ৰচাৰ অভিযানৰ দ্বাৰা এনে ৰোগৰ বিষয়ে সচেতনতা সোনকালে গঢ়ি তোলা প্ৰয়োজন।

এইড্‌ছ আক্ৰান্তলোকৰ বাবে জীৱন অতি কষ্টকৰ। ইমান পীড়াদায়ক লক্ষণ পৃথিৱীৰ আন কোনো ৰোগতে নাই। গতিকে প্ৰকৃতিৰ নিয়মমতে চলাই হ’ল ইয়াৰ পৰা বাচি থকাৰ একমাত্ৰ উপায়। সম্প্ৰতি চৰকাৰে এইড্‌ছ ৰোগীয়ে ব্যৱহাৰ কৰা ঔষধ বিনামূলীয়াকৈ হস্পিতালবোৰত দিয়াৰ ব্যৱস্থা কৰিছে। সময়মতে সাৱধানতা অৱলম্বন কৰি অথবা সময়মতে চিকিৎসকে দিয়া ঔষধ সেৱন কৰি এই ৰোগৰ ভয়াবহতাৰ পৰা আঁতৰি থাকিব পাৰি। ❑

# অসমৰ সাংস্কৃতিক সমন্বয় আৰু অসমীয়া বিহুগীত

✍ ভূমিকা নাথ
স্নাতকোত্তৰ, দ্বিতীয় বৰ্ষ, তৃতীয় ষাণ্মাসিক

অসমীয়া অনুষ্ঠানমূলক লোকগীতৰ অন্তৰ্গত বিহুগীতসমূহ অসমীয়া সংস্কৃতিৰ এক অমূল্য সম্পদ। অসমৰ জাতীয় উৎসৱ বিহুক বৰ অসমৰ বিহু বুলিও কোৱা হয়। অসমীয়া সংস্কৃতি কোনো এটা নিৰ্দিষ্ট জনগোষ্ঠীৰ সংস্কৃতি নহয়। এই সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। অৰ্থাৎ, অনাৰ্য, প্ৰমুখ্যে মংগোলীয়, দ্ৰাবিড়ীয় আদি নানা জাতি, উপজাতিৰ সাংস্কৃতিক সমলৰ মধুৰ সমন্বয়ত গঢ় লৈ উঠা সংস্কৃতি। ড° লীলা গগৈৰ ভাষাত "ইটোৰ বুকুত সিটো সংস্কৃতিৰ উপাদানৰ কঠীয়া গজিছে; ইটোৰ কঠীয়া অন্য এটাৰ ওপৰত সোণগুটি ধান হৈ তিৰবিৰাইছে।"

সংস্কৃতিৰ পৰিসৰ বৰ ব্যাপক। সমন্বয়কামী সংস্কৃতি সদায় গতিশীল। নানা জাতি উপজাতিৰ পৰা বিভিন্ন সমল সংগ্ৰহ কৰি সংস্কৃতিয়ে সমৃদ্ধিৰ পথত আগুৱাই গৈ থাকে। দৈনন্দিন জীৱনৰ বিভিন্ন দিশ যেনে ভাষা-সাহিত্য, উৎসৱ-পাৰ্বণ, খাদ্য-সাজপাৰ, আ-অলংকাৰ ইত্যাদিত সমন্বয়ৰ ছবি অতি স্পষ্ট। এই সমন্বয়ৰ ফলতেই অসমীয়া জাতিসত্তা গঢ় লৈ উঠিছে, লগতে অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য চিহ্নিত হৈছে। ইয়াৰ লগত যি মিলি গৈছে তেঁৱেই অসমীয়া হৈছে। জাতিগত দৃষ্টিৰ পৰা চালে দেখা যায় যে ই এখন ভিন্নৰঙী সুতাৰে বোৱা ফুলাম গামোচা।

অসমীয়াৰ বিভিন্ন অংগত সমাহৰণ প্ৰক্ৰিয়াৰ নিচিনাকৈ অসমীয়া বিহুগীততো বিভিন্ন জনগোষ্ঠীয় সমন্বয় ঘটিছে। বিভিন্ন জনগোষ্ঠীৰ বসন্তকালীন উৎসৱৰ লগত জড়িত বিহুগীতসমূহ সমন্বয়ৰ এক অপূৰ্ব নিদৰ্শন বুলিব পাৰি। অতীজৰে পৰা অসমীয়া বিহুগীতত থলুৱা জনগোষ্ঠীসমূহৰ এক সংমিশ্ৰণ দেখা গৈছে। বৰ্তমানেও বিহুগীত সমূহত বিভিন্ন জাতি জনজাতিৰ নিজস্ব ভাষাৰে গোৱা-গীতসমূহ অসমীয়া গীতত সংমিশ্ৰণ কৰি এক মধুৰ সুৰত গোৱা দেখা যায়। তদুপৰি অসমীয়া বিহুগীতত বহুতো জনজাতীয় সুৰ বৰ্তমানে দেখিবলৈ পোৱা গৈছে।

বিহুগীতসমূহ সংস্কৃতিৰ এক অনবদ্য উপাদান। ঋতুৰাজ বসন্তৰ উৎসৱমুখৰ পৰিবেশত 'শ্ৰীময়ী অসমীৰ শীতল কোলাত' অসমীয়া ডেকা গাভৰুৰ লগতে গাঁওৰ বুঢ়া মেথা সকলো আনন্দতে নাচি উঠে, ডেকা গাভৰু সকলৰ যৌৱন উথলি উঠে; 'এক কথাত ক'বলৈ গ'লে জীৱন সংগীৰ সন্ধানত নামে। বিহুগীত সমূহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা দেখা যায়। হুচৰি গীত আৰু বনগীত। হুচৰি গীতসমূহ যৌনভাৱে বৰ্জিত যৌনহীন গীত আৰু বনগীতসমূহ যৌৱনৰ উদ্দাম বাসনাৰ উন্মুক্ত প্ৰকাশ।

সাধাৰণতে দেখা যায় যে বিহুগীতৰ মূল সুৰ প্ৰণয়। অৱশ্যে বিহু অসমৰ এক কৃষি প্ৰধান উৎসৱ হোৱাৰ ফলস্বৰূপে কৃষি সম্বন্ধীয় কথাও বিহুগীতত প্ৰকাশ পোৱা দেখা যায়।

বিহু উৎসৱৰ ক্ষেত্ৰত সমন্বয়ৰ পৰিমাণ যথেষ্ট আৰু ইয়াৰ থলো বিস্তৃত। অসমীয়াই বিহুপতাৰ দৰে বিভিন্ন জনজাতীয় লোকে বসন্তকালী উৎসৱ পালন কৰে। উদাহৰণস্বৰূপে মিচিংসকলে আলি-আই-লিগাং, ৰাভা সকলে বিছুৱা, তিৱাসকলৰ 'বৈচাক বিচু' ইত্যাদি। উল্লেখযোগ্য যে সৰ্বভাৰতীয় প্ৰেক্ষাপটতো বিহু উৎসৱৰ দৰে আন আন বসন্তকালীন উৎসৱ পতা দেখা যায় যেনে— তামিলনাডুৰ 'পুংগল' কেৰেলাৰ 'বিচু' পাঞ্জাবৰ বৈশাখী ইত্যাদি উৎসৱৰ ধাৰণা অসমীয়াৰ বুকুত থকা বিহু উৎসৱৰ নিচিনা।

সাংস্কৃতিক সমন্বয়ৰ এক অপূৰ্ব নিদৰ্শন বিহুগীতসমূহৰ, জনজাতীয় সকলৰ লগত থকা বিহুগীতৰ সমন্বয় ৰাভা, তিৱা আৰু মিচিং জনজাতিৰ বিহুগীতৰ উদাহৰণৰ সহায়ত এনেদৰে বিচাৰ কৰি চাব পাৰি—

**ৰাভা জনগোষ্ঠী ঃ** ৰাভাসকল বিশ্বাত মংগোলীয় প্ৰজাতিৰ অন্তৰ্গত এটা জনগোষ্ঠী। এওঁলোক প্ৰধানকৈ কৃষিজীৱি। এই জনগোষ্ঠীত প্ৰচলিত 'বায়খো' পূজাৰ প্ৰণয়মূলক গীত "ছাথাৰ'ৰ সৈতে অসমীয়াৰ অতিকৈ চেনেহৰ ব'হাগৰ বিহুগীত গোৱা বিহুনাম আৰু বনঘোষাৰ পটভূমি আৰু বিষয়বস্তু একেটাই। উদাহৰণস্বৰূপে বিহু অহাৰ বতৰা পায় অসমীয়া ডেকা গাভৰুৰ গাত তত্ নাইকীয়া হয়, গা-বায় জায় কৰে। তেনে এফাকিগীত হ'ল—

*বিহু আনন্দীয়া বিহু বিনন্দীয়া*
*বিহুৰ মৌসনা মাত*
*বিহুৰ বা লাগি বিহুৱা কৰকাই ঐ*
*দেওধ্বনি লাগিছে গাত।"*

ঠিক একেদৰে ৰাভা জনগোষ্ঠীৰ মাজতো এক গীত প্ৰচলিত—

*"ৰাংগ্ৰে চাংচোং গিতি হান্দাৰ*
*বায়খো ছানা নেমা।*
*নেকি তোঙা নামদং বা (চালে)*
*লি গীতাঙান প্ৰাওৱা।।"*

অৰ্থাৎ পূৰ্ণিমাৰ জোনাক ৰাতিয়ে হওঁক বা ঘোপ মৰা আঁউসীৰ নিশাই হওঁক বায়খো উছৱ আহিলেই গা-মন বায়-জায় কৰে। যৱত সোমাই থাকো বুলি ভাবিলেও লগৰ সমনীয়াই থাকিব নোৱাৰা কৰে।

ইয়াৰ উপৰিও অনেক গীত ৰাভাসকলৰ মাজত আছে। যিবোৰ গীত অসমীয়া বিহুগীতৰ লগত সাদৃশ্য আছে। গতিকে দেখা যায় যে কিৰাত, মংগোলীয় প্ৰজাতিৰ পৰা অহা ৰাভাসকলে অসমৰ সংস্কৃতিৰ লগত মিলি একাকাৰ হৈছে তথা অসমৰ জাতীয় উৎসৱ বিহুক আঁকোৱালী লৈ সমন্বয়ৰ এক যোগসূত্ৰ স্থাপন কৰিছে।

**তিৱা জনগোষ্ঠী ঃ** মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত চীন-তিব্বতবৰ্মী শাখাৰ অন্তৰ্গত তিৱা জনগোষ্ঠী। তিৱা জনগোষ্ঠীক লালুং নামেৰেও জনা যায়। বিহু উৎসৱৰ সমৃদ্ধি তথা উত্তৰ বিকাশত এই জাতিৰ অৱদান অতুলনীয়। মনকৰিবলগীয়া যে বৰ্তমান এই তিৱাসকলে অসমীয়া বিহুগীতৰ দৰে গীতসমূহত সুৰ দিছে আৰু তিৱা গীতৰ কলিসমূহ অসমীয়া লোকসকলেও অসমীয়া বিহুগীতত সংযোজন কৰিছে। তিৱাসকলৰ বিহুগীত সমূহক খুনাগীত বুলি কোৱা হয়।

তিৱাসকলৰ অসমীয়াৰ সৈতে মিল থকা বিহুগীত এনেধৰণৰ—

*ঐ মিনদাই ল চিনজিগা নিথাৱা ঐ ফিবিদিম*
*ফিৰি দিমও দনগা ঐ ধৰম,*
*ঐ লিবিংল' লিবিংগ' বুজিল মানানা*
*অচন্ত অচগা ঐ মৰম।*

অসমীয়াত—

*ঈশ্বৰে সৰজা ধুনীয়া পৃথিৱী*
*পৃথিৱীত থাকিলে মৰম*
*মানুহে মানুহক বুজিবৰ বাবে*
*অন্তৰত দিলে মৰম।*

**মিচিং জনগোষ্ঠী ঃ** অসমৰ অন্যতম বিশিষ্ট জনগোষ্ঠী হ'ল মিচিংসকল। মিচিং সকলৰ লোকগীতৰ ভিতৰত সৰ্বজন সমাদৃত লোকগীত হ'ল 'অইনিঃতম'। অসমীয়া বিহুগীতৰ লগত সাদৃশ্য থকা অইনিঃতম প্ৰেমৰ গীত। ই যেন মুক্ত প্ৰেমৰ মূৰ্ত প্ৰকাশ। বিহুগীতসমূহত যেনেদৰে যৌৱনৰ তীব্ৰ আকাংক্ষা বিৰহ-বিচ্ছেদ আদিৰ মৰ্মস্পৰ্শী হৈ প্ৰকাশ পায় তেনেদৰে অইনিঃতমতো ডেকা-গাভৰুৰ প্ৰেম সৰ্বাত্মক ৰূপত মূৰ্ত হৈ প্ৰকাশি উঠে। আনকি বিহুগীতত শ্ৰমেই প্ৰেমৰ ৰূপ ধাৰণ কৰাৰ দৰে অইঃনিতমতো শ্ৰমেই প্ৰেমৰ ৰূপ ধাৰণ কৰে। অন্যান্য লোক-সমাজত শ্ৰমৰ মাজেদিয়ে প্ৰেম গঢ় লৈ উঠাৰ দৰে অইনিঃতমতো শ্ৰম প্ৰেমৰূপে মূৰ্তমান হৈ উঠে। প্ৰেম যৌৱনৰ উদ্দাম বাসনা হোৱাৰ লগতে ইয়াৰ গভীৰতাও মনকৰিবলগীয়া বিষয়। কোৱা হয় প্ৰেম স্বৰ্গীয় দান। ভাগ্যৱান জনেহে সঁচা প্ৰেম লাভ কৰিব পাৰে। প্ৰেমৰ এনে গভীৰতাই বিহুগীতসমূহক সোণত সুৱগা চৰায়। অইনিঃতমতো প্ৰেমৰ গভীৰতা দেখা পোৱা যায়—

*ৰূপৌ চৰাই নহ'লো, নাইবা আন চৰাই নহ'লো*
*তেনে হোৱা হ'লে মোৰ উৰি যাবৰ ডেউকা*
*থাকিলেহেঁতেন। হে মোৰ প্ৰিয়া, তৃষ্ণাতুৰ*
*নয়নে তোমাক যথাসময়ত দৰ্শন কৰিব নোৱাৰিলোঁ।*

এই অইনিঃতম ফাঁকিৰ সৌন্দৰ্য্য অসমীয়া বিহুগীতত বিচাৰ কৰি চালে দেখা যায় যে—

*হাঁহ হৈ পৰিম গৈ তোমাৰে পুখুৰীত*
*পাৰ হৈ পৰিমগৈ চালত*
*ঘাম হৈ বিৰিঙিম তোমাৰে শৰীৰত*
*মাখি হৈ চুমা দিম গালত*

গতিকে দেখা যায় যে অসমীয়া বিহুগীতৰ লগত মিচিংসকলৰ বিহুগীত সদৃশ অইনিঃতমৰ এক ওতঃপ্ৰোত সম্পৰ্ক আছে।

ইয়াৰ ওপৰিও অনেক জাতিৰ বিহুগীত অসমীয়া বিহুগীতৰ লগত সমন্বয় সাধন হৈছে। বৰ্তমান বিহুগীতবোৰৰ এক সংমিশ্ৰিত ৰূপ পোৱা যায়। অৰ্থাৎ অসমীয়া বিহুগীতত জনজাতীয় গীত সংমিশ্ৰণ কৰিছে আৰু জনজাতীয়সমূহেও তেওঁলোকৰ গীতত অসমীয়া বিহুগীত সংমিশ্ৰণ কৰিছে। উদাহৰণ স্বৰূপে বৰ্তমান বিহুগীতত তিৱা জাতিৰ কৃষিভিত্তিত গীত— "লাইলা হিলালি অ' ডেকাৰ জাক/লাইলা হিলালি অ' গাভৰুৰ জাক/লইলাহিলালি লাই;" মিচিং সকলৰ অইনিঃতম গীত যেনে; "আচিনায়াং মানেনো কি ও মৰমী/ আইপো মানাং মানে কি....;" ৰাভাৰ "হুৰ্ হুৰ্ হুৰ্ হুৰ্" চেক আদি গীতৰ কলি শুনিবলৈ পোৱা যায়। ইয়াৰ ওপৰিও ৰজনীকান্ত বৰদলৈৰ জনপ্ৰিয় উপন্যাস মিচিং সমাজৰ প্ৰেক্ষাপটত ৰচনা কৰা "মিৰিজীয়ৰী" উপন্যাসৰ দুটি প্ৰধান চৰিত্ৰ জংকী আৰু পানৈৰ কথাও শুনিবলৈ পোৱা যায় এইদৰে—

*"ঘুণাসুঁতিৰে পাৰত বহি লৈ*
*জংকী পানৈৰ কথা শুনিবৰ মন যায়,*
*থাকিবানে সঁচাকৈ মোৰ কনেং ঐ*
*ৰাগিয়া সমৰ লাগিছে যে বেয়াকৈ"।*

ওপৰত উল্লেখিত গীতসমূহৰ বাহিৰেও আন বহুতো গীত অসমীয়া সংস্কৃতিত মিলি গৈছে। গীত সমূহৰ এনে সংযোজনে অসমীয়া জাতিসত্বা গঠন কৰাৰ লগতে সমন্বয়ৰ সংস্কৃতিৰূপে স্বীকৃতি লাভ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মন কৰিবলগীয়া যে বৰ্তমানৰ বহু ন ন শিল্পীয়ে জনজাতীয় গীত আৰু বিহুগীত সংযোজনৰ সংৰক্ষণৰ ব্যৱস্থা হাতত লৈছে। এনে কৰাৰ ফলত অসমীয়া সংস্কৃতিয়ে ভৱিষ্যতলৈ অসমৰ জাতীয় জীৱনত এক নব্য দৃষ্টিভংগীৰে জিলিকি উঠিবলৈ সক্ষম হ'ব। মুঠতে বৃহত্তৰ অসমৰ বাৰেবৰণীয়া সংস্কৃতিৰ এক অমূল্য সম্পদ বিহুগীতসমূহে সাংস্কৃতিক সমন্বয় গঢ়ি তুলা সমন্বয়ৰ এক নিদৰ্শন দাঙি ধৰিছে। ❑

বিঃ দ্ৰঃ— এই প্ৰবন্ধটি প্ৰস্তুত কৰিবলৈ বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে।

# লক্ষ্মীনাথ বেজবৰুৱাৰ 'চক্ৰধ্বজ সিংহ' নাটকত শ্বেক্সপীয়েৰৰ প্ৰভাৱ

✍ ৰুমী দাস
*অধ্যাপিকা, অসমীয়া বিভাগ*

অসমীয়া সাহিত্যত নিজস্ব মহিমাৰে পৰিদৃষ্টমান হোৱা এগৰাকী প্ৰতিভা সম্পন্ন ব্যক্তি হ'ল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। ৰসৰ জালেৰে শব্দৰ মায়াময় জগত সৃষ্টি কৰি তেওঁ ৰচনা কৰা নাটক, কাব্য, জীৱনীগ্ৰন্থ আদিয়ে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অসমৰ ভোটিতৰা স্বৰূপ লক্ষ্মীনাথ বেজবৰুৱাই নাট্য সাহিত্যৰ দিশত হাস্য ৰসাত্মক নাটৰ পৰা আৰম্ভ কৰি ঐতিহাসিক নাট ৰচনাতো হাত দিয়ে। তেওঁৰ জীৱন সোঁৱৰণৰ পৰা এই কথাৰ উমান পাব পাৰি যে বেজবৰুৱা দেৱ সৰুকালৰ পৰাই নাট ভাওনাৰ প্ৰতি আগ্ৰহী আছিল। শিৱসাগৰত থাকোঁতেই আত্যন্ত পৰিয়ালে ডেস্ক-বেঞ্চ জোৰা দি মঞ্চ সাজি 'থিয়েটাৰ' কৰাৰ পৰাও নাটৰ সোৱাদ কিছু পৰিমাণে পাইছিল।

লক্ষ্মীনাথ বেজবৰুৱাই কলিকতাৰ কলেজত পঢ়িবলৈ গৈ নাটক থিয়েটাৰ চোৱাৰ আৰু চৰ্চা কৰাৰ এখন বহল ক্ষেত্ৰ লাভ কৰিছিল। কলেজৰ পাঠ্যক্ৰমত শ্বেক্সপীয়েৰৰ নাটক পঢ়িবলৈ সুযোগ পোৱাৰ উপৰি কলিকতাৰ থিয়েটাৰত আধুনিক নাটকৰ অভিনয় চোৱাৰ বাট মুকলি পাইছিল। ঊনবিংশ শতিকাৰ শেষৰফালে বংগত কলিকতা কেন্দ্ৰিক পশ্চিমীয়া থিয়েটাৰৰ বতাহ বলিছিল তাৰ বা বেজবৰুৱাৰ গাটো ভালকৈ লাগিছিল। তেখেতে শ্বেক্সপীয়েৰৰ নাটক আৰু এই নাটবোৰৰ অনুকৰণত ৰচিত বঙালী নাটকৰ অভিনয় চাইছিল। লগতে নাটকীয় প্ৰণালী, শৈলী আৰু অভিনয়ৰ গতি প্ৰকৃতি আদিও পৰ্যাবেক্ষণ কৰিছিল। এই সম্পৰ্কে তেওঁ "মোৰ জীৱন সোঁৱৰণত" লিখিছে— "শেক্সপীয়েৰৰ হেমলেট, কিং জন, হেন্টাৰ আৰু মিড্‌চামাৰে নাইট্‌ছ ড্ৰীম, কলেজত শেষ পাঠ্য আছিল। ভাবিলোময়ো তেনে অপূৰ্ব নাটবোৰক অসমীয়াত ৰচনা কৰি অসমীয়া সাহিত্য ভঁৰালত যুগমীয়া কৰি থৈ যাম"। এই আশাৰে তেওঁ 'হেমলেট' আৰু 'মিডচামাৰ নাইট্‌ছ ড্ৰীম'ৰ আৰ্হিত নাটক লিখিবলৈ লৈ আধৰুৱাকৈ এৰিলে। কিন্তু এই ইচ্ছা পূৰণ নহ'ল যদিও তেওঁ সংকল্প এৰি নিদি তিনিখন বুৰঞ্জীমূলক নাট ৰচনা কৰে। য'ত নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰৰ প্ৰভাৱ স্পষ্ট। অতীত অসমৰ গৌৰৱময় কাহিনী, স্বদেশ প্ৰেম অসমীয়া মানুহৰ মনত জাগ্ৰত কৰা, শ্বেক্সপীয়েৰৰ নাটকৰ আৰ্হি অসমীয়া নাট্য সাহিত্যত ৰূপায়িত কৰা আদি উদ্দেশ্য আগত লৈয়ে বেজবৰুৱা ডাঙৰীয়াই ঐতিহ্যমণ্ডিত ঐতিহাসিক নাটক 'চক্ৰধ্বজ সিংহ' ৰচনা কৰে।

আধুনিক অসমীয়া নাটকে গতি লাভ কৰি প্ৰগতিৰ পথত আগবঢ়া প্ৰথম বলিষ্ঠ পদক্ষেপ হ'ল বুৰঞ্জীমূলক নাটকৰ অভ্যুত্থান। এই নাটক ৰচনাৰ ক্ষেত্ৰত আদৰ্শ আছিল শ্বেক্সপীয়েৰ। তেওঁৰ প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত হৈ আৰু নিজস্ব প্ৰতিভাৰ বলত লক্ষ্মীনাথ বেজবৰুৱাই 'চক্ৰধ্বজ সিংহ' বুৰঞ্জীমূলক নাটকখন ১৯১৫ চনত প্ৰকাশ কৰে।

চক্ৰধ্বজ সিংহ নাটকৰ কথাবস্তু অসম বুৰঞ্জীৰ পৰা লোৱা হৈছে। গেইট চাহাবৰ অসম বুৰঞ্জীৰ বিৱৰণৰ উপৰিও হেমচন্দ্ৰ গোস্বামীৰ উদ্যত প্ৰকাশিত 'শৰাইঘাটৰ যুদ্ধ নামে প্ৰবন্ধৰ বহুতো কথা নাটকত সন্নিৱিষ্ট হৈছে'। ইয়াৰ লগতে উপেন্দ্ৰ নাথ বৰুৱাৰ ৰচনাৰ পৰা মোমাই তামুলী বৰবৰুৱাৰ বিষয়ে কিছু কথা যোগ দি সম্পূৰ্ণ ৰূপত নাটখন উপস্থাপিত কৰা হৈছে। নাট্য কাহিনীত শৰাইঘাট যুদ্ধত অসমৰ সেনাপতি লাচিত বৰফুকনে অশেষ পৰাক্ৰমেৰে যুদ্ধ কৰি কেনেকৈ ভাৰত বিজয়ী মোগল সেনাপতি ৰামসিংহক পৰাস্ত কৰি অসম ৰক্ষা কৰিলে, সকলোৰে জনাজাত এই বুৰঞ্জী বিখ্যাত ঘটনাকে 'চক্ৰধ্বজ সিংহ' নাটকত ৰূপ দিছে। ঘটনাৰ এই নাটকীয় ৰূপায়ণৰ উদ্দেশ্যৰ বিষয়ে নাট্যকাৰে নাটকৰ পাতনিতে কৈছে—"অসমৰ অতীত গৌৰৱ কাহিনী নাটৰ আকাৰেৰে আজিকালিৰ অসমীয়াৰ আগত প্ৰচাৰ কৰাটো"। গতিকে, প্ৰচাৰ ধৰ্মিতাই নাটকৰ অগ্ৰগতিৰ বাট দেখুৱাই দিছে। প্ৰচাৰধৰ্মী মনোভাৱ থকা স্বত্বেও নাটকীয় দ্বন্দ্ব, কলা-কৌশল, শীৰ্ষবিন্দুত অধিৰোহণ আৰু অৱৰোহণ, বিশেষ চৰিত্ৰ-চিত্ৰণ আদি বিষয়বোৰ উপস্থাপন কৰিছে।

ওপৰত উল্লেখিত বিষয়বোৰ সামৰি বেজবৰুৱাই 'চক্ৰধ্বজ সিংহ' নাটকখন ৰচনাত হাত দিয়ে। এই নাটকখনত প্ৰধানকৈ শ্বেক্সপীয়েৰৰ 'হেন্‌ৰি দা ফৰ্থ' বা 'চতুৰ্থ হেন্‌ৰি' প্ৰভাৱ স্পষ্ট ৰূপত প্ৰতিফলিত হোৱা দেখা যায়।

উইলিয়াম শ্বেক্সপীয়েৰ ইংৰাজী সাহিত্যৰ এগৰাকী বিখ্যাত নাট্যকাৰ। শ্বেক্সপীয়েৰক অনুকৰণ কৰি এই মহান কবি নাট্যকাৰ গৰাকীৰ ৰচনাৰ লেখীয়াকৈ অসমীয়াতো নাটক ৰচনা কৰি অসমীয়া সাহিত্য টনকিয়াল কৰাটো বেজবৰুৱাৰ এক মহান উদ্দেশ্য আছিল। এই উদ্দেশ্য আগত ৰাখিয়েই তেওঁ স্ব প্ৰতিভাৰ বলেৰে বুৰঞ্জীমূলক নাটক 'চক্ৰধ্বজ সিংহ' ৰচনা কৰে।

লক্ষ্মীনাথ বেজবৰুৱাই নাটকখনত পাঁচটা অংকত বিভাজন কৰি





চাৰিটা দৃশ্যত ভাগ কৰিছে। ইয়াৰ ভিতৰত দুটা দৃশ্যত প্ৰিয়ৰাম, গজপুৰীয়া আৰু তেওঁলোকৰ লগৰীয়া বিলাকৰ কাম-কাজ, গতিবিধি আদি চিত্ৰিত কৰা হৈছে। এই অংক বিভাজনৰ ক্ষেত্ৰত বেজবৰুৱাই শ্বেক্সপীয়েৰক অনুসৰণ কৰিছিল। বিশিষ্ট নাট্যকাৰ শ্বেক্সপীয়েৰেও 'হেনৰি দা ফৰ্থ'ৰ প্ৰথম খণ্ডত মুঠতে পাঁচটা অংকত ওঠৰতা দৃশ্যত ভাগ কৰিছে আৰু ইয়াৰে দুটা দৃশ্য প্ৰিন্স হ'ল, ফলষ্টাফ আৰু তেওঁলোকৰ সহযোগী বিলাকক কেন্দ্ৰ কৰি ৰচনা কৰিছে।

আকৌ, 'চক্ৰধ্বজ সিংহ' নাটকখনৰ কাহিনী বিকাশৰ ক্ষেত্ৰতো শ্বেক্সপীয়েৰৰ 'চতুৰ্থ হেন্‌ৰী'ৰ প্ৰভাৱ লক্ষণীয়। দুয়োখন নাটকতে আৰম্ভণি চৰিত্ৰ উল্লেখনৰে আৰু তেওঁলোকৰ গতিবিধি, কাৰ্যকলাপ দেখুওৱা হৈছে। যেনে- চক্ৰধ্বজ সিংহ নাটকত চক্ৰধ্বজ ৰজাৰ ব্যক্তিত্ব আৰু মোগলক প্ৰতিহত কৰাৰ প্ৰচেষ্টা দেখুওৱা হৈছে। প্ৰিয়ৰাম, গজপুৰীয়া চৰিত্ৰবোৰক দৰ্শকে দেখিবলৈ পায় প্ৰথম অংকতে। আনফালে 'হেন্‌ৰী দা ফৰ্থ'ত প্ৰিন্স হল, ফলষ্টাফ আদি চৰিত্ৰটো প্ৰথম অংকতে দেখিবলৈ পোৱা যায়। ইয়াৰ লগতে ফলষ্টাফৰ লগৰীয়া চাৰিজন ক্ৰমে পইন্‌চ (Poin) বাৰদেল্‌ফ্ (Bardelph), পেটো (Peto) আৰু গেড্‌শ্বিল (gadshill) ক দেখুৱাৰ লেখীয়াকৈ বেজবৰুৱাই তেওঁৰ নাটকত ফলষ্টাফক গজপুৰীয়া আৰু তেওঁৰ লগৰীয়া চাৰিজন ক্ৰমে সিদ্ধিনাথ, জপৰা, টকৌ আৰু টোকোৰা বুলি দেখুৱাইছে। এই চৰিত্ৰ অংকন আৰু উপস্থাপনৰ ক্ষেত্ৰত বেজবৰুৱাই শেক্সপীয়েৰৰ আদৰ্শ গ্ৰহণ কৰিবলৈ আগ্ৰহী হোৱা দেখা যায়। এই সম্পৰ্কে 'চক্ৰধ্বজ সিংহ' নাটকখনৰ পাতনিতে বেজবৰুৱাই লিখিছে—

"শেষত আৰু একাষাৰ কথা কওঁ যে মহাকবি শ্বেক্সপীয়েৰৰ প্ৰিন্স হেন্‌ৰী, ফলষ্টাফ আৰু তেওঁলোকৰ লগৰীয়াসকলৰ চানেকী কিছুদূৰ অনুসৰণ কৰি এই নাটৰ প্ৰিয়ৰাম আৰু গজপুৰীয়া প্ৰভৃতিৰ চৰিত্ৰ গঠন কৰা হৈছে। মহাকবিৰ পদাংক অনুসৰণ কৰি তেওঁৰ আশীৰ্বাদৰ কণা মাত্ৰ লাভৰ ভিকহু লেখকৰ মনস্কামনা"।

অন্যহাতে, উপস্থাপনৰ ক্ষেত্ৰত শ্বেক্সপীয়েৰৰ নাটকত প্ৰধান চিত্ৰবোৰক লগ পোৱা যায় ইংলেণ্ডৰ ৰাজধানী লণ্ডন চহৰৰ প্ৰিন্সহলৰ বাহৰুত আৰু বেজবৰুৱায়ো প্ৰধান চৰিত্ৰবোৰৰ লগত চিনাকি কৰায় দিয়ে অসমৰ ৰাজধানী গড়গাঁৱত থকা গজপুৰীয়াৰ ঘৰত। বিলাতৰ ফলষ্টাফৰ দৰে ৰংপুৰীয়া গজপুৰীয়াও পেটুৱা, মদাহী আৰু পকাৰসিক। ফলষ্টাফৰ লেখীয়াকৈ গজপুৰীয়ায়ো কথাৰ মেৰপাকেৰে মিছাক সঁচা কৰি দেখুৱাব পাৰে আৰু বিলাতৰ ফলষ্টাফৰ নিচিনাকৈ ৰংপুৰৰ গজপুৰীয়াকো চুৰি-ডকাইতি কৰাত কোনেও চেৰ পেলাব নোৱাৰিছিল। আকৌ, ফলষ্টাফৰ দৰে গজপুৰীয়ায়ো মোগল সেনাৰ ভয়ত পেপুৱা লাগি বৰপেটটো পেলাই পৰি থাকে। তদুপৰি ডাংকোপ মৰা কথা বতৰা, প্ৰিয়ৰাম ডেকাফুকনৰ তোষামোদ কৰা আদি কামতো ফলষ্টাফে গজপুৰীয়াকো চেৰ পেলাব নোৱাৰে।

বেজবৰুৱাই তেওঁৰ প্ৰিয়ৰাম, গজপুৰীয়া, গজপুৰীয়ানীৰ কাহিনী শ্বেক্সপীয়েৰৰ 'চতুৰ্থ হেন্‌ৰী'ৰ প্ৰিন্স হেন্‌ৰী, ফলষ্টাফ, কুইক্‌লিৰ কাহিনীৰ আলমত গঢ়ি তুলিলেও অসমীয়া নাটকখনৰ চৰিত্ৰকেইটাৰ কল্পনা আৰু উপস্থাপনৰ ক্ষেত্ৰত নাট্যকাৰৰ মৌলিকত্ব লক্ষণীয়। বেজবৰুৱাই ভালকৈ জানিছিল যে বিদেশৰ ৰাজকুমাৰ আৰু তেওঁৰ সংগীসকলক জাতে পাতে অসমীয়া কৰি তুলিবলৈ হ'লে তেওঁ শ্বেক্সপীয়েৰৰ পৰা কেৱল জঁকাটোহে ল'ব পৰিব, তেজ মঙহখিনি নিজস্ব কল্পনাৰে সজাই পৰাই অতুলনীয় কৰিব লাগিব। এইক্ষেত্ৰত প্ৰিয়ৰামৰ চৰিত্ৰটো যিদৰে জাতে-পাতে অসমীয়া চৰিত্ৰ সেইদৰে গজপুৰীয়া, গজপুৰীয়ানী আৰু তেওঁলোকৰ লগৰীয়া টকৌ টোকোৰা আদিও হাড়ে হিমজুৰে অসমীয়া হৈ পৰিছে।

দৰাচলতে, অসমীয়া সমাজৰ চুক-কোণ বেজবৰুৱাৰ নখ-দৰ্পণত আছিল। প্ৰথমতে চাবলৈ গ'লে, শ্বেক্সপীয়েৰৰ নাটকত প্ৰিন্স হেন্‌ৰী ৰজা চতুৰ্থ হেন্‌ৰীৰ পুতেক, আনফালে বেজবৰুৱাই প্ৰিয়ৰাম ডেকাফুকনক লাচিতৰ পুত্ৰ হিচাপে দেখুৱাইছে। বুৰঞ্জীৰ মূল কাহিনীৰ যাতে লৰচৰ নহয় সেইবাবেই নাট্যকাৰে এইটো কৰিছে। কাৰণ ৰজা চতুৰ্থ হেন্‌ৰীৰ দৰে আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহ নিজে যুদ্ধক্ষেত্ৰলৈ যোৱা নাছিল বাবে তেওঁ পুতেকক লগত লৈ ৰণলৈ যোৱা দেখুৱালে বুৰঞ্জীৰ বিপৰীতে দেখুওৱা হ'ব। ইফালে লাচিত বৰফুকন আছিল মোগলৰ বিৰুদ্ধে আহোম সৈন্যৰ বৰ সেনাপতি, সেয়ে সংগ দোষত পৰি বিপথে যোৱা পুত্ৰ-প্ৰিয়ৰামক নিজৰ লগত যুদ্ধলৈ যোৱাটো স্বাভাৱিক কৰি দেখুৱাইছে। এইখিনি কৰাত মূল ঐতিহাসিক কাহিনীটোত আঁচোৰ পৰা নাই আৰু প্ৰিয়ৰাম-গজপুৰীয়াৰ চৰিত্ৰ চিত্ৰিত কৰাটো সহজ হৈছে। দ্বিতীয়তে, গজপুৰীয়ানীৰ চৰিত্ৰটো সৃষ্টি কৰোঁতে বেজবৰুৱাই শ্বেক্সপীয়েৰৰ মিচ্‌ট্ৰেচ কুইকলিৰ কথা মনত ৰাখিলেও দুয়োগৰাকী মহিলাৰ মাজৰ ব্যৱধান তেওঁলোকৰ নিজৰ দেশৰ মাজত থকা দূৰত্বৰ লেখীয়া। শ্বেক্সপীয়েৰৰ মিচ্‌ট্ৰেচ কুইকলি Earthcheap ৰ Bowr's Head Tavern বা অতিথি শালাৰ গিৰিহঁতনী, তেওঁ ফলষ্টাফৰ পত্নী নহয়। কিন্তু বেজবৰুৱাই গজপুৰীয়া গজপুৰীয়ানীৰ স্বামী স্ত্ৰী ৰূপত উলিয়াইছে, যাতে চৰিত্ৰ দুটা হাড়ে হেমজুৰে অসমীয়া হয়। লাচিত বৰফুকনৰ দিনৰ অসমত ইংলেণ্ডৰ টেভনি জাতীয় আলহী ঘৰ বা মদৰ দোকান নাছিল। আকৌ, সেই যুগৰ অসমীয়া তিৰোতা এগৰাকীক এনে ধৰণৰ অতিথিশালা বা দোকানৰ গৰাকীয়নী হিচাপে কল্পনাই কৰিব নোৱাৰি। কিন্তু মিচ্‌ট্ৰেচ কুইকলিৰ যিহেতু অসমীয়া বেশত উলিয়াবই লাগিব সেয়ে বেজবৰুৱাৰ হাতত এই চৰিত্ৰটো হৈ পৰিছে গজপুৰীয়াৰ গৃহিনী গজপুৰীয়ানী। এই গজপুৰীয়ানীয়ে প্ৰিয়ৰাম গজপুৰীয়াক লাওপানী আৰু ধপাতৰ যোগান ধৰা আৰু গজপুৰীয়া গজপুৰীয়ানীৰ মাজত হোৱা কথাৰে কটা-কটি আদি কাৰ্যবোৰে অসমীয়া সমাজৰ লগত খাপ খাই পৰিছে। অসমীয়া জাতীয় জীৱনৰ লগত বেজবৰুৱাৰ পৰিচয় আছিল নিবিড়। সেয়েহে তেওঁ ইয়াৰে প্ৰতিটো চৰিত্ৰকেই অসমীয়া সাঁচত ঢালি একোটি মৌলিক চৰিত্ৰলৈ ৰূপান্তৰ কৰিছে।

শ্বে'ক্সপীয়েৰৰ ফলষ্টাফ বিশ্ব সাহিত্যৰ ৰসিক চৰিত্ৰ সমূহৰ ভিতৰত অন্যতম প্ৰধান চৰিত্ৰ। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই মন্তব্য কৰিছে যে— "বেজবৰুৱাই ফলষ্টাফৰ বাহিৰৰ ৰূপটো অনুকৰণ কৰিছে। ফলষ্টাফৰ আভ্যন্তৰীণ ৰূপটো অনুকৰণীয়"।

ফলষ্টাফ এক অনুকৰণীয় চৰিত্ৰ। পৃথিৱীত আজিলৈকে যিদৰে দ্বিতীয় এজন শ্বে'ক্সপীয়েৰৰ জন্ম হোৱা নাই, সেইদৰে দ্বিতীয় ফলষ্টাফ এজনবো সৃষ্টি হোৱা নাই। প্ৰিন্স হলৰ ব্যক্তিত্ব যিদৰে প্ৰিয়ৰামৰ নাই, সেইদৰে ফলষ্টাফৰ ব্যক্তিত্বও গজপুৰীয়াৰ আছে বুলি ক'ব নোৱাৰি। ফলষ্টাফৰ বাহিৰৰ ৰূপটোৰ আলম ললেও বেজবৰুৱাৰ গজপুৰীয়া এটা মৌলিক চৰিত্ৰৰ নিচিনা হৈ উঠিছে আৰু ফলষ্টাফৰ আভ্যন্তৰীণ ৰূপটো নাথাকিলেও গজপুৰীয়াৰ অসমীয়া আভ্যন্তৰীণ ৰূপ আছে। দেশপ্ৰেমৰ মাজেৰে গঢ় লৈ উঠা বেজবৰুৱাৰ নাটকখনত হাস্য-ৰসেও প্ৰাধান্যতা পাইছে। লেখকৰ ভাষাৰ যাদুকৰী শক্তিটোৰ প্ৰভাৱে গোটেই নাটকখনকে জিলিকাই তুলিছে।

লক্ষ্মীনাথ বেজবৰুৱাই স্পষ্ট ভাষাত শ্বে'ক্সপীয়েৰক আদৰ্শ হিচাবে গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে। তেওঁৰ নাটকৰ বিভিন্ন দিশত মহান কবি, নাট্যকাৰজনৰ প্ৰভাৱ পৰিলেও অসমীয়া নাট্যকাৰজনে কিন্তু এটা গুৰুত্বপূৰ্ণ দিশত নিজৰ বৈশিষ্ট্য প্ৰতিপন্ন কৰিছে। সেয়া হ'ল নাটকীয় সংলাপৰ ভাষা। বেজবৰুৱাই অসমীয়া পাঠক দৰ্শকৰ ৰুচি অভিৰুচিৰ কথা সুন্দৰকৈ জানিছিল। তেওঁ উপলব্ধি কৰিছিল যে কাব্যিক ভাষাতকৈ সাধৰণতে কথিত ভাষাইহে অনাখৰী দৰ্শকক বেছিকৈ আকৰ্ষিত কৰিব পাৰিব। সেয়েহে তেওঁ কাব্যিক ভাষাতকৈ গদ্যকহে অগ্ৰাধিকাৰ দিছিল।

পৰিশেষত ক'ব পাৰি যে— শ্বে'ক্সপীয়েৰৰ নাটকসমূহত আছিল এক অন্যান্য সোৱাদ। যি সোৱাদেই আমাৰ অসমীয়া নাট্যকাৰ লক্ষ্মীনাথ বেজবৰুৱাকো মোহিত কৰিবলৈ সক্ষম হৈছিল আৰু এই সোৱাদৰ আভা অসমীয়ালৈ বিলাই থৈ গৈছে। ❑


<u>সহায়ক গ্ৰন্থপঞ্জী ঃ</u>

১। কথা গুৱাহাটী, সংখ্যা— ডিচেম্বৰ ২০০৭, জানুৱাৰী ২০০৮।
২। কটকী, প্ৰফুল্ল। সাহিত্যৰথী। জ্যোতি প্ৰকাশন, ২০০৮ চন।
৩। শাস্ত্ৰী, বিশ্বনাৰায়ণ। লক্ষ্মীনাথ, বেজবৰুৱাৰ সাহিত্য প্ৰতিভা। শৰাইঘাট প্ৰকাশন, ১৯৯৮ চন।
৪। অসমীয়া সাহিত্যৰ পাশ্চাত্য প্ৰভাৱ— প্ৰাগজ্যোতিষ কলেজ






# শিক্ষকতাৰ অনুভৱ

✍ যমুনা মালী
*অধ্যাপিকা, অসমীয়া বিভাগ*

সাধাৰণ অৰ্থত যিয়ে শিক্ষাদান কৰে তেওঁকে শিক্ষক বুলি কোৱা হয়। এগৰাকী শিক্ষকে তেওঁৰ সঞ্চিত জ্ঞানেৰে একোগৰাকী ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱন গঢ়ি দিয়াৰ বাবে সৰ্বপ্ৰকাৰে যত্ন কৰে। সেয়েহে শিক্ষকৰ স্থান, সন্মান কাৰো সতে তুলনা কৰিব নোৱাৰি।

সকলো কথা ভালদৰে বুজা নুবুজাৰ দোমোজা অৱস্থাৰ পৰাই আমি শিক্ষকক শ্ৰদ্ধাভক্তি কৰি আহিছো। কিশোৰী অৱস্থাতেই পবিত্ৰ শিক্ষক বৃত্তিটোৰ প্ৰতি আকৰ্ষিত হৈছিলো। সেই সময়তেই মনতে প্ৰতিজ্ঞা কৰিছিলো, ভৱিষ্যতে এগৰাকী আদৰ্শ শিক্ষয়িত্ৰী হোৱাৰ। সময়ত নানা ঘাত প্ৰতিঘাত অতিক্ৰম কৰি নিজৰ লক্ষ্যত উপনীত হৈ আৰু নিজৰ হেপাহৰ কৰ্মত নিজকে নিয়োজিত কৰিবলৈ পাই মই অতি আনন্দিত আৰু গৌৰৱান্বিত।

কোনোৱে শিক্ষকক মানৱ সম্পদ গঢ়া যন্ত্ৰ বুলি ক'ব খোজে। কমাৰ শালত এজন কমাৰে যেনেকৈ লো এটুকুৰা গঢ়ি পিটি নতুন সাঁচত বস্তু তৈয়াৰ কৰে, ঠিক তেনেকৈ একোগৰাকী শিক্ষকেও এজন ছাত্ৰৰ সুপ্ত প্ৰতিভা জগাই তেওঁক নতুন ৰূপত গঢ় দি সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ যত্নৰ ত্ৰুটি নকৰে।

"ছাত্ৰানাং অধ্যয়নং তপঃ" বুলি কথা এষাৰ আছে। সাধনা নহ'লে নিজৰ লক্ষ্যত উপনীত হ'ব নোৱাৰি। ছাত্ৰ সকলে নিজৰ লক্ষ্যত উপনীত হ'ব লাগিলে অধ্যয়ন আৰু অধ্যৱসায়ৰ লগতে শৃংখলা, নিয়মানুবৰ্ত্তিতা, সময়ানুবৰ্ত্তিতা আদি বজাই ৰখাটো নিতান্ত প্ৰয়োজনীয়।

এগৰাকী শিক্ষকে সদায়ে কামনা কৰে ছাত্ৰ-ছাত্ৰীৰ সাফল্য। তেওঁলোকৰ সাফল্যত গৌৰৱ অনুভৱ কৰা হয়। তেওঁলোকৰ মঙ্গল কামনা কৰাটো শিক্ষকৰ ধৰ্ম। নিজৰ বুদ্ধি-বৃত্তি, শক্তি সামৰ্থ সকলোখিনি নিঃস্বাৰ্থ ভাৱে প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত মানুহ হিচাবে গঢ় দিবলৈ যত্ন কৰা হয়।

সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে শিক্ষা পদ্ধতিৰো সলনি হৈছে। আগতে আছিল "চেকনিৰ আগত বিদ্যা"। শিক্ষকৰ চেকনিৰ কোবৰ ভয়ত ছাত্ৰই পঢ়িছিল। কিন্তু বৰ্ত্তমান সেই ব্যৱস্থাৰ সলনি হৈছে। আজিৰ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মনোজগতত প্ৰৱেশ কৰি, তেওঁলোকৰ সুখ,দুখ, সুবিধা অসুবিধা সকলো বুজি লৈ মৰমেৰে শিক্ষাদান কৰিবলৈ যত্ন কৰে। এইটো বৰ আদৰণীয় প্ৰচেষ্টা। কিয়নো দাবী ধমকিৰে কোনো বস্তু আদায় কৰাতকৈ মৰমেৰে বশ কৰিলে ইয়াৰ ফল সদায় সুখময় আৰু স্থায়ী হয়।

ছাত্ৰ-ছাত্ৰীসকলে বিদ্যা অৰ্জনৰ লগে লগে চাৰিত্ৰিক দিশ সমূহৰ ওপৰতো গুৰুত্ব দিয়াটো নিতান্ত প্ৰয়োজনীয়। শিষ্টাচাৰ, নম্ৰতা, ভদ্ৰতা, কৰ্তব্যপৰায়ণতা আদি গুণবোৰ ছাত্ৰ অৱস্থাতে আয়ত্ব কৰিব লাগে। কিয়নো আজিৰ ছাত্ৰ ভৱিষ্যতৰ নাগৰিক। ছাত্ৰসকলৰ মাজৰ পৰাই ওলাব লাগিব বিচক্ষণ ৰাজনীতিবিদ, সুদক্ষ প্ৰশাসক আদৰ্শ শিক্ষক আৰু নিষ্ঠাবান ত্যাগী সমাজকৰ্মী। সেয়েহে তেওঁলোক চাৰিত্ৰিক দিশত সবল হলেহে সুস্থ সমাজ আশা কৰিব পাৰি।

বৰ্ত্তমানৰ ছাত্ৰ-ছাত্ৰীৰ লগত অতীতৰ ছাত্ৰ-ছাত্ৰীসকলৰ এটা বৃহৎ পাৰ্থক্য দেখা যায়। কিছু বছৰ আগলৈকে শিক্ষকৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ যিটো শ্ৰদ্ধাভক্তি আছিল, সি যেন ক্ৰমাৎ নাইকিয়া হবলৈ ধৰিছে। একশ্ৰেণী বিপদগামী ছাত্ৰই শিক্ষকক দাবী ধমকি নাইবা মাৰপিট পৰ্যন্ত কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। পৰীক্ষা হলত বিনা দ্বিধাই নকল কৰা কাৰ্য্যত, শিক্ষকে বাধা দিলেও ওলোটাই তেওঁকহে মৃত্যুৰ ভাবুকি দিয়ে। এই শ্ৰেণীৰ ছাত্ৰই মেধাৱী আন এটা শ্ৰেণীৰো দুৰ্ণাম আনিছে। গতিকে সময় থাকোতেই আমি সচেতন হ'বৰ হ'ল।

বৰ্ত্তমান চিনেমা আৰু ম'বাইলৰ-কুপ্ৰভাৱ ছাত্ৰ সমাজৰ ওপৰত বাৰকৈয়ে পৰিছে। চিনেমা বা টিভিৰ আকৰ্ষণে মন চঞ্চল কৰে। সেয়েহে গতানুগতিক পাঠ্যক্ৰমৰ পৰিবৰ্তে বৃত্তিমুখী পাঠ্যক্ৰমত মনোনিবেশ কৰিলে ছাত্ৰ সমাজ নিশ্চয় নিম্ন চিন্তাধাৰাৰ পৰা আতৰি আহিব বুলি আশা কৰিব পাৰি।

প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিগৰাকী শিক্ষকৰ সকলো কথা আৰু কাৰ্য্য অনুসৰণ কৰে। কাৰণ শিক্ষক হৈছে পথ প্ৰদৰ্শক। সেয়েহে প্ৰত্যেকগৰাকী শিক্ষক সৎ চৰিত্ৰবান হোৱাৰ লগতে তেওঁলোক নম্ৰ, ভদ্ৰ, শিষ্টাচাৰী আৰু কৰ্তব্য পৰায়ণ হোৱা উচিত।

শিক্ষকসকলে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অৱদান সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। ছাত্ৰ-ছাত্ৰীৰ চাহিদা অনুসৰি শিক্ষা পদ্ধতি আধুনিকৰণ কৰা উচিত। পৰম্পৰাগত বিষয় সমূহ অধিক যুক্তিনিষ্ঠা, হৃদয়গ্ৰাহী আৰু প্ৰাসংগিক কৰাৰ কাৰণে বৈজ্ঞানিক যন্ত্ৰপাতি আৰু সা-সঁজুলি সমূহৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে জনাটোও নিতান্ত আৱশ্যক।

শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্ক এক মধুৰ আৰু পবিত্ৰ সম্পৰ্ক। এই সম্পৰ্কৰ এনাজৰীডাল কটকটীয়াকৈ বান্ধি ৰাখিবলৈ হলে শিক্ষকসকল সহনশীল আৰু মৰমিয়াল হ'ব লাগিব। ছাত্ৰসকলেও শ্ৰদ্ধাভক্তিৰে তেওঁলোকৰ উপদেশ মানি চলিব লাগিব। কিয়নো "শ্ৰদ্ধাৱান্ জ্ঞানম্ লভতে"। গুৰু শিষ্যৰ এই মধুৰ সম্পৰ্ক অটুট থাকিলেহে আমি এখন সুস্থ সমাজ আশা কৰিব পাৰো। ❑

# অসমীয়া সাহিত্যত জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান

✍ চন্দ্ৰামিকা দাস
*স্নাতক, ১ম ষাণ্মাসিক*

**জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্ম আৰু শিক্ষা ঃ** সুন্দৰৰ পূজাৰী, সাহিত্য, সংস্কৃতিৰ সাধক জ্যোতিপ্ৰসাদ জ্যোতিৰ প্ৰতীক। তেওঁৰ জন্ম হৈছিল ১৯০৩ চনৰ ১৭ জানুৱাৰীত ডিব্ৰুগড়ৰ মদাবিহাট মৌজাৰ তামোলবাৰী চাহ বাগিচাত। তেওঁৰ পিতৃৰ নাম পৰমানন্দ আগৰৱালা আৰু মাতৃ কিৰণময়ী আগৰৱালা। জ্যোতিপ্ৰসাদ আগৰৱালাই শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন কাৰণত কেইবা ঠাইতো শিক্ষা জীৱন আৰম্ভ কৰিব লগীয়া হৈছিল। ১৯১১ চনৰ জানুৱাৰী মাহত সাত বছৰ বয়সত স্কুলীয়া শিক্ষা তেজপুৰ টাউন হাইস্কুলত আৰম্ভ হৈছিল। তেওঁ হাইস্কুলীয়া শিক্ষা ডিব্ৰুগড় চৰকাৰী হাইস্কুল, ডিব্ৰুগড় জৰ্জ হাইস্কুল (বৰ্তমান বাণ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়) আৰু তেজপুৰত গ্ৰহণ কৰিছিল।

'বনফুল'ৰ কবি যতীন্দ্ৰনাথ দুৱৰা আৰু 'পাষাণ প্ৰতিমাৰ কবি শৈলধৰ ৰাজখোৱাই সেই সময়ত জৰ্জ ইন্সটিটিউচনত শিক্ষকতা কৰিছিল। এই দুগৰাকী মহান কবি সাহিত্যিকৰ সান্নিধ্যই কোমলমতীয়া জ্যোতিপ্ৰসাদৰ মন বাৰুকৈয়ে আকৰ্ষণ কৰিছিল। ডিব্ৰুগড়ত দুবছৰ পঢ়াৰ পিছত জ্যোতিপ্ৰসাদ আগৰৱালাই পুনৰ তেজপুৰলৈ যায় আৰু তেজপুৰ চৰকাৰী হাইস্কুলত ভৰ্ত্তি কৰি প্ৰৱেশিকা পৰীক্ষাৰ বাছনি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত চলা অসহযোগ আন্দোলনত যোগদান কৰি তেওঁ চূড়ান্ত পৰীক্ষাত নবহিল। আন্দোলনৰ প্ৰভাৱ ইমানেই গভীৰ আছিল যে— জাতি ধৰ্ম বৰ্ণ ভাষা নিৰ্বিশেষে সকলোৱে এই আন্দোলনত যোগদান দিছিল। অসহযোগ আন্দোলনত যোগদান দিয়াৰ বাবেই জ্যোতিপ্ৰসাদ আগৰৱালাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত নবহি গাঁৱে গাঁৱে গান্ধীজীৰ বাণী আৰু স্বাধীনতাৰ কথা প্ৰচাৰ কৰিবলৈ ধৰিলে। এই আন্দোলনত অন্ত হোৱাত তেওঁ কলিকতাত দেশবন্ধু চিত্তৰঞ্জন দাসে প্ৰতিষ্ঠা কৰা 'নেচনেল ইউনিভাৰচিটি'ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। উচ্চ শিক্ষাৰ বাবে কলিকতাৰ নেচনেল কলেজত কলা শাখাত নাম ভৰ্ত্তি কৰি পঢ়া শুনা আৰম্ভ কৰে কিন্তু স্বাধীনতা আন্দোলনৰ অশান্ত পৰিস্থিতিৰ বাবে তেওঁৰ কলেজীয়া শিক্ষাও বাধাগ্ৰস্ত হয়।

১৯২৬ চনত জ্যোতিপ্ৰসাদে উচ্চ শিক্ষাৰ বাবে পুনৰ সংকল্পবদ্ধ হয়। পৰিয়ালৰ জ্যেষ্ঠসকলৰ অনুমতি লাভ কৰি ছেপ্তেম্বৰ মাহত উচ্চ শিক্ষা লাভৰ বাবে ইংলেণ্ডলৈ যায়। তেওঁ ইংলেণ্ডৰ বিশ্ববিদ্যালয়ত তিনিবাৰ বাছনি পৰীক্ষা দিয়াৰ পাছতে পঢ়াৰ সুযোগ পাইছিল। তাত তেওঁ অৰ্থনীতি সংস্কৃত, নাগৰিক আইন এই বিষয় কেইটা প্ৰথমবৰ্ষত আৰু দ্বিতীবৰ্ষত দৰ্শন, অৰ্থনীতি, বুৰঞ্জী আৰু সংগীত বিষয় অধ্যয়ন কৰে, কিন্তু কেৱল দৰ্শন বিষয়তহে কৃতকাৰ্য হয়। ফলত বিশ্ববিদ্যালয় ডিগ্ৰী লোৱাটো তেওঁৰ কাৰণে দুৰাশাত পৰিণত হ'ল। এনেদৰে তেওঁৰ জীৱনত শিক্ষা অন্ত পৰে।

**জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাংসাৰিক জীৱন ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাংসাৰিক জীৱন আৰম্ভ হয় ১৯৩৬ চনত ডিব্ৰুগড়ৰ দেৱযানী, ভূঞাৰ সৈতে। জ্যোতিপ্ৰসাদৰ ঔৰষত আৰু দেৱযানীৰ গৰ্ভত পাঁচগৰাকী কন্যা ক্ৰমে জয়শ্ৰী, জ্ঞানশ্ৰী, সত্যশ্ৰী, হেমশ্ৰী, মনশ্ৰী আৰু পুত্ৰ দুগৰাকী চিন্ময় আৰু বিশ্বেন্দু আগৰৱালাৰ জন্ম হয়। শ্ৰীমতী অঞ্জলি আগৰৱালা তেওঁলোকৰ একমাত্ৰ বোৱাৰী। জোঁৱায়েক কেইজন হ'ল ক্ৰমে সত্যব্ৰত চলিহা, প্ৰিয়লাল পাঠক, অনিল কুমাৰ দাস, অমল চলিহা আৰু যোগেন্দ্ৰ চন্দ্ৰ হাজৰিকা।

**সাহিত্যজগতত জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাই তেজপুৰ বিদ্যালয়ত পঢ়ি থকা সময়তেই সাহিত্যৰ প্ৰেমত পৰিছিল। তেওঁ সংস্কৃতিৰ পূজাৰী আছিল। তেওঁৰ হাতৰ পৰশত অজস্ৰ গীত-মাত, নাট কবিতা, প্ৰবন্ধ আদি সৃষ্টি হৈছিল লগতে চুটিগল্প আৰু জীৱনী সাহিত্যৰো সৃষ্টি কৰিছিল। তেওঁ নৱম শ্ৰেণীত পঢ়ি থাকোঁতে 'জোনাকী' নামৰ এখন আলোচনী নিজে লিখি সম্পাদনা কৰিছিল। জ্যোতিপ্ৰসাদৰ প্ৰথম নাটক 'শোণিত কুঁৱৰী'। এইখন তেওঁ ১৯২৫ চনত ৰচনা কৰিছিল আৰু এইখন বাণৰজা আৰু উষা অনিৰুদ্ধৰ কাহিনীৰ ওপৰত ৰচনা কৰা হৈছিল। তেওঁৰ আনকেইখন নাটক হ'ল— "কাৰেঙৰ লিগিৰী' "ৰূপালীম', 'লভিতা', 'নিমাতী কইনা', 'সোণপখিলী', 'খনিকৰ' আদি।

কবিতা— 'লুইতৰ পাৰৰ অগ্নিসুৰ"।

জীৱনীগ্ৰন্থ—' চন্দ্ৰকুমাৰ আগৰৱালা'।

চুটিগল্প— 'ৰূপহী', 'যুঁজাৰু', 'সন্ধ্যা'। 'প্ৰত্নতাত্বিকৰ কলাঘুমতি', 'সোণতৰা' ইত্যাদি।

জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰথম অসমীয়া চলচিত্ৰ 'জয়মতী' ১৯৩৫ চনত নিৰ্মাণ কৰিছিল। এই চলচিত্ৰৰে তেওঁ নাৰী জাতিৰ কাৰণে





এক আদৰ্শ স্থাপন কৰি গৈছে। জয়মতী কেৱল চলচিত্ৰই নাছিল। অসমীয়া নাৰী জাতিৰ গৌৰৱ আছিল। জ্যোতিপ্ৰসাদ আগৰৱালা অসমীয়া চলচিত্ৰ জগতৰ পথ প্ৰদৰ্শক আছিল।

**স্বাধীনতা আন্দোলনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভূমিকা আৰু মৃত্যু ঃ** মহাত্মা গান্ধীৰ নেতৃত্বত চলা অসহযোগ আন্দোলনত যোগদানেৰে জ্যোতিপ্ৰসাদে বিপ্লৱী জীৱনৰ পাতনি মেলে। জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰৱেশিকা পৰীক্ষা ত্যাগ কৰিও এই আন্দোলনত যোগ দিছিল। তেওঁ অসহযোগ আন্দোলনত সক্ৰিয়ৰূপে ভাগ লোৱাৰ অপৰাধত কোম্পানি চৰকাৰে জ্যোতিপ্ৰসাদ আগৰৱালা দেৰক ১৯৩২ চনত ১৫ মাহ কাৰাদণ্ড দিছিল আৰু ৫০০ টকা জৰিমনা ভৰিব লগা হৈছিল। মাহ শেষ হোৱাৰ পাছত তেওঁক মুক্তি দিয়া হয়। জ্যোতিপ্ৰসাদ আগৰৱালাই ইমান কষ্ট খোৱাৰ পিছতো আন্দোলনত অসমৰ হকে নেতৃত্ব প্ৰদান কৰিবলৈ লৈছিল কেৱল অসমীয়া জাতি স্বাধীন কৰাৰ বাবে।

১৯৪২ চনত জ্যোতিপ্ৰসাদে কলিকতালৈ গৈ আত্মগোপন কৰি তাৰ পৰাই আন্দোলনৰ প্ৰক্ৰিয়া চলাই। জ্যোতিপ্ৰসাদে অহিংসা গণতান্ত্ৰিক আন্দোলনত বিশ্বাসী আছিল। দেশক আৰু নিজ জাতিক ব্ৰিটিছৰ শাসনৰ পৰা উদ্ধাৰ কৰি ব্ৰিটিছ সাম্ৰাজ্যৰ পতন কৰাত অক্লান্ত পৰিশ্ৰম কৰিছিল। জীৱনৰ শেষ কালছোৱাত তামোলবাৰী চাহ বাগিছালৈ আহে আৰু তাতেই জীৱন কটাবলৈ লয়। স্বাস্থ্যৰ অৱনতিৰ বাবে তেওঁক ১৯৫০ চনত শিলঙৰ 'ৱেলচ মিছন' হাস্পাতাল'ত ভৰ্ত্তি কৰোৱা হয় আৰু দুমাহ চিকিৎসাৰ পাছত তেওঁৰ পাকস্থলীত কৰ্কট ৰোগ হোৱা বুলি ডাক্তৰে কয়। ১৯৫১ চনৰ ১৫ জানুৱাৰীত জ্যোতিপ্ৰসাদ আগৰৱালাক তেওঁৰ তেজপুৰৰ ঘৰলৈ অনা হয়। ১৯৫১ চনৰ ১৭ জানুৱাৰীত জ্যোতিপ্ৰসাদ আগৰৱালাই চিৰদিনৰ বাবে দেহ ত্যাগ কৰিছিল।

"ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু অসমীয়া জাতিৰ অপূৰণীয় ক্ষতি"। ❑

■ ■ ■

## পৃথিৱীৰ উচ্চতম, দীৰ্ঘতম, গভীৰতম, বৃহত্তম, ক্ষুদ্ৰতম ঠাই কেইখন মান

- উচ্চতম বিমান বন্দৰ ঃ চাংডু, বাংডা বিমান বন্দৰ (চীন), উচ্চতা ৪৩৩৪ মিটাৰ।
- উচ্চতম গীৰ্জা ঃ উলম্ কেথেড্ৰিল (জাৰ্মানী), উচ্চতা ১৬১.৫০ মিটাৰ।
- উচ্চতম অট্টালিকা ঃ ব্ৰজ মলিকা (ডুবাই), উচ্চতা ৮২৮ মিটাৰ, ২০৬ মহলা।
- দীৰ্ঘতম ৰেল দলং ঃ ডেনইয়াং কুনশেন গ্ৰেড ব্ৰীজ (চীন), দৈৰ্ঘ্য ১৬৪.৮০ কিঃ মিঃ।
- দীৰ্ঘতম সুৰংগ পথ ঃ নায়েৰডাল (নৰৱে), দৈৰ্ঘ্য ২৪.৫১০ মিটাৰ।
- দীৰ্ঘতম মহাকাব্য ঃ মহাভাৰত
- বৃহত্তম গ্ৰহ ঃ বৃহস্পতি, ব্যাস ১,৪২,০০০ বৰ্গ কিঃ মিঃ।
- বৃহত্তম হোটেল ঃ ইজমাইলোভা (ৰাছিয়া), মহলা ৩০ টা।
- বৃহত্তম পুথিভঁড়াল ঃ লাইব্ৰেৰী অৱ কংগ্ৰেছ ৱাছিংটন ডিচি (আমেৰিকা যুক্তৰাষ্ট্ৰ)।
- বৃহত্তম চিনেমা হোল ঃ ৰক্সি (নিউয়ৰ্ক)।
- বৃহত্তম চৰাই ঃ উট চৰাই (উচ্চতা ২.৫ মিটাৰ, ওজন ১৩৫ কিঃগ্ৰাঃ)।
- ক্ষুদ্ৰতম চৰাই ঃ হামিং বাৰ্ড (দৈৰ্ঘ্য ৫ ছেঃ মিঃ, ওজন ২ গ্ৰাম)

সংগ্ৰাহক ঃ টুটুমণি দাস
*স্নাতক, ১ম ষাণ্মাসিক*

# দেৱী দুৰ্গাৰ নৱৰূপ

✍ মৌচুমী হীড়া
স্নাতক, ১ম ষাণ্মাসিক

আকৌ শৰৎ আহিল। সোণবৰণীয়া ৰ'দত স্নান কৰি শেৱালি ফুলৰ গোন্ধ সানি প্ৰকৃতি সাজি-কাছি সাজু হ'ল। কাৰণ শাৰদী মহাদেৱী, মহামায়া, দুৰ্গতিনাশিনী দুৰ্গাৰ আৱাহনৰ যে সময় সমাগত। ভক্তৰ আন্তৰিক আবেদনত দেৱী দুৰ্গাই যিমান সহজেই ধৰা নিদিয়ক কিয় পূজাতত্ত্ব আৰু দেৱীতত্ত্বৰ ফালৰ পৰা দেৱী দুৰ্গাৰ আৰাধনাত দশহাতত অস্ত্ৰধাৰী দেৱী দুৰ্গাৰ এই ৰূপৰ পিছত লুকাই আছে বহু ৰূপ। সেইবোৰ ৰূপকো আমি পূজা কৰো। দেৱীৰ ৰূপ বৈচিত্ৰ্যৰ ক্ষেত্ৰত মাৰ্কেণ্ডেয় পুৰাণৰ অন্তৰ্গত "শ্ৰীশ্ৰীচণ্ডী"ক অনুসৰণ কৰিব পাৰি। ই যেন এক সম্পূৰ্ণ যুদ্ধৰ দৃশ্য। সুৰ আৰু অসুৰৰ যুদ্ধত পৰাজিত সুৰসকলক ৰক্ষা কৰিবৰ বাবে যুদ্ধত অৱতীৰ্ণ দেৱী। বিজয় লাভৰ কামনাত এটাৰ পিছত আন এটা স্তোত্ৰৰে দেৱীক স্তুতি কৰিব ধৰিলে দেৱতাসকলে। অকল দেৱতাই নহয় স্বয়ং সৃষ্টিকৰ্তা ব্ৰহ্মায়ো। স্তৱমন্ত্ৰেৰে জাগৰিত কৰিছে দেৱী দুৰ্গাক। তেওঁৰ স্তৱমালাৰ মাজত ফুটি উঠিছে দেৱীৰ নটা ৰূপ যি নৱৰূপ বা নৱ দুৰ্গাৰূপে পৰিচিত।

দেৱীৰ নটা ৰূপ হ'ল— শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, স্কন্দমাতা, কুষ্মাণ্ড, কাত্যায়নী, কালৰাত্ৰী, মহাগৌৰী, সিদ্ধিদাত্ৰী। এই প্ৰতিটো ৰূপৰ মাজত বা অন্তৰালত আছে কিছু কাহিনী বা দৰ্শন।

দেৱী দুৰ্গাৰ প্ৰথম নাম হ'ল শৈলপুত্ৰী, শৈল অৰ্থাৎ, পৰ্বত। দেৱীক কন্যাৰূপে লাভ কৰিবলৈ কঠোৰ তপস্যা কৰিছিল গিৰিৰাজ হিমালয়ে। তাৰ ফলস্বৰূপে দেৱীয়ে তেওঁৰ ঘৰত কন্যাৰূপে জন্ম গ্ৰহণ কৰে। শৈলৰাজ পুত্ৰীকাৰণে তেওঁৰ প্ৰথম নাম শৈলপুত্ৰী।

দেৱীৰ দ্বিতীয় নাম ব্ৰহ্মচাৰিণী। তেওঁ ব্ৰহ্মচাৰ্য পালন কৰাৰ বাবে এই নাম নহয় তেওঁ ব্ৰহ্মবস্তু দান কৰাৰ বাবে এই নাম। উপনিষদৰ কাহিনী অনুসৰি দেৱীয়ে দেৱৰাজ ইন্দ্ৰক ব্ৰহ্মজ্ঞান দান কৰিছিল। এবাৰ দেৱতা আৰু অসুৰৰ যুদ্ধত জয় লাভ কৰে দেৱতাই। ফলত দেৱতাসকলে খুব গৰ্ব অনুভৱ কৰে। সকলোৱে নিজ নিজ প্ৰচেষ্টাৰ ফলত জয়লাভ কৰা বুলি ভাবিলে। আত্ম অহংকাৰত দেৱতাসকল ফুলি উঠিল। তেওঁলোকে বিৰাট মহোৎসৱৰ বা বিজয়োৎসৱৰ আয়োজন কৰিলে আৰু সেই উৎসৱত সকলো দেৱতা উপস্থিত থাকিল। ইয়াৰ মাজতে এক অদ্ভুত জ্যোতিৰ্ময়ী মূৰ্তিৰ আবিৰ্ভাৱ হ'ল। দেৱতাসকল অবাক হ'ল। বিস্মিত দেৱৰাজে এজন এজনকৈ সকলো দেৱতাকে সেই অদ্ভুত জ্যোতিৰ্ময়ী দেৱীৰ পৰিচয় জনাৰ বাবে পঠিয়ালে। কিন্তু প্ৰত্যেকেই নিজ কৰ্মশক্তিক পৰিচয় দিবলৈ অপৰাগ হ'ল। অগ্নিয়ে এটুকুৰা তৃণক দগ্ধ কৰিবলৈ সক্ষম নহ'ল, বায়ু সক্ষম নহ'ল তাক স্থানচ্যুত কৰিবলৈ। লাহে লাহে দেৱৰাজৰ ওচৰত স্বৰূপ প্ৰকাশ কৰিলে মহাশক্তিয়ে। তেতিয়াহে দেৱকুলে জানিলে এই মহাশক্তিয়েই হৈছে তেওঁলোকৰ চালিকা শক্তি। নিজ শক্তিৰ বৃথা অহংকাৰ কৰিছিল তেওঁলোকে। গতিকে, ব্ৰহ্মচাৰিণীৰূপে ব্ৰহ্মজ্ঞান দিলে দেৱীয়ে।

নৱ দুৰ্গাৰ তৃতীয়ৰূপ চন্দ্ৰঘণ্টা। মহিষাসুৰ বধৰ কাৰণে দেৱীয়ে যেতিয়া মহালক্ষ্মীৰূপে আবিৰ্ভূত হ'ল তেতিয়া দেৱৰাজ ইন্দ্ৰই তেওঁৰ হাতত তুলি দিলে ঘণ্টা। যি ঘণ্টাধ্বনিৰ মাজত আছে ঐৰাৱতৰ প্ৰচণ্ড শক্তি। অসুৰৰ ওচৰত ই মৃত্যু তুল্য। সাধকৰ ওচৰত ই অভয়দাত্ৰী।

দেৱীৰ চতুৰ্থৰূপ হ'ল কুষ্মাণ্ড। উষ্মা শব্দৰ অৰ্থ তাপ। কুৎসিত তাপৰ পৰা কুষ্মা। দেৱীয়ে তেওঁৰ ভক্তসকলক ৰক্ষা কৰাৰ কাৰণে সংসাৰৰ সকলো ৰকমৰ তাপ উদৰস্থ কৰে সেয়ে তেওঁ কুষ্মাণ্ড।

দেৱীৰ পঞ্চম ৰূপ হ'ল স্কন্দমাতা। তেওঁ স্কন্দ বা কাৰ্ত্তিকৰ জননী। কাৰ্ত্তিকৰ জন্মৰ কাৰণে ধ্যানমগ্ন শিৱৰ তপস্যা ভংগতহে শিৱ-পাৰ্বতীৰ মিলন সম্ভৱ হৈছিল। সেয়ে স্কন্দমাতাৰূপে দেৱী বিশেষভাৱে বন্দিতা।

দেৱীৰ ষষ্ঠৰূপ হ'ল কাত্যায়নী। বামণ পুৰাণত দেৱী কাত্যায়নী নামেৰে বৰ্ণিত হৈছে। মহিষা সুৰক বধ কৰিবলৈ দেৱতাসকলে উপায় বিচাৰিলে, মহিষাসুৰৰ প্ৰতি অতিশয় ক্ৰোধান্বিত হৈ উঠিলত দেৱতাসকলৰ কোপত জন্ম হ'ল এক দেৱ তেজসম্ভূতা কন্যাৰ। ঋষি কাত্যায়নৰ আশ্ৰমত বৰ্ধিতা কন্যা কাত্যায়নী। দেৱী কাত্যায়নীৰূপে বিৰাজিতা চণ্ডীক দেৱী সুখদা আৰু মোক্ষদা দুই ৰূপত বন্দনা কৰা হৈছে। সমাধি বৈশ্যক তেওঁ মোক্ষদান কৰিছিল। সুৰথ ৰজাৰ ওচৰত দেৱী সুখদা ৰূপত আবিৰ্ভূতা। দেৱী কাত্যায়নীৰূপে ভক্তক ভক্তিদান কৰিছে। বৃন্দাবনত এই দেৱী গোপবধূসকলৰ মাধ্যমত পূজিত হৈছিল।

দেৱীদুৰ্গাৰ এটি বিশেষ ৰূপ বা সপ্তমৰূপ হ'ল কালৰাত্ৰি। প্ৰলয় কালত ৰাত্ৰি ৰূপিনী মহাশক্তিৰ কোলাত জগত সংসাৰ লয় প্ৰাপ্ত হয়। যেন সৃষ্টিকাৰ্যই বিশ্ৰাম লাভ কৰে। মহাপ্ৰলয়ৰ সেই ৰাত্ৰিয়েই কালৰাত্ৰি নামে খ্যাত। কালৰাত্ৰিত মহাবিষ্ণু নিদ্ৰামগ্ন হয়। মহাকালিকাই তেওঁৰ চকুত যোগনিদ্ৰা ৰূপে বিৰাজ কৰে। সমগ্ৰ বিশ্বক আৰু বিশ্বনাথ মহাকালক যি স্তব্ধ কৰে তেওঁ কালৰাত্ৰি দেৱী।

পুৰাণত আছে যে হিমালয় ৰজাৰ ঘৰত যেতিয়া পাৰ্বতীয়ে





জন্ম গ্ৰহণ কৰে তেতিয়া তেওঁৰ গাৰ বৰণ ক'লা আছিল। গিৰিৰাজৰ আত্মীয় পৰিজনে তেওঁক সেয়ে কালী বুলি মাতিছিল। বিবাহৰ পিছত শংকৰে অৰ্থাৎ শিৱই তেওঁক উৰ্বশীহঁতৰ সন্মুখত কালী বুলি সম্বোধন কৰিছিল আৰু তেতিয়া দেৱীয়ে স্বামীৰ ওপৰত ৰুষ্ট হৈ নিজৰ গাৰ বৰণ তপস্যাৰ মাধ্যমত পৰিৱৰ্তন কৰি মহাগৌৰীৰ ৰূপ ধাৰণ কৰে। এই ৰূপটোৱে হ'ল দেৱীৰ অষ্টমৰূপ। মহাকালী আছিল সন্তান বৎসলা কিন্তু মহাগৌৰী হ'ল স্বামী সোহাগিন।

দেৱী দুৰ্গাৰ নটা ৰূপৰ ভিতৰত নৱম ৰূপ বা শেষৰ ৰূপটো হ'ল সিদ্ধিদাত্ৰী ৰূপ। সিদ্ধিদাত্ৰী মানে মুক্তি দাত্ৰী। দেৱী সাধকক সৰ্বকৰ্মৰ, সৰ্বসাধনাত সিদ্ধি দান কৰে। এয়াই হৈছে দেৱী দুৰ্গাৰ নটাৰূপৰ চমু পৰিচয়। ❑

■ ■ ■

## অসমৰ বিষয়ে জানিবলগীয়া কথা

➢ অসমৰ মাটিকালি কিমান?
উত্তৰ ঃ ৭৮.৪৩৮ বৰ্গ কিলো মিটাৰ (২০১১)।

➢ মুঠ জনসংখ্যা কিমান?
উত্তৰ ঃ ৩,১১,৬৯,২৭২ জন (২০১১)।

➢ মহিলা কেইগৰাকী?
উত্তৰ ঃ ১,৫২,১৪,৩৪৫ গৰাকী।

➢ অসমৰ নগৰ কেইখন?
উত্তৰ ঃ ১২৫ খন।

➢ নগৰত কিমান শতাংশ লোক বাস কৰে?
উত্তৰ ঃ ১৪.৭২ শতাংশ।

➢ গাঁৱত বাস কৰা লোক কিমান শতাংশ?
উত্তৰ ঃ ৮৬ শতাংশ।

➢ অসমৰ গাঁও কেইখন?
উত্তৰ ঃ ২৬,৩১২ খন।

➢ অসমৰ উন্নয়ন খণ্ড কেইটা?
উত্তৰ ঃ ২১৯ টা।

➢ প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে নাৰীৰ সংখ্যা কিমান?
উত্তৰ ঃ ৯৫৪

➢ সাক্ষৰতাৰ হাৰ শতকৰা কিমান?
উত্তৰ ঃ ৭৩.২৮ জন।

➢ মহিলা সাক্ষৰতাৰ হাৰ কিমান?
উত্তৰ ঃ ৬৭.২৭ শতাংশ।

➢ পুৰুষৰ সাক্ষৰতাৰ হাৰ কিমান?
উত্তৰ ঃ ৭৮.৮১ শতাংশ।

➢ জনবসতিৰ ঘনত্ব কিমান?
উত্তৰ ঃ প্ৰতি বৰ্গ কি.মি.ত ৩৯৭ জন।

➢ অসমৰ গাঁও পঞ্চায়ত কেইখন?
উত্তৰ ঃ ২২০২ খন।

# ৰাসলীলাৰ আধ্যাত্মিক তাৎপৰ্য্য

✍ সীমাশ্ৰী ঠাকুৰীয়া
*স্নাতক, ৩য় ষাণ্মাসিক*

মহাপুৰুষ শংকৰদেৱৰ 'কীৰ্ত্তন-ঘোষা' সাহিত্যিক জীৱনৰ এক কীৰ্তিস্তম্ভ। ইয়াত বৰ্ণিত ৰাসলীলা অধ্যায় গুৰুজনাৰ অনুপম সৃষ্টি। তদুপৰি শ্ৰীমদ্ভাগৱত পুৰাণৰ দশম স্কন্ধৰ ঊনত্ৰিশ অধ্যায়ৰ পৰা তেত্ৰিশ অধ্যায়লৈকে মুঠ পাঁচটি অধ্যায়ত ৰাসলীলা তত্ত্বৰ ব্যাখ্যা গুৰুজনাই সুন্দৰকৈ দিছে। গুৰুজনে এই খণ্ডটি মঙ্গলাচৰণেৰে এনেদৰে আৰম্ভ কৰিছে—

*জয় জগন্নাথ জগতৰ আদিমূল।*
*গোপ ৰূপ ধৰি তাৰিলা গোকুল।।*
*বৃন্দাবনে আনন্দে কৰিয়া ৰাসক্ৰীড়া।*
*গুছাইলা গোবিন্দ গোপীকাৰ কাম পীড়া।*

ইয়াৰ উপৰিও ৰাসলীলাৰ কথা তেওঁ কীৰ্ত্তন ঘোষাত বিস্তাৰিত ভাবে শ্ৰোতাৰ মনোগ্ৰাহিকৈ বৰ্ণনা কৰিছে। তেওঁ কীৰ্ত্তনত ৰাসলীলা আৰম্ভ কৰিছে এনেদৰে—

*সৰত কালৰ ৰাতি অতি বিতোপণ।*
*ৰাসকৃড়া কৰিতে কৃষ্ণৰ ভৈল মন।।*[১]
*ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব্ব দিস হন্তে।*
*কামাতুৰ স্ত্ৰীৰ জেন সন্তাপ মাৰ্জন্তে।।*[১] —*কীৰ্ত্তন ঘোষা*

শ্ৰীশ্ৰীশঙ্কৰদেৱে ৰচিত কীৰ্ত্তন পুথিৰ এই মনোৰম বৰ্ণনাই শৰৎ কালছোৱা যেন জোনাক নিশাৰ সপোন মাধুৰীৰ সৃষ্টি কৰা যেন লাগে। শৰৎ কালৰ পূৰ্ণিমা ৰাতিৰ নৱকুসুমিত মল্লিকাৰ সৌৰভ, শ্যামল বৃন্দাবনৰ শোভা, যমুনাৰ ধীৰ প্ৰবাহ , কৃষ্ণৰ বংশীৰ সুমধুৰ সুৰ, গোপীসকলৰ পুত্ৰস্নেহ, গৃহপৰিত্যাগপূৰ্বক বৃন্দাবনলৈ উধাতু খাই গমন, ৰাস নৃত্য, কৃষ্ণৰ অন্তৰ্দ্ধান, গোপীসকলৰ কৃষ্ণ অন্বেষণ, তেওঁলোকৰ কৃষ্ণ ভাৱনা আৰু অন্তিমত পুণৰ্মিলন এই সকলোবোৰ ঘটনা প্ৰাসঙ্গিক জীৱনৰ গদ্যময় ঘটনা নহয়। যমুনাৰ বালিত শ্ৰীকৃষ্ণই কৰা লীলাৰ বৰ্ণনা মহাপুৰুষৰ অপূৰ্ব সৃষ্টি। সুন্দৰ প্ৰাঞ্জল ভাষাত সকলো শ্ৰেণীৰ মানুহে ধৰ্মতত্ত্বৰ যোগেদি তেওঁৰ দৰ্শন যে সহজলভ্য তাৰেই প্ৰকাশ কীৰ্ত্তনৰ পদসমূহ।

ৰাসলীলাৰ ওপৰভাগত শৃংগাৰ ৰসৰ ঢাকণি আছে। এই ঢাকণিখন এখন প্ৰলেপমাত্ৰহে। ইয়াৰ আধ্যাত্মিক দিশলৈ গুৰুত্ব নিদি ওপৰে ওপৰে চালে মানুহে অশ্লীলতা অনুভৱ কৰে। কিন্তু গভীৰ ভক্তি থাকিলেও ইয়াৰ দুৰ্বোধ্য আত্মতত্ত্ব সহজে উপলব্ধি কৰিব নোৱাৰে। তনু, মন, বাক্য এই তিনিওতা অৰ্পণ কৰি ভক্তই ভগৱানৰ ওচৰত একান্ত আশ্ৰয় ললেহে তেওঁৰ সান্নিধ্য লাভৰ সুযোগ ঘটে। ৰাসলীলাত জীৱাত্মা আৰু পৰামাত্মাৰ মিলনৰ স্বৰূপ দেখা যায়। ইয়াত জীৱাত্মা হৈছে গোপীসকল আৰু শ্ৰীকৃষ্ণ হৈছে পৰমাত্মাৰ প্ৰতীক। জীৱাত্মাই পৰামাত্মাৰ আকৰ্ষণ কেতিয়াও এৰিব নোৱাৰে। গতিকে ৰাসলীলা পৰমাত্মাৰ লগত জীৱাত্মাৰ মিলনৰ এটি স্বৰূপ। শ্ৰীকৃষ্ণ হ'ল ভগৱানৰ এটি পূৰ্ণ অৱতাৰ আৰু গোপীসকল সেই ভগৱানৰ ক্ষুদ্ৰৰূপ। সেয়ে জীৱাত্মাই ভগৱানৰ সান্নিধ্যতাৰপৰা পৰম পদ লাভ কৰিবলৈ সদায় ব্যাকুল হৈ থাকে।

তদুপৰি ভাগৱতৰ দশম স্কন্ধত বৰ্ণিত ৰাসলীলাৰ বৰ্ণনাও নিজৰ সৃষ্টিমূলক বৰ্ণনাৰ অনুপম নিদৰ্শন। তদুপৰি গুৰুজনাই ৰচনা কৰা 'কেলি গোপাল' নাটকখনত ৰাসলীলাৰ বৰ্ণনাৰ মাজতে 'কামজয় নামে ইটো কেশৱৰকেলি' বুলি বৰ্ণনা কৰিছে। ইয়াত কেশৱ শব্দৰে বিষ্ণু বা কৃষ্ণক বুজাইছে। তদুপৰি 'কামজয়' শব্দটোৰ অৰ্থ হ'ল— যিটো পঢ়িলে বা শুনিলে কামভাব দূৰ হয় তাকেই বুজাইছে। সাধাৰণ মানুহ কামনাৰে বশীভূত হয় কিন্তু, ইয়াত ভগৱান শ্ৰীকৃষ্ণক সাধাৰণ মানুহ হিচাবে দেখুওৱা নাই। তেওঁক ইয়াত অতিন্দ্ৰীয় মহামানৱ হিচাপে প্ৰতিপন্ন কৰিছে। গোপীসকলৰ লগত তেওঁ যি ক্ৰীড়া কৰিছে সেই ক্ৰীড়া তেওঁৰ লীলাৰেই অংশ বিশেষ। তেওঁ গোপীসকলৰ আত্ম সন্তুষ্টিৰ কাৰণে তেওঁ বিলাকৰ লগত ক্ৰীড়া কৰি গোপীসকলক ছায়া পুতলাৰ দৰে নচুৱাইছে। গোপীসকলৰ মনোবাঞ্ছাৰ কাৰণেহে অতিন্দ্ৰীয় ভগৱানে মদনৰ অস্ত্ৰৰ সহায় লৈছে। প্ৰকৃত আশ্ৰয় হিচাপে গ্ৰহণ কৰা পৰিলক্ষিত নহয়। সেয়েহে তেওঁ স্বয়ং সকলো কামনা-বাসনাৰ গৰাকী। গতিকে তেওঁ কামনা বাসনাৰ বশীভূত নোহোৱাটোৱেই স্বাভাৱিক। ভগৱান পূৰ্ণকাম। গতিকে পূৰ্ণ কামত কোনো বাসনা থাকিব নোৱাৰে। কেৱল তেওঁ কামভাৱক মন্ত্ৰ হিচাপে লৈ গোপীসকলৰ মনৰ অভিলাষ পূৰণ কৰিছে। সেয়ে সকলো জীৱৰে পৰম পিতাৰূপে তেওঁ তেওঁলোকৰ স্বতন্ত্ৰতাৰ ক্ষেত্ৰত হস্তক্ষেপ নকৰে, বৰং সকলো সুবিধা দিয়েহে যাতে তেওঁলোকে নিজৰ নিজৰ পাৰ্থিৱ, কামনা পূৰণ কৰি লব পাৰে। গতিকে ভগৱানে প্ৰতিটো জীৱকে নিজৰ অভিৰুচি অনুসাৰে স্বতন্ত্ৰতা উপভোগ কৰিবলৈ দিছে।

*শৃঙ্গাৰ ৰসে জাৰ আচে ৰতি।*
*তাকে শুনি হৌক নিৰ্মল মতি।।*





ভগৱানৰ শৃঙ্গাৰ ৰসাত্মক বৰ্ণনা শুনি তেওঁত আসক্তি থাকক, সংসাৰৰ কামনা-বাসনাক তাৰ দ্বাৰা জয় কৰক এনে ধৰণৰ ব্যাখ্যাহে শঙ্কৰদেৱে কীৰ্তনত দিছে। ৰাসক্ৰীড়াৰ আধ্যাত্মিক অৰ্থ আনন্দৰূপী ভগৱানৰ সৈতে গোপীৰূপী জীৱৰ নিত্য সম্বন্ধ। গোপীসকল জীৱাত্মা আৰু ভগৱান পৰমাত্মাৰূপে আহি পৃথিৱীত কেলি কৰিছে। যদি গোপীসৱৰ চিত্ত শুদ্ধ নহ'লহেঁতেন তেন্তে তেওঁলোকে ভগৱানৰ পৰমভক্ত হ'ব নোৱাৰিলেহেঁতেন। কৃষ্ণৰ প্ৰতি গোপীসকলৰ যি আকৰ্ষণ সি বিভিন্ন স্তৰৰ মাজেদি গৈ কৃষ্ণ প্ৰেমত পৰিণত হৈছে। গোপীসকলৰ প্ৰেম যেতিয়া কৃষ্ণমুখী হ'ল তেওঁলোকে নিজকে কৃষ্ণৰ অংশ বুলি ভাবিলে। এই ভাবেৰে তেওঁলোকে কামনাক জয় কৰিবলৈ সক্ষম হৈছে। এই কামনাই উদ্ধস্তৰত উপনীত হৈ আধ্যাত্মিক প্ৰেমৰ ৰূপ পাইছে।

গুৰুজনাৰ 'কেলিগোপাল' নাটত ৰাসলীলাৰ এটি পুৰণি কাহিনী লিপিবদ্ধ হৈ আছে। হেমন্ত কালত গোপীসকলে কাত্যায়নী নামৰ এটি ব্ৰত পালন কৰিছিল। উদ্দেশ্য ভগৱান শ্ৰীকৃষ্ণক পতিৰূপে কামনা কৰি। শৰৎকালত ভগৱানে তেওঁলোকৰ মনোভিলাসপূৰ্ণ কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। এই প্ৰতিশ্ৰুতিৰ ফলতেই শৰৎকালৰ পূৰ্ণিমা নিশাত শ্ৰীকৃষ্ণই গোপীসকলৰ লগত ৰাসক্ৰীড়া কৰে। আধ্যাত্মিক দৃষ্টিৰে চালে ৰাসক্ৰীড়াৰ অৰ্থ অতি গভীৰতৰ ৰূপত অনুধাৱণ কৰি লব পাৰি। সৃষ্টি চক্ৰৰ আৱৰ্তনী হ'ল ৰাসক্ৰীড়াৰ চক্ৰ। ঠিক সেইদৰে সৃষ্টি চক্ৰৰ আৱৰ্তনি চক্ৰৰ কৃষ্ণই হ'ল মাধ্যম অৰ্থাৎ পৰমাত্মাৰ মাধ্যম। গোপীসকল হ'ল জীৱাত্মা আৰু বৃন্দাবন হ'ল নৃত্য গীতৰ স্থল। ই কোনো জাগতিক নৃত্য-গীতৰ লীলাভূমি নহয়। ই হ'ল সৃষ্টিৰ পটভূমি। এই সৃষ্টিৰ পটভূমিতে কৃষ্ণৰ বংশীৰ সুৰ ধ্বনিত হ'ল। কৃষ্ণৰ বংশীৰ সুৰ হ'ল অসীমৰ সুৰ। যি সুৰ শুনি প্ৰাণী বা জীৱ মাত্ৰই সেই সুৰৰ কাৰণে ধাৱিত হয়।

ৰাসক্ৰীড়া গোপীসকলৰ বাবে আছিল এটি ডাঙৰ পৰীক্ষা। এই পৰীক্ষাত গোপীসকলে পৰিপূৰ্ণতা লভিছিল। তেওঁলোকে কৃষ্ণৰ সান্নিধ্য পাবলৈ প্ৰবল অনুৰাগ জন্মিল। শ্ৰীকৃষ্ণই তেওঁলোকৰ আকৰ্ষণ কামজনে ভগৱৎ তেওঁ পৰীক্ষা কৰি চাইছে। যমুনাৰ বালিত যেতিয়া শৰৎকালৰ নিশা কানাইৰ বংশীৰ ধ্বনি গোপীসকলৰ কৰ্ণগোচৰ হৈছিল তেতিয়া তেওঁলোকে পতি-পুত্ৰ ত্যাগী, লাজ-অপমান এৰি, গৃহধৰ্ম ত্যাগি যমুনাৰ বালিলৈ দৌৰি গৈছিল। তৎমুহূৰ্ত্তত কৃষ্ণই গোপীসকলক গৃহধৰ্ম সোঁৱৰাই এই যে গৰ্হিত কৰ্ম ঘৰলৈ যাবলৈ বাৰম্বাৰ সোঁৱৰাই দিছিল। কিন্তু গোপীসকলে কৈছিল—

*কহিলা যিটো কুলস্ত্ৰীৰ কৰ্ম্ম।*
*তোমাতে থাকোক সিসৱ ধৰ্ম।।*[৮২৯]
*জগতৰে বন্ধু আতমা তুমি।*
*সমস্ত ধৰ্মৰ আপুনি তুমি।।*
*তুমি আত্মা হেন জানি সম্পতি।*
*তোমাতেসে কৰে ভকতে ৰতি।।*[৮৩০]

—*কীৰ্ত্তন ঘোষা*

শঙ্কৰদেৱে ইয়াৰ মাজেদি গোপীসকল জীৱৰ লগত পৰম পুৰুষ ভগৱানৰ সান্নিধ্য লাভৰ কথাকে প্ৰতীকি ৰূপত অঙ্কিত কৰিছে। ৰাস মণ্ডলত মণ্ডলকাৰে ঘুৰি ঘুৰি নৃত্য কৰি তেওঁলোক যেন পৰম পুৰুষত লীন হৈ গ'ল।

গুৰুজনাৰ সৃষ্টি নে পৰমঈশ্বৰৰ লীলা তাক সতকাই কোৱা টান কাৰণ ৰাসমণ্ডলৰ পৰা কৃষ্ণ এবাৰ অন্তৰ্দ্ধান হ'ল। বিৰহত কাতৰ হৈ গোপীসকলে ব্যাকুল মনোৰথেৰে যেনি তেনি কৃষ্ণক বিচাৰি হাবাথুৰি খাবলৈ ধৰিলে।

*হে আম জাম বেল বকুল।*
*নাহি উপকাৰী তোমাৰ তুল।।*
*কৃষ্ণৰ বিৰহে দেখো আন্ধাৰ।*
*কোৱা কৈক গৈল প্ৰাণ আমাৰ।।*[৮৩১]

—*কীৰ্ত্তন ঘোষা*

ইয়াৰ প্ৰকৃত কাৰণ হ'ল তেওঁলোকে মদগৰ্বত গৰ্বিত হৈ শ্ৰীকৃষ্ণক সেৰুৱা স্বামী বুলি ভাবৰ উদ্ৰেক হোৱাত তেওঁ অন্তৰ্দ্ধান হ'ল। গোপীৰ অহংভাৱৰ প্ৰত্যুত্তৰ তেওঁ দিয়াত গোপীসকলৰ অহংভাব দূৰ হ'ল। অৱশেষত কৃষ্ণৰ পুনৰাগমনত বিৰহানলত দগ্ধা গোপীৰ প্ৰাণলৈ হৰ্ষোল্লাস ভাবৰ আগম ঘটিল। গোপীসকলৰ অহংভাৱ আতৰ হোৱাত পুনৰ যমুনাৰ বালিত মহাৰাস অনুষ্ঠিত হ'ল। এই মহাৰাসৰ মাজত 'শঙ্খচুড়' নামৰ দৈত্য এটাৰ আবিৰ্ভাৱ আৰু মৃত্যুই ৰাসৰ ঐতিহ্যত স্নান পেলাব নোৱাৰিলে।

ৰাসলীলাত ৰাধা-কৃষ্ণৰ যুগল মূৰ্ত্তিৰ স্বৰূপ ৰাসমণ্ডলত দেখা যায় যদিও মূল দশম আৰু বিষ্ণু পুৰাণত ৰাধাৰ নাম পোৱা নাযায়। তদুপৰি শঙ্কৰদেৱৰ 'কীৰ্ত্তন' আৰু 'দশম' গ্ৰন্থতো ৰাধাৰ নাম পোৱা নাযায় অথবা উল্লেখ নাই। তেৰাৰ একশৰণ ভাগৱত ধৰ্মতো ৰাধা-কৃষ্ণৰ যুগল মূৰ্ত্তিৰ উপাসনা কৰা দেখা নাযায়। ৰাধাৰ নাম কেৱল ব্ৰহ্মবৈৱৰ্ত পুৰাণতহে পোৱা যায়। ব্ৰহ্মবৈৱৰ্ত পুৰাণে বংগীয় বৈষ্ণৱধৰ্মৰ ওপৰত অতিশয় আধিপত্য স্থাপন কৰিছে। এই শাস্ত্ৰৰ ৰাধা কৃষ্ণৰ তত্ত্বই এই ধৰ্মৰ দাৰ্শনিক ভেটি তুলি ধৰিছে। অসমীয়া বৈষ্ণৱ ধৰ্মৰ মূল ব্ৰহ্মবৈৱৰ্ত পুৰাণ নহয় ভাগৱত পুৰাণহে। শঙ্কৰদেৱৰ 'কেলি গোপাল' নাটৰ ৰাধা চৰিত্ৰতো সমালোচকৰ দৃষ্টিত এটি প্ৰলিপ্ত চৰিত্ৰহে।

পৰিশেষত ক'ব পাৰি আধ্যাত্মিক ভাৱত প্ৰতিষ্ঠিত ভক্তিৰসত প্লাৱিত আৰু শৃঙ্গাৰ ৰসত পৰিপুষ্ট এই ৰাসলীলাক মহাপুৰুষে পুনৰ দশমত কৈছে কামজয় নামে ইটো কেশৱৰ কেলি। সেয়ে মহাপুৰুষে কীৰ্ত্তনত কৈছে-

*কোনে বুজিবেক তোমাৰ লীলা।*
*কটাক্ষে তুমিৰ ভাৱ হৰিলা।।*[১০২৩]
*কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভনে।*
*গোপাল কেলি শুনা সৰ্ব্বজনে।।*
*মোক্ষ পাইবা যেৱে সংসাৰ তৰি।*
*সঘনে ডাকি বোলা হৰি হৰি।।*[১০২৫] □

# দখলা পাহাৰ ঃ এক আলোচনা

✍ প্ৰাণজিৎ শৰ্মা
*অধ্যাপক, অসমীয়া বিভাগ*

অসমৰ অপৰূপ সৌন্দৰ্যৰ মাজত আমি গম নোপোৱাকৈ যে কিমান ঠাই আছে সেইবিলাক আমি ভালধৰণে চালেহে জানিব পাৰো। অসমৰ বিভিন্ন আপুৰুগীয়া শোভাৰ মাজত দখলা পাহাৰৰ সৌন্দৰ্যইয়ো সকলোকে হাত-বাউলি মাতে। দখলা পাহাৰ বুলিলে আমি উপৰহালী আৰু বিজয়নগৰৰ পৰা প্ৰায় ১ কি.মি. দূৰত অৱস্থিত এই পাহাৰ। পূৰ্বৰ পাহাৰৰ যি ৰূপ সেই ৰূপ আজি সলনি হৈ পৰিছে। কাৰণ এতিয়া পাহাৰৰ ওপৰলৈ যোৱা পথছোৱা সম্পূৰ্ণৰূপে পকি হৈ মানুহৰ আহকালৰ সামান্য ওৰ পেলাব পাৰিছে। পূৰ্বতে কোৱাৰ দৰে এই পাহাৰৰ দৃষ্টিনন্দন পৰিৱেশ সৃষ্টি কৰিছে মহাবাহু ব্ৰহ্মপুত্ৰৰ সুবিশাল জলৰাশিয়ে। পাহাৰৰ ওপৰৰ পৰা নৈ আৰু পাহাৰৰ অপৰূপ অথবা বিচিত্ৰৰূপ আমি দেখিবলৈ পাওঁ। মই এজন স্থানীয় বাসিন্দা হিচাপে দখলা পাহাৰৰ লগত শৈশৱৰ চিনাকি আৰু স্মৃতিয়ে আজিয়ো মোক আমনি কৰে।

দখলা গাঁওখন অতি জনবসতিপূৰ্ণ গাঁও। ইয়াৰ ওচৰতে এই অঞ্চলৰ বাণিজ্যিক কেন্দ্ৰ বিজয়নগৰ অতি নিচেই অৱস্থিত। এই অঞ্চলত এখন সবল সমিতিৰ দ্বাৰা দখলা পাহাৰৰ গছ-গছনি আৰু যিবোৰ ঐতিহাসিক সমল আছে সেইবোৰ সংৰক্ষণ আৰু ৰক্ষা কৰাৰ বাবে অহৰহ চেষ্টা চলাই ৰখা হৈছে। দখলা পাহাৰত এতিয়াও বহুত মানুহৰ আগমন হয়। কাৰণ তাত অকল প্ৰাকৃতিক শোভাই নহয় বহু পুৰণি মন্দিৰকেইটাই তাৰ সৌষ্ঠৱ দুগুণে বঢ়ায়। পাহাৰলৈ যোৱাত পকী ৰাস্তা থকাৰ উপৰিও খটখটীৰে যাব পৰা ব্যৱস্থা এটা আছে।

দখলা পাহাৰত এতিয়াও তাত চিত্ৰশিল্পীয়ে চিত্ৰ আঁকাৰ পটভূমি বিচাৰি পায়। আনহাতে বৰ্তমান সময়ত ওচৰ-পাজৰৰ স্কুলৰ পৰা Out-door Painting কৰাৰ বাবেও তেওঁলোকে এই স্থানকে বেছি উৎকৃষ্ট বুলি পৰিগণিত কৰে।

ইয়াত বিশেষকৈ ৰাতিপুৱা হোৱাৰ পৰা স্বাস্থ্য সচেতন ব্যক্তিয়ে খোজ কঢ়া, আনহাতে এই পাহাৰত বুঢ়াগোসাঁই আৰু বিষ্ণু মন্দিৰ অতি প্ৰাচীন কালৰ পৰাই আছে। ইয়াতে কোনোবাই কিবা এটা মনোবাঞ্চা কৰি আৰাধনা কৰিলে সেইটো ইয়াত ফলৱান হোৱাৰ প্ৰমাণ আছে। সেয়েহে স্থানীয় লোক আৰু প্ৰান্তীয় ঠাইৰ মানুহে সপ্তাহত বা মাহেকত আহি এই মন্দিৰতে পূজা-অৰ্চনা কৰা দেখা যায়। ইয়াতে আকৌ সৰস্বতী মন্দিৰ, গণেশ মন্দিৰ আদি বিভিন্ন মন্দিৰ আছে। এই গণেশ মন্দিৰৰ শিলৰ মূৰ্তিটো আপোনা-আপুনি ফুটি ওলাইছে বুলি মানুহে বিশ্বাস কৰে। কিংবদন্তি অনুসাৰে দ্বাপৰ যুগত ইয়াৰ উৎপত্তি হৈছিল।

আমি অকল চিত্ৰশিল্পী আৰু মন্দিৰৰ মাজত ইয়াৰ পৰিসৰ সীমাবদ্ধ নহয় বুলি ক'ব পাৰো। ইয়াৰ কাৰণে গৱেষণাৰ কাম লৈ অহা মানুহে বহুত আনন্দ আৰু তাৰ সমল সংগ্ৰহ কৰিব পৰাবো থল আছে। আনহাতে শীতকালত বনভোজ খোৱা দলসমূহে তাৰ সৌন্দৰ্য আৰু দুগুণে ফুটাই তোলে। এই সময়খিনিত বা এই ঋতুত বৰগীত, লোক-গীতৰ আয়োজন কৰি তাত সুৰৰ মায়া জাল ৰচনা কৰে।

ইয়াৰ উপৰিও এই পাহাৰৰ বুঢ়াগোসাঁই মন্দিৰত বছৰি শিৱৰাত্ৰি পূজা পালন কৰা হয়। প্ৰতিবছৰে মাঘী পূৰ্ণিমাত সাধুমেলা উৎসৱ আয়োজন কৰা হয়। এই মেলাত ভক্তৰ লানি নিচিগা সোঁত আৰু কিছুমান তত্ত্বসাৰ কথাৰে সেই পৰিৱেশটো আধ্যাত্মিক সুৰত ডুবাই ৰখা হয়। এই পাহাৰ নীৰৱ নিথৰ কিন্তু শিৱৰাত্ৰি বা অন্য অনুষ্ঠানবোৰত বৈদ্যুতিক লাইটৰ দ্বাৰা জিকমিকাই ৰখা হয়।

বহু স্মৃতি বিজড়িত হৈ আছে এই পাহাৰৰ লগত বহু জন্তুৰ খোজ থকা শিল, শিলৰ মূৰ্তি আৰু এটা শিলত প্ৰকাণ্ড ভৰি এখনৰ চিত্ৰও পোৱা যায়। এই চিত্ৰখনেই ভীমৰ ভৰিৰ চিন আছিল বুলি জনশ্ৰুতিয়ে ক'ব খোজে। আনহাতে ইয়াৰ লগত সংলগ্ন কাহিনীবোৰ অতি মনোৰম।

এই পাহাৰৰ পৰাই ব্ৰহ্মপুত্ৰৰ দৃষ্টিনন্দন দৃশ্য চাবলৈ অতি ধুনীয়া। ওপৰৰ পৰা তললৈ আমি দৃশ্য উপভোগ কৰিলে গছ-লতিকাৰ লগত নদীৰ দৃশ্যটো আফ্ৰিকাৰ কোনো দৃশ্যৰ নিচিনা হৈ পৰে। আকৌ ৰতৰ ফৰকাল থাকিলে শৰাইঘাটৰ দলং, হাতীমুৰা পাহাৰ ৰিণিকি ৰিণিকি দেখা পাওঁ।

শান্তি নিৰিবিলি এই পাহাৰৰ পৰিৱেশ। ইয়াত আহিলেই বিভিন্নজনৰ মনবোৰ আপ্লুত হৈ পৰে। বৰ্তমান ইয়াৰ প্ৰভাৱ সামান্য পৰিমাণে কমি আহিবলৈ ধৰিছে। কাৰণ পাহাৰ অঞ্চলত মানুহৰ বসতিয়ে প্ৰাকৃতিক শোভাত বিঘিনি হানিছে।

দখলা পাহাৰ এখন পাহাৰ হিচাপে নহয় তাক গ্ৰাম্য পৰ্যটনলৈ পৰ্য্যবসিত কৰিবলৈ আমি প্ৰত্যেকেই ঐক্যবদ্ধ হ'ব লাগিব। এইবাৰ স্বাধীনতা দিৱসৰ ভাষণত পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া পংকজ গোস্বামীয়ে দক্ষিণ কামৰূপৰ পৰ্যটনৰ সম্ভাৱনা থকা ঠাইসমূহ পৰ্য্যায়ক্ৰমে





গ্ৰাম্য পৰ্যটনলৈ উন্নীত কৰিব বুলি আশ্বাস দিয়ে।

এনেধৰণৰ উন্নয়নমূলক কৰ্মই সেই অঞ্চলৰ লগতে অসমৰ নিবনুৱা সমস্যা সামান্য হ'লেও হ্ৰাস হ'ব বুলি বা স্থানীয় ৰাইজৰ সহায় হ'ব বুলি ক'ব পাৰি। নৈৰ পাৰত পাৰ বনাই, পাহাৰত ৰোপ ৱে (Roop Way)ৰ ব্যৱস্থা, নদীত ফেৰি সেৱা, উদ্যান, পানীৰ ব্যৱস্থা আদিৰ সুবিধা কৰিলে এদিন কামাখ্যা মন্দিৰ নীলাচল পাহাৰৰ, আৰু গড়চুকৰ পৰা ৰাণী হৈ অহা পামহি আৰু দ্বীপৰ বিলৰ মনোমহা ঠাইৰ নিচিনা দখলা পাহাৰ এদিন এনে এটা ৰূপৰ অধিকাৰী হ'ব বুলি আমি ৰাইজক আশাবাদী। ☐

■ ■ ■

# মাধৱদেৱৰ গুৰু ভক্তি আৰু সাম্প্ৰতিক সমাজত ইয়াৰ প্ৰাসংগিকতা

✍ অযোধ্যা ৰাম অধিকাৰী
*অধ্যাপক, অসমীয়া বিভাগ*

সমাজ এখনৰ নেতৃস্থানীয় ব্যক্তিসকলৰ কৰ্ম, চিন্তাধাৰা জীৱন জিজ্ঞাসা আদি সৰ্ব-সাধাৰণতকৈ কিছু ব্যতিক্ৰম দেখা যায়। তেওঁলোকৰ আদৰ্শ আন সকলৰ অনুকৰণৰ বস্তু হৈ পৰে। সেয়ে ব্যক্তিগত আৰু সমাজ জীৱনত এই পুৰুষসকল সাধাৰণ স্তৰৰ পৰা বহু উৰ্দ্ধলৈ উত্তৰণ কৰে আৰু কেতিয়াবা কিংবদন্তী পুৰুষৰূপে প্ৰতীয়মান হয়। মহাপুৰুষ মাধৱদেৱৰ জনমানসত এখন বিশিষ্ট আসন আছে। গুৰুভক্তিৰ শ্ৰেষ্ঠতম নিদৰ্শন এইজনা মহাপুৰুষ মাধৱদেৱ। বৰ্তমানৰ সমাজ ব্যৱস্থাত গুৰু-শিষ্যৰ সম্বন্ধৰ ক্ষেত্ৰত মহাপুৰুষ মাধৱদেৱৰ গুৰু ভক্তিৰ প্ৰাসংগিকতা যথেষ্ট পৰিমাণে আছে।

মূল বিষয়বস্তুলৈ যোৱাৰ আগতে আমি মাধৱদেৱ সম্পৰ্কে চমুকৈ জনাটো প্ৰয়োজন। বৈষ্ণৱ ধৰ্ম আকাশৰ এক উজ্জ্বল নক্ষত্ৰ আছিল বড়াৰ পো মাধৱদেৱ। শংকৰ গুৰুজনাৰ বৈষ্ণৱ ধৰ্মৰ যোগ্য উত্তৰাধিকাৰী হিচাপে গুৰুজনাৰ বাঞ্ছনীত উঠিছিল। এওঁ গোবিন্দগিৰি আৰু মনোৰমা আইৰ পুত্ৰ মাধৱ প্ৰবৃত্তিমাৰ্গত বিশ্বাসী আছিল আৰু ঘোৰ শাক্তপন্থী আছিল। পিছে গুৰুজনাৰ সন্মুখত উপস্থিত হোৱা পাছত গুৰুজনাৰ সৌম্য, শান্ত-মূৰ্ত্তিৰ আকৰ্ষণ আৰু অচিনাকি মাধৱক কৰা আপ্যায়ণত পাণ্ডিত্যভিমানী যুৱক মাধৱ লেতু-সেতু হ'ল। যুৱক মাধৱৰ শিৰ আপোনা আপুনি দো খাই গ'ল। তাৰপাছত শাস্ত্ৰতৰ্ক আৰম্ভ কৰি তিনি পৰ বেলা খেদাই অৱশেষত শংকৰদেৱৰ তত্ত্বমূল শ্লোকৰ বান খণ্ডন কৰিব নোৱাৰি দণ্ডৱতে প্ৰণাম কৰি গুৰু মানিলে। গুৰুজনাক গুৰু মনা ক্ষণৰ পৰাই তেওঁৰ জীৱন ধাৰা সলনি হ'ল। গুৰুকেই সকলো বুলি ডমন কৰি গুৰু-শিষ্যৰ মাজত এক মজবুট সম্পৰ্ক প্ৰতিষ্ঠা কৰিলে। যি সম্পৰ্কই অসমীয়া জাতি গঢ় দিয়াত গুৰিবঠাৰ কাম কৰিলে। গুৰুৰ প্ৰতি তেওঁৰ যি সন্মান, আদৰ তথা ভক্তিয়ে এক নিজস্ব ইতিহাস গঢ়ি তুলিলে। গুৰু-শিষ্যৰ এই সম্পৰ্কৰ জোৰতেই তেতিয়াৰ ধ্বংসৰ গৰাহত থিয় হৈ থকা অসমীয়া সমাজে নতুনকৈ বৰভেটি তুলিবলৈ সক্ষম হৈছিল।

সাম্প্ৰতিক সময়ত গুৰু-শিষ্যৰ তেনে সম্পৰ্কৰ উদাহৰণ অমূলক যেন বোধ হয়। এই লেখকৰ নিজস্ব ধাৰণা এই যে পূৰ্বৰ তুলনাত বৰ্তমান যেন শিষ্য (ছাত্ৰ-ছাত্ৰী) সকলৰ গুৰুৰ প্ৰতি ভক্তি যথেষ্ট হ্ৰাস পাইছে। যাৰ ফলস্বৰূপে গুৰু-শিষ্যৰ মাজত ব্যৱধান বাঢ়ি গৈ ক্ৰমাৎ এই সম্পৰ্কই অস্তিত্বৰ সংকটত ভুগিছে। সমাজত যুৱ-উশৃংখলতা, অ-মানবীয়তা, কনিষ্ঠজনে জ্যেষ্ঠক কৰা দুৰ্ব্যৱহাৰ আদিবোৰ দিনে দিনে বাঢ়ি অহাৰ অন্যতম কাৰণ বোৰৰ ভিতৰত ইও এটা। যিয়েই নহওক এয়া কিন্তু এক চিন্তনীয় বিষয়। গুৰু-শিষ্যৰ সম্পৰ্ক মজবুট ন'হ'লে যে সমাজ জহমানে যাব সেয়া এশ শতাংশ খাতাং। গতিকে যোৰ পুৰি হাত পোৱাৰ আগতেই সকলোৱে বিষয়টোৰ প্ৰতি অনুধাৱন কৰিলে সমাধানৰ পথ নিশ্চয় ওলাব। ☐

# ভাৰতবৰ্ষত জনবিস্ফোৰণ আৰু ইয়াৰ নেতিবাচক প্ৰভাৱ

✍ অংগণা ঠাকুৰীয়া
*স্নাতক, ৫ম ষাণ্মাসিক*

ৰাষ্ট্ৰ এখন গঠন হ'বলৈ সাধাৰণতে যিবোৰ উপাদানৰ প্ৰয়োজন তাৰ ভিতৰত অন্যতম হ'ল নাগৰিক অৰ্থাৎ জনসাধাৰণ। সাধাৰণতে কোনো এখন দেশ প্ৰাকৃতিক সম্পদত চহকী হৈয়ো উদ্যোগ আৰু অৰ্থনৈতিক উন্নয়নত পিছপৰা হ'ব যদিহে সেই দেশখনত মানৱ মূলধন তথা উদ্যোগী লোকৰ অভাৱ থাকে। কাৰণ মানৱ মূলধন অবিহনে দেশৰ সম্পদৰাজিৰ ব্যৱহাৰ সম্ভৱ নহয়। পূৰ্বৰ Mercontilism সকলে অৰ্থনৈতিক উন্নয়ন তথা যুদ্ধৰ পৰিপেক্ষিতত জনসংখ্যাক প্ৰধান উপাদান বুলি গণ্য কৰিছিল। তদুপৰি জনসংখ্যাই দেশৰ অৰ্থনৈতিক উন্নয়নত অবিহণা যোগায়। জনসংখ্যাৰ গুণগতমান উন্নত হ'লে তেওঁলোকৰ উৎপাদনশীলতা বৃদ্ধি হৈ জাতীয় আয় বৃদ্ধি হয়। যাৰ ফলত জনমূৰি আয় বৃদ্ধিৰ লগতে জনসাধাৰণৰ সামগ্ৰিক চাহিদা বৃদ্ধিৰ দ্বাৰা অৰ্থনীতিখনৰ কল্যাণ বৃদ্ধি হয়। মামুদ মামদানিৰ মতে, "ডাঙৰ পৰিয়ালৰ বাবে মানুহবিলাক দুখীয়া নহয়। আনহাতে দুখীয়া হোৱাৰ বাবে মানুহ বিলাকৰ ডাঙৰ পৰিয়াল বৃদ্ধি হয়।" এজন দুখীয়া মানুহে তেওঁৰ পৰিয়ালৰ আয় বৃদ্ধি কৰা বাবে তেওঁৰ পৰিয়ালৰ আকাৰ বৃদ্ধি কৰাৰ প্ৰতি সদায় আদৰণি জনায়। কিন্তু ইয়াৰ ফলত দেশ এখনত অতিমাত্ৰা জনসংখ্যাৰ বৃদ্ধি হোৱা দেখা যায়, যিটো দেশৰ উন্নয়নৰ বাবে প্ৰতিকূল।

সাধাৰণতে কোনো এখন ৰাষ্ট্ৰৰ অতি মাত্ৰাত হোৱা জনসংখ্যা বৃদ্ধিৰ ফলত ৰাষ্ট্ৰখনে জনবিস্ফোৰণৰ দৰে এটা ভয়ানক সমস্যাৰ সন্মুখীন হয়। সাধাৰণতে জনবিস্ফোৰণ হ'ল কোনো এখন দেশে সন্মুখীন হোৱা এনেকুৱা এটা সমস্যা, য'ত ই উচ্চ হাৰত জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ সন্মুখীন হৈছে। কিন্তু আনফালে দেশৰ অৰ্থনীতিয়ে উচ্চ হাৰত প্ৰগতি অৰ্জন কৰিব নোৱাৰাৰ ফলত দেশত ব্যাপক দৰিদ্ৰতাৰ সৃষ্টি হৈছে। ই হ'ল জনসংখ্যা বিষয়ক পৰিবৰ্তনৰ দ্বিতীয় পৰ্যায় য'ত দেশৰ মৃত্যু হাৰৰ হ্ৰাস আৰু উচ্চ হাৰ জন্ম হাৰৰ ফলত উচ্চ হাৰৰ জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ সৃষ্টি হৈছে। ২০১১ চনৰ পিয়ল অনুসৰি ভাৰতবৰ্ষত মুঠ জনসংখ্যাৰ পৰিমাণ আছিল ১২১.০২ কোটি। এই ক্ষেত্ৰত মৃত্যুৰ হাৰ (Death rate) প্ৰতি হাজাৰত ৭.১ জনৰ বিপৰীতে জন্মহাৰ (Birth rate) প্ৰতি হাজাৰত আছিল ২১.৮ জন।

জনসংখ্যাৰ বৃদ্ধিৰ ফলত বৰ্তমান জনসংখ্যাৰ ঘনতা (Density of Population)ৰ মাত্ৰাও বৃদ্ধি হৈ গৈ আছে, যিটো ২০১১ চনৰ পিয়ল অনুসৰি প্ৰতিবৰ্গ কিল'মিটাৰত জনসংখ্যা ৩৮২ জনলৈ বৃদ্ধি হৈছিল। বৰ্তমান ভাৰতবৰ্ষত অৰ্থনৈতিক উন্নয়নৰ মাত্ৰাত বৰ্ধিত জনসংখ্যাই এক প্ৰত্যাহ্বান হিচাপে থিয় দিছে। ইয়াৰ ফলত মানুহৰ মানদণ্ডৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পৰিছে।

বৰ্তমান শতিকাৰ মাজৰ অংশৰ পৰা ভাৰতে উচ্চহাৰত জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ সন্মুখীন হৈছে। সাধাৰণতে কোনো এখন দেশৰ জনসংখ্যাৰ বৃদ্ধি হৈছে দেশখনৰ বাবে বোজা স্বৰূপ। এই বোজা বহণৰ বাবে দেশখন উন্নয়নৰ পথত আগবাঢ়িব পৰা নাই। সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষত জনসংখ্যা বৃদ্ধিৰ মূলতে হৈছে মানুহৰ নিম্ন মানৰ মানসিকতা। বৰ্তমান যুগতো বাল্য-বিবাহৰ দৰে এক অসামাজিক কাৰ্য ভাৰতবৰ্ষত চলি আছে। যাৰ ফলত মহিলাসকলৰ সন্তান জন্মদান কৰিব পৰা ক্ষমতাৰ দৈৰ্ঘ্য বৃদ্ধি পাইছে। আনফালে মহিলাসকলৰ সামাজিক মৰ্যাদা প্ৰদানৰ উদ্দেশ্য লোৱা বিভিন্ন ব্যৱস্থা, বিশেষকৈ বিধৱা বিবাহৰ সংখ্যা বৃদ্ধিয়েও জনবিস্ফোৰণৰ ক্ষেত্ৰত এক উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। ভাৰতত বিবাহ প্ৰায় সাৰ্বজনীন, কিয়নো ই দেশৰ সামাজিক আৰু ধৰ্মীয় প্ৰয়োজন পূৰণ কৰে। তদুপৰি ভাৰতবৰ্ষত অ-বিবাহিত পুৰুষ-মহিলা তথা সন্তানহীন স্বামী-স্ত্ৰীৰ প্ৰতি সামাজিক দৃষ্টিভংগী বৰ বেছি উৎসাহজনক নহয়। সেয়ে বৰ্তমান সন্তান কেৱল ভগৱানৰ দান হিচাপে বিবেচনা নকৰি বিজ্ঞানৰ সহায়ত টেষ্ট'টিউব বেবীৰ জন্মৰ সংখ্যা বৃদ্ধি কৰিছে। মানুহৰ জীৱন বিজ্ঞান সম্বন্ধীয় বিষয় জন্ম নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা আৰু জন্ম নিয়ন্ত্ৰণৰ উপায়সমূহৰ বিষয়ে সমাজৰ এচাম মানুহ বৰ্তমানেও অজ্ঞ। যাৰ ফলত পৰিয়াল কল্যাণ আঁচনি সমূহে ভাৰতবৰ্ষত বিশেষকৈ ইয়াৰ গাঁও অঞ্চল সমূহত জন্মহাৰ কমোৱাৰ ক্ষেত্ৰত আশাপূৰ্ণ ভাৱে আগবাঢ়িব পৰা নাই। এই ক্ষেত্ৰত স্বাস্থ্য বিভাগেও আগভাগ লৈছে। এই বিভাগৰ জৰিয়তে বৰ্তমান সমাজত "সৰু পৰিয়াল সুখী পৰিয়াল"— এই ধাৰণাটোৰ প্ৰচাৰ কৰি জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বহুতো সুবিধা বিনামূলীয়াকৈ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

প্ৰকৃততে ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহৰ সকলো সমস্যাৰ মূলতে হৈছে জনসংখ্যা বৃদ্ধি। সেয়ে বৰ্তমান সময়ত যি হাৰত জন্মহাৰৰ লগতে প্ৰব্ৰজনৰ মাত্ৰা বৃদ্ধি হৈ আছে, ইয়ে দেশৰ উন্নয়ন গ্ৰাস কৰি পেলাব। জনসংখ্যাৰ বৰ্ধিতকৰণৰ ফলত ভাৰতবৰ্ষত নিবনুৱা তথা দৰিদ্ৰতাৰ দৰে ঘৃণনীয় অৰ্থনৈতিক সমস্যাৰ সৃষ্টি হৈছে।





সেয়ে আমি এইটো ক'ব পাৰো যে জনবিস্ফোৰণক দেশ এখনৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰধান অন্তৰায় হিচাপে সকলোৱে স্বীকাৰ কৰা উচিত। সমাজ তথা দেশৰ উন্নয়নৰ বাবে জনবিস্ফোৰণ নিয়ন্ত্ৰণ কৰিবলৈ আমি "সৰু পৰিয়াল সুখী পৰিয়াল"ৰ ধাৰণাটো মনেৰে গ্ৰহণ কৰি চৰকাৰে আগবঢ়োৱা জন্ম নিয়ন্ত্ৰণৰ সুবিধা গ্ৰহণেৰে নিজৰ দেহক স্বাস্থ্যৱান কৰি এজন সুস্থ সবল ব্যক্তি হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা উচিত। এই ক্ষেত্ৰত বৰ্তমানৰ অসম চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই যি "দুটা সন্তানৰ" ধাৰণা প্ৰদান কৰিছে, সেইটো জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এক প্ৰশংসনীয় পদক্ষেপ হিচাপে জনসাধাৰণে গ্ৰহণ কৰিছে। মন্ত্ৰী মহোদয়ে মন্তব্য প্ৰকাশ কৰিছিল যে কেৱল দুটি সন্তানৰ ব্যক্তি, যিয়ে চৰকাৰী কৰ্মচাৰী হিচাপে নিয়োজিত হৈ আছে, তেওঁলোকে চৰকাৰৰ পৰা বিশেষ কিছুমান সুবিধা (চৰকাৰী) লাভ কৰিব পাৰিব। ইয়াৰোপৰি বিভিন্ন সংগঠন সমূহেও এনে জনবিস্ফোৰণৰ প্ৰভাৱ, কাৰণ সুফল-কুফল, ইয়াৰ নিয়ন্ত্ৰণ আদি বিষয়ৰ ওপৰত ভিত্তি কৰি "বাটৰ নাট"ৰ জৰিয়তে প্ৰত্যক্ষভাৱে গাঁৱৰ অশিক্ষিত জনসাধাৰণৰ মাজত গৈ মানুহক সজাগ সচেতন কৰিবলৈ চেষ্টা চলাই আহিছে। বৰ্তমানৰ শিক্ষিত নৱ প্ৰজন্ম হিচাপে আমি জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আগভাগ লোৱাটো উচিত। তেতিয়াহে ভাৰতবৰ্ষ উন্নয়নশীল ৰাষ্ট্ৰৰ পৰা এদিন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব।

কিন্তু এইটোও পৰিতাপৰ বিষয় যে উন্নত ৰাষ্ট্ৰ সমূহত বৰ্তমান নিম্ন জনসংখ্যাই এক সন্ত্ৰাসৰ সৃষ্টি কৰিছে। সেয়ে এনে দেশসমূহত বিশেষকৈ আমেৰিকা, জাপান আদিৰ ঘৰুৱা বজাৰত চাহিদাৰ তুলনাত যোগান অধিক হৈ অৱস্ফিতিৰ সৃষ্টি কৰিছে। তাৰোপৰি নিম্ন জনসংখ্যাই কৰ্মক্ষম শ্ৰমিকৰ যোগান কম কৰিছে, যাৰ ফলত আন উন্নয়নশীল দেশ সমূহৰ পৰা শ্ৰম শক্তি আমদানি কৰিবলগীয়াত পৰা শ্ৰমশক্তি আমদানি কৰিবলগীয়াত পৰিছে। সেয়ে জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এইটো মন কৰিবলগীয়া যে দেশ এখনৰ জনসংখ্যা সেই স্তৰলৈ নিয়ন্ত্ৰণ কৰিব নালাগে, য'ত বৰ্ধিত জনসংখ্যা দেশৰ বাবে বোজা নহয়। আনহাতে দেশত নৱ-প্ৰজন্মৰ অৰ্থাৎ শ্ৰম কৰিব পৰা সক্ষম ব্যক্তিৰ পৰিমাণ বৃদ্ধিৰ দ্বাৰা দেশৰ অৰ্থনৈতিক উন্নয়ন বৃদ্ধি হ'ব বুলি ভবাটো অলিক সপোন নহ'ব নিশ্চয়। □

■ ■ ■

## মহৎ লোকৰ বাণী

- পাপক ঘৃণা কৰিবা; কিন্তু পাপীক ঘৃণা নকৰিবা। — যীশুখ্ৰীষ্ট
- এখনি ভাল কিতাপ নষ্ট কৰা আৰু এজন মানুহক হত্যা কৰা একে কথা। — মিল্টন
- পাপীয়ে সদায় পোহৰলৈ ভয় কৰে, কাৰণ পোহৰত তাৰ স্বৰূপ প্ৰকাশ পায়। — যীশুখ্ৰীষ্ট
- জগতত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহসৰ অতি প্ৰয়োজন। — আব্ৰাহাম লিংকন

# ইয়াৰুইঙ্গম উপন্যাসত টাংখুল নগা জীৱনৰ চিত্ৰ

✍ ড° সৰস্বতী কলিতা
*অধ্যাপিকা, অসমীয়া বিভাগ*

চীন তিব্বতীয় ভাষা পৰিয়ালৰ ঠাল তিব্বত বৰ্মী ভাষাগোষ্ঠীৰ অন্তৰ্গত অসম বৰ্মা শাখা। এই শাখাৰ অন্তৰ্ভুক্ত আন এটা প্ৰধান শাখা হৈছে নগা শাখা । এই নগা শাখাৰ অন্তৰ্ভুক্ত ভাষাবোৰ হ'ল- আঙামী, চেমা, ৰেংমা, আও, লোথা, কাবুই, মাও, মাৰুম, টাংখুল, কোন্যাক, টাংচা, ৰাঙ্খু নক্টে ইত্যাদি।

ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই টাংখুল, নগা জনজাতিয় জীৱনৰ আধাৰত তেওঁৰ তৃতীয় উপন্যাস 'ইয়াৰুইঙ্গম'ৰচনা কৰিছিল। এই উপন্যাসৰ বাবে ১৯৬১ চনত তেওঁ সাহিত্য একাডেমীৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছিল। ড° ভট্টাচাৰ্য্যই নগা পাহাৰত শিক্ষকতা কৰি থকা সময়তে নগাসকলৰ লগত আত্মিয়তা স্থাপন কৰাৰ সুযোগ পাইছিল। এই সুযোগতে তেওঁ নগাসকলৰ সামাজিক,ৰাজনৈতিক,আৰ্থিক,সাংস্কৃতিক,ধাৰ্মিক আদি সকলো দিশকে সূক্ষ্ম দৃষ্টিভংগীৰে অধ্যায়ন কৰিছিল। উপন্যাসখন ৰচনা সম্পৰ্কে তেওঁ এই দৰে কৈছে-"উপন্যাসখনৰ চৰিত্ৰবোৰ সম্পূৰ্ণ ৰূপে কাল্পনিক। সিহঁতৰ ভাব, কথা নাম আৰু বিচৰণভূমি সকলোবোৰ মনৰ সৃষ্টি। টাংখুল নগাবিলাকৰ লগত বাস কৰোতে তেওঁলোকৰ বিচিত্ৰ জীৱনৰ ভিতৰ চ'ৰাত সোমাবলৈ যত্ন কৰিছিলো দৃষ্টিয়ে যিমান দূৰ চাব পাৰে সিমান দূৰলৈকে মানুহবোৰৰ অন্তৰ-জগতখন চাবলৈ যত্ন কৰিছিলো। কিন্তু সেইটো কাম মোৰ পক্ষে বলে নোবাবা শিলৰ দৰে গধুৰ হৈছিল । মন হ'লে কিহবাই মুহি থৈছিল । এই মোহ আদিমতাৰ মোহ নাছিল, তথাপি কিয় জানো সেই আদিমতাৰ মাজত কিছুমান আমি বিচাৰি ফুৰা নতুন জীৱনৰ উপাদানো দেখা পাইছিলো । ভিন্ন পৰিবেশত জীৱনৰ ভিন্ন ৰূপ ফুটি উঠে । সেই সময়ত জীৱনক বহল আৰু ঐতিহাসিক ৰূপত উপলব্ধি কৰিব পাৰি। নাগাবিলাকো মানুহ, কিন্তু কিবা এক বিশেষ ধৰণৰ মানুহ। তেওঁলোকৰ হৃদয়ৰ লৌহ-বৰ্ম্মৰ অন্তৰালত সনাতন মানৱতাৰ অপূৰ্ব ৰূপ-কুসুম ফুলি আছে। গোন্ধে মন আমোল মোলায়; সৌন্দৰ্যই চিত্ত হৰণ কৰে সত্য জেনাচ হৈ আমাৰ আগত দেখা দিয়েহি। এই কিতাপখনত সেইবোৰৰ অলপমান আভাস দিবলৈ যত্ন কৰিছো ।" উপন্যাসখনৰ নামাকৰণ সম্পৰ্কে তেওঁ কৈছে-'ঈয়াৰুইঙ্গম শব্দটো টাংখুল শব্দ। কোনো নগাৰ ঘৰৰ আগত তেকিয়াবা একোডাল ফেৰেঙ্গনি মেলা গছ থিয় হৈ থকা দেখা যায়, সেই ডাল গিৰিহঁতৰ বিশেষ অৱস্থাৰ কথা ঘোষণা কৰে। মোৰ উ পন্যাসখনৰ দুৱাৰমুখতো এই শব্দটিক পুতিছো; ই উপন্যাসখনৰ বিশেষ পৰিবেশৰ জাননী দিব"। উপন্যাসখন লিখাৰ উদ্দেশ্য আৰু নামাকৰণ সম্পৰ্কে আগবঢ়োৱা মন্তব্যত টাংখুল নগাসকলৰ প্ৰতি থকা তেওঁৰ আকৰ্ষণ আৰু জন-জাতীয় জীৱনৰ প্ৰতি থকা গভীৰ জ্ঞানৰ পৰিচয় জাজ্বল্যমান হৈ উঠিছে।

'ইয়াৰুইঙ্গম' উপন্যাসখনৰ কাহিনিভাগৰ সময় হৈছে দ্বিতীয় মহাযুদ্ধৰ সামৰণিৰ সময়ৰ পৰা স্বাধীনতা লাভ কৰাৰ কিছু বছৰ পিচলৈ। এই সময়ছোৱাত জাপানী আৰু বৃটিছ আমেৰিকা আদিৰ মিত্ৰ জোটৰ মাজত হোৱা যুদ্ধই টাংখুল নগাসকলৰ জীৱনলৈ বিভিষীকা নমাই আনিছিল। আনহাতে বসন্ত, গ্ৰহণী, মেলেৰীয়া আদি ৰোগে মহামাৰীৰ ৰূপ ধাৰণ কৰি নগাসকলৰ জন-জীৱন সংহাৰ কৰিছিল। বোমা-বাৰুদে তেওঁলোকৰ খেতি-পথাৰ খেতিৰ বাবে অনুপযোগী কৰিছিল। ঘৰ-বাৰীও পুৰি ছাই কৰিছিল। নিজ গাওঁৰ ঘৰ-বাৰী ত্যাগ কৰি তেওঁলোকে শৰিতলীত শিবিৰ পাতি বাস কৰিছিল। "শিবিৰ মানে সৰু সৰু চাপৰ কিছুমান আগটীঘৰ। তাৰে এটা হ'ল গাভৰু চাং, বাকিবোৰত বিবাহিতা সকলক সন্মিলমিলত থাকিবলৈ দিয়া হ'ল। খোৱা-বোৱাৰ চৰুৰ সংখ্যাও কমি গৈছে প্ৰতি এটাকৈ পৰিলগৈ। গাওঁৰ সকলোৰে ধান একেলগে এটা ভৰাঁলত থৈ তাৰ পৰা ধান বাটি দিবৰ বাবে গাওঁ বুঢ়াৰ গাত ভাৰ দিলে। যোৱাবাৰ খেতি সম্পূৰ্ণকৈ চপাব নোৱাৰিলে সিহঁতৰ। সমানে আধা সৈন্যবোৰে পথাৰৰ পৰা কাটি লৈ গ'ল। এতিয়া যিটো ভৰাঁল আছে সেইটোতো সৈন্যবোৰৰ চকু পৰিছিল। কিন্তু তাৰ আগতে জাপানীবোৰ গ'ল গৈ। এতিয়া বগা চাহাববোৰ আহিছে,সিহঁতে বা কি কৰে তাক ভাবি মানুহবোৰৰ মনত ন কৈ আতংকৰ উদয় হৈছিল।"[২] ধৰ্ষিতা বা পতিতা হোৱাৰ আতংকাই মুকলি-মুৰীয়া জীৱন কটোৱা টাংখুল গাভৰুসকলে সম্পূৰ্ণৰূপে সংকুচিত হৈ চলিব লগা হৈছিল। নিজৰাৰ পৰা পানী আনতে পথাৰত ধান চপাওঁতে, খৰি আনিবলৈ যাওঁতে সকলোতে ডেকাসকলে গাভৰুসকলক পহৰা দিব লগা হৈছিল।

যুদ্ধই ডেকাসকলৰ মনৰ পৰিবৰ্তন আনিছিল। বিশ্বাং,খাটিং আৰু ফানিটফাঙ এই তিনিটা চৰিত্ৰৰ মাজেৰে ঔপন্যাসিকে সেই সময়ৰ টাংখুল ডেকাসকলৰ মনলৈ অহা পৰিবৰ্তনৰ বতৰা দিছে। তিনিওজনে স্কুল,কলেজ এৰি ভি ফচত যোগ দিছিল। নিজ নগা ভূমিত স্কুল,হাস্পতাল আৰু ৰাস্তা আদি গঢ়ি তুলিব বুলি সেনাপতি আৰু চীফ কমিশ্যনাৰে আশ্বাস দিয়াত তেওঁলোকে বগা চাহাবিলাকক বাট দেখুৱাই নিজ জন্মভূমিলৈ লৈ আহিছিল। তেওঁলোকে পৃথিৱীৰ শক্তিশালী দেশ বৃটিছৰ লগত শত্ৰুতা নকৰি মিত্ৰভাৱে চলি নিজ জন্মভূমিৰ উন্নতি কৰিব বিচাৰিছিল। ভিডেচেলীৰ বাটেৰে আগ বাঢ়ি তেওঁলোকে নিজ দেশৰ সৰ্বনাশ মাতি আনিব বিচৰা নাছিল। তেওঁলোকে ভাৱে ভিডেচেলীয়ে যিটো বাটেৰে আগবাঢ়িছে এদিন সেই বাটৰ পৰা উভটি আহিব লাগিব। বিশ্বাঙে খ্ৰীষ্টান মিশ্যনেৰীসকলৰ পৰা শিক্ষা প্ৰেম,শান্তি গ্ৰহণ কৰিছিল । তেওঁ গান্ধীজীৰ আদৰ্শৰেও উদ্বুদ্ধ হৈছিল। গাৱেঁ গাৱেঁ মেল-মিটিং কৰি অহিংসাৰ বাটেৰে ৰাইজক আগবঢ়াই নিবলৈ চেষ্টা কৰিছিল। গান্ধীৰ পথেৰে তেওঁলোকে আগবাঢ়ি যুদ্ধই ধ্বংস কৰা ঘৰ-দুৱাৰ, গৰু-ম'হৰ ধ্বংসৰ ক্ষতিপূৰণ বিচাৰিছিল। বিশ্বাঙে শিক্ষাৰ যোগেদি, অহিংসা আৰু শান্তিৰ যোগেদি ভাৰতৰ অবিচ্ছেদ্য অঙ্গ হিচাবে নগা পাহাৰত স্কুল,হাস্পতাল, আলি-পদুলিৰ উন্নতি কৰি স্বাধীনতাৰ মুক্ত বতাহ ল'বলৈ উন্মুখ হৈ পৰিছিল।

বিশ্বাঙৰ বিপৰীতধৰ্মী চৰিত্ৰ হৈছে ভিডেচেলী। নগা মানুহৰ শক্তিৰ ওপৰত আছে তেওঁৰ অপৰিসীমা বিশ্বাস। সেই বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ বিপ্লৱ কৰিছে। তেওঁ এখন স্বাধীন নগা ৰাজ্য স্থাপন কৰিব বিচাৰিছিল। সেয়ে তেওঁ সশস্ত্ৰ বিপ্লৱত বিশ্বাসী। তেওঁ নেতাজী সুভাষ বসুৰ পথেৰে আগবাঢ়ি নিজৰ স্বাধীন ৰাজ্যৰ কল্পনা কৰিছিল। কিন্তু তেওঁৰ স্বাধীনতাই কি দিব সেই সম্পৰ্কে তেওঁ জ্ঞাত নহয়। বিশ্বাঙে ভিডেচেলীক তাৰ স্বাধীনতাৰ অৰ্থ কি তাক সোধাত ভিডেচেলীয়ে কৈছিল-" মোক এখন স্বাধীন ৰাজ্য লাগে যত সোমালে মানুহে অনুভৱ কৰে নগা হৈ ওপজাৰ মান কি।"[৩] বিশ্বাঙে বিচাৰিছিল শান্তি আৰু উন্নতি। ভিডেচেলীয়ে বিচাৰিছিল স্বাধীনতা। জীৱন মাষ্টাৰ আৰু বিশ্বাঙক যেতিয়া ভিডেচেলীৰ শিবিৰত ৰাখিছিল তেতিয়া বিশ্বাঙে তেওঁলোক দুয়োজনকে মাৰি পেলাব বুলি ভাবিছিল। কিন্তু ভিডেচেলী শিবিৰলৈ আহি তেওঁলোকক যিটো ব্যৱহাৰ কৰিলে তাৰ পৰা বিশ্বাঙে বুজিব পাৰিলে যে ভিডেচেলী বিশ্বাঙে ভবাতকৈ বহুত ওপৰত। সমগ্ৰ নগাজাতিৰ স্বাধীন নগা ৰাজ্যৰ বাবে ফিজোৰ নেতৃত্বত গা-কৰি উঠা আন্দোলনৰ পৰিণতি স্বৰূপে ফিজোৰ মৃত্যুৰ পিছত ১৯৬১ চনৰ১ জানুৱাৰীত ভাৰত চৰকাৰে নগা পাহাৰক এখন সুকীয়া ৰাজ্যৰ মৰ্যদা দিছিল। ঔপন্যাসিক ভট্টাচাৰ্যই যেন ভিডেচেলীৰ চৰিত্ৰটোৰ দ্বাৰা নগাসকলৰ স্বাধীন ৰাজ্যৰ দাবীৰ কথাটো প্ৰকাশ কৰিব বিচাৰিছে।

উপন্যাসখনত খাটিঙৰ পিতৃ নাজেক এজন স্বাধীন চেতীয়া ব্যক্তি। প্ৰবাদ আছে তেওঁ যুদ্ধত শত্ৰুৰ মূৰ কাটিছিল। তেওঁৰ মতে বিশ্বাঙকে আদি কৰি নগা ডেকাসকল তিৰিমুৱা হৈ গৈছে। খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰি নগাৰ তেজ নোহোৱা হৈছে। নগাৰ মন হেনো বিদেশীয়ে খালে । তেওঁ শিক্ষা- দিক্ষাৰ প্ৰতিও বিৰূপ মন্তব্য প্ৰকাশ কৰিছে। পুৰণি ৰীতি-নীতিক মানুহে ইতিকিং কৰা বুলি দোষাৰোপ কৰিছে। গাওঁ বুঢ়াক কোনেও নেমানি, এছ-ডি-অ'ক সকলোৱে নিৰ্লজ্জ ভাবে চালাম কৰাটো তেওঁ সহ্য কৰিব পৰা নাই। তেওঁ নগাৰ নীতি-নিয়ম কঠোৰভাৱে মানি চলিছিল। নিজৰ পুতেক খাটিঙে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰি বি.এ পাছ কৰি খাটিয়া ছোৱালী বিয়া কৰাবলৈ খিলঙলৈ যোৱাটো তেওঁ একেবাৰে পছন্দ কৰা নাছিল। নাজেকৰ মতে ভিডেচেলীহে হাড়ে হিমজুৱে নগা। সেয়ে তেওঁ ভিডেচেলীক তেওঁৰ থিলা-কাপো (প্ৰতিনিধি) হ'বনে সুধিছে? যিজনে খ্ৰীষ্টানৰ নামত সাত কিল মাৰে সেই খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা ভিডেচেলীক তেওঁৰ থিলা- কাপো কৰিব বিছাৰিছে একমাত্ৰ ভিডেচেলীৰ স্বাধীন চেতিয়া মনটোৰ বাবে। তেওঁৰ মতে" মানুহৰ চিন তাৰ অন্তৰত । বাহ্যিক চিন চাই মানুহ ধৰিব নোৱাৰি।"[৪] নাজিকৰ মতে ভিডেচেলীহে প্ৰকৃত নগা । মৃত্যুৰ সময়ত তেওঁ নিজ পুতেকক ত্যাগ কৰি ভিডেচেলীক নিজৰ থিলা-কাপো কৰি থৈ গৈছে।

ঔপন্যাসিকে ফানিটফাঙ, ঙাঠিঙখুয়,ইয়েংমোচ, আমেৰিকাৰ মিছনেৰি ড° ব্লুক,কৰ্মসংস্থাপনত নগা ভূমিলৈ অহা অসমীয়া ডেকা জীৱন মাষ্টাৰ আদি চৰিত্ৰবোৰৰ মাজেৰে সমসাময়িক সমাজখনৰ সামগ্ৰীক ছবি দাঙি ধৰাৰ প্ৰয়াস কৰিছে।

চাৱেংলা আৰু খুটিংলা দুয়োটি চৰিত্ৰই নগা পাহৰৰ দুপাহি সজীৱ ফুল। এই দুটি চৰিত্ৰৰ মাজেৰে ঔপন্যাসিকে টাংখুল গভৰুৰ মনৰ বিচিত্ৰ বতৰা দিবলৈ অহোপুৰষাৰ্থ কৰিছিল। চাৱেংলাই নিজৰ অনিচ্ছা স্বত্বেও জাপানী সৈনিক ইশ্বেৰবাৰ সন্তান তাই গৰ্ভত ধাৰণ কৰিছিল। তিৰোতাটোকে হিৰহিটৰ আদেশ ডাঙৰ বুলি কৈ ইশ্বেৰবা জাপানী সন্যবোৰৰ সৈতে উলটি গৈছিল। উভতি আহিব বুলি কথা দি গৈছিল যদিও ইশ্বেৰবা চিৰদিনৰ বাবে এই পৃথিৱীৰ পৰা গুচি গৈছিল। ইশ্বেৰবাৰ মৃত্যুৰ সংবাদ চিঠিখনত পঢ়ি চাৱেংলাই মূৰে কপালে হাত দিছিল। তাকে দেখি খুটিংলাই ইশ্বেৰবা ভালে থাকিলেও তাই ওচৰলৈ নাহে বুলি নিৰ্বিকাৰ ভাৱে কৈছিল। কিন্তু চাৱেংলাই নিজ ইচ্ছাৰে হওক বা বাধ্যত পৰিয়ে হওক যাক এবাৰ স্বামী ৰূপে বৰণ কৰিছে তাক জানো সহজতে মনৰ পৰা আতৰাই দিব পাৰে- "আপোন ইচ্ছাতে হওক বা বাধ্যত পৰিয়ে হওক যাক এবাৰ তাই পতি বুলি গ্ৰহণ কৰিব লগা হয়, তাক সচাঁকৈ মনৰ পৰা নিশ্চিহ্ন কৰি দিয়া টান। সেই পুৰুষে গোটেই জীৱনলৈ তাইক এনেভাৱে বান্ধি থয় যে মানুহে তাইৰ নিজৰ পৰিচয় পাহৰি যায়,সেই পুৰুষৰ বৈধ বা অবৈধ পত্নী ৰূপেই তাই সমাজত জীয়াই থাকে। টাংখুল সমাজে তাইক কোনোবা অজ্ঞাত জাপানী সৈনিকৰ প্ৰণয়িণী বুলিয়েই গ্ৰহণ কৰি আহিছে আৰু তায়ো তাক তাইৰ নৈতিক স্বামী বুলি গ্ৰহণ কৰিবলৈ বাধ্য— বিশেষকৈ যেতিয়া তাইৰ গৰ্ভত তাৰ ফালৰ এটি সন্তান আছে।"[৬] সমাজৰ অবহেলাৰ পাত্ৰী হৈও তাই যীশুৰ প্ৰেমেৰে আপ্লুত হৈ সত্ত পথলৈ ঘূৰি আহিবৰ চেষ্টা কৰিছে। তাই সততাৰ পথ বিচাৰি ব্যাকুল হয়, কিন্তু সামাজিক পৰিস্থিতিয়ে তাইক বাৰে বাৰে দুমুখীয়া সংকটৰ মুখা মুখী হ'বলৈ বাধ্য কৰায়। দ্বিতীয় মহাযুদ্ধৰ বলি হোৱা চাৱেংলাৰ মনৰ অন্তৰ্দ্বন্দই পাঠকক শোকাতুৰ কৰি তোলে। স্ত্ৰী-জাতিৰ ঈৰ্ষাৰ নিখুত বৰ্ণনা খুটিংলাৰ চৰিত্ৰটোত বিদ্যমান। তাই সিধাং আৰু চাৱেংলাৰ মিলা-মিচাক সহজ ভাৱে লব পৰা নাই। সেয়েহে তাই

অতি কঠোৰ ভাবাবে চাৰেংলাক তিৰস্কাৰ কৰিছিল। চাৰেংলাৰ অসীম সৰলতা আৰু অকপট স্বভাৱে খুটিংলাৰ হৃদয় গলাই পেলাইছিল। চাৰেংলাৰ প্ৰতি তাই যি ভুল কৰিছিল তাক তাই লাহে লাহে ধৰিব পাৰিছিল। সেয়েহে পিচত তাই এজন মানুহক একে লগে দুজনী তিৰোতাই ভাল পোৱাটো একো আচৰিত কথা নহয় বুলি অনুভৱ কৰিব পাৰিছিল। খুটিংলাৰ স্বভাৱত কথোৰতাৰ পৰিবৰ্তে নাৰীসুলভ কোমলতাহে প্ৰকাশ পাইছে।

ইয়েংমাচৰ পত্নী আটিৰ , খুটিংলাৰ মাহীমাক ৰাবামলা, ফানিটফাঙৰ মাক ছিৱালা আদি নাৰী চৰিত্ৰৰ মাজেৰে ঔপন্যাসিকে টাংখুল নাৰীসকলৰ মনৰ খবৰ পাঠকৰ আগত দাঙি ধৰিছে।

টাংখুল নগা সমাজত মৃত্যুৰ পিচত পালন কৰা নীতি-নিয়ম আৰু অন্ধবিশ্বাসৰ এখনি জীৱন্ত ছবি দাঙি ধৰিছে নাজেকৰ মৃত্যুৰ সময়ৰ বৰ্ণনাৰে ।নাজেকৰ যেতিয়া বৰ আই ওলাইছিল তেওঁ কোনো ধৰণৰ ঔষধ মুখত লবলৈ ৰাজী ন'হ'ল।" গাৱঁৰ পুৰণি ধৰণৰ মানুহবোৰে মেইবা লগালে। সি আহি কুকুৰা কাটি লাই উলিয়ালে আৰু কামিঅ' দেৱতাক পূজা দিলে। দীঘল তৰা পাত আনি বিচনাৰ তলত পানি দি শুৱলৈ ক'লে আৰু গৰম বস্তু খোৱা মানা কৰিলে।"[৭] কিন্তু নাজেকৰ অৱস্থা বেয়ালৈহে ঢাল খালে। নাজেকে মৰাৰ পিছত পুৰণি পদ্ধতিৰে তেওঁক সৎকাৰ কৰাৰ কথা আৰু সৎকাৰ কৰা দিন ধৰি জানুৱাৰী মাহৰ কাথি কাচাম ভোজলৈকে কামিঅ' দেৱতাৰ পূজা কৰাৰ কথা কৈছিল। "কাথি কাচাম ভোজৰ শেষত পাইনৰ জোৰ জ্বলাই গাঁৱৰ মানুহবোৰে যিদিনা তাক গাঁৱৰ মুৰত বিদায় জনাই থৈ আহিবগৈ , সেইদিন তাৰ চকুৰ আগত নিৰ্জুল হৈ জিলিকি উঠিল। যদি ভাঠিঙখুইইঁতে ঠিক মতে কামিঅ'ৰ পূজা কৰে, তেন্তে এদিন সি কাজাই ৰামৰ অধিপতি ককটো দেৱৰাজক লগপাব গৈ। স্বৰ্গ পোৱাৰ পিছত আৰু মনিচৰ এই ধ্বংসমুখি পৃথিৱীৰ কথা সি পাহৰিব। তাৰ আত্মাই চৰম শান্তি পাব।"[৮] নাজেকৰ মৃত শৰীৰৰ ওপৰত মৌ মাখি এটাই গুণ-গুণাই ফুৰা দেখি সেইতো নাজেকৰ আত্মা বুলি মানুহবোৰে বিশ্বাস কৰিছিল। ভিডেচেলীয়ে নিজৰ ব্যস্ততাৰ মাজত নাজেকৰ প্ৰতিনিধি হৈ তিনি দিনত দেহ সৎকাৰ শেষ কৰিহে যাব পাৰিছিল। তাৰ পিছত জানুৱাৰী মাহত যেতিয়া মংলা থা হয় তেতিয়া গাঁৱৰ মুৰৰ নামনিত পাইনৰ জোৰা দেখুৱাই নাজেকৰ আত্মাতোক সৰগৰ পথ দেখুৱাবলৈ আহিল লগত পৰিছিল। ফানিটফাঙৰ বক্তব্যৰ পৰাও মৃতকৰ কবৰ দিয়া আৰু অন্ধবিশ্বাসৰ ছবি প্ৰকাশ পাইছে। ফানিটফাঙে শেষ বাৰৰ বাবে মাকৰ মুখলৈ চাই অনুভৱ কৰিছিল—"ইয়াৰ পিচত মাটিৰ কবৰ, শিলৰ কবৰ। তাৰ পিছত মাক ক'লৈ যাব। তাই ঘুৰি আহিবনে? আহিব, তাই পুৰণি মানুহৰ বিশ্বাস মতে আকৌ এদিন ঘুৰি আহিব; কাঠি-কাচামৰ ভোজ খাই-বৈ আকৌ উভতি যাব গভীৰ অৰণ্যৰ মাজেদি কোনোবা কাজিঙ কাবেইৰগুৰিলৈ। নহ'লে হয়তো খ্ৰীষ্টানবোৰে ভবাদৰে স্বৰ্গলৈ যাবগৈ।"[৯] টাংখুল নগাসকলৰ ভূত-প্ৰেতৰ বিশ্বাসৰ বৰ্ণনাও উপন্যাসখনত দেখিবলৈ পোৱা যায়। নাজেকৰ কবৰৰ ওচৰত পাইন খৰিবোৰ পুৰি ছাই হৈ আছিল। তাতেই বহুতো খোজৰ চিন দেখি ফানিটফাঙে সেইবোৰ নাজেকৰ খোজ বুলি ভাবিছিল।

নগা জীৱনত নাৰীৰ সতীত্ব আৰু পবিত্ৰতাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। যুদ্ধৰ সময়ত সৈন্যবোৰৰ গাভৰু সকলৰ ওপৰত চকু নপৰাৰ বাবে ডেকাসকলে সুৰক্ষা দিছিল। ডেকা-চাঙৰ দৰে গাভৰু ছোৱালী থকাৰ বাবেও গাভৰু চাং আছিল ।যুদ্ধৰ বোমা, বাৰুদে যেতিয়া তেওঁলোকৰ গাঁৱৰ ঘৰবোৰ পুৰি ছাই কৰিছিল তেতিয়া তেওঁলোকে হাবিৰ মাজত শিবিৰ পাতি বাস কৰিছিল। তাতো তেওঁলোকে গাভৰু চাং সজাই দিছিল। এই গাভৰু চাঙত পুৰুষে কিছুমান সীমাবদ্ধতাৰ মাজতহে অহা-যোৱা কৰিব পাৰিছিল। স্বামী অবিহনে টাংখুল ৰমণী নিস্ব আৰু দুৰ্বল আছিল। চাৰেংলাৰ মনৰ অৱস্থাৰ বৰ্ণনাৰে ঔপন্যাসিকে এই ভাবকে দাঙি ধৰিছে—"তিৰোতাৰ পতি মৰিলে তাইৰ জীৱন যৌৱনৰ সকলো আনন্দই চিৰকালৰ বাবে লোপ পায়; তেহেলৈ সেই পতি স্বীকৃত পতিয়েই হওক বা অস্বীকৃতই হওক , তাক লেখত ধৰা নাযায়।"[১০] নাৰীয়ে ঘৰুৱা কাম-বন কৰাৰ উপৰিও গৰু, গাহৰি, কুকুৰা চৰাই আদিও পোহ-পালন কৰি আৰ্থিক দিশত আবিহনা যোগাইছিল। ড° বিৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই ইয়েংমাচৰ পত্নি আটিৰে ঘৰৰ কাম-কাজ কৰাৰ লগতে জীৱ-জন্তু পোহ-পালন কৰাৰ বৰ্ণনাৰে জন-জাতীয় জীৱনৰ এখনি জীৱন্ত ছবি দাঙি ধৰিছে -"আটিৰে কেইমিনিটমান নীৰৱে ভাত খালে, তাৰপিছত কাঁহী- বাতিবোৰ নি জুহালৰ ওচৰৰ এটুকুৰা ঠাইত জমা কৰি থলে ।বাহিৰত গাহৰি পোৱালি কেইটাই ভোকত ইমান চিঞৰিছিল যে তাই ৰ'ব নোৱাৰি জুইৰ পৰা দানাৰ টিঙটো নমালে। তাৰ পিচত এটা বেলেগ টিন আনি দানাবোৰ তাত বাকি সিতো টিঙ বাহিৰলৈ উলিয়াই এচুকত ৰ'ল গৈ। তাতে এটা কাঙ্গৰ বাচন আছিল, খোৱা বস্তুবোৰ বাকি দিলে লগে লগে গাহৰি পোৱালি কেইটাই নোকনোকাই আহাৰ খাবলৈ ধৰিলে ।'এইকিটা, মনে মনে নেখাব কেলেই?'- বুলি মনৰ আনন্দতে তাই সিহঁতক এবাৰ দবিয়ালে। কিছুপৰ সিহঁত সঁচাকৈয়ে শান্ত হ'ল। হঠাতে আটিৰে শুনিলে যে তাই নোহোৱাৰ সুযোগত কুকুৰা কেইটা আৰু কুকুৰটোৱে গৈ ভিতৰত কাঁহী-বাতিত লাগি কোড়াল কৰিছেগৈ। 'নগ'লিনে'- বুলি তাই ভিতৰলৈ চোঁচা ল'লে। সন্ত্ৰস্ত কুকুৰটো দৌৰি বাহিৰলৈ পলাল। সন্ত্ৰস্তা কুকুৰা এজনি উৰি চাঙত পৰিলগৈ আৰু জলকীয়াৰ গুড়িৰ চুঙাটো ভৰিৰে পেলাই দিলে। "জহনীত যাতি।"[১১] নাৰীৰ শিক্ষা-দিক্ষা প্ৰতিও তেওঁলোকে চকু দিছিল।

টাংখুল নগাসকল প্ৰধানকৈ কৃষিজীৱি লোক। তেওঁলোকে কঠোৰ পৰিশ্ৰমেৰে খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰে। যুদ্ধই তেওঁলোকৰ খেতি-বাতিৰ ক্ষেত্ৰত বিপৰ্যয় আনি দিছে। বোমাবৰ্ষণত খেতিপথাৰ খেতিৰ বাবে অনুপযোগী হৈ পৰিছে। খেতিৰ ধান সৈন্যবিলাকে কাঢ়ি লৈ গৈছে। যুদ্ধই তেওঁলোকৰ জীৱনলৈ অশান্তি আনিলেও খেতিপথাৰবোৰেই তেওঁলোকক ক্ষন্তেক সময়ৰ বাবে হ'লেও আনন্দ দিয়ে- "ক্ষন্তেকৰ বাবে হ'লেও সিহঁতে যুদ্ধৰ নিশংসতা আৰু পাশবিকতাৰ দৃশ্য মনৰ পৰা মচি এই কৰ্মপ্ৰাণ সৰল সহজ জীৱনৰ ওচৰত নিজকে বিলাই দিবলৈ ওলাইছিল। সেউজীয়া ভূঁই হাতত তুলি বোকাত লেও লৈ থকা এই খেতিয়কবোৰেই যেন পৃথিৱীৰ প্ৰাণ আৰু আনন্দৰ উৎস।"[১২] সেয়েহে চাৰেংলাই ভাবে-" এইখন পৃথিৱী পাহৰি মানুহে যুদ্ধ কৰে কোন স'তে ।"[১৩] ব্যৱসায় বাণিজ্যই তেওঁলোকৰ মাজত ঠাই পাইছিল। ফানিটফাঙে কহিমাত গৈ ব্যৱসায় কৰিছিল।

নগাপাহাৰৰ সৌন্দৰ্যৰ বৰ্ণনাত ঔপন্যাসিক সিদ্ধহস্ত। ৰৰযুণৰ ৰতৰত নগা পাহাৰৰ হাবি-বননিৰ ৰূপ লাৱণ্যৰ বৰ্ণনা দিছে এনেদৰে- 'সেইদিনা পুৱাৰে পৰা বতৰটোৱে কান্দিছিল। পাইন গছবোৰৰ পৰা টপৰ টপৰ চকু পানী সৰিছিল। বিশ্বাঙহঁতৰ ঘৰৰ আগৰ বনৰীয়া গুলঞ্চীজোপা নিয়ৰত তিতি নিজৰাত গা ধুই উঠা নাগিনীজনীৰ দৰে নতুন যেন বোধ হৈছিল।"[১৪] নগা পাহাৰত থকা বিভিন্ন ফুলৰ সৌন্দৰ্য, জোপোহা সেউজীয়া পাইন গছৰ পাতবোৰৰ খিড়িকিয়েদি অকণ অকণ আকাশ দেখা, কুলিয়ে কুউ-কুউৱাই আকাশখন উন্মাদ কৰা, পাইন গছৰ পাতবোৰ এজাক বটি পাহৰি অহা বতাহৰ পৰশত চেঁচেয়াই কঁপি উঠা আদি বৰ্ণনাই এক মনোমহা সৌন্দৰ্যৰ সৃষ্টি কৰিছে। দুৰৰ বাঁহীৰ সুৰ, জিলিয়ে অবিৰামভাৱে সুতলি বজোৱা, পৰ্বতবোৰে শুধ শুকুলা ডাৱৰৰ চোলা পিন্ধি নিৰ্বিকাৰভাৱে থিয় দি থকা, ইউকিলিপ্টাচ আৰু পাইন গছবোৰে সৰগ চুৱা, সেউজীয়া ধাননী পথাৰে নশিশুৰ দৰে মলয়াৰ বোকোচাত হঁহা আদি এশ-এবুৰি প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনাই এহাতে যেনেকৈ সৌন্দৰ্যৰ পাহাৰ মেলিছে আনহাতে তেনেকৈ প্ৰকৃতিৰ বুকুত লালিত-পালিত নগাসকলৰ অকৃত্ৰিম সহজ-সৰল জীৱনৰ বৰ্ণনাহিও উপচি পৰিছে। পাহাৰৰ জান-জুৰিৰ সৌন্দৰ্যৰ বৰ্ণনাও তেওঁৰ লিখনিৰ পৰা বাদ পৰা নাই। পাহাৰৰ নদী আৰু ভৈয়ামৰ নদীৰ পাৰ্থক্যৰ কথা কবলৈ গৈ তেওঁ কৈছে যে ভৈয়ামৰ নৈ বুঢ়ী তিৰোতাৰ দৰে কম বেগেৰে হে বয়। আনহাতে পৰ্বতৰ নৈ কৃশাঙ্গী গাভৰুৰ দৰে চিৰ চঞ্চলা। কিন্তু পৰ্বতৰ নৈত ভৈয়ামৰ নৈৰ দৰে শান্ত ৰাজহংস গতি নাই।

প্ৰকৃতিৰ সৌন্দৰ্যৰ লগতে তেওঁ প্ৰকৃতিৰ ভয়াবহ ৰূপটোৰ কথাও বৰ্ণনা কৰিবলৈ পাহৰা নাই। ঔ বিজলীয়া পাত বেঙে মাজে মাজে জঁপিয়াই হাবিৰ মাজত যাত্ৰীসকলক ভয় খুওৱা, বনৰীয়া শিমলু, বনৰীয়া বাঁহ গছ, গছত ওলমি থকা সাপ, গছৰ পৰা সৰি পৰা বনৰীয়া জোক, বনৰীয়া জন্তু আদিৰ বৰ্ণনাৰে প্ৰকৃতিৰ ভয়াবহতাৰ ৰূপ দাঙি ধৰিছে ।এই ভয়াবহতাৰ বৰ্ণনাই কেতিয়াবা কৌতু হলৰ সৃষ্টি কৰিছে-" হঠাতে দুবৰি বনৰ মাজেদি ফেট তুলি জঁপিয়াই জঁপিয়াই তাৰ কাষৰ ফুটুকাজোপাৰ ওচৰত ভৰক লাগি ৰ'লহি এটা খাঁহ-সাপ। সি তাৰ কৃশকায়, সুন্দৰ পখবা ছাল আৰু জিভাৰ নৃত্য চাই খন্তেকলৈ মুগ্ধ হ'ল। সাপটো যেতিয়া অতি ওচৰ পালেহি তেতিয়া সি লাহেকৈ ডিঙিত ধৰি তাক তলৰ নামনিলৈ দলি মাৰি দিলে। কেপ্ কেপ্ কৰে এক অজান দুখত চিএৰি কোনোৰকম সাপটো এটা দ নিজৰাৰ গাতত নপৰাকৈ ব'ল। "[১৫] ঠাই বিশেষে প্ৰকৃতিক প্ৰতীক ৰূপেও ব্যৱহাৰ কৰা দেখা যায়। হঠাৎ কলা মেঘে আকাশত দেখা দিয়া, বগৰী গছত আকাশী লতাই পোহাৰ পতা, বতাহত হু হু কৰে উদাস এক ৰাগিণী বজা আদি প্ৰতিৰূপ সহায়ত তেওঁ বিভিন্ন অৱস্থাক প্ৰকাশ কৰিছে।

ভাতে আছিল তেওঁলোকৰ প্ৰধান খাদ্য। আন আন জন-জাতিৰ দৰে তেওঁলোকেও যু বা মদ খাইছিল। তেওঁলোকে আত্মৰক্ষাৰ বাবে যাঠি ব্যৱহাৰ কৰিছিল।

ড° ভট্টাচাৰ্যই 'ইয়াৰুইঙ্গম' উপন্যাসত টাংখুল নগাসকল প্ৰাণৰ ধমনি প্ৰতিফলিত কৰিছে। যুদ্ধই বিধ্বস্ত কৰা ডেকা-গাভৰুৰ স্বপ্ন আৰু বেদনা, প্ৰবিনসকলৰ অতীত প্ৰীতি, আন্দোলনকাৰীসকলৰ ভিন্ন মতা-মত, নাৰী সমাজৰ পবিত্ৰতা, নগা পাহাৰৰ প্ৰাকৃতিকসৌন্দৰ্য, নাগিনী গাভৰুৰ দেহৰ সৌন্দৰ্য, সাম্প্ৰদায়িক সম্প্ৰীতি, নগাসকলৰ সাজ- পোছাক, আ-অলংকাৰ, খোৱা-বোৱা, গীত-মাত আদি বৰ্ণনাৰে ঔপন্যাসিকে টাংখুল নগাসকলৰ এখনি বাস্তৱ চিত্ৰ অংকন কৰিছে।

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই 'ইয়াৰুইঙ্গম' উপন্যাসত ৰাজনৈতিক বাতাবৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা যেন ধাৰণা হয়। সমাজত বিভিন্ন দিশ প্ৰতিফলিত হৈছে যদিও আৰু কিছুমান দিশ সামৰি লোৱাৰ থল আছিল। উপন্যাসখনৰ ৰচনা -শৈলি, শব্দৰ প্ৰয়োগ, ফকৰা- যোজনাৰ প্ৰয়োগ আৰু সহজ-সৰল বাক্যৰ প্ৰয়োগে উপন্যাসখনিক সুখপাঠ্য কৰি তুলিছে। 'ইয়াৰুইঙ্গম' উপন্যাসখনৰ বিষয়ে প্ৰফুল্ল কটকীয়ে মন্তব্য কৰিছে এনেদৰে- "সহৃদয় অসমীয়া পাঠকৰ বিপুল সমাদৰ লাভ কৰা 'ইয়াৰুইঙ্গম' অসমীয়া সাহিত্যলৈ বীৰেন্দ্ৰ কুমাৰৰ এক বিশিষ্ট অৱদান।"[১৬] □

<u>পাদটীকা ঃ</u>

১। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ ইয়াৰুইঙ্গম, মোখনী
২। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ ইয়াৰুইঙ্গম, মোখনী
৩। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ ইয়াৰুইঙ্গম, পৃ.- ১০
৪। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ২৩৫
৫। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ৭৪
৬। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ১৩
৭। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ৭২
৮। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ৭২,৭৩
৯। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ৬৫, ৬৬
১০। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ১৮
১১। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ৯৬
১২। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ২৩
১৩। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ২৩
১৪। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ২৪১
১৫। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ৭৮
১৬। ড° প্ৰফুল্ল কটকী ঃ স্বাধীনোত্তৰ অসমীয়া উপন্যাস সমীক্ষা, পৃ.- ৪৭

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমকালীন অসমীয়া সমাজ

✍ ড° জাহ্নৱী দেৱী
*অধ্যাপিকা, অসমীয়া বিভাগ*

অসমীয়া সমাজৰ মহীৰূহস্বৰূপ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ। অবিস্মৰণীয় প্ৰতিভাৰ আৰম্ভ গুৰুজনাই যুগ কাল অতিক্ৰমি পাঁচশ বাসন্তৰ বছৰৰ পিছতো অসমৰ জনগণৰ হৃদয়ৰ বন্তিৰূপে প্ৰজ্জ্বলিত হৈ আছে। ঈশ্বৰঅংশী পুৰুষ গুৰুজনাৰ সৰ্বগুণসম্পন্ন ব্যক্তিত্ব আজিও আমাৰ বাবে পৰম বিস্ময় বিমুগ্ধকাৰী হৈ ৰৈছে। পূৰ্বকালীন আৰু সমকালীন সমাজৰ পটভূমিৰ প্ৰেক্ষাপটত গুৰুজনাৰ দিকদৰ্শনকাৰী কৰ্মৰাজিয়ে অসমীয়াৰ আত্মপৰিচয় নিৰ্মানত গুৰিৰ ঠাঁ ধৰি সমাজক সবল নেতৃত্ব প্ৰদান কৰিছিল। তৎকালীন অসমৰ ৰাজনৈতিক ,অৰ্থনৈতিক আৰু সামাজিক পৰিবেশ পৰিস্থিতিলৈ মন কৰিলে অনুমান কৰিব পাৰি যে কেনে প্ৰতিকূল পৰিবেশৰ মাজত গুৰুজনাই তেৰাৰ সাহিত্য-সংস্কৃতি-কলাৰ সাধনা অব্যাহত ৰাখিছিল।

শংকৰদেৱৰ জীৱনকালত আহোম ৰাজ্যৰ সিংহাসনত আৰোহণ কৰিছিল এবাৰজন ৰজাই। এই দীঘলীয়া কালছোৱাত ৰজাসকলৰ যোগ্যতা মন্ত্ৰী আৰু বিষয়াসকলৰ বিচক্ষণতাৰ তাৰতম্যতাৰ কাৰণে সময়ে সময়ে আহোম ৰাজ্যৰ উত্থান-পতন ঘটিছিল। লগতে কাষৰীয়া কোচ, কছাৰী, চুতীয়া আদি ৰাজ্যৰ সৈতে হোৱা সংঘাতৰ ফলত আহোম ৰাজ্যৰ সীমা কেতিয়াবা বিস্তাৰিত, কেতিয়াবা সংকুচিত হৈছিল।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ বৰদোৱাত শংকৰদেৱৰ জন্মৰ সময়ত আহোম ৰাজ্যৰ ৰজা আছিল চুচেনফা (১৪৩৯ চন, ভোগবছৰ ৪৯)।[১] এইজনা ৰজাই নগাৰ সৈতেহে ৰণত লিপ্ত হৈছিল। ভূঞা বা কছাৰীৰ সৈতে সংঘাত হোৱা নাছিল। সেই সময়ত ভূঞাসকল কছাৰী সকলৰ দ্বাৰা আক্ৰান্ত হব লগা হৈছিল। শংকৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰ শিৰোমণি ভূঞাৰূপে বৰ বিক্ৰমশালী লোক আছিল। লেঙামাগুৰীত বাস কৰি থকা কালত উত্তৰ দিশৰ পৰা ভোটসকলে প্ৰায়ে অশান্তি দিছিল। এবাৰ চণ্ডীবৰ কিবা কামত অন্য ঠাইলৈ যাওতে ভোটে আক্ৰমণ কৰি পুত্ৰ ৰাজধৰ আৰু অন্য কেতবোৰক ধৰি লৈ গৈছিল। চণ্ডীবৰ উলটি আহি খবৰ পাই কিছু সৈন্য লৈ অকলেই খেদি গৈ যুদ্ধ কৰি সকলোকে লেঙামাগুৰীলৈ লৈ আহে। চণ্ডীবৰৰ মৃত্যুৰ পিছত ৰাজধৰৰ বাষষ্ঠি বছৰ বয়সত টেম্বুৱানীত পানীয়ে অসুবিধা কৰা বাবে আলিপুখুৰীলৈ উঠি আহে। আলিপুখুৰীতেই ৰাজধৰৰ পুত্ৰ সূৰ্যবৰ তৎপুত্ৰ কুসুম্বৰে শিৰোমণি ভূঞাৰ দায়িত্ব লৈছিল। শ্ৰীমন্ত শংকৰৰ তেৰ মাহ বয়সত উত্তৰৰ কছাৰীয়ে অকস্মাতে আক্ৰমন কৰি ভূঞাৰাজ্য লুটপাত কৰিছিল। কুসুম্বৰ ভূঞাই পৰিয়ালৰ সৈতে পলাই ৰূনৰ মাজত আশ্ৰয় লৈ থাকোতে শংকৰৰ বৈমাতৃৰ গৰ্ভত ভায়েক বনগঞাগিৰি (বনত জন্মিছিল বাবে)ৰ জন্ম হৈছিল। পিছত ভূঞাসকল গোট খাই কছাৰী ৰজাক আক্ৰমণ কৰি ধন-সোণ কাঢ়ি লৈ আহে। কুসুম্বৰ ভূঞাৰ মৃত্যুৰ পিছত প্ৰাকৃতিক কাৰণত ব্ৰহ্মপুত্ৰই সুঁতি সলায়। পূৰ্বতে বিচ্ছিন্ন হৈ থকা কলিয়াবৰৰ ৰূপহীবালি আৰু ভুৰবন্ধা চাপৰি সংযোগ হোৱাত ব্ৰহ্মপুত্ৰই এসোঁতা হৈ স্থিৰ গতি ধৰে। ভূঞাৰাজ্যত পানীৰ উপদ্ৰপ কমে। জাগী, ভূঞাচাপৰি, টেম্বুৱানীৰ যাতায়ত সুচল হৈ উঠাত কছাৰী আৰু ভূঞাই একে পথাৰতে খেতি কৰিব আৰু গৰু-ম'হ চৰাব লগাত পৰিছিল। ফলত কছাৰী আৰু ভূঞাসকলৰ দ্বন্দ-খৰিয়াল হৈ থাকিবলৈ ধৰিছিল। কছাৰীৰ উপদ্ৰপত অতিষ্ঠ হৈ শংকৰদেৱে ভূঞাসকলক লৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ গুছি গৈ গাংমৌত ৰৈছিলগৈ। তাৰোপৰা উজাই আহি বেলগুৰি ধুৱাহাটাত ৰ'লহি।[২] তাতো কোনো খলুৱা লোকে স্বৰ্গদেৱক লগালেগৈ বোলে ভূঞা হঁতে দেশ ভাঙিলে। ৰজাই ভূঞাহঁতক ধৰাই নি দায়-দোষ নাপাই নিৰ্বিন্ধ দি মেলি দিছিল। পিছত 'ৰজাই (চুহংমুং দিহিঙ্গীয়া) গড় বান্ধি হাতী ধৰিবলৈ পাছিলে। পাছে হাতী ভূঞাহঁতৰ ফালে পলাল। তাতে দায় ধৰি কতো ভূঞাক ধৰাই নি বন্দী কৰিলে, কটোক কাটিলেও আৰু কটৌ পলাই সাৰিল।

জনদিয়েক ভূঞাৰ সৈতে শংকৰদেৱ পলাই সাৰিল; মাধৱদেৱ আৰু জোঁৱায়েক হৰিক বন্দী কৰিলে। পাছে মাধৱদেৱক বৈৰাগী ভাবি এৰি দিলে, আৰু হৰিক কাটিলে। এনেবিষম পৰিস্থিতিৰ পৰা আঁতৰি শংকৰে ভূঞাসকলক লৈ কোচৰাজ্যৰ ভিতৰুৱা চুণপোৰা, কুমাৰকুছি আদি ঠাইত থকাৰ উপৰিও দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ পৰা আহেগৈ। এইবাৰ পুনৰ কোনো টুটকীয়াই অধৰ্ম আচৰাৰ গোচৰ দিয়াত ৰজা নৰনাৰায়ণে শংকৰদেৱক ধৰি আনিবলৈ গৰমলি পঠিয়ালে। গৰমলিয়ে শংকৰক নাপাই ঠাকুৰ আতা আৰু গোকুলচান্দক ধৰি নি অমানুষিক অত্যাচাৰ কৰিছিল। গুৰুজনাৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ প্ৰৱল প্ৰভাৱত নৰনাৰাণৰ ভাতৃ চিলাৰায় দেৱান তেওঁৰ পৰম ভক্ত হৈ পৰিল। নৰনাৰায়ণেও গুৰুজনাৰ প্ৰকৃত পৰিচয় পাই মোহিত আৰু অনুগৃহীত হৈ পৰিল। এইবাৰ গুৰুপত্নী কালিন্দীআইক পাটবাউসীত আৰু শিষ্য মাধৱদেৱক গণককুছিত এৰি গুৰুজনাই বেহাৰলৈ গৈ ৰাজ অনুগ্ৰহ লাভ কৰি শাস্ত্ৰ চৰ্চাত মন দিলেগৈ। কিন্তু কিছুকাল পিছত ৰজাই শৰণ লবলৈ আকোৰগোজ হৈ ধৰাত গুৰুজনা ধৰ্মসংকটত পৰিল আৰু জীৱৰ জীৱন পতিত পাৱন ত্ৰাণকৰ্তা প্ৰভুৰ চৰণত আশ্ৰয় লবলৈ স্বইচ্ছাই প্ৰাণত্যাগ কৰিলে।

গুৰুজনাৰ জীৱনকেন্দ্ৰিক এনেধৰণৰ ঘটনাসমূহে প্ৰমাণ কৰে যে শংকৰদেৱৰ সমকালীন অসমৰ পট ভূমিত ৰাজনৈতিক স্থিৰতা নাছিল। কোনো এক নিৰ্দিষ্ট ৰাজশক্তিৰ পৃষ্ঠপোষকতা লাভ কৰি স্থিৰভাৱে ধৰ্মচৰ্চা, সাহিত্যচৰ্চা কৰি সমাজক নেতৃত্বদান কৰাৰ সুবিধা আৰু নিৰাপত্তা লাভৰপৰা তেওঁ বঞ্চিত আছিল। আহোমৰ চুহংমুং দিহিঙ্গীয়া ৰজা আৰু কোচৰজা নৰনাৰায়ণৰ অবিবেচকি সিদ্ধান্তই শংকৰদেৱৰ জীৱনত অনেক আহুকালৰ সৃষ্টি কৰিছিল। এনে জটিল ৰাজনৈতিক পৰিস্থিতিৰ মাজত সেইকালৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থা, ব্যৱস্থাৰ লগত খাপ খোৱাকৈ ভৱিষ্যত কৰ্মপন্থা নিৰ্দ্ধাৰণ কৰিব লগীয়া হৈছিল।

মধ্যযুগত অসম (আহোম ৰাজ্য), কামৰূপ আৰু বেহাৰ এই তিনি ভিন্ন ৰাজশক্তিৰ তলতীয়া এই অঞ্চলটোত এখন ৰাজ্যৰপৰা আন এখন ৰাজ্যলৈ ভূপথ যোগাযোগ ব্যৱস্থা সুচল নাছিল। আনকি একেটা ৰাজশক্তিৰ অন্তৰ্গত অঞ্চলসমূহতো পথ যোগাযোগ আৰু সাংস্কৃতিক বিনিময়ৰ প্ৰচলন সীমিত আছিল।

সেই সময়ত উত্তৰ বঙ্গ (কোচ ৰাজ্যৰ অন্তৰ্গত), নেপাল, ছিকিম, তিব্বত আৰু আহোম ৰাজ্যত নাৰায়ণী মুদ্ৰাৰ প্ৰচলন আছিল। স্বকীয় মুদ্ৰা থকা স্বত্বেও আহোম ৰজাসকলে ঊণবিংশ শতিকাৰ আৰম্ভণি পৰ্যন্ত কোচৰাজ্যৰ নাৰায়ণী মুদ্ৰাৰেও ৰাজস্ব গ্ৰহণ কৰিছিল।[৪] গতিকে ভূঞাসকলেও যে নাৰায়ণী মুদ্ৰাই ব্যৱহাৰ কৰিছিল তাত সন্দেহ নাই। শংকৰদেৱে তীৰ্থ ভ্ৰমণলৈ যাওতে এনে মুদ্ৰা লগত লৈ যোৱা বুলি ভাবিব পাৰি। সেই সময়ত বস্তু কিনা-বেচা কৰোতে ৰূপ, তাম আদি মূল্যবান ধাতুৰ মুদ্ৰাৰ উপৰিও কড়ীৰ ব্যৱহাৰো হৈছিল। আধলি, মহা বা সিকা , একনা ,চৰাতি বা চৰতীয়া আদি বিভিন্ন মূল্যৰ জোখেৰে চলতি আছিল। শংকৰদেৱে এনে মুদ্ৰাৰ বিনিময়ত হৰিণ, ম'ৰা চৰাই, টুনি চৰাই আদি ক্ৰয় কৰাৰ কথা গুৰুচৰিতত আছে। সেই কালত ৰাজ্যত হাত লগাই কৰি খোৱা বৃত্তিধাৰী লোক আছিল অনেক। কুমাৰ, হীৰা, তেলী, পলু পোহা যুগী, কমাৰ, চমাৰ, চুণ পোৰা মুখি, মাছমৰীয়া, ধোবা, মিঠাই তৈয়াৰ কৰা শালৈ আদি লোকসকলে গাওঁ পাতি বাস কৰিছিল আৰু নিজ নিজ উৎপাদিত দ্ৰব্যৰ বিনিময়ৰ জৰিয়তে পৰস্পৰে পৰস্পৰৰ প্ৰয়োজন পূৰণ কৰিছিল।[৫] 'গুৰুচৰিত কথা' পুথিমতে-'বুঢ়ীমাকে দাসী জোৰাই চাউল এপাচি, টকা এটি, বস্ত্ৰ আগতকৈ' শংকৰক পঢ়াশলিলৈ লৈ গৈছিল। শংকৰদেৱেও 'একদিনা গৃহৰ আৱে এক বস্ত্ৰ এক টকা আনি' ভেটি দি পঢ়াশালিৰপৰা পলাই গৈছিল। এই টকাৰ নামৰ উল্লেখ নাই যদিও নাৰায়ণী মুদ্ৰা বুলি ভাবিবৰ থল আছে। কিয়নো ভূঞা সকলে নিজৰ নামত মোহৰ মৰা নাছিল।

মধ্যযুগত বৰলুইতৰ বুকুৰেদি নাও বোজাই কৰি কোনো মুদে সদাগৰে বিভিন্ন দ্ৰব্যৰ বেহা-বেপাৰ কৰিছিল। তামোল-পাণ, লোণ-মৰিচ আদি বস্তুৰে উজনি আৰু নামনিৰ মাজত বেহা-বেপাৰ কৰিছিল। উজনি নামনি সকলোতে চকি, দুৱাৰ, হাট আৰু ফাট অৰ্থাৎ পানীঘাটবোৰৰ হাটখোৱা, ফাটখোৱা সকলৰ যোগেদি ৰজাঘৰে বেহাবেপাৰৰ অনুশাসন বৰ্ত্তাই, কৰ সংগ্ৰহ কৰিছিল।[৬] এই ব্যৱস্থাৰ জৰিয়তে কোচ বা আহোম ৰজাদিনীয়া আৰ্থ-সামাজিক দিশৰ উমান পোৱা যায়। যাৰ যোগেদি শংকৰদেৱৰ জীৱনকেন্দ্ৰিক আৰ্থ-সামাজিক চিত্ৰ এখনে ভুমুকি মাৰে।

শংকৰক বুঢ়ীমাকে মহেন্দ্ৰ কন্দলীৰ টোললৈ ভাৰে-ভেটিয়ে লৈ গৈ থৈ অহাৰ যি বিৱৰণ চৰিতপুথিসমূহত আছে, সেই কথাই মধ্যকালীন অসমৰ শিক্ষা ব্যৱস্থাৰ এটি দিশ উন্মোচন কৰে। আধুনিক শিক্ষা পদ্ধতিত স্কুলৰ কৰ্তৃপক্ষই বান্ধি দিয়া এটি নিৰ্দিষ্ট দিনত সকলো ছাত্ৰ-ছাত্ৰীয়ে নাম-ভৰ্ত্তি কৰে। নিৰ্দ্দিষ্ট দিনত পাঠ আৰম্ভ হয়। কিন্তু মধ্যযুগত শিক্ষা বাধ্যতামূলক আৰু বহুল প্ৰচলিত নাছিল। কোনো কোনো বিদ্যানুৰাগী পৰিয়ালৰ (সাধাৰণতে ব্ৰাহ্মণ, কায়স্থ আদি উচ্চ বৰ্ণজাত) পুত্ৰসকলক উপযুক্ত বয়স হলে পঢ়াশালি বা টোলত ভৰ্ত্তি কৰাই দিয়া হৈছিল আৰু সেই দিনৰ পৰাই বিদ্যাৰম্ভ হৈছিল। বিদ্যালাভ এক পৱিত্ৰ কৰ্ম্ম হিচাবে জ্ঞান কৰি 'ভাৰ-ভেটি' সহকাৰে গুৰুক তুষ্ট কৰি ছাত্ৰক টোলত থৈ অহাৰ ব্যৱস্থা আছিল। বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰা জ্যোতিষ বিষয়ক গ্ৰন্থই এই দেশত যে জ্যোতিষ শিক্ষা আৰু চৰ্চা হৈছিল তাৰ প্ৰমাণ দাঙি ধৰে। যদিও দৈৱজ্ঞসকলেই প্ৰধানকৈ জ্যোতিষৰ অনুশীলন কৰিছিল , বহুতো ব্ৰাহ্মণ, কায়স্থয়ো এই বিদ্যা আয়ত্ব কৰিবলৈ শিক্ষা গ্ৰহণ কৰিছিল।[৭] বিদ্যাৰম্ভৰ দৰে পৱিত্ৰ জ্ঞানকৰ্ম্মৰ বাবে শুভ দিন বাৰ চাই লোৱা হৈছিল।[৮] যিকোনো দিনতে এনে শুভকৰ্ম আৰম্ভ কৰা নহৈছিল। মধ্যযুগত টোল বা ছাত্ৰশালসমূহৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত শাস্ত্ৰসমূহৰ দীঘলীয়া তালিকা 'গুৰুচৰি- কথাত ' পোৱা যায়। অৱশ্যে সেই তালিকাৰ শুদ্ধতা সম্বন্ধে সন্দেহৰ অৱকাশ নথকা নহয়।[৯]

মধ্যযুগীয় অসমীয়া সমাজত ভুনি আৰু পচৰা অৰ্থাৎ চুৰিয়া আৰু চেলেঙেই পুৰুষৰ সম্পূৰ্ণ সাজ আছিল। বিবিধ বস্ত্ৰসমূহ আছিল কোটকৰী মুগাৰ বা তস্যৰ , কম্বল(কমল), বানাত, পট্টু লুহি ,চাটিন, সিংখাপ, তাও, বালিচৰি, মখমল, পাট চিত, গাত চতিয়াই লোৱা বৰ কাপোৰ, মজালি চেলেঙ, গামচা, আইসকলৰ পাটনি পাট ৰিহা আদি।[১০] সেই সময়ত পুৰুষ মহিলা উভয়ে পৰিধান কৰা নানাবিধ অলংকাৰৰ ভিতৰত ডিঙিত পিন্ধা জোনবিৰি, ঢোলবিৰি, ধাৰিয়াবিৰি, শিলিখা মাদলি, জলফাই মাদলি, গেজেৰা, দুগদুগি, বানা, আদি; কাণত পিন্ধা লোকাপাৰ, লংকেৰু, থুৰীয়া, বাখৰুৱা কেৰু, উকা কেৰু, জাংফাই কেৰু আদি; আঙঠিৰ ভিতৰত জেঠিনেগুৰিয়া আঙঠি, পটিয়া আঙঠি, বাৰৰি ফুলীয়া আঙঠি; খাৰুৰ ভিতৰত গামখাৰু, মুঠিখাৰু, এপটীয়া বালা, দুপটীয়া বালা ,সোণ খটোৱা খাৰু আদিয়ে প্ৰধান।[১১] তদুপৰি তৎকালীন অসমীয়া সমাজত পিতৃ-মাতৃয়ে সাদৰেৰে জীয়ৰী বিয়া দিওতে মণি-খাৰু টাৰ অৰ্থাৎ হাতৰ খাৰু ,বলয়া,

আঙঠি, উৰাল্টি অৰ্থাৎ ভৰিৰ আঙুলিত পিন্ধা আঙঠি : কুণ্ডল, হোড়ৰ বা বক্ষৰ অলংকাৰ বিশেষ , সাংখ মানে শংখৰ খাৰু , সেন্দুৰ , পাতনি (স্ত্ৰীবস্ত্ৰ), পাট বিহা আদিৰে কইনা সজোৱা ৰীতি আছিল। অৱশ্যে কুটা এগছো নোলোৱাকৈ বা নিদিয়াকৈয়ো ছোৱালী বিয়া দিয়া হৈছিল।

তৎকালীন সমাজত জাত পাতৰ বিচাৰ প্ৰবল আছিল। তেতিয়াৰ অসম, কামৰূপ আৰু বেহাৰৰ জনবসতিত এতিয়াৰ দৰে মঙ্গোলীয় প্ৰাচুৰ্য্য আছিল। পৰ্বত ভৈয়ামত নগা, মিৰি, ভোট, অকা ,ডফলা, নৰা, ব্ৰাহ্মণ, কছাৰী, শূৰী, যুগী, ধোবা, ডোম, হাৰী, চণ্ডাল, তুৰুক, যৱন, মেচ আদি সকলোৱে বাস কৰিছিল।

পঞ্চদশ শতিকাৰ অসমত নৰবলিৰ প্ৰচলন থকাৰ কথা ইতিহাস সমৰ্থিত।[12] কোনো ৰাজ অপৰাধী বা যুদ্ধ বন্দীক কেচাইখাতি বা কামাখ্যা গোঁসানীৰ আগত বলি দিয়াৰ উদাহৰণো সমসাময়িক বুৰঞ্জীত পোৱা যায়।[13] ইয়াৰোপৰি বিশ্বাস-অন্ধবিশ্বাসৰ দোমোজাত পৰা কোনো ব্যক্তিয়েও নিজে বলি যাবলৈ আগবাঢ়ি যায়। এনেদৰে বলি যাবলৈ ওলোৱা মানুহক ভোগী বোলা হৈছিল। ৰজাই বিচাৰ কৰি অপৰাধীক প্ৰাণদণ্ড বিহাৰ উদাহৰণ অনেক আছে। অসমীয়া সমাজত বিহু উৎসৱৰ প্ৰচলন আহোম পূৰ্ব যুগৰ পৰাই চলি আহিছে।[14] উত্তৰ শংকৰী যুগৰ কবিৰাজ চক্ৰৱৰ্তীৰ সংস্কৃত ভাষাত ৰচিত 'নৃত্যতি ললিতম্ মহ বিগুণ ৰলিতময়গায়তি বিহু বিলাসম্' গীতে তাক সমৰ্থনো কৰে। মহাপুৰুষ জনাই ভাৱৰ গাম্ভীৰ্য, আদৰ্শৰ উচ্চতা, বিষয়ৰ গভীৰতা আৰু ৰচনা ৰীতিৰ নৈৰ্ব্যক্তিকতা আদি বিশিষ্টতা ৰক্ষা কৰিহে ভক্তি সাহিত্য সৃষ্টি কৰিছিল। তেওঁৰ ৰচনা আছিল লোকোত্তৰ উৎকৰ্ষ সাধনৰ উপায়। পীতাম্বৰ কবিক 'শাক্ত তামসিক কবি' বুলি অৱজ্ঞা কৰা কথায়ো লৌকিকতা বৰ্জনকে ইঙ্গিত কৰে। এই কাৰণেই ভক্তি সাহিত্যত বিযুব নাইবা বিহু সম্বন্ধীয় বৰ্ণনা পাবলৈ নাই বুলি ভবাৰ থল আছে। প্ৰকৃততে ইয়ো এক গৱেষণাৰ বিষয়।

সেই সময়ৰ অসমৰ কোনো কোনো মন্দিৰত দেৱতাৰ সন্তুষ্টিৰ বাবে দেৱদাসী নচুওৱাৰ ব্যৱস্থা প্ৰচলিত আছিল। বিশ্বনাথৰ শিৱমন্দিৰ, নেঘেৰিটিঙৰ শিৱদৌল, ডুবিৰ পৰিহৰেশ্বৰ দেৱালয় , হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ , কামাখ্যা দেৱালয় আদিত দেৱদাসী নচুওৱাৰ প্ৰথা আছিল।[15] অসমৰ মানুহে মাছ-মঙহ খাইছিল। বনৰ পহু, বিভিন্ন বনৰীয়া আৰু পোহনীয়া চৰাই আদিৰ মঙহ খাইছিল। নৈ , বিল, খালৰ পৰা মাছমৰীয়া সম্প্ৰদায়ৰ লোকে মাছ ধৰি সমাজৰ অন্যান্য মানুহৰ বাবেও যোগান ধৰিছিল। খাদ্যবস্তুৰ ভিতৰত শাক-পাচলিঃ-পালেং, চুকা, ঢেকুৱা, লাও,কোমোৰা আদি: দৈ, চিৰা, গাখীৰ , তামোল-পাণ আদিৰ ব্যৱহাৰ আছিল। (ঢেকিয়া শাকৰ আটিত বেচ লয় চাৰি কৰাকৈ, 'গুৰুচৰিত')।

সৰল সহজ মানুহে বৰ্তমানেও ভুত প্ৰেত যক্ষ আদিৰ অস্তিত্বক বিশ্বাস কৰে। 'গুৰুচৰিত'ত উল্লেখ থকামতে বৰপেটাৰ জলাশয় (পিতনি) অঞ্চলত অসংখ্য যক্ষৰ বাসস্থান আছিল। ভকতসকলৰ সৈতে মাধৱদেৱে নিতৌ কৰা নাম-প্ৰসঙ্গৰ ধ্বনিয়ে যক্ষবোৰক সেই ঠাই এৰিবলৈ বাধ্য কৰিছিল। পুৰণি অসমত শৈৱধৰ্ম, শাক্ত ধৰ্মৰ বাহিৰেও তান্ত্ৰিক সাধকৰ বামাচাৰী পূজা, কৌলাচাৰী , ৰাতিখোৱা সম্প্ৰদায়ৰ কম বেছি পৰিমাণে অস্তিত্ব আছিল। বামাচাৰী তান্ত্ৰিক সাধন প্ৰক্ৰিয়াৰ পূৰ্ণতাৰ বাবে সতী-সাধ্বী অক্ষত যোনীৰ অতীব সুন্দৰী গাভৰুৰ প্ৰয়োজন হৈছিল। কৌলাচাৰীসকলে মদ, মাংস, মাছ, ভুচৰ, খেচৰ, জলচৰ সকলো খাইছিল। নিজৰ মাতৃত বাজে সকলো স্ত্ৰীলোকৰ লগত সঙ্গম কৰিব পাৰিছিল।[16]

এনে এক প্ৰতিকূল সমাজ ব্যৱস্থাৰ মাজত থাকি মহাপুৰুষ শংকৰদেৱে তীব্ৰ মানসিক দৃঢ়তাৰে নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ সাধন কৰা কাৰ্য্য আছিল বিস্ময়কৰ। এই কাৰ্য্য সম্ভৱ হৈছিল তেখাৰ পাণ্ডিত্যৰ গুণত সংস্কৃত শাস্ত্ৰৰ জ্ঞান সাগৰ মন্থন কৰি অমৃত উদ্ধাৰি সংসাৰ নিকাৰ ভুঞ্জি পৰিশ্ৰান্ত হৈ থকা সাধাৰণ মানুহবোৰৰ তৃষ্ণা নিবাৰণ কৰিছিল। সমকালীন কৰ্মকাণ্ডী কিছু লোকে শাস্ত্ৰৰ দোহাই দি চলাই অহা শোষণ আৰু ব্যভিচাৰৰ প্ৰতি সন্দেহী অথচ শাস্ত্ৰৰ তত্ত্বৰ ভু নোপোৱা সাধাৰণ মানুহক শংকৰদেৱৰ অনুদিত ভাগৱতৰ স্কন্ধ সমূহকে ধৰি কীৰ্ত্তন ঘোষা, ভক্তি-প্ৰদীপ আদি গ্ৰন্থই অনেক সকাহ দিলে। বৰগীত, অংকীয়া-নাট সমূহে এই ভৱনদীৰ পৰুনীয়াৰ পৰা ত্ৰাণ কৰিবলৈ নৌকাত আৰোহণ কৰোৱাই গুৰিৰ ঠাঁ হাতত তুলি দিলে। সত্ৰ সংস্থাপনৰ দ্বাৰা বিক্ষিপ্ত ,বিচ্ছিন্ন অসমীয়া জীৱনক নিৰাপদ আশ্ৰয় আৰু সাহস দান কৰিলে। সত্ৰত অনুষ্ঠিত বিভিন্ন তিথি-পাৰ্বণ, ভাওনা-সবাহে অসমীয়াৰ প্ৰাণত সঞ্জীৱনী সঞ্চাৰ কৰিলে। বৈষ্ণৱ ভকত সমাজ একতাৰ দৃঢ় এনাজৰীৰে বান্ধ খাই পৰিল।

আজন্ম ৰাজনৈতিক অনিৰাপত্তাৰ মাজত জীৱন কটাই, শক্ৰ ভাবাপন্ন মানুহৰ মাজত সততে জীৱন যাপন কৰিও গুৰুজনাই সদায় চিন্তা কৰিছিল মানুহৰ মঙ্গলৰ বাবে। সাধাৰণ খাটি খোৱা মানুহৰ জীৱন মুক্তিৰ বাবে পৰিচ্ছন্ন জীৱন শৈলী নিৰ্মাণ কৰি আজিৰপৰা পাঁচশ বাসওৰ বছৰ পূৰ্বে তেৰাই প্ৰজ্জলিত কৰা বহ্নি অসমীয়া জাতীয় জীৱনৰ বৰ্ত্তিগছি আজিও অক্ষত হৈ আছে আৰু চিৰকাল অক্ষত হৈ থাকিব। ❑

## টোকা আৰু পাদটীকা ঃ


১। 'এইজনা ৰজাৰ দিনতে ১৩৭১ শকত আহিন মাহত কুসুম ভূঞাৰ ঘৰত অসমৰ মহাকবি, মহাপুৰুষ শঙ্কৰদেৱে বৰদোৱাত জন্মগ্ৰহণ কৰে।' - বৰবৰুৱা, হিতেশ্বৰ, 'আহোমৰ দিন', পৃ: ৪১।

২। দত্তবৰুৱা, হৰিনাৰায়ণ, 'প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত (পৰিবৰ্দ্ধিত দ্বিতীয় সংস্কৰণ) পৃ: ২৭-৪০।







৩। বৰবৰুৱা, হিতেশ্বৰ, 'আহোমৰ দিন', পৃ: ৫৩।

৪। আহমেদ, খা চৌধুৰী আমানতউল্লা, 'কোচবিহাৰেৰ ইতিহাস, পৃ: ২৯১।

৫। নেওগ, মহেশ্বৰ, পাতনি, 'গুৰুচৰিত কথা', পৃ: ১০৫।

৬। নেওগ, মহেশ্বৰ, পাতনি, 'গুৰুচৰিত কথা', পৃ: ১১০।

৭। নেওগ, মহেশ্বৰ (সম্পা), ভূমিকা, প্ৰাচ্য শাসনাৱলী পৃ: ৬-৭।

৮। শৰ্ম্মা, সত্যেন্দ্ৰনাথ, 'পুৰণি সাহিত্য অধ্যয়ন', পৃ: ৪৯।

৯। Neog, Maheswar; 'sankardeva and His Times - Early History of the Vaisnava Faith and Movement in Assam' P. 96

১০। শৰ্ম্মা, সত্যেন্দ্ৰনাথ, 'পুৰণি সাহিত্য অধ্যয়ন', পৃ: ৪৫-৪৬।

১১। নেওগ, মহেশ্বৰ, পাতনি, 'গুৰুচৰিত কথা', পৃ: ১০৬।

১২। Rajguru, Sarbeswar, 'Medieval Assamese Society'; P.185

১৩। Gohain, Bikash Chandra; 'Human Sacrifice and Head Hunting in North-East India',P.10

১৪। Sarma, Satyendra Nath; 'The Neo-Vaisnavite Movement and the Satra Institution of Assam'Pp.4-5

১৫। বৰগোহাঞি, যতীন্দ্ৰ কুমাৰ, 'অসমৰ সাংস্কৃতিক ইতিহাস', পৃ: ১০৮-১০৯।

১৬। গগৈ, নিত্যানন্দ, 'বুৰঞ্জীয়ে পৰশা বিশ্বনাথ প্ৰান্তৰ', পৃ: ১৩৭।

১৭। নেওগ, মহেশ্বৰ (সম্পা), পবিত্ৰ অসম পৃ: ২৫১-২৫৮।

১৮। নেওগ, মহেশ্বৰ (সম্পা), বাণীকান্ত ৰচনাৱলী পৃ: ১৯৯-২০২।


■ ■ ■

## মহৎলোকৰ বাণী

- প্ৰেমৰ আনন্দ অতি ক্ষণস্থায়ী, চিৰস্থায়ী মাথো প্ৰেম বেদনাহে। — ৰবীন্দ্ৰ নাথ ঠাকুৰ
- সাহসী হোৱা— কাৰোবাক হত্যা কৰিবলৈ নহয়, আনে ঘৃণা কৰাজনক মৰমেৰে সাৱটি ল'বলৈ। — মাদাৰ টেৰেছা
- কাৰোবাক সঁচা অৰ্থত সন্মান কৰিবৰ বাবে তেওঁক হৃদয়েৰে ভালপাব লাগিব। এই কথাষাৰৰ লগতে এই কথাও সিমানেই সঁচা যে কাৰোবাক হৃদয়েৰে ভালপাবৰ বাবেও তেওঁৰ প্ৰতি থাকিব লাগিব প্ৰকৃত সন্মান।
  — মহান শিল্পী মাইকেল এঞ্জেলো
- যি মানুহে নামমাত্ৰও আনৰ কথা চিন্তা কৰিব নোৱাৰে, তেওঁৰ জীৱনৰ কোনো অৰ্থ নাই। — মণ্টেইন

# বৰ্তমান যুগৰ Social media

✍ মমতা নাজমিন
স্নাতক, ৫ম যাণ্মাসিক

বৰ্তমান যুগৰ Social media বুলি কওতে আমাৰ সকলোৰে মনত প্ৰথমতে Facebook, WhatsApp, Hike Instagram Tuitter ৰ কথায়ে মনলৈ আহে। হয়ময়ো আজি সেইবোৰ কথাকে আলোচনা কৰিবলৈ লৈছো।

এইখিনিতে মই এই webside সমূহৰ জন্মদাতা সমূহৰ নাম লম। যাৰ বাবে আমি কিছুমান সপোন দিঠকত পৰিণত কৰিব পাৰিছো। কাল্পনিক ৰূপক বাস্তৱ ৰূপত ৰূপান্তৰিত কৰিব পাৰিছো। প্ৰথমতে facebook ৰ বাবে Mark Zuckerberg, Whatsapp ৰ বাবে Jan Koum, tuitter ৰ বাবে Jack clorsey, Hike ৰ বাবে Kavin Bharti mittal, Instagram ৰ বাবে Kevin systrom আৰু Mike Krieyer এওলোকলৈ মই শুভেচ্ছা জনাইছো, কাৰণ এওলোকৰ অশেষ প্ৰচেষ্টা আৰু কষ্টৰ ফলত এই Social mediaৰ দৰে সুযোগ পাইছো। এই webside সমূহে আজি গৌৰৱেৰে সুদীৰ্ঘ ১২-১৩ বছৰ অতিক্ৰম কৰিলে। এই Social media খন বৰ্তমান নৱ প্ৰজন্মৰ মাজত অধিক জনপ্ৰিয় হৈ পৰিছে। কিয়নো এই webside সমূহৰ দ্বাৰা দুৰ-দুৰণিৰ খবৰ আমি পলকতে পাই যাওঁ। এই Social mediaৰ জৰিয়তে আমি আমাৰ খবৰ আগতীয়াকৈ লাভ কৰিব পাৰো। আকৌ ইয়াৰ জড়িয়তে আমি হেৰুৱা লগ বান্ধৱীক বিচাৰি পাওঁ, এয়াই নহয় আনকি ইয়াৰ জৰিয়তে Busines job আদিৰ সন্ধান পাওঁ, লগতে দেশ বিদেশৰ ভাষা ৰীতি-নীতি পৰম্পৰা সাজ-পোছাক আদিৰ বিষয়ে বহুত অভিজ্ঞতা লাভ কৰিব পাৰো Hollywood, Bollywood, sports আদিৰ ৰং-বিৰঙৰ মুহূৰ্তবোৰ উপভোগ কৰিব পাৰো। আকৌ ইয়াত আমি আমাৰ সাহিত্যমুলক লিখনি সমূহ Upload কৰি মনৰ ভাব ফুটাই জনসাধাৰণৰ আগত প্ৰতিভা বিকাশ কৰিব পাৰো। আনহাতে আমাৰ ফটো ভিডিঅ' আদি upload কৰি আমি আমাৰ মতামত বোৰ প্ৰকাশ কৰিব পাৰো। লগতে পৰীক্ষাৰ ফলাফল সমূহ ঘৰতে বহি লাভ কৰিব পাৰো।

গতিকে বৰ্তমান যুগত নৱ-প্ৰজন্মৰ বাবে এয়া এক কিমান সৌভাগ্য আৰু গুৰুত্বপূৰ্ণ বিষয় এয়া আপোনাৰ বিচাৰ্য্যৰ বিষয়। কাৰণ আজিৰে পৰা প্ৰায় ১৩-১৪ বছৰ আগতে যেতিয়া এই সুবিধা নাছিল তেতিয়া দুৰ-দুৰণিৰ খবৰ বহু দেৰিকৈ আৰু আজি কৰ লগা কথা চিঠিৰ যোগে কাইলৈ বা দুদিন পিছতহে সম্ভৱপৰ হৈ উঠিছিল। কিন্তু আজি এই webside ৰ জৰিয়তে চেকেণ্ডত সেই খবৰ সম্ভৱ হৈ উঠিছে।

গতিকে আজিৰ নৱ প্ৰজন্মক মই সকীয়াই দিব বিচাৰো যে এই Social media ক যেন অপব্যৱহাৰ নকৰে। অশ্লীল ফটো, ভিডিঅ' বা Fake account বোৰ বনাই আনৰ account বোৰ hack কৰাৰ দৰে এনে কিছুমান ভুল যেন নকৰে, তাৰ বাবে নৱ প্ৰজন্মৰ ওচৰত বিনম্ৰ অনুৰোধ থাকিল। কিয়নো এইবোৰৰ বাবে যেন Social media ক কোনেও বেয়া বুলি ক'ব নোৱাৰে। আমাৰ সমাজত কিছুমান এনেকুৱা ব্যক্তি আছে যিয়ে Social media ক এক জঘন্য আৰু অশ্লীল বিষয় বুলি গন্য কৰে। ওপৰৰ গুৰুত্বপূৰ্ণ আলোচনাৰ পৰা বুজিব পৰা যায় যে এয়া আমাৰ বাবে কিমান সোনালী সুযোগ। গতিকে আমাৰ নৱ প্ৰজন্মই ইয়াৰ সু-ব্যৱহাৰৰ জৰিয়তে ভুল ধাৰণাৰ ব্যক্তিৰ ভুল ভঙাৰ লগতে Hacker সমূহক সজাগ কৰি দিব লাগিব। তেওঁলোকে যেন এই Social media খনক ভাল দৰে ব্যৱহাৰ কৰি ইয়াক যুগমীয়া কৰি ৰাখে। এয়ে মোৰ বৰ্তমানৰ Social media ৰ জগতখনৰ প্ৰতি শুভ কামনা। ❑

■ ■ ■





# সজ আচৰণৰ সু-প্ৰভাৱ

✍ মিতালী দাস
উঃমাঃ, ২য় বৰ্ষ

মানুহ যেতিয়াৰ পৰা সভ্য হ'ল সজ আচৰণৰ মহত্ব তেতিয়াৰ পৰাই বৃদ্ধি পাবলৈ ধৰিলে। জীৱনৰ সুখ-শান্তি বিৰাজমান। সুখ-শান্তি আৰু সমৃদ্ধি লাভ কৰিবলৈ সজ আচৰণ পালন কৰাৰ দৰকাৰ হয়। যুগ যুগ ধৰি মানৱ সমাজত এই আচৰণে শাশ্বৰ নিয়মৰূপে পৰিগণিত হ'বলৈ ধৰিলে। মানুহে সজ আচৰণ পালন কৰিলেহে এজন প্ৰকৃত ব্যক্তিৰূপে পৰিগণিত হ'ব। যিজন পুৰুষ বা স্ত্ৰীৰ আচৰণত সকলোৰ প্ৰতি ভাল ভাৱণা থাকে, যি সদায় উচিত অনুচিত বিচাৰ কৰিব পাৰে, লালসাৰ পৰা বহু নিলগত থাকে, যি মূৰ্খ আৰু দুষ্টৰ সংগ কেতিয়াও নলয়, যাৰ ব্যৱহাৰ নম্ৰ আৰু সুশীল, তেনেকুৱা ব্যক্তিৰ আচৰণ মানুহে সহজে আকৃষ্ট হয়। জীৱনত সফলতা অৰ্জন কৰিবলৈ বহুতো বাধা-বিঘিনি নেওচি মুল লক্ষ্যত আগুৱাই যোৱাটোও সজ আচৰণৰ গুণ। জ্ঞানৰ জৰিয়তে মানুহে সন্মান লাভ কৰে। মাত কথা মিঠা হ'লে শত্ৰুও মিত্ৰ হৈ পৰে। যি ব্যক্তিয়ে সদায় আনৰ কল্যাণ হোৱাটো বিচাৰে, তেনেকুৱা ব্যক্তিৰ আচৰণে সদায় আনক উৎসাহিত কৰে।

সদাচাৰৰ আধাৰ হৈছে-ক্ষমা,ধৈৰ্য, চুৰ নকৰা,সংযমপূৰ্ণ ব্যৱহাৰ, আত্ম চিন্তন, জ্ঞানৰ প্ৰতি জিজ্ঞাসা, সত্যবাদিতা, ক্ৰোধৰ ওপৰত নিয়ন্ত্ৰন আৰু শাৰীৰিক পৱিত্ৰতা- বিদ্বান সকলে ইয়াকে সদাচাৰৰ আধাৰ বুলি মানি লৈছে। প্ৰকৃততে কাম-ক্ৰোধ,হিংসা,লোভ অহংকাৰ আদি বাসনাৰ পৰা লুপ্ত হৈ আচৰণ কৰা ব্যক্তিকে সদাচাৰী বুলি ক'ব পাৰি। যিজনে পৰমাত্মাৰ সৃষ্টিত সকলোকে নিজৰ নিচিনা ভাবে তেৱেঁই সদাচাৰী।

সভ্য আচৰণৰ পৰা ধন সম্পত্তি, সন্মান,পাৰিবাৰিক স্নেহ তথা সমাজত মান যশ লাভ হয়। সকলোৰে প্ৰতি ভাল ভাব ৰাখি, ভাল-বেয়া বিচাৰ কৰা মানুহে কেতিয়াও দুখ নাপায়। সকলো প্ৰকাৰৰ সাংসাৰিক সুখ লাভ কৰে। ভগৱানৰ কৃপা দৃষ্টি সদায় তেওঁৰ ওপৰত থাকে। সভ্য আচৰণহীন ব্যক্তিক চানক্যাই কঠোৰ ভাবে নিন্দা কৰিছে- "যিজনৰ ভাল বেয়া বিচাৰ কৰিবৰ ক্ষমতা নাই, বিদ্যাহীন,জ্ঞানহীন, আনক দিয়াৰ প্ৰবৃত্তি যাৰ নাই, যাৰ নম্ৰতা নাই, লোকহিতৈষি গুণ ধৰ্ম নাই এনেকুৱা পশু তুল্য মানুহ পৃথিৱীৰ বোজাস্বৰূপ"।

সজ আচৰণৰ ব্যক্তি এজনৰ ভাল-বেয়া বিচাৰ কৰিবৰ ক্ষমতাৰ থাকে। সজ আচৰণৰ ব্যক্তিৰ মস্তিকক জ্ঞান, বিদ্যা-বুদ্ধিৰে আবৃত্ত হয়।

মানুহৰ শৰীৰ ক্ষণস্থায়ী , এই আছে এই নাই । ক্ষণস্থায়ী জীৱনটোত ধন-সম্পত্তি, ঐশ্বৰ্য বিভূতিৰ কোনো মূল্য নাই। মানুহৰ শৰীৰটো শেষ হৈ যোৱাৰ লগে লগে এইবোৰৰ একো মূল্য নাই। উত্তম ভাৱেৰে কৰা সকলোৰে বাবে কল্যাণকামী কৰ্তব্য আৰু সজ গুণেই মানুহৰ আচৰণত শশ্বত পৱিত্ৰতা প্ৰদান কৰে। এই সংসাৰখন এখন অবিৰত প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াটো অনবৰতে চলি থাকে,মাথো মানুহ আহে আৰু যায়। এই ক্ষণস্থায়ী জীৱনত যি সৎকৰ্ম কৰে তেঁৱেই প্ৰকৃত সুখ লাভ কৰে। ভাল আচৰণ কৰা মানুহজনৰ মৃত্যুৰ পাছতো তেওঁৰ নাম মানুহৰ মুখে মুখে প্ৰচলিত হয়। আনে আমাৰ প্ৰতি যেনেকুৱা আচৰণ কৰিলে ভাল লাগে আনৰ প্ৰতিও আমি ভাল আচৰণ কৰিব লাগে।

সঁচাকৈয়ে সজ আচৰণৰ মহিমা অপাৰ। সৎ আচৰণে সুখ-সম্পত্তি বৃদ্ধি কৰে। সজ আচৰণৰ দ্বাৰা যশ বৃদ্ধি হয়, সৎ আচৰণ পালন কৰিলে সকলো প্ৰকাৰ কুৰূপতা নাশ হয়। বুদ্ধি আৰু বিবেকে তেওঁৰেই লগ দিয়ে যি কৰ্মেন্দ্ৰীয়ক বশ কৰি ৰাখিব জানে তেৱেঁই প্ৰকৃত সৌন্দৰ্যশীল। যি সৌন্দৰ্য্যত শীলতা নাই সি অশোভনীয় আৰু সি হৈছে কৃত্ৰিম। সদাচাৰী ব্যক্তিৰ সংগে আমাক দুৰ্গুণ সমাপ্ত কৰে আৰু আমাৰ হৃদয়ত সজ গুণৰ বিকাশ কৰে। ❑

সহায়ক ঃ সুন্দৰ জীৱনৰ সাধনা

# Role of Media in Advocating Women Empowerment

✍ Probin Hazarika
*Department of English,*

Abstract

The paper is an attempt to highlight the role of media in advocating gender equality, women welfare and empowerment.In addition,the present study also takes into consideration the ways in which media inspire and promote issues centering women. In a globalised world, media play a crucial role in determining the common beliefs and perception of reality. The most common platforms for media- newspapers,magazines,radio,television and the internet are responsive to almost everything. The general public typically relies on the media to provide information regarding political issues, social issues,entertainment, and news in pop culture. In general, media as a whole has been instrumental in supporting the movement for women empowerment, in every possible way. But,at a deeper level, there lies a contradiction for the fact that, if media is a powerful agent of social change, it can also be an equally powerful agent of oppression. for instance-there is objectification and exploitation of women in movies. In our context, there is a need for a balanced picture of women's diverse lives and contributions to society.Lack of gender sensitivity has resulted in misrepresentation of women as accountable in media. The government of India in an attempt to protect the dignity of women approved amendment to the Indecent Representation of Women (prohibition) Act,1986 in 2012. Against the stereotyped images of women, efforts must be made to promote to balanced portayal of women in the media. The powerful and positive role that media play in the empowerment of women can be further explored with critical knowledge.

**Key Words :** media, women, empowerment, globalization, representation

**Introduction :** A need for awareness regarding mass media is essential to communicate those ideas which are inevitable for the empowerment of women. Equal participation of women in the public sphere contributes to overall development of a society. To quote Kofi Annan, "There is no tool for development more effective than the empowerment of woment ". Recent research and movements for the sake of women have inspired people to reconsider some deep-rooted stereotypical notions surrounding gender roles assigned to us.These innovations offer many options to locate one's self against countless oppressions. However ; exposure to media has both positive and negative effects.

The primary concern of empowerment is changing the systematic forces to bring about a redistribution of power among nations, classes races,ethnic groups or gender. It implies that empowerment presupposes primacy over other aspects.After independence the question of bringing women to the forefront through opportunities and capabilities has been considered from time to time in India. Economic empowerment as an approach to development and gender equality has acquired greater importance in india over the last decade. It is believed that economic empowerment can follow only if women ase allowed a large participatory role in the overall social scenario.

In our context, each of us has the right to receive informaition on public issues and convey opinion. However, in terms of gender discrimination, information is nothing but a commodity produced and shaped by various socio-cultural factors. As per reports of governmental and nongovernmental organization, the politics involved within our society manipulates reporting and representation of women issues and related issues in media. Gender discrimination has been a universal phenomenon in human history from time immemorial. Such discrimination promote women's concerns and action from a biased perspective, or as per the gender roles assigned to men and women. These socio-cultural constructs place women to an inferior and subordinate position.This is a common practice all over the world that women are usually confined to and made responsible for domestic work.There are also women who play active roles both in and outside home, but their contribution is rarely accepted by the mainstream society. Against all odds and oppression women must realize and be made aware of the role of media for empowerment.

In order to dilute the societal gap between the public and private spheres assigned to us, media must be seen as one of the most powerful agents of information, which possess the power to regulate individual behaviour and social practices .It regulates the formation of identities and deeply rooted belief systems. For these reasons the media issues and representation have increasingly come to be seen in terms of the conditions and the forms in which meaning and value are articulated and structured within a society.

Gender equality is needed to ensure effective participation of women in the public sphere and vice versa. . However, the barriers lie within the system of democracy itself because democracy is a part of the domain of politics where the definition of politics is motivated by male- dominance

It is specific to public sphere and therefore women are left behind . The question regarding the biased aspect of democracy remains unanswered. In this respect we can refer to some arguments forwarded by Georgin Ashworth. She argues that-

*First women's political rights - with politics being broadly defined to include everyday concerns- are an integral and inseparable part of their human rights ; and human rights in turn are a fundamental aspect of any democratic framework. Second argument for linking gender and democracy is that in democracy the point of view of the different groups involved must be taken into account in formulating any decision or carrying forward any strategy . In other words , democracy must be inclusive of the opinions and perceptions of women as well as men . Finally perhaps the single most important rationale for linking democracy and gender is that women effectively constitute half the world's population,and half of each and every single national population. Women's studies and the amalgamation of practical experiences repeatedly have pointed out that women are not and should not be considered a minority.Indeed, women are as much a "minority" as men are in such a context.To conceptualize issues and develop policies which will affect, directly, or indirectly citizens' lives without talking into account the situations, perspectives and realities of all those who will be affected is on longer credible in today's world.*

The new media mode of libertarian autonomy often calls for a privatization of the public sphere and use of automation in the pursuit of personal liberty and controlled social interaction. With the media, women devolop their own spaces where the cultural differences are linked to the veiling of temporal and spatial differences. And yet from a critical perspective, one can say that without the limits of time and space, many modes of otherness begin to disappear and fade beneath the veils of global acces. The media enables women to realize her dreams as its points to a desire

in them to be heard and seen by people across cultures. Media being a dominant part of the public sphere has left many women's concern invisible in a democratic society. Women's issues are often sensationalized, trivialized or distorted by the media.These can be seen in all platforms of media.The mass media texts are very powerful and their messages are more or less irresistible. These images are generally conceived as a system of signs that work to prepare the female readers for their roles as wives and mothers.The culture of femininity is a part of the dominant ideology which has saturated the lives of women colouring the way they behave in society. The representation of women in media has always been an important issue of concern for contemporary writers and thinkers including feminists.The women's movement is not only engaged in a material struggle about equal rights and opportunities for women,but also in a symbolic conflict about definitions of femininity.

As per research,at present media sometimes fail to live up to its democratic function.The society transmits its culture from one generation to another and the society for its survival must be prepared to meet changing condition.By the nature of their marginality in society women hardly exists as a public phenomenon with the result that their concern does not constitute news and hence are of little value. This symbolic annihilation of women would endanger social devolopment and girls and mature women would lack positive images and this would hamper them in their development into complete human beings and .socially valuable workers.

Here, representation of women can also be viewed in terms of the arguments laid by the socialist feminist theory which appears to be embedded in socioeconomic condition where media are perceived as ideological structures that represent the essential rightness of capitalism as a social system. It is based within a Marxist frameworke of reference , namely Gramci's(1971) theory of hegemony. For example the news items might serve as the means by which a dominant class,could condition a population of subordinate classes (women, minorities) to adopt prevailing values and behaviours, thereby perpetuating an inherently unequal system of power. The media are texts-complex structure of linguistics and visual codes organized to produce specific meanings. These texts bear ideology which appears to us to be universal and natural.

Psychoanalyst film critic, Laura Mulvey identifies biased representation of women in movies. She refers to Lacan's theory of psychoanalysis to interpret women in movies. According to Jacques Lacan during the mirror phase, when the child sees its image in the mirror, the ego formation takes place and the child imagines itself to be a whole and powerful individual by identifying his own image. Similarly when a child views a cinema, he immediately identifies himself with the figure of the hero. However, this is different in case of women. Leaving aside a few movies, women in films are projected as objects not subjects. Female spectators are left to imagine themselves with the eroticized bodies of heroine as projected in such mis representation. This apparently indicates the power of the media to throw back women a version of themselves, which then is internalized as natural.

Forcing women into role of happy home makers is to deny them the opportunity to fulfill potential as human beings. This denial of their status is fostered not only in movies but also in TV serials, where division between active male and passive female is often maintained. Moreover, media advertisements manipulate women in both positive and negative manner. On one hand, advertisements ments on latest models of household appliances that make household chores easier and faster confine women to private sphere. This romanticized domesticity can also be traced in Women's magazines, where women are content in a world of bedroom, kitchen ,babies and home. However, those advertsements concerned with promoting positive spectacle must be acknowledged.





For instance,the ad of 'Scooty Pept'. Presents a positive image for girls motivating them with the question, "Why should boys have all the Fun?".

Hence,the media or the cultural industry (films, radio and magazines) create a system which influences the cultural set up of a society. These media platforms function under the control of those whose economic hold over society is greatest. The stories in magazines in different price ranges depend more on classifying, organizing and labeling consumers than on subject matter. Similarly,the projection of the media industry caters to the demands of the rich class and is dominated by men leaving limited space for women's issues. These issues are categorized to the private sphere as assigned by the societal values.

**Conclusion :** The process of globalization has transformed world trade,communication,educational activities and economic relations since the latter part of the twentieth century.In the hierarchy of disciplines,new disciplnes such as management,media and mass communication have also risen up the ladder.Prior to1990s,education and its linkage to the job market had been mainly open to men compared to women.But now the parents are enthusiastic in providing the best education to their daughters and expect them to be independent.In this changed scenario, the priorities of women have also changed. They too want to pursue professional education . In a globalised world,there are many challenges which prevent media to fulfill the democratic role assigned to them. Advertisers are the primary customers of the print and social media. Moreover the economic liberalization in the third world countries like India has provided enough scope for fashion industry to develop and showcase role models to urge women to adopt certain values and behaviours. The fashion industry in collaboration with media reduces the definition of femininity to women's beauty. The projection of ideal female models or ideal beauty has to be viewed as a construction imposed on women. As per research the

media divide women into beautiful and ugly. Those who cannot live up to the expectations set in media become victims of inadequacy, jealousy and guilt thereby fail to attain the male gaze and remain confined in limited space. Thus, all these factors concerning women empowerment and media point to the inherent barriers in empowering women. ❑

**Works Cited :**

1. Ashworth,Georgina."International IDEAWomen in Politics : Women in Parliament:Gender...". Web.10 Dec.2015 *http://archive.idea.int/women/parl/ch1a.htm*
2. Bunch,Charlotte.and Roxana Carrillo.GENDER VIOLENCE.Web.5 dec.2015 *http://cwgl.rutgers.edu/docman/violence-women-against publications/364-gender-violence-a-developme...*
3. Daher,Mira. Women through Technology and Social Media.Lebanese American University.2012
4. ed.Joshi,Ila.Women Networking :Its Application & Implications.The Women Press.,2010.print.
5. Phukon,Dolly, WOMEN, DEMOCRACY AND THE MEDIA. Bhabani Offset Privete Limited., 2014.print
6. Samuels, Robert.NEW MEDIA, CULTURAL STUDIES,AND CRITICAL THEORY AFTER POSTMODERNISM. First ed. PALGRAVE MACMILLAN., 2010.Print.
7. ed.Sarkar, Sumita., and Manjari Srivatava.GLOBALIZATION AND GENDER. Rajawat Publications, 2011.Print.
8. Storey,John. *Inventing Popular culture From Folklore to Globalization.* Blackwell Publishing Ltd., 2003.Print.

# Demonitization & India

✍ **Indrani devi**
*Deptt. of economics*

Demonitization is the act of stripping currency unit of its status as legal tender.

In India, demonitization is not new. Rs.1000.00 and higher denomination notes were first demonitized in january, 1946 and again in 1978.

The highest demonitization note ever printed by the RBI was the Rs.10,000 notes in 1938 and again in 1954. But these notes were demonitized in january 1946 and again in 1978 according to RBI data.

Higher denomination notes 10,000, 5000, and 1000, were reintroduced in 1954 and all of them were demonitisd in january 1978.

Rs. 1000 notes made a comeback in November 2000. Rs 500 notes came into circulation in October 1987. The move was them justified to contain the volume of banknotes in circulation due to inflation.

However, this is the first time that Rs.2000 currency note is being introduced in india.

**PRESENT DEMONITIZATTION**

On November 8,2016, Indian prime Minister surprised the country with an annauncement banning 500 and 1000 rupee notes in a bid to tackle carruption and terrorism.

The demanitized note Rs. 500 and Rs. 1000 - constitute 85 percent of all Indian currency . These notes are central to routine , everyday cash transacticen. This sudden ban instanlly meant that 85% of all the cash in circulation in India was not longer considered legal tender which means business could refuses to accept these as a from of Payment .

Union finance minister Arun Jaitely said demonitisation "would lead to an inrease in direct and indirect tax collection. Bank deposits will increase, and there will be signifi cant fiscal advantage for states and the centre".

This decision of the Govt has come as a blow to terrorist group,especially cross-border ones,all of whom depend on illicit currency to finance their activiteis in this country.

Since rural households will have to open bank account to deposit old notes, Government schemes for financial inclusion may see better results.

Rising reality prices will lead to more government revenue in the farm of stamp duty and taxes on capital gains. at present there is an increase in tax evasion, by under-reporting of property prices. In effect, tax is only paid on the reported price the " Official" sale price what is usually for lower than the actual amount changing hands.The balance is paid in cash, which is neither reported nor taxed. However the government's decision is expected to significantcly curtail such practies.

India's gold market which is one of the leading gold markets in the world is also a significant contributor to the shadow economy- black money holders are known to invest in billion and jewellery to convert their black money, offering sellers the option of keeping unaccounted wealth by under reporting the sale price.

But the real impact of demonitizaton will take some time to become clear both the positive effect and the negative impact.

One area of concern is how this move will





impact economic growth in India in the current year and during 1917-18.

The another impact will be on small buisness and informal sector. The informal sectors employs around 80 persent of the Indian labour force and accounts for 40% of the gross domestic product. This has been a cash economy for a long time and continues to be so in spite of the opening of bank accounts.

But the new drive will encourage poor people to start banking practies. white the jan dhan pragramme created the feasibity of opening bank accounts for the poor, the use pf bank accaunts by the poor needed a behaviaural change in than and this change has been induced by this initiative. these are the same people who accepted prepaid phone payment and have taken to paytime. so to think that they will not be able to handle banking because of illiteracy is not true.

More people with bank accounts create a platfrom for the move towards a cashless economy and it is always more difficult to be corrupt in a cashless economy for transactions in such economies. tend to leave behind a digital trail.But all the poor peaple who are being induced to practice banking must also have the non-cash instruments will them like credit or debit card.and instruments to use these cards must be available in sufficient amount in rural areas.

But the introduction of new 2,000 rupee note, which the goverment announced along with the demonitization drive will make it easier to store black money and finally, the poor people will have to go through a lot of pain to convert their notes into new ones.

But whatever may be the good or the bad effect of demonitization, the immediate effect is seen only on the poor and the middle class people. It is only these people who have been queing up to deposite or collect money in the bank. This time cost and lost of production for the entire nation have been enormouse.

This loss must be compensated by the Govt. in the long run and it bacause of this faith that general people are preparing to face all hardship to implement this drive. People will closely watch what Govt. is actually doing and what their leaders are doing. In 1978 the Janata goverment under Moraji Desai had also dimonitised high demonitization notes but the action had failed to achieve its goal and objectives.

**Refference :**

1. THE PAPER TRAIL- By Damayanti Datta, India today, November, 2016 Issue.
2. INCLUSIVE BANKING- Shubhashis Gangopadhyay, The telegraph, 21,Nov.2016

# The Global Hunger Index (GHI) & Indian Sceanio

✍ Dr. Nibedita Devi

The global hunger index is an estimate of malnutrition that takes into account such factors as the proportion of the undernourished in the population, the number of stunted and wasted children under the age of five and infant mortality in the same age bracket. India occupies a lowly position of 97 among 118 developing nations. It has been observed that fifteen percent of the Indian population takes access to nutrious food, while the proportion of wasted and stunted children an indicator of acute and caronic under nutrition under the age of five are 15 and 39 percent respectively.

The global hunger Index 2016, is an assesment by the international food policy research Institute (IFPRI) has placed India behind Bangaladesh, Nigeria and Rwanda and just ahead of North Korea in measures of hunger among their population, It has been estimated that proportion of undernourished population is 15.2 percent, Preaevalence of stuning in children under 5 is 38.7 percent and prevalence of wasting in children under 5 is 15.1 percent. India was ranked 83 in 2000 & 97 in 2016 shows a very slow diminishing rate as a less developed country. India must put more effort to meet due hunger and starvation. The "Rich people are becoming richer and poor are becoming poorer concept is at present seems to be abolish as prime minister Narendra Modi surprisingly adopted the policy of demonitization in Nov 8 ,2016. A hunger mouth cannot think for other aspects of human needs. It is the biggest curse for them.

The GHI was adopted and further devoloped by the international food policy Reseach institute and was published in 2006 with the welthungerhilfe, a German non profit organization (NPO). Thus GHI is a multidimensional statistical tool used to describe state of countries hunger situtation. It measures progreces and failures in the global fight against hunger. The GHI is updated once a year.

Althought India runs two of the world biggest children's nutrition programes, the ICDS for children under 6 years and the mid day meal programe for school going kids up to the age of 14, malnutrition is still continues the causes behind this hunger pain in this subcontinent are unemployment, poverty (Absolute) lack of proper sanition non availabilies of safe drinking water of lack of effective healthcare etc.

countries with serious ( GHI between 34.4 & 20%) hunger situation rank are the following

Afghanistan 34.89 Timor-Leste 34.310 Niger 33.711 Pakistan 33.412 Ethiopia 33.413 Angola 32.814 Djibouti 32. 715 Mozambique 31. 716 Namibia 31.417 Burkina faso 3118 Liberia 30.719 Tajikistan 3020 Zimbabwe 28.821 North Korea 28.622 India 28. 527 Tanzania 28.424 Guinea 28.125 Laos 28.126 Mali 28.127 Guinea-Bissau 27.428 Rwanda 27. 429 Bangladesh 27.130 Malawi 26.931 Congo 26.632 Uganda 26.433 Coted' Ivoire 25.734 Sri Lanka 25.535 Nigeria 25.536 Swaziland 24.237 Benin 23.238 Botswana 23.39 Cameroon 22.940 Lesetho 22.741 Togo 22.442 Mauritania 22.143 Iraq 2244 Myanmar 2245 Indonesia 21.946 Kenya 21.947 Nepal 21.948 Combodia 21.749 Gambia 20.950 Guatemala20.7

Source: www.wikipedia.org

Poverty in India is a major problem nodoubt but hunger quite a different phenomeneen. It resulted in number of alarming situation in a country like suicide, Terrorism and other crime. countries worse than India include extremly poor African countries such as Niger, chad, ethiopia & Sierra Leone besides Afganistan and pakistan. The other neighbouring countries like Sri Lanka, Bangladesh, Nepal & china are all ranked above india.

Out of the 131 countries studied so for data was available for 118 countries. This year for the frist time, two measures of child hunger wasting and stunting have been used to give a more complete picture. Wasting means to law weight in relation to child's height, rejecting acute undernutrition. stunting refers to the deficiency in height in relation to age. As it is a global issue due the organization like IFPRI, WHO, UNICEF should bee more awaae & offer much more positive steps towards the imporvement of starvation problem in India. Formtation of effective policies for this serious phenomenon is necessery. Employment opportunity, Aware people for climate change ,release govt fund to underdevoloped region, tackle the problem of flood, draught, land slide, erosion , food poisoning rail road accident increase literacy & proper health facilities is all remote areas may control the malnutrition problem either directly or indirectly & stop Hunger death in the country. ❑

Reference :
(1) " The telegraph" 14th oct.2016
(2) www.wikipedia.org

■ ■ ■

## মহৎলোকৰ বাণী

- জীৱনত কেতিয়াও পৰাজিত নোহোৱাটো গৌৰৱৰ বিষয় নহয়, গৌৰৱৰ বিষয় কোনো পৰাজয়তে হাৰ নামানি আগবাঢ়ি যোৱাটো।
  — জৱহৰলাল নেহৰু
- একমাত্ৰ সেইজন মানুহেই প্ৰকৃত মানুহ- যিজনে মানুহৰ বাহিৰেও আন সকলো প্ৰাণীৰ প্ৰতি কৰুণা অনুভৱ কৰে।
  — বুদ্ধ
- ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰা তোমাৰ শক্তিক।
  — বি.আৰ. আম্বেদকাৰ

## ভ্ৰমণ কাহিনী ঃ

# নাচিকৰ কুম্ভমেলা

✍ নিৰ্মল শৰ্মা
*কাৰ্যালয় সহায়ক*

'সিংহ ৰাশিং গতে সূৰ্য্যো সিংহ ৰাশ্যাং বৃহস্পতৌ ।
গোদাবৰ্য্যাং ভবেৎ কুম্ভো জায়তে খলুমুৰ্ক্তিদ ঃ ।।'

অৰ্থাৎ সিংহ ৰাশিত বৃহস্পতি আৰু সূৰ্য্যৰ অৱস্থান কালত গোদৱৰীত মুক্তিপদ পূৰ্ণকুম্ভ যোগ হয় ।

পৃথিবীৰ ভিতৰত জনগণৰ সমাহাৰ হোৱা ধৰ্মীয় অনুষ্ঠান হ'ল পূণ্য ভূমি ভাৰতবৰ্ষৰ চাৰিটা স্থানত হোৱা কুম্ভমেলা বা অমৃতকুম্ভ ।২০১৫ চনৰ আগষ্ট মাহত নাচিকত হোৱা কুম্ভমেলা চোৱাৰ বাবে মোৰ পৰিয়ালটি গৈছিলো ।গুৱাহাটীৰ পৰা ১২ তাৰিখে যাত্ৰা কৰি ১৩ তাৰিখে গৰীৱৰথ যোগে কলিকতা পাইছিলো আৰু ১৪ তাৰিখে ডুৰন্ট এক্সপ্ৰেছ যোগে যাত্ৰা কৰি ১৫ আগষ্টত মুম্বাই পাইছিলো। হোটেলত গা-পা ধুই আহাৰ কৰাৰ পিচত 'গেটৱে অফ ইন্দিয়া' চাবলৈ গৈছিলো ।স্বাধীনতা দিৱসৰ বাবে বৰ ধুনীয়াকৈ সজাইছিল বাবে চাই বৰ ভাল পাইছিলো। তাৰ পৰা এলিফেন্টালৈ গৈছিলো আৰু ১২শ শতিকাৰ বিশাল ভাস্কৰ্য্য সমূহ দেখি নয়ন সাৰ্থক হৈছিল।পিচদিনা 'মুম্বাই দৰ্শন' কৰি গোটেই মুম্বাইৰ ৩৬খন বিশেষ ঠাই চাইছিলো। ১৭ আগষ্টৰ ৰাতিপুৱা আমাৰ মুখ্য উদ্দেশ্য নাচিকলৈ ট্ৰেইনেৰে যাত্ৰা কৰিছিলো ।নাচিক ৰ'ডত নামি ওচৰতে থকাৰ ব্যৱস্থা কৰিছিলো। দুপৰীয়াৰ আহাৰ কৰি অলপ জিৰণী লৈ কুম্ভমেলাৰ স্নানৰ বাবে ওলাই আহি এজন দেখাই শুনাই বৰ ভাল লগা মানুহৰ সন্মুখীন হলো ।তেখেতে নিজে মাত দি শুধিলে যে আমি নাচিকত স্নানৰ বাবে ওলাইছো নেকি ? মই হয় বুলি কোৱাত তেখেতে নিজে ক'লে যে তেখেতৰ নিজৰ এখন টেক্সী আছে আৰু চলায়ো নিজেই। গতিকে আমি যদি নাচিক আৰু পঞ্চৱতীলৈ যাওঁ তেনেহলে গোটেইখিনি সম্পূৰ্ণ কৰি ঘূৰাই আনি থব, লগতে দিনত যথেষ্ট ভাৰা পাইছে সেয়ে আমাক দিনতকৈ কম ভাৰাতে যাত্ৰাটো কৰাই দিব। মানুহজনৰ কথাত ভদ্ৰতা দেখি না নকৰি যাত্ৰা আৰম্ভ কৰিলো।মানুহজনৰ নাম গনেশ কদম।যাত্ৰাৰ আৰম্ভণীৰ পৰাই এফালৰ পৰা ঠাইবোৰ নিৰ্দেশ কৰি বৰ্ণনা দি গ'ল।তাৰ মাজতে ক'লে আপোনালোক প্ৰথমতে পঞ্চৱতীলৈ বলক তাৰ পিছত নাচিক চাই স্নান কৰি খোৱা-লোৱা কৰিব আৰু মই আনি থৈ যাম। তেখেতৰ কথাত হয়ভৰ দি বিভিন্ন কথা পাতি গৈ থাকোতে ৰাস্তাৰ দাঁতিত থকা হনুমানৰ মূৰ্ত্তিটো দেখুৱাই ক'লে যে এই হনুমান দৰ্শন কৰিলেই ৰামৰ অনুগ্ৰহ লাভ হয়। দৰ্শন কৰি সেৱা জনাই পুনৰ যাত্ৰা আৰম্ভ কৰিলো।

এইবাৰ পঞ্চৱতী দৰ্শনৰ বাবে আগবাঢ়ি গৈ আছো - দেখিলো ৰাস্তাবোৰ খেক হৈ পৰিছে যদিও বেচ নিয়াৰিকৈ ৰখাৰ যত্ন কৰিছে। ফুল ৰাস্তাবোৰৰ দুয়োকাষে ফুলি আছে। এঙ্কা বেকা থেক ৰাস্তাৰে আগুৱাই গৈ বৰ ভাল লাগিছিল। গাড়ীখন এখন পাৰ্কিঙত ৰাখি কদমে জোতা-চেণ্ডেলবোৰ গাড়ীৰ ভিতৰতে থৈ যোৱাৰ পৰামৰ্শ দিলে। লগতে পঞ্চৱতীৰ চাবলগীয়াবোৰ নিৰ্দেশ কৰি আমাক আগবঢ়াই দিলে। ৰাম, সীতা আৰু লক্ষ্মণৰ বনবাসৰ সময়ত পঞ্চৱতী বনত জুপুৰী (পৰ্ণকুটীৰ)ত বাসকৰা কিতাপত পঢ়িছিলো। সেই পঞ্চৱতীত পদাৰ্পন কৰি মন পুলকিত হৈ উঠিছিল।প্ৰথমতে লক্ষ্মণে সদায় পূজা কৰা গনেশ মন্দিৰ দৰ্শন কৰিলো। দেখাতেই মন্দিৰৰ বিগ্ৰহ যে অতি পুৰণি সেয়া অনুমান কৰিবলৈ কোনো টান কথা নহয়। বৰ্তমান তাৰ ওচৰতে ডাঙৰ গনেশৰ মূৰ্ত্তি এটা নিৰ্মান কৰিছে। তাতো সেৱা জনালো।ইয়াৰ পিচত লক্ষ্মণে শূৰ্পনখাৰ নাক কটা দৃশ্য মূৰ্ত্তি আকাৰে সজাই ৰখা দেখিলো - যি ঠাইত লক্ষ্মণে শূৰ্পনখাৰ নাক কাটিছিল সেই ঠাইত।দৃশ্যটো বৰ স্মৰণীয় আৰু আকৰ্ষণীয় হৈছে। আমি পঢ়ামতে সকলো কিতাপ পত্ৰত ৰাম, লক্ষ্মণ আৰু সীতাই পৰ্ণকুটীৰ সাজি পঞ্চৱতী বনত বাস কৰিছিল। কিন্তু ইয়াত দৰ্শন কৰাৰ পিচত সেই ভ্ৰান্তি দুৰ হ'ল যে লক্ষ্মণ প্ৰায় এক ফাৰ্লং মান দূৰৈতহে পৃথকে থাকিছিল। ইয়াৰ পিছত ৰাম, সীতা বাস কৰা পৰ্ণকুটীৰ চাবলৈ আগবাঢ়িলো। মনত অদম্য উৎসাহলৈ ৰামায়ন বৰ্ণিত ৰাম সীতাৰ বনবাস খটা ঠাইখিনি চোৱাৰ বাবে লাহে লাহে আগবাঢ়ি গৈ দেখিলো - সেই বিখ্যাত পৰ্ণকুটীৰটো। সন্মুখৰ দোকানৰ পৰা প্ৰসাদ লৈ পৰ্ণকুটীৰৰ মুখত থিয় হৈ সভক্তিৰে সেৱা জনাই দৰ্শন কৰি দেখিলো প্ৰায় দহ ফুট মান জোখৰ দুটা কোঠাযুক্ত ঘৰটো, য'ত ৰাম সীতা থাকিছিল। এতিয়াও ঘৰটো এটা পৰ্ণকুটীৰেই কৰি তাৰ ভিতৰত ৰাম লক্ষ্মণ আৰু সীতাৰ মূৰ্ত্তী ৰাখি এটা মন্দিৰ ৰূপে ব্যৱহাৰ কৰিছে। দৰ্শন কৰি সেৱা জনাই ওলাই আহিলো পুৰোহিতৰ আশিষ শিৰতলৈ। সন্মুখত এডাল বেল গছ আৰু বেলেগ বেলেগ ফুলি থকা ফুলবোৰে পৰিবেশটোত ধাৰ্মীক ভাবটো ফুটি উঠিছে। বৰ ধুনীয়াকৈ আৰু পৰিস্কাৰ তথা পৰিপাতিকৈ সজাই ৰাখিছে। সন্মুখৰ পৰা আৰু এবাৰ সেৱা জনাই এক ধৰ্মীয় ভাৱেৰে তাৰ পৰা ওলাই আহিলো। তাৰ পিছত গোদাবড়ী নদীৰ পাৰত উপস্থিত হৈ দেখিলো কি যে নয়নাভিৰাম দৃশ্য। এতিয়াও যদি ইমান ভাল লগা পৰিৱেশ, তেনেহলে ত্ৰেতা যুগত ৰামে সেই ঠাইখিনি কিয় বাচনি নকৰিব? কাৰণ সেই সময়ত নিশ্চয় ৰাম সীতাৰ মনমুহি পেলাইছিল ইয়াৰ সৌন্দৰ্য্য আৰু পৰিৱেশে ।অতি আনন্দমনেৰে ঐতিহ্য মণ্ডিত পঞ্চৱতী দৰ্শন শেষ কৰি তাৰ পৰা ঘুৰি আহিলো ।

এইবাৰ আমাৰ মুখ্য উদ্দেশ্য নাচিকৰ গোদাবড়ী নদীৰ পাৰত যিঠাইত কুম্ভমেলাৰ স্নান হয়। গনেশ কদমে আমাক এডোখৰ বিশেষ ঠাইত নমাই দি ঠাইখিনিৰ বিৱৰণ আৰু নিৰ্দেশ কৰি আমাক যাবলৈ দিলে। একালৰ পৰা গনেশ মন্দিৰ, দূৰ্গা মন্দিৰ, শিৱ মন্দিৰ আদি দৰ্শন কৰি গৈ থাকিলো। স্নান ঘাটৰ একেবাৰে মুৰত এটা হনুমান মন্দিৰ আৰু তাৰ কাষতে এটা মন্দিৰ পালো। এই মন্দিৰটো হেনো গোদাবৰী ভাগীৰথী মন্দিৰ। ইয়াৰ বিশেষত্ব হ'ল এয়ে যে এই মন্দিৰটো কুম্ভমেলা উপলক্ষে প্ৰতি বাৰ বছৰৰ মুৰত কুম্ভমেলাৰ সময় খিনিৰ বাবেহে খোলে। দৰ্শনাৰ্থী সকলে বাকী সময়ত আহিলে এই মন্দিৰৰ বিগ্ৰহ দৰ্শন কৰিব নোৱাৰে ।এনেকুৱা মন্দিৰ এটা দৰ্শন কৰিবলৈ পাই বৰ ভাল লাগিল। ভাব হৈছিল যে পৃথিৱীৰ এইটো বোধহয় একমাত্ৰ মন্দিৰ হ'ব যাক বাৰ বছৰৰ মূৰে মূৰেহে দৰ্শন লাভ হয়।

ইয়াৰ পিচত শিৱ মন্দিৰ দৰ্শন কৰিলো আৰু তাৰ পৰা ওলাই কুম্ভমেলা উপলক্ষে সজা ৰেঁৱৰীখন (পাল্কী) দেখিলো। তাৰ পিছত গোদাবড়ী নদীৰ আৰতি চালো ।তাৰ পিছত স্নানৰ সময় হোৱাত যথাৰীতি নদীত ফুল-দীপ প্ৰদানৰ পিচত ঘাটত স্নান কৰিলো।ইয়াত মানস অনুযায়ী ডুবকী লগাই ।মৰো নিজৰ পৰিয়ালৰ লগতে আত্মীয় কুটুম্ব, বন্ধু-বান্ধৱ, সহকৰ্মী, শুভাকাংক্ষী আৰু অঞ্চলবাসী আটাইৰে বাবে মুঠ ৭ বাৰ ডুবকী লগাই মনত এক প্ৰশান্তিৰ ভাৱ লৈ উঠি আহিলো। তাৰ পিছত ঠাইখন ঘুৰি পকি চাই উভতি আহিলো। মনটো সন্তুষ্টিৰে ভৰি পৰিছিল ।

পিছদিনা বড়া গনেশ চাবলৈ ৰাতিপুৱা অটো এখনেৰে যাত্ৰা কৰিলো। দহমান বজাত ঠাইখন পালো। প্ৰসাদ চাকি ধূপ লৈ ভিতৰত প্ৰৱেশ কৰি সুন্দৰ ফুলনীৰ মাজত এটা শুভ্ৰ বগা গনেশৰ বিশাল মূৰ্ত্তি দেখিবলৈ পালো। মূৰ্ত্তিটোৰ মুখ চাৰিখন, ওখ ২৮ ফুট।ভাৰতবৰ্ষৰ ভিতৰত ডাঙৰ গনেশৰ মূৰ্ত্তি। ভক্তিত মূৰ দোৱাই পৰিছিল। প্ৰসাদ, ধূপ আদি আগবঢ়াই সেৱা জনালো আৰু নিৰ্বিঘ্নে ৰখাৰ বাবে প্ৰাৰ্থনা জনালোঁ।এইজনা গনেশক নৱগ্ৰহ গনেশ বুলিও জনা যায়।ইয়াৰ পৰা ওলাই গৈ যি দেখিলো সেয়া কল্পনাৰো অতীত। ৩x৩ হিচাপে মুঠ নটা গ্ৰহৰ নটা পৃথক মন্দিৰ দেখিলো।গ্ৰহবোৰৰ ৰং হিচাপে মন্দিৰবোৰৰ ৰং কৰা বাবে বৰ আকৰ্ষণীয় হৈছে। পথেৰে দৰ্শন নিৰ্দেশ কৰা আছে যে আদিৰ পৰা কোন মন্দিৰ দৰ্শন কৰিব লাগে আৰু অন্তলৈ কোন কোন গ্ৰহৰ মন্দিৰ।আকৌ প্ৰতিটো গ্ৰহৰ প্ৰণাম মন্ত্ৰ, কোন ৰাশিৰ অধিপতি, কিমানবাৰ প্ৰদক্ষিণ কৰিব লাগে ইত্যাদি। মন্দিৰবোৰ দহ ফুট দীঘলে বহলে আৰু ২১ ফুটকৈ ওখ। সোমাজত ইন্দ্ৰ, দুৰ্গা আৰু বিষ্ণুৰ মন্দিৰ আছে। দৰ্শন কৰি নিজকে ধন্য মানি ওলাই আহিলো।আহোঁতে পুনৰ আৰুনো ক'ত দৰ্শন হ'ব সেই ভাবি সকলোৰে মঙ্গল কামনা কৰি নৱগ্ৰহ আৰু গনেশক প্ৰণাম জনাই গুছি আহিলো ।

মানুহে দেখি-পঢ়ি আৰু শুনি শিকে। সেয়ে ভ্ৰমনৰ জৰিয়তে এনেবোৰ ঠাই দৰ্শন কৰি বিভিন্ন জ্ঞান অৰ্জন কৰাৰ বাবে আহ্বান জনালো। ❑

■ ■ ■

### জানানে ?

➢ পৃথিৱীৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানীসকলৰ ভিতৰত কোন অন্যতম।

উত্তৰ ঃ এলবাৰ্ট আইনষ্টাইন।

➢ দুবাৰকৈ ন'বেল বঁটা পোৱা গৌৰৱ অৰ্জন কৰা মহিলাগৰাকী কোন ?

উত্তৰ ঃ মেডাম কুৰী।

➢ ইংৰাজী ভাষাৰ প্ৰাচীনতম মহাকাব্য কি ?

উত্তৰ ঃ বেউলফ।

# সূৰ্য পাহাৰত এভুমুকি

✍ জুৰি কলিতা
*স্নাতক, ৫ম ষাণ্মাসিক*

পুহ মাহৰ ঠেঁতুৰা ধৰা জাৰত কঁপি কঁপি ৰাতিপুৱা ৪.৩০ বজাতেই শুৱা পাটিৰ পৰা উঠিছিলোঁ। মনত এক নতুন হেঁপাহ আৰু এক প্ৰচণ্ড উত্তেজনা। মনত আনন্দ আৰু স্ফুৰ্তিৰ জোৱাৰে যি খলকনি তুলিছিল ভাষাৰে তাক ব্যক্ত কৰিব নোৱাৰি। মোৰ বাবে এয়া আছিল কলেজীয়া জীৱনৰ প্ৰথমটো অভিজ্ঞতা । মোৰ সহপাঠি আৰু চাৰ- বাইদেউৰ লগত শ্ৰীশ্ৰীসূৰ্য পাহাৰ চাবলৈ গৈছিলোঁ।

২০-১২-১৬ ইং তাৰিখে ৰাতিপুৱা প্ৰায় ৭.৪৫ বজাত আমি সকলোবোৰ কলেজ প্ৰাংগণত একগোট হৈছিলোঁ আৰু প্ৰায় ৭.৫০ বজাত যাত্ৰা স্থলী অভিমুখে ৰাওনা হৈছিলোঁ । সকলোৰে মুখত ফুটি উঠিছিল হাঁহিৰ জিলিকনি। বাছ চলিব ধৰাৰ অলপ পিছতেই আমাৰ নাচ গান আৰম্ভ হৈছিল, আনকি ছাৰ হ'তো পিছ পৰি থকা নাছিল। নাচৰ মাজে মাজে ফটো চেলফি উঠা সেইবোৰতো আছেই। নাচত ইমানেই মচগুল আছিলো যে নিজেই নিজক পাহৰি গৈছিলো ।সূৰ্য পাহাৰ গৈ পোৱালৈকে সকলোৱে স্ফুৰ্তি কৰিয়ে গৈ আছিলো। মাজে- মাজে ঠাইবোৰ গাঁৱলীয়া আছিল যদিও ৰাস্তাবোৰ পৰিষ্কাৰ আৰু আহল-বহল আছিল। অৱশ্যে কোনোবা ঠিনিত অলপ ৰাস্তা বেয়া আছিল।সূৰ্য পাহাৰ পাবলৈ অলপ বাকি থাকোতে গাড়ীৰ পৰা নামি দলং এখন পাৰ হওঁতে আমাৰ ঘৰলৈ যোৱা ভগা দলংখনৰ কথা মনত পৰিছিল। প্ৰায় ১১ বজাত আমি সূৰ্য পাহাৰ গৈ পাইছিলো আৰু এডোখৰ নিৰ্দিষ্ট ঠাইত সকলোৱে বৈছিলো। সকলো মিলি জুলি ৰন্ধা- বঢ়াৰযোগাৰ কৰি চাহ খাই ফুৰিব গৈছিলো প্ৰথমতে সকলোৱে সূৰ্য মন্দিৰলৈ গৈছিলো। মন্দিৰটো দেখিবলৈ এটা দৌলৰ নিছিনা আছিল। মন্দিৰটোৰ ভিতৰত শিলত খদিত এটি সৰু মূৰ্তি আছিল আৰু তাতেই সকলোৱে বন্তি জ্বলাই সেৱা কৰিছিল। গোৱালপাৰাত অৱস্থিত এই সূৰ্য মন্দিৰটো অসমৰ ভিতৰতেই অন্যতম আৰু উল্লেখযোগ্য মন্দিৰ। সূৰ্য মন্দিৰত মূৰ দোৱাই পোনে পোনে আমি আকাশী গংগা মন্দিৰলৈ গৈছিলো। আকাশী গংগা মন্দিৰটো শিলত কটা এটা গুহাৰ ভিতৰত আছিল। দেখাত আচহুৱা ধৰণৰ আছিল যদিও ভালেই লাগিছিল। উত্তৰ-পূৱৰ ইশোৰা খ্যাত শ্ৰীশ্ৰীসূৰ্য পাহাৰ মহাপীঠ খনক সনাতন, হিন্দু, বৌদ্ধ আৰু জৈন এক পবিত্ৰ মিলনৰ ক্ষেত্ৰ বুলি কোৱা হয়। এই ধৰ্মৰ সমন্বয়ৰ গঢ় লৈ উঠা উত্তৰ-পূৱৰ ইশোৰা খ্যাত এই মহাপীঠ স্থান খনিত আকাশী গংগাৰ পবিত্ৰ জলধাৰাই আধ্যাত্মিক ভাৱে মহিয়ম কৰি ৰাখিছে। আকাশী গংগা মন্দিৰৰ শিলেৰে আবৃত চৌপাশৰ দৃশ্যটো অতি মনোমোহা আছিল।

তাৰ পৰা আহি আমি বৌদ্ধ স্তুপ আৰু শিৱ লিংগ সমূহ চাবলৈ গৈছিলো। সৰু-ডাঙৰ বিভিন্ন ধৰণৰ স্তুপ আৰু লিংগ দেখিবলৈ পাইছিলো। প্ৰবাদ মতে এক লাখৰ এটি শিৱ লিংগ কম থকা বাবে এই পীঠ স্থান খনিক দ্বিতীয় কাশী ধাম বুলি কোৱা হয়। তাৰ ওচৰতে পাহাৰৰ ওপৰৰ পৰা বৈ আছিল জিৰি-জিৰিকৈ এটি নিজৰা ।প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ সূৰ্য পাহাৰৰ এই নান্দনিক দৃশ্যই যেন ইয়াৰ সৌন্দৰ্য দুগুনে চৰাইছিল।

তাৰ পৰা আহি আমি পুৰণি অট্টালিকাৰ ভগ্নাৱশেষ আৰু পুৰণি ইটা কিছুমান পৰ্যবেক্ষণ কৰিছিলো। তাৰ পৰা উভতি আমি অন্য এটি পথেৰে হনুমান মন্দিৰলৈ গৈছিলো। লগতে দূৰৰ পৰা শিৱ মন্দিৰ, শিৱ ধ্বনি গৃহ, বিষ্ণু যজ্ঞ গৃহ আদিও প্ৰত্যক্ষ কৰিছিলো। হনুমান মন্দিৰৰ পৰা উভতি আহোঁতে দেখা বান্দৰৰ জাকটো খুব মৰমলগা আছিল।

তাৰ পিছত সকলোৱে মেলাত সোমাইছিলো আৰু তাৰ পৰা আমাৰ এই ভ্ৰমণৰ চিন স্বৰূপে কিবা এটা সকলোৱে লৈছিলো আৰু তাৰ পৰা আহি নিৰ্দিষ্ট ঠাই ডোখৰত উপস্থিত হৈছিলো।

ভাত হবলৈ কিছু বাকী আছিল, সেই চেগতে ছাৰ-বাইদেউ হঁতৰ লগত সকলোৱে এপাক নাচিলো। ছাৰ বাইদেউ হঁতো ইমানেই আনন্দত বিভোৰ হৈছিল যে আমাৰ লগত সমনীয়াৰ দৰে নাচিছিল। ক্ষন্তেকৰ বাবে হলেও বৰ্মন চাৰ, সৰস্বতী বাইদেউ, যমুনা বাইদেউ, শেৱালি বাইদেৱে নিজৰ বয়সৰ কথা পাহৰি আমাৰ লগত সমনীয়াৰ নিচিনা হৈ পৰিছিল। অযধ্যা চাৰ, প্ৰাণজিৎ চাৰ, নিলাক্ষী বাইদেউতো কথাই নাই.... ।

সময়ৰ প্ৰতি লক্ষ্য ৰাখি আমি নাচ সামৰি খোৱা বোৱা কৰি প্ৰায় ৪.৩০ বজাত সূৰ্য পাহাৰৰ পৰা বিদায় লৈছিলো। প্ৰায় আধা ঘণ্টা সময় গাড়ীত বহি থাকি আকৌ ছোৱালী বোৰে নাচ-গান, টিএৰ বাখৰ আৰম্ভ কৰিছিল। বাইদেউহঁত ভাগৰি পৰিছিল যদিও প্ৰাণজিৎ চাৰ, অযোধ্যা চাৰ হঁতে কোনো পধ্যে ভাগৰা নাছিল ছোৱালী বোৰৰ লগত সমানে সমানে নাচিছিল ; স্ফুৰ্তি কৰিছিল। বহুতৰে টিএৰত মাত ভাঙি গৈছিল। গাড়ীত উঠাৰ পৰা নমালৈকে প্ৰত্যেকেই দিনটো আনন্দৰেই পাৰ কৰিছিলো। প্ৰায় ৭.৩০ বজাত গাড়ীৰ পৰা স্ফুৰ্তি এৰি নামিবলৈ মন নাথাকিলেও নামিছিলো। লগতে চাৰ বাইদেউৰ সহযোগত স্থাপত্য, ভাস্কৰ্য্য আৰু শিল্প কলাৰ ক্ষেত্ৰত মহিয়ান শ্ৰী শ্ৰীসূৰ্য পাহাৰ অভিমুখে কৰা যাত্ৰাৰ শেষত বহুতো অভিজ্ঞতা লৈ ৰেঙালিৰে ভৰা স্মৃতি বুকুত লৈ এই যাত্ৰাৰ সামৰণি মাৰিছিলো। ❑

# ন্যায় বিচাৰি

✍ ৰশ্মিউল চুলতানা
স্নাতক, ১ম ষান্মাসিক

কল্যানীয়ে আজি একেহৰে একেটা যন্ত্ৰণাকে ভুগি আছে। তাইৰ নিজৰ স্বামী, ল'ৰা-ছোৱালীৰ চিন্তাতকৈ নিজৰ ভায়েকৰ জীৱনৰ কথা ভাবি খাবলৈ, শুবলৈ নোৱৰা হৈছে। মুষুলধাৰে তাইৰ দুচকুৰে বাৰিষা নামি আহে প্ৰতি ক্ষণতে। ভাবি নাপায় কেনেদৰে ভায়েক দিগন্তক সমাজৰ কলুষিতাৰ পৰা পৰিত্ৰাণ কৰিব। কেনেকৈ মৰমৰ ভায়েকক নিৰ্দোষী বুলি ন্যায় দিব পাৰিব সমাজত। এই চিন্তাতে এতিয়া তাইৰ মন, মগজু ব্যস্ত। আন কিবা ভাবিবৰ আহৰিও নাই, ইচ্ছাও নাই। গাঁৱৰ মানুহবোৰে দিগন্তক দোষী কৰিছে কথাবোৰ কয়। কল্যানী বা সিহঁতৰ ঘৰৰ মানুহ বাহিৰ ওলাব নোৱাৰে কেৱল সেইবোৰ বু-বা সকলো পিনে।

কল্যাণীয়ে নিজত কৈ নিজৰ ল'ৰাতকৈ কোনো গুণে দিগন্তক কমকৈ ভাল নাপায়। দিগন্ত কল্যাণীৰ নিজৰ ভায়েক নহয় যেন পুত্ৰ হে।

আজিৰ পৰা প্ৰায় ১৫ বছৰ আগতেই কল্যাণীৰ বিয়া হৈ এঘৰলৈ আহিছিল। এজন সু-প্ৰতিষ্ঠিত স্বামী, তাইৰ দুটা মৰম লগা সন্তানে তাইৰ জীৱন পোহৰাই তুলিছিল। বিয়াৰ সময়ত মাকৰ ঘৰত এৰি আহিছিল দুটি কণ-কণ মৰম লগা ভায়েক দিগন্ত আৰু প্ৰলয়। বিয়াৰ পাছত সিহঁতলৈ মনত পৰাত কল্যাণীয়ে নিৰৱে চকুলো টুকিছিল মৰমৰ ভায়েকহঁতৰ পৰা বঞ্চিত হ'ব লগা হোৱা বাবে। সেয়ে কিজানি ভগৱানে তাইক তাইৰ ভায়েক দুটাৰ দৰে দুটা মৰম লগা সন্তান দিছিল। সিহঁত ক্ৰমে মন আৰু ধন। কল্যাণীয়ে কেতিয়াবা পাহৰি মন আৰু ধনক দিগন্ত আৰু প্ৰলয় বুলি মাতে যিহেতু বিয়াৰ সময়ত দিগন্ত আৰু প্ৰলয় ঠিক ইমান সৰু হৈ আছিল। ইয়াৰ পৰাই গ'ম পোৱা যায় যে কল্যাণীয়ে নিজৰ ভায়েকহঁতক কিমান বেছি ভাল পাইছিল আৰু এতিয়াও কিমান ভাল পায়।

কল্যাণীৰ ডাঙৰ ভায়েক দিগন্ত সৰুৰে পৰা সহজ-সৰল, লাজুক, মানৱতাবাদী, ধৰ্ম-পৰায়ণ, তেনে এজন ল'ৰাক মাক, বায়েক কল্যাণী বা ভিনিয়েকে কেনেকৈ বেয়া পাব পাৰে? সদায় এজন বাধ্য ল'ৰাৰ দৰে দিগন্ত, কাকো মুখ খুলি কথা নকয়, কাৰো অবাধ্য নহয়। সকলোৰে কথা ৰখাটোৱে যেন তাৰ কাম। দিগন্তহঁতৰ দেউতাক সৰুতে ঢুকাইছিল। খুৰাকহঁত বৰ বেছি ভাল মানুহ নহয় চকুচৰহা, স্বাৰ্থপৰ মানুহ। ঘৰৰ ডাঙৰ ল'ৰা হিচাপে দেউতাক ঢুকুৱাৰ পাছত ঘৰখনৰ দায়িত্ব তাৰ হাতততে পৰিল। সেইবাবে উচ্চ শিক্ষা ল'ব নোৱাৰি ঘৰখনৰ চিন্তাত কিবা কাম কৰাৰ মন মেলিলে। এনেদৰে এদিন সি নিজৰ ভৰিৰ ওপৰত থিয় দিব পৰা হ'ল নানা ঘাত-প্ৰতিঘাতক নেউচি।

দিগন্তৰ বাবে ঘৰখনত আশাৰ চাকি বিৰিঙি ওলাল। ঘৰ-বাৰী সকলো হ'ল সেয়েহে এতিয়া সকলোৱে আশা কৰিছে দিগন্তৰ বিয়াখন। তাক সুধাত কলে যে— ঘৰৰ মানুহৰ পচন্দ মতেই সি বিয়া কৰাব। ঘৰখনৰ কথা, বিধৱা মাকৰ কথা, কামৰ কথা ভাবোতেই কিজানি তাৰ প্ৰেমত পৰাই নহ'ল। সেইমতেই এজনী লক্ষীমি বোৱাৰী বিচৰাত লাগিল। খুৰাক এজনে চায় দিয়া এজনী ধুনীয়া ছোৱালী যথা সময়ত বিয়া পাতিলে।

ধুনীয়া মৰম লগা বোৱাৰী পায় ঘৰৰ মানুহেও গদ্ গদ্ হ'ল। কেণাটো চাগে তাতেই লাগিল বিয়াৰ প্ৰথম দিনাই তাই দিগন্তক কলে যে— মই তোমাক স্বামী হিচাপে বৰণ কৰিব নোৱাৰো। মই মোৰ দেউতাৰ কথা ৰাখিবলৈ হে এই বিয়াত সম্মতি দিছিলো। মই আন কাৰোবাক ভাল পাওঁ। মই তোমাক ভাল পাব নোৱাৰো। দিগন্তৰ ওপৰত সৰগ ভাগি পৰিল। কিমান সপোন আছিল তাৰ কিন্তু এয়া কি হৈ গ'ল। কি ভুল আছিল তাৰ? যদি আজি চঞ্চলা ধুনীয়া নহৈ সাদৰি বোৱাৰী হ'লহেঁতেন তেন্তে অন্ততঃ ঘৰখনৰ সপোনবোৰ পূৰণ হ'লহেঁতেন। এতিয়া সি কি কৰিব। সি ভাবিছিল যদি চঞ্চলাই ভালপোৱা কামবোৰ কৰো নিশ্চয় তাই মোক ভাল পাব কিন্তু তাই সলনি নহ'ল। বহুদিন সিহঁতৰ কথাবোৰ কোনেও গ'ম পোৱা নাছিল। কিন্তু সঁচা কথা যে লুকাই নাথাকে। এদিন ঘৰৰ মানুহে গ'ম পালে সকলোবোৰ ঘৰৰ মানুহে তথাপি আশা কৰিছিল তাই ভাল হ'ব, কিন্তু হিতে বিপৰীত হে হ'ল। চঞ্চলা নথকা হ'ল তাই এইখন ঘৰক নিজৰ ঘৰ, নিজৰ মানুহজনক কোনো দিনে নিজৰ বুলি ভাবিব নোৱাৰিলে। সকলো সম্পৰ্ক ইমানতে শেষ কৰি তাই মাকৰ ঘৰলৈ গুচি গ'ল। বহুত চেষ্টা কৰিও ৰাখিব নোৱাৰিলে দিগন্তই।

সি ভাগি পৰা দেখি ঘৰৰ মানুহে ভাবিলে যে নাৰীৰ দুখ নাৰীয়েহে আঁতৰাব পাৰে। সেয়েহে দিগন্তই আপত্তি কৰা স্বত্বেও তাক দ্বিতীয় বিবাহ কৰোৱালে খুব কম দিনৰ ভিতৰতে। তাইৰ নাম পাখী।

বায়েক কল্যাণীৰ প্ৰচণ্ডৰ ছোৱালী পাখী। কল্যাণীয়ে আগৰে পৰাই চিনি পায় পাখীক। বিয়াৰ পিছত হেৰোৱা সুখ ঘুৰি আহিল ঘৰখনলৈ সেয়াও যে খুব কম দিনৰ বাবে।

বিয়াৰ দুমাহমান পাছত পাখী সলনি হ'ল, উদণ্ড গুৰু-গোসাঁই মমনা হ'ল, দিগন্তক দেখিব নোৱাৰা হ'ল। দিগন্তই ব্যৱসায় সূত্ৰে বেছিদিন

বাহিৰতে থাকে। ইমান দিনৰ মুৰত ঘৰলৈ আহে অলপ সুখ বিচাৰি। কিন্তু পাখী যেন কালী মূৰ্ত্তিহে। তাইৰ উগ্ৰমূৰ্ত্তি দেখি দিগন্তই নিজকে প্ৰশ্ন কৰে মাজে মাজে কিয় এনে হ'ল মোৰ লগত? কি ভুল কৰিলো মই?

দিগন্তই ঘৰলৈ কমকৈ অহা হ'ল। আহিবনো কেনেকৈ সি জানো কাজিয়া কৰি ভাল পোৱা ল'ৰা? সিহঁতৰ সম্বন্ধটোৰ কথা ভাবি ভাবি মাকজনী আধা বলিয়া হ'ল। বায়েকৰ চকুত চকুপানীয়ে ঘৰ সাজিলে। কিয় এনে ব্যৱহাৰ কৰা হৈছে পাখীয়ে? সকলোৰে কেৱল এটাই চিন্তা পাখীৰ পৰিবৰ্তন।

সেয়াও এদিন খুব কম দিনৰ ভিতৰতে সন্ধান পোৱা গ'ল। এদিন ৰাতি পাখীৰ ৰুমত এজন ল'ৰা, ওচৰৰে ল'ৰা। অবৈধ সম্পৰ্ক সিহঁতৰ পাখীৰ বিয়াৰ পাছৰে পৰা। ল'ৰাটোৱে হেনো পাখীক নাপালে মৰিব আৰু পাখীয়ো। সেয়া এদিন ধৰা পৰিল শাহুৱেক আৰু দিগন্তৰ ভায়েক প্ৰলয়ৰ পত্নীৰ হাতত। সিদিনাৰো দিগন্ত ঘৰত নাছিল, কাম সূত্ৰে বাহিৰতে আছিল। প্ৰলয়ে গৈ দিগন্তক লৈ অহা কাৰণ দিগন্তই ভায়েকক বাৰে বাৰে সুধিছিল, আহি থাকোতে ৰাস্তাত। কিন্তু নোকোৱা কাৰণটো আহিহে বুজিব পাৰিলে।

এইবোৰ তাৰ লগত কি হৈছে দিগন্তই কান্দি উঠিল। অস্থিৰ হৈ খংৰ ভমকত কৈ পেলালে যে — মই পাখীক 'Divorce' দিম। মোৰ স্ত্ৰীয়ে মোৰ অবিহনে সুখী হ'ব পাৰিছে কি প্ৰয়োজন তাইৰ মোক মোৰেই বা তাইক? এতিয়াহে বুজিলে যে পাখীয়ে কিয় দিগন্তক বেয়া পাইছিল আৰু বেয়া ব্যৱহাৰ কৰিছিল। বাইজে বিচাৰ কৰি পাখী আৰু ল'ৰাটোৰ বিয়াৰ সিদ্ধান্ত দিলে। ল'ৰাটোৱে ঘৰৰ মানুহে সিহঁতক গ্ৰহণ নকৰিলে তথাপিও সিহঁত হয়তো বহুত সুখী হৈছে। পাখী ল'ৰাটোক লগত লৈ মাকৰ ঘৰলৈ গ'ল। ল'ৰাটোৰ মাকহঁতে আৰু আত্মীয় সকলে এতিয়া দিগন্তহঁতক দেখিলে অশ্লিল গালি গালাজ পাৰে। সিহঁতে হেনো তিৰোতাৰ ব্যাপাৰ কৰিছে। দিগন্তৰ হেনো পুৰুষত্ব নাই......। পাখীৰ ঘৰৰ মানুহেৰো একেবোৰ কথা কৈ নিষ্পাপ দিগন্তৰ বদনাম গাই ফুৰিছে। ৰাস্তা-ঘাটে।

কিন্তু দিগন্তৰ ভুল ক'ত? সি জানো বিচাৰিছিল তাৰ পত্নীয়ে আন কাৰোবাৰ লগত.....? দিগন্ত এতিয়া সৰগ পৰা কপৌ যেন হৈছে। নিৰ্দোষী দিগন্ত মানুহৰ মাজত যে এতিয়া পুৰুষত্বহীন, দুৰ্বল ল'ৰা হৈ গৈছে। এনেকুৱাই নে আমাৰ সমাজখন, সমাজৰ মানুবোৰ? দোষ কৰিছে কোনোবাই কষ্ট পাইছে পবিত্ৰ অন্তৰৰ দিগন্তই। হেৰাই গৈছে সপোনৰ সুবাস, আশা-আকাংশা। দিগন্তৰ এতিয়া একোৰে প্ৰতি মনোযোগ নাই ভাৱত বিভোৰ হৈ থাকে অনবৰতে।

এতিয়া কল্যাণীৰ এনে লাগে যেন তাইৰ বাবেই এনেবোৰ হ'বলৈ পালে। যদি তাই পাখীক পচন্দ নকৰিলে হৈ আজি হয়তো....। কিন্তু তাইয়ো বিচাৰিছিল দিগন্তৰ মুখত হেৰাই যোৱা হাঁহি ঘূৰাই আনিবলৈ। তাইৰো কিজানি সেইটোৱে ভুল হ'ল। দিগন্তৰ শুভাকাংক্ষী সকলে ভাবিলে দিগন্তক এই বদনামৰ পৰা ন্যায় দিব পাৰিব একমাত্ৰ তাৰ তৃতীয় বিবাহৰ জৰিয়তে। এই বিবাহে তাক প্ৰমাণ কৰিব পাৰিব যে সি পুৰুষত্বহীন, দুৰ্বল ল'ৰা নহয়। দিগন্ত জানো এইবাৰ বিয়া কৰাবলৈ মান্তি হ'ব? সি নিজৰ ওপৰতে বিশ্বাস হেৰাই পেলাইছে।

কল্যাণীয়ে মন থিৰ কৰিলে যে তাই যিকোনো প্ৰকাৰে সত্যপথত থাকি হেৰোৱা দিগন্তক ঘূৰাই আনিব আৰু সমাজৰ কলুষিতাৰ পৰা পৰিত্ৰাণ কৰিব। তাই পাৰিবই লাগিব। কল্যাণী আগবাঢ়িছে এতিয়া সাহসেৰে দিগন্তৰ ন্যায় বিচাৰি। ❑

■ ■ ■

## মহৎলোকৰ বাণী

- ➢ আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা। — চক্ৰেটিছ
- ➢ মানুহে তোমাক নাজানে বুলি আক্ষেপ নকৰিবা। এনেভাৱে কাম কৰি যোৱা যাতে মানুহে তোমাক জানিবৰ যোগ্য হয়। — কণফুচিয়াচ
- ➢ এজন মানুহে তেওঁৰ ভুল হৈছে বুলি স্বীকাৰ কৰিবলৈ লাজ পোৱা উচিত নহয়। কাৰণ ইয়াৰ দ্বাৰা বুজায় যে তেওঁ কালিতকৈ আজি বেচি জ্ঞানী হৈছে। — আলেকজেণ্ডাৰ পোপ






# অভিশপ্ত নিশা

✍ চন্দ্ৰাণী কলিতা
*স্নাতক, ১ম ষাণ্মাসিক*

হঠাৎ শব্দটো শুনি বিচনাতে জাঁপ মাৰি বহিলো। ভালকৈ কাণখন পাতি শব্দটোনো ক'ৰ পৰা আহিছে লক্ষ্য কৰিলো। হয়, তাৰ পৰাই আহিছে, আচলতে কিনো আছে সেই অন্ধকাৰ কোঠাটিত? আৰে, এয়াচোন শব্দটো মোৰ ফালে আগুৱাই আহিছে। ভয়ত মোৰ গোটেই গাতে জ্বৰ উঠা যেন হ'ল; হাত ভৰি গৰম। ওচৰতে খেপিয়াই নুমাও নুমাও যেন হৈ থকা লেমটো জ্বলাবলৈ ইমান চেষ্টা কৰিছো, কিন্তু হাতখনে ঢুকিয়েই নাপায় দেখোন। ইমান দূৰত থৈ লাগেনে মই লেমটো? লেমটো খেপিয়াই নাপায় পানীৰ বটলতোকে পায় একে ঢোকে শেষ কৰাৰ দৰে গোটেই পানীখিনি খাই পেলালো। নাই, আৰু নোৱাৰি? এয়া যেন শব্দ নহয়, কাৰোবাৰ হিয়া ভগা কান্দোন। কিন্তু মইতো ইয়াতে অকলেই থাকো, তেন্তে কান্দিছেনো কোনে? ক'ৰবাৰ দূৰৰ পৰা আহিছে নেকি শব্দটো? এই মাজ ৰাতিনো কোনে কান্দিব? কাৰোবাৰ বাৰু কিবা বিপদ হৈছে নেকি? হে, ভগৱান কিহে যে ভাবিব ধৰিছো, তাতকৈ উঠি গৈ পোহৰটো বঢ়াই দিলে নো কি হয়? অৱশেষত ভয় ভয়কৈ বিচনাৰ পৰা উঠি আহিবলৈ উদ্যত হ'লো। বিচনাৰ পৰা নামিচোহে মাত্ৰ এনেতে দুৱাৰ খুলি ক'ৰবাৰ পৰা বৰ বেগেৰে প্ৰকাণ্ড বতাহ এজাক সোমাই আহিল। বতাহৰ বেগত মোৰ কোঠাতোৰ বেৰৰ পৰা প্ৰতিখন কেলেণ্ডাৰে বেৰত কোবাই কোবাই আহি মজিয়াত পৰি গ'ল। বন্ধ হৈ থকা খিৰিকীখনৰ গ্লাছ ভাঙি কিছু বতাহ বাহিৰলৈ ওলাই গ'ল। মই কিছুপৰ মৃত জীৱ হৈ দৃশ্যটি দেখি থাকিলো। তেতিয়া মন কৰিলো, বাৰে বাৰে ভাঁহি আহি মোক ঠেৰেঙা কৰা সেই কান্দোনতো নাই। অকণমান সাহস মনলৈ ক'ৰবাৰ পৰা টান মাৰি আনি লেমটোৰ ওচৰ পালো যদিও, ইতিমধ্যে প্ৰচণ্ড ধুমুহাৰ উৎপাতত লেমটো নুমাই থাকিল। কোঠাটো অন্ধকাৰ হৈ পৰিল, কিমান যে ভয় আহিল ক'ব নোৱাৰাকৈয়ে। সেই ভঙা আইনাৰ খিৰিকীখনৰ ওচৰতে কাৰোবাৰ অদৃশ্য শৰীৰ এটি থিয় হৈ থকা যেন অনুভৱ হ'ল। কিমানটা যে ভগৱানৰ নাম ল'লো, মনেৰে কিয় সগজ্‌হেই ঢুকি নাপাওঁ। হে হৰি, ক'ৰবাৰ পৰা এয়াটি সোণালী ৰ'দ আনি মোক পোহৰাই তোলা, নহ'লে মই মৰি থাকিম। জুইশলা বাকচ আনিবৰ বাবে সেইটো কোঠালিলৈ যাব লাগে, কিন্তু মই যে এখোজ আগবাঢ়িবও নোৱাৰো। এতিয়ানো কিমান বাজিল, হে হৰি; কিমাননো বাকি পোহৰ হ'বলৈ? এনেকৈ ভাবি থাকোতে কিবা এটা শব্দ হ'ল। বতাহে খুলি থৈ দিয়া দুৱাৰখন কোনোবাই জপায় দিলে চাগে, নহ'লেনো কেনেকৈ বন্ধ হ'ল? মোৰ আকৌ ভয় লাগিবলৈ ধৰিলে, সঁচাকৈয়ে দুৱাৰখন বন্ধ হ'ল কেনেকৈ? কোনোবা আহিছে নেকি ভিতৰত সোমাই, নে কোনোবা ভিতৰতেই আছিল? কিন্তু কোন হ'ব পাৰে? আৰু সেই উচু পনি, কোনেনো কান্দিছিল ইমান আবেগেৰে, অসহায়ভাৱে....।



প্ৰায় কেইমাহ মান আগৰে পৰাই মোক এই শব্দটোৱে মাজৰাতি টোপনিৰ পৰা জগাই দিয়ে। প্ৰায়ে মই অন্যমনস্ক হৈ নুশুনা ভাৱেৰে মূৰত কাপোৰখন লৈ ভালকৈ শুই থাকিব বিচাৰো। কিন্তু, মোৰ অশেষ চেষ্টাত শব্দটোৱে আহি চেঁচাপানী ঢালি দি যায়। যিমানেই মই কাপোৰখন জোৰেৰে হেঁচি ধৰো, সিমানেই জোৰেৰে শব্দ হ'বলৈ ধৰে; আৰু শব্দবোৰ আহি আহি মোৰ কাণৰ ওচৰতে চিঞৰে। উপায়হীন ভাৱেৰে কাপোৰখন দলিয়াই দিওঁ আৰু শব্দবোৰ নোহোৱা হৈ যায়। এনেকৈয়ে পাৰ হয় মোৰ প্ৰতিটো নিশা উজাগৰে, কাৰোবাৰ অসহায় চিঞৰেৰে। আজিলৈ একোকে কৰিব পৰা নাই। কৰিমনো কি? ক'বলৈ যামনো কাক, বুজিব কোনে, মানিব কোনে? মানুহক মানুহে বুজিছিল, সহায় কৰিছিল এতিয়া নহয়, প্ৰায় এশ বছৰমান আগতেই।

আজি সোনকালে উঠি প্ৰথমতে ভঙা খিৰিকীৰ গ্লাছখনত কিবা কিবি কঠিন বস্তু সোমাই থ'লো। কেলেণ্ডাৰ কেইখনৰো কিছুমান ভাঙি-ছিঙি গৈছিল বাবে কিছু পেলাই দিলো, দুখন মান বেৰতে লগাই থৈ দিলো, বতাহে যাতে আকৌ সহজতে ঢুকি নাপায়। কোঠাটোত বতাহত উৰি অহা গছৰ কিছুমান শুকান আৰু সেউজীয়া কেঁচাপাত সিঁচৰিত হৈ য'তে ত'তে পৰিছিল। ভালদৰে সাৰি-মছি অনাত কিছু সময় গ'ল। তথাপিতো মোৰ বুকুৰ ধিপ্ ধিপ্‌নি এতিয়াও বন্ধ হোৱা নাই। এটাই মাত্ৰ কামনা কৰিছো গধূলি যাতে সোনকালে নহয়, কাৰণ মোৰ দৃঢ় বিশ্বাস আজি ৰাতিও মই কিবা নহয় কিবাতো দুৰ্যোগৰ সন্মুখীন হ'বই লাগিব। সেয়েহে

গধুলি; অনতি পলমে মোৰ কাষলৈ নাহিবা।

হঠাতে বান্ধনিঘৰত হোৱা এটা শব্দ শুনি দৌৰি গ'লো, কিহৰ শব্দ আকৌ; নিশা হ'লেই নেকি? নাই, ক'তো একো হোৱাৰ চিন-চাব নাই। সকলোবোৰ বস্তুৱে ঠিকে ঠাইতেই আছে। তেন্তে, মই কিহৰ শব্দ শুনা যেন পালো, মই নিজেই মিছা হ'লো নেকি? যোৱা ৰাতিৰ ভয়ানক শব্দই মোক প্ৰতিধ্বনিত কৰি তুলিলে নেকি? কিন্তু, মই এইমাত্ৰ শুনা শব্দটো মিছা হ'ব কেনেকৈ, যদি মিছাই হয় মোক বিশ্বাস কৰিব কোনে? য'ত মই নিজেই বিশ্বাস কৰিব পৰা নাই। সি যিকি নহওঁক কিয়, মইতো ইয়াতেই থাকিব লাগিব, তেন্তে মই সাহসী হোৱা উচিত। সঁচাই মই একো শব্দ শুনা নাই, যোৱাৰাতি একোৱে হোৱা নাই, কোনো দিনেই মই কোনো বিপদৰ সন্মুখীন হোৱা নাই, মই নিজেই মিছা।

লাহে লাহে গধুলি হৈ আহিল। মোৰ সদায় ওচৰত থকা দেৱী সৰস্বতীৰ ফটোখনত চাকি-ধূপ দিলো। দেৱী আইৰ চৰণত সেৱা এটি লৈ দুৱাৰখন মেলিয়ে এবাৰ পদূলিৰ কাষ পালোগৈ। মই প্ৰায়েই ইয়ালৈ আহো, আহি সুখ অকণ অনুভৱ কৰো। ইয়াৰ চৌপাশে থকা গছ-বন, ফুল আৰু ওখ-ওখ ঘৰবোৰ মোৰ অতি চিনাকি। ওচৰৰ ঘৰবোৰত থকা মানুহবোৰো চিনাকি, ইয়াত কিছুমান ভাল আৰু কিছুমান বেয়া মানুহ থাকে। সিহঁতক, মানে বেয়া মানুহবোৰক মই ঘৃণ কৰো। সিহঁত পাপিষ্ঠ, নাৰী সৰ্ববাহকাৰী। বহুতো নাৰীৰ জীৱন সিহঁতে ধ্বংস কৰিছে, এতিয়াও শুনো তাৰে কিছুমানে হেনো এতিয়াও ক'ৰবাৰ পৰা সৰু ছোৱালী ধৰি আনি বহু দূৰত বহুত টকাত বিক্ৰী কৰে। কিন্তু, কিয় কৰে, কেনেকৈ কৰে মই সেইবোৰ একো বুজি নাপাওঁ। মাথো মই সিহঁতক ঘৃণ কৰো, দেখিলেই চকুত ক্ৰোধৰ অগ্নি জ্বলি উঠে। মোৰ পদূলি মুখত থকা তগৰ ফুল জোপাৰ সুগন্ধিয়ে মোক আপোন পাহৰা কৰি তোলে মনত এক অনন্য মাদকতা অনুভৱ কৰো। ফুল জোপালৈ চাই দেখিলো ফুলজোপা একেবাৰে বগা হৈ পৰিছে। প্ৰতিটো ফুলেই যেন একো একোটা মুকুতা মণি। পোহৰ বিলায় ফুলজোপাই মোৰ পদূলি উজ্জলাই তুলিছে। মই ঘৰলৈ উভতিলো। দুৱাৰখন জপোৱা আছে দেখোন; হয়তো মুয়েই জপায় থৈ গৈছিলো। কাৰণ, অন্য কোনো প্ৰশ্নই মনত সোমাব দিব নোৱাৰো, যিহেতু মই সাহসী হ'ব শিকিবই লাগিব। দুৱাৰখন ঠেলিব খোজোতেই মই থমকি ৰ'ব লগা হ'ল, দুৱাৰখন নিজে নিজেই খোলা গ'ল। দুৱাৰখন কেনেকৈ খোলা গ'ল— প্ৰশ্নই কৰিব নোৱাৰো, মই বাধ্য ঠিকেই, দুৱাৰখনতো মুয়েই খুলিলো নহ'লে খুলিবনো কোনে? ভিতৰত সোমাই দেখিলো দেৱী আইৰ ধূপ-চাকি ইতিমধ্যে পুৰি শেষ হ'ল। মই ঠিক কৰি থোৱা মতে জুইশলা লৈ পোহৰটো জ্বলালো। লেমটোৰ ঘিনিক-ধামাক পোহৰতে কোঠাটো উজ্বল হৈ পৰিল। মই দুৱাৰখন জপাব খুজিলো, দেখিলো দুৱাৰখন বন্ধ হৈয়েই আছে। হয়তো ময়েই বন্ধ কৰিছো, পাহৰি থাকিলো। এইবাৰ পঢ়া টেবুললৈ আহি চকীখনত বহি কিতাপৰ ঠাকৰ পৰা কিতাপ এখন টান মাৰি আনি দেখিলো, মোৰ হাতলৈ অহা কিতাপখনৰ নাম 'অসমীয়া সাহিত্যত দৃষ্টিপাত' ড° হেমন্ত কুমাৰ শৰ্মাৰ কিতাপখনৰ কথা কলেজত জগন্নাথ ছাৰে কোৱা মনত পৰিল। দুপাতমান পঢ়িবলৈ মন গ'ল, কিন্তু কিতাপখন থৈ নোট বহীখন আগতে আনি ল'লো। কাৰণ, কিতাপ এখন পঢ়ি যোৱাৰ লগে লগে তাৰ তথ্যসমূহ লিখি যোৱাটো এটা ভাল অভ্যাস বুলি জাহ্নবী বাইদেৱে আমাক প্ৰায়েই কয়। সেইবাবে বহীখন আনি দেখিলো কিতাপখন ওচৰত নাই, আৰে ক'লৈ গ'ল? কোনে নিলে? নাই, ময়েই হয়তো ক'ৰবাত থ'লো। পঢ়া নহ'ল, কিতাপখন বিচাৰি নাপালো। হয়তো ময়েই ক'ৰবাত থৈ পাহৰি গ'লো। কিন্তু মোৰ দৃঢ় বিশ্বাস, কিতাপখন ওচৰত থৈ বহীতো আনিবৰ বাবে মই উঠি যাব লগা হোৱা নাই। মোৰ সন্মুখতে কিতাপখন নোহোৱা হৈ থাকিল কেনেকৈ? ইয়াৰ ৰহস্য বিচাৰিবলৈ মোৰ যে আৰু বেছি সাহস জন্ম হোৱাই নাই। কিতাপখন ময়েই ক'ৰবাত থলো হ'বলা, পাহৰি গ'লো। ইয়াৰ বাহিৰে মোৰ ভাবিব লগা অন্য নাই। মই ভাবিবই নোৱাৰো, নহ'লে যে মই মৰি থাকিম।

মাজৰাতি অসহনীয় শব্দই মোক শিহৰিত কৰি তুলিলে। আৰু জীয়াই থাকিব নোৱাৰি, মই সহিব নোৱাৰো অহৰ্নিশে হৈ থকা অসহ্য শব্দ। মই কেতিয়াও মিছা হ'ব নোৱাৰো, মই যদি মিছাই হওঁ, মই মৰি থাকিব লাগিব। মই মিছলিয়া নহয়; মই গধূলি দুৱাৰখন জপোৱা নাছিলো, মই মোৰ কিতাপখন ক'তো এৰি অহা নাই? কোনে কৰি আছে এইবোৰ...... কোনে কৰি আছে...... কোন ..... কোন? ওলাই আঁহা, মই চিঞৰি চিঞৰি মাতিছো মোক দেখা দিয়া, মই আৰু সহ্য কৰিব নোৱাৰো। কোৱা, কি লাগে? কিয় এনে কৰি আছা মোৰ লগত, মই কি কৰিছো কাক? মোক জীয়াই থাকিব নিদিয়া কিয় শান্তিত....? হঠাতে যে মুখেৰে কি ওলাই গ'ল ক'বই নোৱাৰিলো, বহুত সময় চিঞৰি থাকি বৰ ভাগৰুৱা হৈ পৰিলো। কিমান বা জোৰেৰে চিঞৰিলো ওচৰৰ মানুহবোৰে শুনা পালে নেকি? ভয় আৰু সংকোচে হেঁচা দি ধৰিলে। বিচনাখনত একেবাৰে কুচি-মুচি বহি অলপ সংযত হ'বলৈ চেষ্টা কৰিছিলোহে মাথোন, এনেতে কাৰোবাৰ কৰ্কশ চিঞৰ এটা আহি মোক ক'লে, ঠিক মোকেই ক'লনে বুজি নাপালো।

ঃ মোক মুক্তি লাগে।
ঃ কোন তুমি?
ঃ মই এজনী শুদ্ধ বণিতা।
ঃ কি হৈছিল তোমাৰ?
ঃ মোক হত্যা কৰা হৈছিল।
ঃ কেনেকৈ?
ঃ মোক মুক্তি লাগে?
ঃ মই কি কৰিব পাৰো।
ঃ মোক মুক্তি দিয়া।
ঃ ই কেনেকৈ সম্ভৱ?
ঃ তোমাৰ বাবে সকলো সম্ভৱ।
ঃ কিন্তু......!





ঃ সৌ ডায়েৰিখন পঢ়াগৈ।

.... আৰু নাই, কোনো শব্দই নাই। ঘৰটো নিমাও-মাও হৈ পৰিল। মই সেই অশৰীৰ ৰূপটো আৰু দেখা নাপালো। অভিশপ্ত নিশা পোহৰ হ'ল। ৰাতিপুৱাহে অনুভৱ কৰিলোঁ, আটাইতকৈ ভয়ানক আছিল যোৱা নিশাটি। মোৰ পঢ়া টেবুলখনত আৱিষ্কাৰ হ'ল মোৰ হেৰোৱা কিতাপখন আৰু এখন সৰু ডায়েৰী। ডায়েৰীখন মলিয়ন যেন দেখি, অৱশ্যে মলিয়ন নহয় বহু পুৰণি ডায়েৰী। কিছুমান লিখা চিহ্নও ধৰিবই নোৱাৰি মোছা গৈছে, হয়তো সময়ৰ সোঁতত হেৰাই গৈছে কিছু লিখনিৰ পাতো। ডায়েৰীখন পঢ়িবৰ মোৰ বহুত ইচ্ছা গ'ল যদিও, প্ৰথমতে নিয়মীয়া কামখিনি কৰি ল'বৰ মন গ'ল। যোৱা ৰাতিৰ প্ৰতিচ্ছবিখন দুচকুত ভাঁহি উঠিল। আহঃ কিযে ভয়ানক দৃশ্য। কেনেকৈ যে ওচৰ চাপি আহিছিল অশৰীৰি চিঞৰটো। কথাও পাতিছিল মোৰ লগত, মই হেনো মুক্তি দিব লাগে। কিন্তু, কি হৈছিল আচলতে নাৰীগৰাকীৰ? যিহকে নহওঁক কিয়, ডায়েৰীখন পঢ়িলেই গম পোৱা যাব।

মই কিবা অমূলক কামত হাত দিবলৈ ওলাইছো নেকি, নিজেই এবাৰ ভাবিলো। মোৰ মূৰতো বাৰে বাৰে আচল্লাই কৰিব ধৰিলে। অকস্মাতে মই ডায়েৰীখনত হাত দিলো। ডায়েৰীখন পঢ়িবৰ মন গৈছে যদিও এক দুৰ্বলতাই বাধা দিছে। কি যে বিস্ময়, ডেয়েৰীখন নিজে নিজে খোলা গ'ল। মই পঢ়িবই লাগিব, বাধ্য। পাঠৰ কোনোখন কিতাপ পঢ়াৰ দৰে ডায়েৰীখন মই হাতত তুলি ল'লো। প্ৰথম পাতটো লুটিয়াইয়ে হতভম্ব হ'লো, এখন ধুনীয়া প্ৰতিচ্ছবি। ক'ত বছৰে বাগৰি থাকিও অকনো ক্ষয় ক্ষতি নাই। এজনী ছোৱালীৰ প্ৰতিচ্ছবি, নাম ৰেয়জ নোনা। বয়স অনুমান১৬-১৭ মান। ছোৱালীজনীৰ জীৱনৰ বিষয়ে জানিবলৈ বৰ মন গ'ল। গুৰুত্বপূৰ্ণ কাম এটা কৰাৰ দৰে ডায়েৰীখন পঢ়ি শেষ কৰিলো। শেষ হোৱাৰ অন্তত বহুতো প্ৰশ্নই খেলি-মেলি কৰিব ধৰিলে। এইখন এখন জীৱনী। এজনী শুদ্ধ বণিতাৰ ৰক্ত জীৱনী, এগছি জ্বলন্ত চাকি।

মোৰ হেঁপাহ জন্মিল এবাৰ মৃত ৰেয়জক দেখা পাবলৈ। মোৰ আৰু ভয় নালাগে। ইতিমধ্যে ডায়েৰীখন পঢ়ি মোৰ বহুত সাহস জন্মিল আৰু ভয় আঁতৰিল। এতিয়া গভীৰ নিশা, এই অসময়খিনিতে মই শুনো শব্দৰ প্ৰতিধ্বনি, সুৰৰ ৰাগিনী, অসহায় কান্দোন। আজি মই সেই একেই শব্দ শুনিবৰ বাবে কাণ পাতি বৈ আছো মোৰ বিচনাত অকলশৰে। হয়, এয়া আৰম্ভ হ'ব ধৰিছে, সেইটো কোঠাত মৃদু-মৃদু বাজিব ধৰিছে কিহবাৰ শব্দ। হয়, মোৰ অনুমান ঠিকেই; এয়া তাৰ পৰাই আহিছে এজনী শুদ্ধ বণিতাৰ হিয়াৰ উচুপনি, য'ত কম্পিত হ'ব ধৰিছে মোৰ সৰ্বশৰীৰ। মই বিচনাতেই বৈ থাকিলো আগন্তুকৰ সঁহাৰি পাম বুলি। এয়া ধিৰে-ধিৰে উচুপনি মোৰ ফালে আগুৱাই আহি আছে, আগৰ দৰে গতি নাই। মই বিচনাৰ পৰা নামি আহিলো, মোৰ জ্ঞাত যে কোনো অশৰীৰি আত্মাই পোহৰৰ কাষ চাপিব নোৱাৰে। লেম চাকিটো নুমাই দিলো, অন্ধকাৰ হৈ পৰিল সকলো, চকুৰে একোৱে মণিব নোৱাৰি। কাৰোবাৰ হাতৰ স্পৰ্শত মই উচপ খাই উঠিলো, কিন্তু কোন বুলি মোৰ মুখেৰে নোলাল। মোৰ অনুভৱ নে সঁচাই ক'ব নোৱাৰিম। যেতিয়া মই সেই শৰীৰটো স্পৰ্শ কৰিলোঁ, সেই নিবস শৰীৰৰ পৰা কেঁচা মঙহবোৰ টোপাল টোপালকৈ সৰি পৰিব ধৰিলে। মোৰ হৃদয়ৰ পোহৰতে দেখা পালো এটি নৰকংকাল শৰীৰ, এজনী শুদ্ধ বণিতাৰ শৰীৰ। শৰীৰটোৱে মোক বুকুত সাৱটি ধৰি জোৰেৰে কান্দিব ধৰিলে। মই প্ৰায় আবেগেৰেই সুধিলো কোন তুমি? উত্তৰটো মই জীৱন্ত মৃত দেহৰ দৰে চাই থাকিলো, 'ৰেয়জ নোনা", কি অদ্ভুদ, সেই ধুনীয়া ছোৱালীজনী এইজনী কেনেকৈ হ'ব। কোনোবা কাপুৰুষে প্ৰতাৰণা কৰি নৃশংশভাৱে হত্যা কৰা নাৰী এই জনীয়েই? যাক হত্যা কৰিবৰ সময়ত গাত কেৰাচিন তেল ঢালি দিয়া হৈছিল, যিয়ে চিঞৰি চিঞৰি মৃত্যুক আঁকোৱালি লৈছিল। প্ৰেম প্ৰতাৰিত নাৰী 'ৰেয়জ নোনা'। ভাল পোৱাৰ প্ৰতিশ্ৰুতি দি মাতি অনা হৈছিল ৰেয়জক। মোৰ সেই অন্ধকাৰ কোঠাটোতেই বহুজনে বলপূৰ্বকভাৱে বহু ঘণ্টা ধৰি ৰেয়জৰ লগত দৈহিকভাৱে অত্যাচাৰ চলায়, অৱশেষত ৰেয়জক দান দিছিল অকাল মৃত্যু। কি কৰিছিল তাই সিহঁতৰ। এইখনেই সমাজ জানো, এয়াই নে মানুহৰ আত্ম পৰিচয়....?


কেতিয়া যে পোহৰ হৈছিল গমেই নাপালো। সাৰ পায়েই অনুভৱ কৰিলো মোৰ গা ভাল নহয়, জ্বৰ মূৰলৈ উঠিছে। যোৱা ৰাতিৰ ভয়াবহ ঘটনাটোৰ কোনো চিন দেখিবলৈ নাই। মাথো মোৰ মনত জ্বলি আছে ৰেয়জৰ জ্বলন্ত চাকি গছি। ৰেয়জৰ শৰীৰৰ কেঁচা মঙহৰ গোন্ধ বা যোৱা ৰাতি যে ৰেয়জৰ আগমন হৈছিল তাৰ কোনো চিন-চাব নাই। সকলো ঠিক মতে আছে, মইহে বাগৰি বিচনাৰ তলত শুই আছোগৈ। সঁচাকৈয়ে ৰেয়জৰ দৰে অন্য কোনো ছোৱালীৰ যাতে তেনে নহয়, ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। সেই অন্ধকাৰ কোঠাটোত কেবাটাও তলা লগাই উখহা বেৰবোৰৰ ফুটাবোৰত ঢাকনি দিলো। কিন্তু, প্ৰতিটো সময়তে ৰেয়জৰ ডায়েৰীখনৰ প্ৰতিটো স্মৃতিয়ে মনত পৰি আমনি দিলে। ইতিমধ্যে মই ডায়েৰীখন বন্ধ কোঠাটোত আৱদ্ধ কৰি থৈ দিলো। সেইখন মোৰ লগত ৰখাত একো আপত্তি নাই যদিও মোৰ সাহস নাই। কাৰণ ডায়েৰীখন মোৰ লগত থাকিলে কোনোবাই পঢ়ি মনত দুখ পোৱাতো মই একেবাৰেই নিবিচাৰো। সেইখনে অন্ধকাৰ কোঠাটোক জ্বলন্ত চাকি হৈ চিৰদিন পোহৰাই ৰাখক।

.... আজি প্ৰায় দুমাহে হ'ল। মই আগৰ দৰে শব্দ শুনা পোৱা নাই। মাজৰাতি ইমান মনোযোগেৰে কাণখন পাতি ৰখি থাকো তথাপি কোনো শব্দ শুনিবলৈ নাপাওঁ। হয়তো ৰেয়জৰ আত্মাই সন্তুষ্টি লাভ কৰিলে। বহু বছৰে বন্ধ কোঠাটোত আৱদ্ধ হৈ থাকি অশেষ কষ্ট পাইছিল চাগে।

ৰেয়জ, মই জানো তুমি নাৰী, তুমি মহিমাময়ী। সুদূৰ অতীতৰ এগৰাকী আশাৰ ৰেঙণি। সজীৱতা লাভ কৰা এপাহ সুগন্ধি ফুল; আৰু মই শুনা সুৰৰ ৰাগিনী। চিৰদিন মনত ৰাখিম তোমাৰ অতীতৰ কৰুণ জীৱনী। ❑

# হেৰোৱা জোনাকবোৰ

✍ কুশল কলিতা
*কাৰ্যালয় সহায়ক*



জীৱনত মই যে কেৱল পৰাজিতই হৈছো এনে নহয়। পঢ়া-শুনা, প্ৰেম-ভালপোৱা, অৰ্থৰ বাদে দুই এটা কথাত মই জয়ীও হৈছো। তাৰ এটা প্ৰমাণ মামন সম্পৰ্কত। সেই কথা বোধহয় তেওঁ আজি মানি ন'ল'ব- সেয়া নিতান্তয় স্বাভাৱিক। অৱশ্যে ছাৰ আছে আমাৰ মাজত সাক্ষী হিচাপে।

এটা সময়ত ছাৰৰ ঘৰলৈ মই প্ৰায়ে যাওঁ। বহুত কথাই তেখেতৰ সৈতে পাতা হয়। বিশেষকৈ সাহিত্য-সংস্কৃতি, দেশ-দেশান্তৰৰ পৰিঘটনা, ৰাজনীতিৰ কথা ঘণ্টাৰ পিচত ঘণ্টা অনৰ্গলভাৱে চলে আমাৰ মাজত। একমাত্ৰ এটা কথাই তেখেতৰ সৈতে কোনো দিনে পাতা নহয়। সেয়া আমাৰ উভয়ৰে ব্যক্তিগত জীৱন সম্পৰ্কত। কিন্তু সেইদিনা আচৰিত কৰি তেখেতে মোক ক'লে- মামনলৈ এজন ল'ৰা চাবাছোন কুশল। মই থতমত খালো- প্ৰধানকৈ দুটা কথাত। এটা হ'ল কোনো দিনেই ব্যক্তিগত কথা নুলিয়া ছাৰে অকস্মাৎ এনে এটা কথা উলিয়ালে কিয়? আনহাতে মামনৰ দুজন নে তিনিজন ককায়েক আছে, বিয়া হৈ যোৱা বাইদেউ আছে - ছাঁৰ দৰে ঘৰৰ কাষতে আছে ছাৰ। তেনে অৰ্থত মোক তেওঁৰ ল'ৰা চাবলৈ দিয়া কথাটো কিন্তু সৰু কথা নহয়। আনহাতে মামনটো মোৰ কোনো নহয়। তেওঁক ভালদৰে চিনিও নাপাও মই। তেওঁৰ ঘৰত কোন কোন আছে সেয়াও ভালদৰে জ্ঞাত নহয় মোৰ। আনকি পঢ়া-শুনাৰ বিষয়েও বিশেষ একো এটা নাজানো আজিলৈ। ল'ৰা এজন চাই দিবলৈ হ'লে বহুত কথাইটো জনাটো দৰকাৰ। এই ধৰক ছোৱালীজনীৰ চাল-চলন, কথা-বতৰা, ব্যৱহাৰ, পঢ়া-শুনা ইত্যাদি ইত্যাদি। ওপৰে ওপৰে মামনক মই অৱশ্যে কিছু নজনা নহয়। তেওঁৰ গাৰ বং মিঠা বৰণতকৈ কিছু কম। বেছি শকত নহয়- নিটোল স্বাস্থ্য। খোজ-কাটল হাতীৰ দৰে গহীন। মুখখন কাৰুণ্যৰে ভৰা। ডেকা ল'ৰাক আকৰ্ষণ কৰিব পৰা দৈহিক গুণ তেওঁৰ সকলোখিনিয়ে আছে। কিন্তু উপযুক্ত বয়সত বিয়া নহ'লে পৰিয়ালৰ মানুহৰ চিন্তা নোহোৱাকৈ নাথাকে। ছাৰো যিহেতু তেওঁলোকৰ পৰিয়ালৰ সুভাকাংক্ষী গতিকে তেওঁৰো উদ্বেগ নিশ্চয় থাকিব। বইনাই গাৰ ফালে টানেই।

খোলাকৈ নকলেও ছাৰে যে মামনৰ ল'ৰাজন বুলি মোকেই ইংগিত কৰিছে বুজিবলৈ মোৰ পলম নহ'ল। অৱশ্যে মামন সম্পৰ্কত মোৰ এটা সৰু আপত্তি আছে- তেওঁৰ চুলিবোৰ চুটিকৈ কটা- মানে বয়জ্ কাট। বিপৰীত লিংগৰ শাৰীৰিক পাৰ্থক্যই যি পবিত্ৰ আকৰ্ষণ উভয়ৰে বাবে, সেয়া যেন সি কিছু হ'লেও লঘু কৰিছে। ছাৰৰ পৰা বিদায় লোৱাৰ পৰত একো এটা নুবুজাৰ ভাৱত মই মাথো ইয়াকেই ক'লো। ছাৰে মুৰ দুপিয়াই সলাগিলে।

ঘৰলৈ উভতি বাটে-বাটে বহুত কথাই ভাবি আহিছো। মামনকটো মই বিয়া কৰাটো কোনোমতে সম্ভৱ নহয়। তেওঁৰ কাৰণে মই কেতিয়াও উপযুক্ত নহয়, অন্ততঃ আজিৰ বজাৰত - এই কথা মই ভালদৰে জানো। সেয়া মামন আৰু মামনৰ পৰিয়ালেও ভালকৈ জানে। কিন্তু আটাইতকৈ ডাঙৰ কথাটো হ'ল মোৰ ব্যক্তিগত কিছুমান এনে সমস্যা আছে যে এনে সময়ত বিয়াৰ কথা ভবাটোৱে মূৰ্খামি হ'ব । কিন্তু সেইবুলি ভীষ্মৰ দৰে প্ৰতিজ্ঞাও কৰা নাই এতিয়ালৈ মই। আনহাতে গুৰুক একলব্যৰ দৰে গুৰুদক্ষিণা দিয়াৰ সামৰ্থও মোৰ নাই এই মুহূৰ্ত্তত। গতিকে ঘৰলৈ আহি কাগজ, কলম লৈ মামনৰ বাবে কল্পিত স্বামী দেৱতাবোৰৰ নাম একাদিকক্ৰমে লিখি গ'লো। তাৰ ভিতৰত মোৰ বৰদেউতাৰ ল'ৰা এজনৰ নামো সংলগ্ন হ'ল। মামনৰ কথাটো তাৰ আগত উলিয়াত সি হেনো একো নক'লে। পিছত শুনিলো তাৰ হেনো পাত্ৰী ঠিক হৈ আছে। বহুত যোগ-বিয়োগ, পূৰণ-হৰণ কৰিও মামনৰ কাৰণে উপযুক্ত পাত্ৰ এটাৰ সন্ধান উলিয়াব নোৱাৰিলো। উপায় নাপাই উট চৰাইৰ দৰে মুৰ গোঁজি ছাৰৰ ঘৰলৈ কিছুদিন অহা-যোৱাটোয়ে বন্ধ কৰি দিলো।

কিছুদিনৰ ব্যৱধানৰ অন্ততঃ এদিন হঠাৎ মামনক খোজকাঢ়ি যোৱা দেখিলোঁ ৰাস্তাত। আজি তেওঁক ভালেখিনি বেলেগ দেখিছে। ভালকৈ চাই দেখাতহে গম পালো তেওঁৰ চুলিবোৰ পিচপিনে বন্ধা-চুলিখিনিও কিছু দীঘল হৈছে। ছাৰে বোধহয় তেওঁক মোৰ আপত্তিটো দাঙি ধৰিছিল। হওঁক অন্ততঃ এতিয়া তেওঁ চুলিটাৰিত ইচ্ছা অনুসৰি ফুল গুজিব পাৰিব।





আজিকিছুদিনৰ পৰা মামনক মই ঘনাই দেখা পাওঁ। এই দেখা-দেখি তেওঁৰ ইচ্ছাকৃত নে কাকতালীয় সেয়া জানিব পৰা হোৱা নাই। এনেতে এদিন মোৰ শুভাকাংক্ষী এজনে মোৰ বিষয়ে মামনে কোৱা কিবা-কিবি শুনিবলৈ তিতা লগা কিছু কথা ক'লে। কথাখিনি শুনি মোৰ মনত অলপ বেজাৰ লাগিল। অৱশ্যে সেয়া লোকক দেখাই কেতেবাই মাতিবা ভিতৰি নেৰিবা বেথাও হ'ব পাৰে। কিয়নো তেওঁ আজিকালি মই কলেজলৈ যোৱা পথটোৰে প্ৰায়ে অহা-যোৱা কৰে- যিটো আগতে হোৱা নাছিল। তাৰ অৰ্থ মই নাজানো- তেওঁ হয়টো যানে।

ছাৰে মামনৰ বাবে মোৰ সন্মুখত বিয়াৰ প্ৰস্তাৱ দাঙি ধৰাৰ পিচদিনাখন, মই মাৰ আগত কথাটো উলিয়াইছিলো- এইভাবি যে বৰদেউতাৰ ল'ৰাজনৰ সৈতে কিবা এটা কৰিব পাৰি নেকি। সি যেতিয়া হা না একো এটা নক'লে, মায়ে হাৰ্কুতি যোৱা দি মোৰ বাবে কাৰোবাৰ দ্বাৰা কথাটো ছাৰক বোধহয় জনাইছিল। হাজাৰ হওঁক মামনে চাকৰি এটা কৰে। মই কিন্তু মাক এই বিষয়ে একো সোধা নাছিলো। খং কৰিও লাভ নাই- কথাটো যেতিয়া মামনহঁতে ইতিমধ্যে গমেই পালে। আনহাতে এই সম্পৰ্কে মই একো নজনাকৈয়ে আৰু মোৰ সন্মতি অবিহনেই মামনহঁতৰ ঘৰত বোধহয় নানা ধৰণৰ জল্পনা-কল্পনা চলিল মোৰ বিষয়ে। ঘটনাটোৱে মোক কিছু আমোদো নিদিয়াকৈ নাথাকিল।

সময়বোৰ পাৰ হৈ গৈ থাকে নিজৰ মতে। মামনৰ অহা-যোৱাও সেই একেই গতিৰে চলি থাকে আগৰ দৰে। দুৰ্গাপূজা, ৰাস উৎসৱ বা কামলৈ যোৱা সময়ত দুয়ৰে পৰাই হয়টো কেতিয়াবা তেওঁৰ চকুৰে চকুৰে পৰে। কিন্তু তেওঁৰ সেই দৃষ্টি মোৰ গাত ছাঁ নেপেলোৱাকৈ এনেয়ে বতাহত হেৰাই যায় নীৰৱে। আনহাতে বুকু ফালিলেও উস বুলি নকোৱা মামনে মনতে কি ভাৱে ধৰিব নোৱাৰো। কিন্তু তেওঁৰ নিশ্চল চকু-মুখত কিবা এটা উচ্ছাসৰ বেওণিৰ দেখা-নেদেখা ছাঁ দেখা পাওঁ, কাচিৎ। আনহাতে সময়ে বোধহয় মানুহক সলনি কৰি থাকেপলে পলে। সদা অচিন মামনৰ ভাৱাক্ৰান্ত খোজ-কাতল আৰু কান্দো কান্দো মুখখনে মোৰ মনত কৰুণাৰ সৃষ্টি নকৰাকৈ নাথাকে। সেই কৰুণা স্বাভাৱিক নে দুৰ্বলতা সেয়া সময়ে এদিন নিশ্চয় ক'ব।

ইতিমধ্যে মামন সম্পৰ্কত ছাৰে মোৰ সন্মুখত দাঙি ধৰা প্ৰস্তাৱটোৰ প্ৰায় এবছৰ হওঁ হওঁ। মই কিন্তু এই বিষয়ে এক ইঞ্চিৰো আগুৱাই বা পিছুৱাই যোৱা নাই এতিয়ালৈ? কিন্তু মামনৰ চাল-চলন, কথা-বতৰা আৰু আচৰণৰ পৰা ইতিমধ্যে মই জ্যামিতি, এলজাব্ৰা, ত্ৰিকোণমিতি, স্থানাংক আৰু নিউটনৰ সূত্ৰ এপ্লাই কৰি এটা সিদ্ধান্তত উপনীত হ'লো। তেওঁৰ পৰিয়ালৰ মানুহবোৰে বোধহয় এখন তুলাচনীত এফালে মামনক আৰু আনফালে মোক তুলি লৈ নিতৌ জোখ-মাখ কৰে আৰু কোনোমতে সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে। মামনৰ ওজন বোধহয় সত্তৰ কেজিমান হ'ব আৰু মোৰ বিশ কেজি। মোৰফালে প্ৰতিবাৰ বিভিন্ন ধৰণৰ মিঠা মিঠা শব্দ, ফুল-চন্দনৰ ফেৰ দিও কোনোমতে চল্লিছ কেজিৰ ওচৰলৈ আনিব নোৱাৰে তেওঁলোকে। চল্লিছমান হ'লেও হয়টো চলি গ'লহেঁতেন।

এনেদৰে আৰু এবছৰ মান পাৰ হ'ল। মই কলেজলৈ যোৱা পথটোৰে মামনে অহা-যোৱা কৰাতো লাহে লাহে কমাই দিলে। বোধহয় তেওঁ আৰু তেওঁৰ পৰিয়ালৰ মানুহবোৰে ধৰি ল'লে- মই আৰু কোনো দিনেই গছ হৈ গজিব নোৱাৰিম, ফুল হৈ ফুলিব নোৱাৰিম। এদিন সঁচা-সচিকৈয়ে মই যোৱা পথটোৰে মামন আৰু নহা হ'ল । ইংৰাজীত এষাৰ কথা আছে- Out of sight, out of mind. সেইদৰে তেওঁৰ কথা সম্পূৰ্ণ পাহৰিয়েই গৈছিলো। এদিন কলেজৰ পৰা ঘৰলৈ উভতাৰ পৰত ৰাস্তাত লগ পাই কোনোবা এজনে হঠাতে মোক ক'লে, মামনৰ হেনো বিয়া। ল'ৰা উজনিৰ নে উত্তৰ পাৰৰ। ভাল চাকৰি কৰে। এই মুহূৰ্ত্তত কথাখিনি শুনি আচলতে বুকুখন চিৰিংকৈ উঠিব লাগিছিল- সেইবোৰ একো নহ'ল। "তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহদিন? মাথোঁ দহদিন আছে? এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম মোৰ বাটে বাটে।" দেৱকান্ত বৰুৱাৰ ভাষাৰে এই বুলি ক'বলৈও মোৰ সত যোৱা নাই। তেনে পৰ্যায় যেতিয়া নাপালেই- তেনেদৰে ক'লে কবিতা শাৰীৰ মহিমা ম্লান কৰা হ'ব।

স্বাভাৱিকভাৱে আমাৰ মাজৰ চিঙো চিঙো এৰী সুতাডাল এদিন চিঙিল-মামনৰ বিয়াৰ মাজেৰে। আনহাতে মাৰ খেচ-খেচনিত সকলো জাৰি-জোকাৰি সামৰি থৈ ময়ো এদিন বিয়া পাতিবলৈ বাধ্য হ'লো আন দহজনৰ দৰে। সময়ত কণমানি এজনীয়ে নিজেই নিজে পিঠিৰ পিনে কিতাপৰ বেগ লৈ ঘট্-ঘট্কৈ স্কুললৈ যাব পৰা হ'ল। টানি-টুনি সকলোবোৰ ঠিকেই চলি আছে মোৰ। কিন্তু মামন সম্পৰ্কত ছাৰে এদিন যি লঘু হ'ব লগা হ'ল, সেই যে কথাটো- সি মোক তেতিয়াৰ দৰে আজিও সমানে আমনি কৰে। এদিন মামনে ছাৰক বটিতে লগ পাই হেনো কৈছিল- আপুনি মোক ভাল পালে কি হ'ব, ল'ৰা এজন চাই দিব নোৱাৰে। সেইমূহূৰ্ত্তত তেওঁৰ কান্দো কান্দো মুখখনে ছাৰক হয়টো বৰকৈ বেজাৰ দিছিল। আৰু সেয়ে নিজৰ স্থিতিৰ পৰা ভালেখিনি নামি আহি এদিন, হাততে পোৱা মোক, মামনৰ বাবে বিয়াৰ প্ৰস্তাৱ দিছিল উপজাচি, আওপকীয়াকৈ। আৰু এদিন তেখেতে অপ্ৰত্যাশিতভাৱে মোৰ মাৰ ওচৰত আৰু মামনহঁতৰ পৰিয়ালৰ ওচৰত ভালকৈয়ে লজ্জিত হৈছিল। আজিৰ যুগত পুণ্যাত্মাই বোধহয় এনেদৰেই ফল ভোগ কৰিব লগা হয়।

আনহাতে এই সকলোবোৰ বেজাৰ আৰু অসন্তোষৰ মাজত, মই কিন্তু এদিন সঁচা সচিকৈয়ে জয়ী হ'লো। এই জয় মামনে নিজে দিয়া। এদিন নিজকে সলাই চুটি চুলিৰ মোহ এৰি, মামনে তেওঁৰ চুলিটাৰি দীঘলকৈ ৰাখিবলৈ লৈছিল। এজন অচিনাকি ডেকাই দিয়া সাধাৰণ মন্তব্য এটি, এজনী অচিনাকি গাভৰুৱে নিজৰ স্বাৰ্থত হ'লেও আখৰে আখৰে মানি লৈছিল। আৰু সিয়ে বোধহয় তেওঁৰ জীৱনৰ দিক্ সলনি কৰি দিলে। আন কিবা হওঁক নহওঁক, সি মোৰ চিৰ পৰাজিত জীৱনৰ এটা ডাঙৰ জয়-ডাঙৰ প্ৰাপ্তি। ☐

# অচিনাকি প্ৰেমৰ অৱদান

✍ ৰূপালী ৰাভা
উঃ মাঃ, দ্বিতীয় বাৰ্ষিক

বৰ্তমান যুগত ম'বাইলৰ কাম বহু বেছি। বৰ্তমান যুগত ইয়াৰ প্ৰয়োজনীয়তা বহু বেছি, ই প্ৰয়োজনীয় হয় যদিও ইয়াৰ দুটা দিশ আছে ভাল আৰু বেয়া। যদি ভাল কামত ব্যৱহাৰ কৰিব পৰা যায় তেন্তে ই যথেষ্ট লাগতিয়াল। আনহাতে, যদি ভাল কামত ব্যৱহাৰ কৰা নহয় তেন্তে ই জীৱন ধ্বংসৰ দিশলৈ নিব পাৰে।

মাতু আছিল এজনী নৱম শ্ৰেণীৰ ছাত্ৰী। তাই পঢ়া-শুনাত বহুত চোকা ছোৱালী। তাই সৰুৰে পৰা পঢ়াৰ ইচ্ছা বহু বেছি আৰু তাইক সকলো শিক্ষকে মৰম কৰিছিল।

মাতু অষ্টম শ্ৰেণী পাছ কৰি নতুনকৈ এখন স্কুলত নৱম শ্ৰেণীত নামভৰ্তি কৰিলে। এনেদৰে তাই নৱম শ্ৰেণীটো ভালদৰে পাছ কৰি দশম শ্ৰেণীত নামভৰ্তি কৰিলে। ইফালে মেট্ৰিক পৰীক্ষা, মাতুই ভালদৰে পঢ়ি-শুনি মেট্ৰিকত ভাল ৰিজাল্ট কৰিম বুলি এটা আশা পুহি ৰাখিছিল।

সেই স্কুলখনত মাতুৰ ভাল লগা শিক্ষক হ'ল মালব্য চাৰ। চাৰক ফোন কৰি প্ৰায় সকলোৱে নজনা কথাবোৰ সুধি লয় বুলি মাতুৱে গম পালে। মাতুই মাঁক-দেউতাকক এটা ম'বাইল লাগে বুলি ক'লে মাকহঁতে দিয় নিবিচাৰিছিল কিন্তু মাতুৱে নেৰিলে সেইবাবে তাইক এটা কম দামী ম'বাইল কিনি দিলে। আন ছাত্ৰ-ছাত্ৰীৰ দৰে মাতুৱেও চাৰক ফোন কৰি নজনা কথাবোৰ সুধি লয়।

এনেদৰে, কেইমাহ মানৰ পিছত এদিন ৰাতি ১২ মান বজাত তাইৰ ফোনটো বাজি উঠিল। মাতু ফোনটো চালে অচিনাকি নম্বৰ। কোনোবা লাগতিয়াল মানুহ বুলি ভাবি ফোনটো উঠালে। এজন ল'ৰা মানুহে ক'লে— এই নম্বৰটো ক'ত লাগিছে, মাতু ঠিকনা দিলে। মাতুৱেও অকনো সংকোচ নকৰি সুধিলে— আপুনি ক'ৰ পৰা কৈছে— তেতিয়া ল'ৰাজনে গুৱাহাটীৰ পৰা কৈছো বুলি ক'লে। মাতু অলপ সময় নিস্তব্ধ হৈ ৰ'ল আৰু ফোনটো কাটি দিলে। মাতুৰ কোনো চিনাকি বন্ধু বা বান্ধৱী গুৱাহাটীত নাই। মাতুৱে ভাবিবলৈ ধৰিলে..... ।

হঠাৎ ফোনটো আৰু বাজি উঠিল। সেইবাৰ কিন্তু মাতুই ফোনটো নুঠালে আৰু চাইলেণ্ট কৰি থ'লে। মাতুই সেই কথাটো মাকহঁতক নজনালে। ৰাতিপুৱা হ'ল মাতু স্কুললৈ গ'ল। স্কুলৰ পৰা আহি ভাত-পানী খাই জিৰণিৰ সময়ত বহিবলৈ লওতে ফোনটো বাজিলে, সেই অচিনাকি নম্বৰটো। তেতিয়া মাতুৱে ল'ৰাটোৰ লগত কথা পাতিলে আৰু বন্ধু হিচাপে প্ৰত্যেক দিনেই সিহঁতে কথা পাতিবলৈ ধৰিলে।

ল'ৰাটোৰ নাম আছিল মনু। মাতুৰ মাতটো শুনি মনুই বহুত ভাল পাইছিল। দুয়ো ইজনে-সিজনৰ প্ৰতি আকৰ্ষিত হৈছিল। দুয়ো ইজনে-সিজনক নেদেখাকৈ প্ৰেমত পৰিল।

ইফালে মাতুৰ মেট্ৰিক পৰীক্ষা। পঢ়িবলৈ একেবাৰে মন নকৰা হ'ল। মাক-দেউতাকহঁতে গালি-ধমকি দিলে অলপ পঢ়ে কিন্তু তাই মনে মনে মনুৰ লগত ফোনত কথা পাতি থাকে।

এনেদৰে, পৰীক্ষাৰ সময় আহি পালে। পৰীক্ষা দিলে হয় কিন্তু মাতুৰ মাক-দেউতাকে আশা কৰা মতে ফল নহ'ল।

মাতু দুখত ভাঙি পৰিছিল। তথাপিও তাই ফোনটো বাদ দিয়া নাছিল। মাতু এতিয়া আগৰ নিচিনা নহয়, বহুত বেলেগ হ'ল তাই অকল ফোনটে লাগি থকা হ'ল। অচিনাকি ল'ৰাজনৰ কথাত ভোল গৈ তাই ল'ৰাজনক মনে-প্ৰাণে ভাল পায় পেলাইছিল। মাতুৰ মনত ল'ৰাজন হৈ পৰিছিল অতি আপোন। মাতুই ল'ৰাজনক লৈ বহু সপোন গঢ়িলে। ল'ৰাজনে মাতুক কথা দিছিল পাহৰি নাযাও বুলি, তেতিয়া মাতুই খুব আনন্দ পাইছিল। ল'ৰাজনে বহু মৰমেৰে কথাবোৰ কৈছিল সেয়েহে মাতুৰ ভাল লাগিছিল।

কেইমাহ মানৰ পিচত মাতু কলেজত থাকোতে ক্লাচ অফ থকাৰ বাবে কলেজৰ পিছফালে গৈ মনুক ফোন কৰিলে। সেইদিনা মনুৰ ফোনটো অন্য এজনী ছোৱালীয়ে উঠালে, মাতুৱে ছোৱালীজনীক সুধিলে— "মনু আছে নেকি?" তেতিয়া ছোৱালীজনীয়ে ক'লে— "মনু নাই"। মাতুই ছোৱালীজনীৰ নাম সুধিলে— ছোৱালীজনীৰ নাম আছিল জোনমণি।

মাতুই একো নাভাবি ছোৱালীজনীক সুধিলে, তুমি মনুৰ কোন হয়? তেতিয়া ছোৱালীজনীয়ে ক'লে— "মই মনুৰ পত্নী হয়"।

মাতু লগে লগে ফোনটো ৰাখি কোনেও নেদেখাকৈ কান্দিবলৈ ধৰিলে। তাই কি কৰিম কি নকৰিম ভাবি পাৰ নপোৱা হ'ল। তাই যেন নদীৰ মাজত পৰিছেহি, তেনে অনুভৱ হ'ল। তাই কান্দি কান্দি ঘৰ পালে। তাই অতীতৰ কথাবোৰ ৰোমন্থন কৰিব ধৰিলে। মাতুই নিজকে খং কৰিবলৈ ধৰিলে। তাইৰ জীৱনটো কি হ'ল...?

কিন্তু তাই ভাগি নপৰিল। তাই জীৱনটোক নতুনকৈ গঢ়াৰ স্বপ্ন দেখিলে। যি অচিনাকি প্ৰেমে তাইৰ মনলৈ দুখ আনিলে তাক আঁতৰ কৰি তাই আগতকৈ বেছি মনযোগেৰে পঢ়া-শুনা কৰিবলৈ ধৰিলে। লগতে নিজৰ বন্ধু-বান্ধৱীসকলক অচিনাকি প্ৰেমৰ পৰা আঁতৰত থাকিবলৈ উপদেশ দিলে।□






# আশাৰ সপোন

✍ জিতা শৰ্মা
স্নাতক, ১ম ষাণ্মাসিক

গোটেই দিনটো পৰিশ্ৰম কৰি ৰাতি হ'লে মানুহজনী একেবাৰে অৱশ হৈ পৰে। মানুহজনীৰ নাম সোণালী। একমাত্ৰ সন্তান ৰাতুলক বুকুৰ সাৱটি লৈ কিমান উজাগৰী ৰাতি পাৰ কৰি দিছে সোণালীয়ে। ৰাতুলৰ মদাহী বাপেক অতুললৈ বাট চাই চাই এপৰ ৰাতিলৈকে বহি থাকিব লগা হয় বেচেৰী সোণালীজনী। তাইৰ দুখে ভৰা জীৱনটোৰ কথা এবাৰো চিন্তা কৰি নাচাই অতুলে। বনুৱা বস্তিত জন্মগ্ৰহণ কৰিলেও সোণালীয়ে এখন উন্নত সমাজৰ কথা কল্পনা কৰে।



ৰাতুলক তাই উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ মনৰ মাজত নানা ৰঙীন সপোন কল্পনা কৰে। পুৰণি ৰীতি-নীতি এৰি ৰাতুলক এটা নতুন মানুহ ৰূপে গঢ় দি পিছ পৰি থকা বনুৱা সমাজখন কেনেকৈ উন্নত সমাজ এখনলৈ গঢ়িব পাৰিব তাকে ভাবি ভাবি কেতিয়াবা সোণালী ব্যাকুল হৈ পৰে। গোটেই দিনটো হাজিৰা কৰি অনা টকা কেইটাৰে দুবেলা খাবলৈ কোনোমতেহে জোৰে। অতুলে হাজিৰা কৰে মদৰ বাবে। নানা চিন্তা ভাৱনাত ডুব গৈ থকা সোণালীৰ হৃদয়খন কেতিয়াবা অজান বেদনাই বুৰাই পেলায়। শুই থকা পৃথিৱীখনৰ নিজান নীৰৱতাখিনি সোণালীৰ বাবে বৰ অসহ্য হৈ পৰে।

কেইদিনমানৰ পৰা ৰাতুলৰ মুখত মাত ফুটিছে। সি এটা দুটা কথা ক'ব পাৰে। পুত্ৰৰ মৌ বৰষা মাতত হৃদয় আনন্দত ফুটি উঠিছিল। ঘৰখনত মানুহ বুলিবলৈ কোনো নথকাত কামলৈ যাওঁতে ৰাতুলক লগত লৈয়ে যায়, আবেলি ঘূৰি আহি সোণালীয়ে ৰাতুলক চোৱা-চিতা কৰে। কেতিয়াবা কেতিয়াবা সি দুই এখোজ কাঢ়ে। এনেকৈয়ে নানা কষ্টৰ মাজেদি সোণালীয়ে পুতেকক খোজ কাঢ়িব পৰা অৱস্থা পোৱালে গৈ। এনেকৈয়ে ৰাতুলৰ সাতোটা বছৰ পাৰ হ'ল। পঢ়াশালিলৈ যাব পৰা বয়স হ'ল। বহুত দিন সোণালীয়ে অতুলৰ আগত ৰাতুলৰ পঢ়াশালিত নাম ভৰ্তি কৰাৰ কথা কৈ আহিছে। কিবা এটা ভাল চিন্তা নিজৰ সন্তানৰ হৈ কৰিব বুলি সোণালীয়ে অপেক্ষা কৰিছিল, কিন্তু তাইৰ অপেক্ষা অপেক্ষা হৈয়ে থাকিল। মদৰ নিচাত মছগোল হৈ থকা অতুলে কোনো দিনেই পৰিয়ালৰ ভাল চিন্তা কৰিব পাৰিব বুলি সোণালীৰ মনে নোকোৱা হ'ল। বুকুত সাহ বান্ধি সোণালী আগবাঢ়িল ৰাতুলৰ সুদূৰ ভৱিষ্যতৰ কথা চিন্তা কৰি।

দোভাগ ৰাতি। টোপনিবিহীন সোণালী খোলা দুৱাৰলৈ লক্ষ্য ৰাখি নানা চিন্তাত মগ্ন হৈ পৰে। মনৰ মাজলৈ হাজাৰটা প্ৰশ্ন আহে আৰু যায়। বনুৱা সমাজৰ মাজত অতুলৰ দৰে হাজাৰটা অতুল যদি আছে তেতিয়া হ'লে বনুৱাসকলৰ উঠি অহা কণ কণ শিশুসকলৰ উন্নতিৰ বাবে চিন্তা কৰিব পৰা কোনোবা এজন ওলাব পাৰিব জানো? কথাবোৰ মনলৈ আহিলেই তাইৰ গাৰ নোম সিহৰি উঠে। মনটো অন্ধকাৰৰ পৰা অন্ধকাৰলৈ নামি যায়। মদ, ভাং, কাণি আদিৰ মাজত ব্যস্ত হৈ থকা অতুলৰ দৰে বহুতো অতুলক মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰি আনিবলৈ এজন সচেতন বনুৱাৰ অভাৱ তাই অনুভৱ কৰে। সেইবাবেই তাই ৰাতুলক এক নতুন ৰূপত গঢ় দিবলৈ কল্পনা কৰে। এনেকৈয়ে কথাবোৰ ভাবি ভাবি তাই কেতিয়া টোপনি গ'ল গমেই নাপালে। পিছদিনা সোনকালে প্ৰতিদিনা উঠাৰ দৰে চল পুৱাতে সোণালী বিচনাৰ পৰা উঠি আহিল। ঘৰুৱা কাম কেইটা ল'ৰা-ল'ৰিকৈ কৰি কামত কলহটো লৈ ঘাটলৈ ওলাই গ'ল। ঘাটৰ পৰা আহি ৰান্ধনী ঘৰত পানীৰ কলহটো থৈ ৰাতুলক টোপনিৰ পৰা জগাই দিবলৈ গৈ থমকি ৰ'ল। অতুল মদৰ নিচাত তললৈ পেটি পেলাই শুই আছে। কিন্তু ৰাতুল কাষত নাই। চাৰিওফালে চলাথ কৰি হঠাৎ সোণালী অবাক হৈ পৰিল। গোহালিৰ কাষত পৰি থকা মদৰ বটলৰ দ'মটোৰ পৰা বটল হাতত লৈ ৰাতুলে জোখ-মাখ কৰি আছে। তাইৰ মূৰত আকাশখন ভাগি পৰা যেন লাগিল। তেতিয়া তাইৰ মন গ'ল ৰাতুলক টেঁটু চেপি মাৰি পেলাবলৈ কিন্তু... তাই নোৱাৰিলে। এটা শিলৰ মূৰ্তিৰ দৰে ৰৈ থাকিল সোণালীজনী। □

# আপোন

✍ নিজৰা কুমাৰী
উঃ মাঃ, ২য় বৰ্ষ

এঘাৰ বছৰীয়া এজনী মৰম লগা ছোৱালী। তাই এজোপা প্ৰকাণ্ড আঁহত গছৰ তলতে বহি কান্দি থকা দেখি মই তাইৰ ওচৰলৈ আহি তাইৰ কাষত বহি মই তাইক সুধিলো কোন তুমি? তুমি এনেকৈ অকলশৰে এই নিজান দুপৰীয়া গছৰ তলত বহি কিয় কান্দি আছা? কিন্তু তাই একো উত্তৰ নিদিলে। মই তাইক জানিবৰ বাবে বহুতো চেষ্টা কৰিলো যে কোন তাই, কিয় তাই এনেকৈ কান্দি আছে। কিন্তু তাই একো উত্তৰ নিদিয়াৰ বাবে তাইক এইবাৰ বুজাবলৈ চেষ্টা কৰিলো। শুনা তুমি মোক ভয় কৰিব নালাগে, তোমাক মই একো ক্ষতি নকৰো, তুমি মোক নিজৰ বাইদেউ বুলি ভাবি কোৱা যে তুমি কোন? তুমি এনেকৈ কিয় কান্দি আছা, এনেকৈ কোৱাৰ পাছত সেই এঘাৰ বছৰীয়া ছোৱালীজনীয়ে মোক তাইৰ আপোন মানুহ যেন লাগি ক'বলৈ লাগিল আৰু ক'লে মোৰ নাম চিমা। তেতিয়া মই সুধিলো তুমি কিয় এনেকৈ কান্দি আছা? তোমাৰ মা-দেউতা ক'ত? তেতিয়া তাই দুখ মনে ক'লে মোৰ মা-দেউতা কোনো নাই। নাই মানে চিমা। ক'ওঁ শুনা বাইদেউ আমাৰ এখন সৰু পৰিয়াল আছিল মা-দেউতা আৰু মই। দেউতাই ঠেলা চলাই বহুতো কষ্ট কৰি দুবেলা-দুমুঠি খাবলৈ পাওঁ। কিন্তু আমাৰ সকলোৰে মাজত মৰম-স্নেহৰ লগতে আমি ইজনে-সিজনক সহায় কৰোঁ। তেনেকৈ আমি সুখী। এদিনাখন ৰাতিপুৱা ৮ মান বজাত দেউতাই ঠেলাখন লৈ কামলৈ ওলাল। মই সমনীয়াৰ সৈতে খেলিবলৈ গ'লো, অলপ সময়ৰ পাছত দেউতাক দুজন মান মানুহে আহি তৰ্ক-বিতৰ্ক কৰি দেউতাক চুৰিৰে হানি হত্যা কৰিলে আৰু দেউতাৰ চকুজুৰি নি বিক্ৰী কৰিলে আৰু সেইদিনাৰ পৰা দেউতা এই পৃথিৱীৰ পৰা নোহোৱা হৈ গ'ল। তাৰ পাছত মা আৰু মই। এদিনাখন ৰাতিপুৱা ১০ বজা মানত আমাৰ ঘৰলৈ দুজন মানুহ আহিল। মানুহ দুজন অচিনাকি। মাই সুধিলে কোন আপোনালোক বুলি। তেওঁলোকক বহিবলৈ চকী দিলে। তেওঁলোকে বহিলে আৰু ক'লে আমি আপোনাৰ কাষত এটি বিশেষ কামত আহিছো। কিন্তু মইতো আপোনালোকক চিনি নাপাওঁ। জানো আপুনি আমাক চিনি নাপাব, কিন্তু আমি আপোনালোকক ভালকৈ চিনি পাওঁ, আপোনাৰ এজনী ছোৱালী আছে নহয় জানো। আৰু আপোনালোক খুব দুখীয়া নহয় জানো। সেই কাৰণে আমি আপোনালোকক এটা কাম দিবলৈ আহিছো। কাম। কিন্তু কি কাম? আপোনাৰ ছোৱালীজনীক আমাক দিয়ক। মানে, মানে আপোনাৰ ছোৱালীজনীক আমাৰ ঘৰত কাম-বন কৰিবলৈ দিম। যদি আপুনি আপোনাৰ ছোৱালীজনীক আমাক দিয়ে। তেতিয়া আমি আপোনাক মাহত তিনি হাজাৰ টকা দিম— কি তিনি হাজাৰ কিন্তু মই মোৰ ছোৱালীজনীক কেনেকৈ দিম তাই মোৰ একমাত্ৰ ছোৱালী। আপুনি চিন্তাই নকৰিব আমি আপোনাৰ ছোৱালীৰ একোকে ক্ষতি নকৰো। মায়ে মোক সিহঁতৰ লগতে পঠিয়াই দিলে।

এনেকৈয়ে দুমাহ পাৰ হৈ গ'ল আৰু দুমাহ পাৰ হৈ যোৱাৰ পাছত মাইক কোনো পইচা নিদিয়াৰ বাবে মাই সিহঁতৰ কাষলৈ আহিল আৰু ক'লে মোক যদি আপোনালোকে পইচা নিদিয়ে তেনেহ'লে মোক মোৰ ছোৱালীক ঘূৰাই দিয়ক। তেনেকৈ কোৱাৰ পাছত মাক সিহঁতে ধৰি বান্ধি হত্যা কৰিলে আৰু সেইদিনা দেউতাৰ দৰে মায়ো এই পৃথিৱীৰ পৰা নোহোৱা হৈ গ'ল। তাৰ পাছত মই তাৰ পৰা পলাই আহিলো আৰু পলাই পলাই এইখিনি পালো।

বুজিলো চিমা তাৰমানে তোমাৰ আপোন বুলিবলৈ আজি কোনো নাই। এই পৃথিৱীত ভগৱানে বেয়া মানুহৰ লগতে ভাল মানুহবো সৃষ্টি কৰিছে। মোৰ লগত ব'লা। আজিৰ পৰা ময়ে তোমাৰ মা আৰু দেউতাৰ দায়িত্ব পালন কৰিম। চিমাই যেন সৰগখনহে চুকি পালে। চিমাই নিজৰ হাতখন মোৰ ফালে আগবঢ়াই দিলে। ❑

■ ■ ■





# দেউতা

✍ কাকলি দাস
উঃ মাঃ, ১ম বৰ্ষ

আমি দুই ভাই-ভনী। আমাৰ দেউতাই আমাক বহু মৰম কৰিছিল। তেওঁ সদায় কাম কৰিবলৈ যায় আৰু উভতি আহোতে বাবু আৰু মোলৈ খোৱা বস্তু লৈ আহিছিল। ক'ৰবালৈ গ'লে আমাক দেখা নকৰিলে যেন দেউতাৰ দিন নাযায় নুপুৱায়। প্ৰায় ১০/৯ মান বছৰ আগৰ কথা মোৰ বয়স আছিল ৭ বছৰ আৰু বাবুৰ বয়স আছিল ৫ বছৰ। আনবেলিৰ দৰে এইবেলিও দেউতাই কামলৈ যাবলৈ ওলাইছিল। দেউতা প্ৰায় ৪/৫ দিনৰ বাবে যাব ওলাইছিল। দেউতাই অতি সোনকালে যোৱা বাবে আমি গমকে নাপালো, কাৰণ আমি শুই আছিলো। দেউতা ঘূৰি অহাৰ দিনতো আছিল আমতিৰ দিন। সেই দিনটোত সকলোৱে বিভিন্ন ফল-মূল, বিভিন্ন খাদ্য খায়। দেউতায়ো আমালৈ বহু বস্তু লৈ আহিম বুলি কৈছিল। সেয়েহে বাবু আৰু মই দেউতা অহালৈ বাট চাই আছিলো। কিন্তু সেই আশা যেন আমাৰ আশা হৈয়ে ৰ'ল। কাৰণ দেউতা আৰু ঘূৰি নাহিল। আমাৰ ঘৰখনৰ ওপৰত যেন কলা ডাৱৰে আবৰি পেলালে। আমাৰ ঘৰখনৰ ওপৰত যেন দুখৰ সৰগখন খহি পৰিল। আমাৰ এই অকণমান সুখো যেন ভগৱানৰ সহ্য নহ'ল। সেইবাবে চাগে ভগৱানে আমাৰ পৰা দেউতাক কাঢ়ি ল'লে। দেউতা পৃথিৱীত নথকা কথাটো শুনি আমাৰ গাত তত নোহোৱা হ'ল। মাই ইনাই বিনাই কান্দিবলৈ ধৰিলে। আমি গম পোৱাৰ এদিন পিছত কেইজনমান মানুহে দেউতাক লৈ আহিল। দেউতাক লৈ অহাৰ পিছত আমাৰ ঘৰখনত কান্দোনৰ ৰোল উঠি গ'ল। তেতিয়া বাবু বেছি ডাঙৰ হোৱা নাছিল আৰু সি সিমান বুজি পোৱা হোৱা নাছিল। সি মাক সুধিছিল "মা তুমি কিয় কান্দি আছা"? তেতিয়া মাই বাবু আৰু মোক সাৱত মাৰি ধৰি ইনাই বিনাই কান্দিছিল। আমাৰ সকলো সপোন যেন দিঠকতে ভাঙি চুৰমাৰ হৈ গৈছিল। এনেকুৱা লাগিছিল যেন আমাৰ দেহৰ পৰা কোনো অংগহে যেন বিচ্ছেদ হৈ গৈছে। কেতিয়াবা এনেকুৱা লাগে যেন ভগৱান চাগৈ নাই, আৰু আছে যদিও ধনীৰহে আছে দুখীয়াৰ নাই। এতিয়াও মাৰ উকা কপালখন দেখিলে মোৰ হৃদয়খন কঁপি উঠে। মন খুলি ইনাই বিনাই কান্দিবলৈ মন যায়, কিন্তু মাৰ মুখলৈ চাই কান্দিব নোৱাৰো। কাৰণ আমি কন্দা দেখিলে বা মনত দুখ পালে মাইও অন্তৰত দুখ পায়। যিটো মই নিবিচাৰো। যিমান কান্দিব লাগিছিল মাই কন্দিলে। মাৰ চকুত যাতে আকৌ চকুপানী নলায় সেয়াহে বিচাৰো। মাই কয়— "বাচাহঁত পঢ়ি লিখি ডাঙৰ হৈ এজন সু-নাগৰিক হ যাতে নিজৰ ভৱিৰ ওপৰত নিজে নিৰ্ভৰশীল হৈ চলিব পাৰা"। ভাবিলে ভয় লাগে মাৰ এই সপোন যদি সপোন হৈয়ে ৰয়। ❑

■ ■ ■

## জানিবলগীয়া কথা

- মহাকাশলৈ যোৱা প্ৰথম প্ৰাণী কি?
  উত্তৰ ঃ কুকুৰ।
- হকীৰ যাদুকৰ হিচাপে জনাজাত বিখ্যাত খেলুৱৈ গৰাকীৰ নাম কি?
  উত্তৰ ঃ ভাৰতৰ ধ্যান চাঁদ।
- কোন দেশত দবা খেল জন্ম হৈছিল?
  উত্তৰ ঃ ৰুচ
- ভাৰতৰ ৰাষ্ট্ৰীয় চৰাইৰ নাম কি?
  উত্তৰ ঃ ম'ৰা চৰাই।

# দাপোণ

✍ বৰ্ণালী গোস্বামী
উঃ মাঃ, ১ম বৰ্ষ



আজি দহদিনে তাই নিজৰ মুখৰ ছবিখন এবাৰো দাপোণখনত চোৱা নাই। চাইনো তাই কি পাব? যিখন মুখৰ একো অৰ্থয়ে নাই, অস্তিত্বয়ে নাই। আছে মাথো নিৰাশাহীন এটা জীৱন। দহদিন মান আগতে সেইখন মুখকে তাই কিমানবাৰ যে চাইছিল। কিমান যে কাজল লৈছিল তাইৰ সেই পদুমকলীয়া চকুযুৰিত। আজি কিন্তু তাই আৰু চকুত কাজল নলয়। কাৰণ তাইৰ গোটেই মুখখনেই যেন কাজলীয়া হৈ গৈছে। তাইৰ দুখৰ কথা কাৰ আগত ক'ব? কেতিয়াবা তাই আৰু আগৰ দৰে হৈ উঠিবনে? সেই যে তাহানিৰ দিনত লগৰীয়াৰ সৈতে ফাঁকু খেলিছিল, এতিয়াও তাইৰ সেই কুৎচিত মুখখনত কোনোবাই ৰং দিবলৈ খেদি ফুৰিবনে? এইবোৰ প্ৰশ্নই তাইক সদায়ে আমনি কৰি থাকে। আজি আৰু বেছিকৈ আমনি কৰিছে। তাই এইবোৰ কথা ভাবি ভাবি ক'ব নোৱাৰাকৈয়ে সিহঁতৰ বাৰীৰ পিছফালৰ আমজোপাৰ কাষলৈ গ'ল আৰু বহুসময় আমজোপাৰ ওপৰলৈ চাই থাকিল। "ৰ'দটোও চোকা হৈ আহিছে। আমবোৰো পকিছিয়ে"। তাই নিজৰ মনটোতে ক'লে। হঠাৎ তাইৰ কাণত পৰিল কোনোবাই তাইক অনু বুলি মাতিছে। মাকে মাতিছে, তাই ঠিকেই অনুমান কৰিছে। ল'ৰালৰিকৈ তাই দৌৰি আহি মাকৰ আগত থিয় দিলে। মাকে তাইক মনে মনে থকা দেখি সুধিলে— "ক'ত গৈছিলি? কুৎচিৎ মুখখন সকলোকে দেখাই ফুৰিছগৈ নেকি?" মাকৰ কথাষাৰ শুনি তাইৰ দুচকুৰে ক'ব নোৱাৰাকৈয়ে চকুপানী বৈ আহিল। লাহে লাহে তাই থকা বিছনাখনলৈ গ'ল আৰু গাৰু কেইটাৰফালে চাই তাই ভাবিলে— মই যদি এই গাৰুকেইটাৰ দৰে হলোহেঁতেন, সিহঁতৰ কিমান যে ভাল কাৰো কথা শুনিব নালাগে আকৌ লেতেৰা হ'লেও সিহঁতক বেলেগে পৰিস্কাৰ কৰি দিয়ে। বহুতো কথা ভাবিলে। তাই গাৰু এটা মূৰত ল'লে আৰু এটা গাৰু বুকুৰ মাজত লৈ শুই থাকিল। তাইৰ সেই দুৰ্ভগীয়া দিনটোৰ কথা মনত পৰিল— সেইদিনা কিমান যে আনন্দৰ দিন আছিল তাইৰ বাবে। কিমান যে আলহি আহিছিল সিহঁতৰ ঘৰলৈ সেইদিনা। তাই যে কেৱল সকলোৰে কাপোৰ চোৱাতে ব্যস্ত আছিল। ২৩ ডিচেম্বৰ, সেইদিনা তাইৰ মানে অনুৰ জন্মদিন আছিল। আচল নাম অনুপমা চৌধুৰী। মাক আৰু দেউতাকৰ যে কিমান আনন্দ। কিমান যে উপহাৰ পাইছিল তাই। কিমান যে বেলুন আনিছিল দেউতাকে। কিমান যে ফটকা ফুটাইছিল তাইৰ দাদাকে। তাইৰ কিন্তু ফটকালৈ বৰ ভয় লাগিছিল। সেইদিনা যেন জন্মদিন নহয় দীপাৱলীহে হৈছিল তেনেকুৱা লাগিছিল তাইৰ। হঠাৎ দাদাকে ফটকা ফুটাই থাকোতে তাই কাষলৈ গ'ল আৰু সেইখিনি সময়তে ফটকা এটা চিটিকি আহি কাষতে থকা মাটিৰ চাকিত পৰিলে আৰু অগ্নিকাণ্ড হৈ তাইৰ মুখখনৰ তেনে অৱস্থা হ'ল। তাই যদি গোটেই মানুহটোৱে পুৰি মৰি থাকিল হৈ তাইৰ একো আপত্তি নাছিল। এতিয়াও কিন্তু তাইৰ বহুত আপত্তি। দাপোণত চাবলৈ তাইৰ নিজৰে ভয় লাগে বেলেগৰ আকৌ কি নালাগিব। হঠাৎ তাই বিছনাৰ পৰা উছপ খাই উঠা দি দাপোণৰ সন্মুখত থিয় হ'ল আৰু নিজৰ মুখৰ সেই আধাপুৰা মুখখন দেখি চখ খাই উঠিল। মনটোক অলপো বুজাব নোৱাৰিলে তাই। জোৰ জোৰকৈ বুকু ফালি কান্দিবৰ মন গ'ল তাইৰ। কিন্তু তেনেকুৱা কৰিলে মাকে বহুত দুখ পাব। এইবোৰ কথা ভাবি তাই এই পৃথিৱীৰ পৰা বিদায় লোৱাৰ কথা ভাবিলে আৰু বাৰীৰ পিছৰ আমজোপাত ৰাতি উঠি গৈ ছিপজৰী দিলে। ১২ বছৰীয়া ছোৱালীজনীয়ে এনেকুৱা এটা ডাঙৰ সিদ্ধান্ত লৈ পেলালে। তাইৰ নিজৰ জন্মদিনটোৱে তাইৰ নিজৰ মৃত্যুৰ কাৰণ হ'ল। ❑





# সপোন

✍ চুমি ঠাকুৰীয়া
স্নাতক, ১ম ষাণ্মাসিক

কদমকলি গাঁও। গাঁওখন যে ইমান ধুনীয়া ইমান মনোমোহা দেখিলে ভাল লাগি যায়। সেই গাঁওখনত ৰিণিহঁতৰ ঘৰ। ঘৰখনৰ পৰিয়াল দেউতাক, মাক আৰু ৰিনি। ৰিনিক কিন্তু গাঁৱৰ মানুহে মাজনী বুলিয়ে মাতে। ৰিনিৰ দুয়ো চকু অন্ধ। ৰিনিক চিকিৎসা কৰিবলৈ মাক বাপেকৰ টকা-পইচা নাছিল। এদিনাখন ৰিনিয়ে ক'লে মা-দেউতা মই অন্ধতে জীৱন কটালো। পৃথিৱীৰ সৌন্দৰ্যবোৰ চাবলৈ মোৰ হয়তো এই জীৱনত নহ'ব কিজানি। ৰিনিক লৈ মাক দেউতাক চিন্তাত পৰিল। দেউতাকে ক'লে মাজনী আমাৰ নীচিনাই এই পৃথিৱীৰ সৌন্দৰ্যবোৰ তুমিও দেখিবলৈ পাবা। তুমি চিন্তা নকৰিবা। ৰিনিৰ মাক-দেউতাকে পুৱা গধূলি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে মাজনীৰ মংগল হওঁক বুলি। মাক-দেউতাকে চিন্তা কৰি ঘৰৰ ওচৰৰ মাটি অলপ বিক্ৰী কৰি দিলে। মাটি বিক্ৰী কৰি পোৱা টকাখিনিৰে মাজনীক গুৱাহাটীৰ ডক্টৰৰ ওচৰলৈ লৈ গ'ল। মাজনীৰ দেউতাকে ডক্টৰৰ লগত কথা পাতি মাজনীৰ অপাৰেচনত কিমান টকাৰ প্ৰয়োজন হয় জানিব বিচাৰিল। ডক্টৰে ভাবি ক'লে ৪০০০০/- হাজাৰ টকা লাগিব। মাজনীৰ দেউতাক উছপ খাই উঠিল। ডক্টৰে ক'লে উচপ খাই উথিলা যে। দেউতাকে ক'লে মোৰতো ইমান টকা নাই ডক্টৰ বাবু। এনেকৈ কথা পাতি থাকোতে হঠাৎ এজন অচিনাকি মানুহ আহি সুধিলে কি হৈছে, ইমান টকাৰ দৰকাৰ কিয়? দেউতাকে মাজনীৰ কাহিনীটো ক'লে। অচিনাকি লোকজনেই ক'লে আপুনি চিন্তা নকৰিব যিমান টকাৰ দৰকাৰ হয় মই দিম। সেই অন্ধকাৰত থকা মাজনী আৰু অন্ধকাৰত থাকিব নালাগে। মাজনীক চিকিৎসা কৰাত মাজনীয়ে শেষ অন্ধকাৰৰ পৰা দৃষ্টি শক্তি ঘূৰাই পালে। মাজনীৰ মাক-দেউতাকে আনন্দত উচুপি উঠিল। সেই মানুহজনে দৰৱ কিনিবলৈ কেইটিমান টকাও দিলে। মাজনীক গাঁৱলৈ লৈ গ'ল। মাজনীয়ে যি কথা ভাবিছিল মাক-দেউতাকে প্ৰকাশ কৰা নাছিল। যিহেতু তাই অন্ধ আছিল। মাজনীয়ে অন্ধকাৰৰ পৰা মুক্ত হৈ মাক-দেউতাকক প্ৰতিশ্ৰুতি দিলে যে তাই পঢ়া শুনা কৰি এদিন ভাল এজনী ডক্টৰণী হ'ব। এদিন সেই অচিনাকি লোকজন মাজনীৰ ঘৰলৈ আহিল। মাক-দেউতাকে বহিবলৈ ক'লে। অচিনাকি মানুহজনে মাজনী কেনে পাইছে সুধিলে। দৰৱ পাতি থিকমতে খাইছেনে নাই, দৰৱ কিনাত কিবা অসুবিধা হৈছে নেকি আদি বহুতো কথা তেওঁ খবৰ ল'লে। মাজনীৰ দেউতাকে সকলোবোৰ কথাৰযথাযথ উত্তৰ দিলে। মানুহজনৰ পৰা পোৱা সহায়-সহযোগিতাই মাজনীৰ দেউতাকক বাৰুকৈয়ে উপকৃত কৰিলে। মানুহজনৰ পৰা পোৱা উপকাৰৰ বাবে মাজনীৰ দেউতাকে কৃতজ্ঞতা স্বীকাৰ কৰি ক'লে— মাজনীক আপুনি এই কণ সহায় নকৰিলে মাজনীৰ দুখবোৰ দুখ হৈ ৰ'ল হেঁতেন। মানুহজনে ক'লে— মই মানুহক সহায় কৰি ভাল পাওঁ। ভগৱানে আপোনালোকৰ মংগল কৰক। দেউতাকে ক'লে পিছে এই কথাটো আপোনাক সুধায়ে নাই নহয়। আপোনাৰ ল'ৰাই পঢ়ি আছে নে। অচিনাকি মানুহজনে ক'লে— এইবাৰ B.A. 1st Yearৰ পৰীক্ষা দিছে। দেউতাকে ক'লে—ঠিকেই আছে। আমাৰ মাজনীও সুস্থ হোৱাৰ পিছৰ পৰাই বৰকৈ কৈ থাকে তাই এজনী ভাল ডাক্তৰণী হ'ব। অচিনাকি লোকজনে ক'লে মাজনী এদিন সফল হ'ব নিশ্চয়। কেইবছৰমান পিছত মাজনীয়ে পঢ়া-শুনা কৰি সঁচাকৈয়ে ভাল এজনী ডক্টৰণী হ'ল। মাক-দেউতাকে মাজনীক সাৱটি লৈ আনন্দত আত্মহাৰা হৈ পৰিল। দুয়োজনে ক'লে মাজনী তুমি আমাৰ এই ঘৰখনলৈ পোহৰ আনিলা। ৰিণিয়ে চিঞৰি চিঞৰি ক'লে মা-দেউতা আমাৰ সপোন দিঠকত পৰিণত হ'ল। ❑

# তেজৰ নহয়, হৃদয়ৰ

মিনাক্ষী মালাকাৰ
স্নাতক, ১ম বৰ্ষ

দগ্‌মগ্‌ সেন্দুৰেৰে অপৰূপাই স্বামীলৈ চালে। তেৱোঁ মুগ্ধ নয়নেৰে তাইৰ সেন্দুৰৰ সেওঁতাটিলৈকে চাই আছিল। গছবছা পাটৰ মাজেৰে পত্নীৰ জোন হেন ৰূপ। মন্দিৰৰ ঘন্টা ধ্বণিৰ মুখৰিত প্ৰহৰ। দুয়ো নদীলৈ নামি যোৱা পকী চিৰিবোৰৰ এটাত বহিল। ফু-মাৰি চিকুনাই দিলে তেওঁ অপৰূপা বহা ঠাইখিনি। বন্ধু-বান্ধৱী যি দুই এজন উপস্থিত আছিল ইতিমধ্যে ঘৰাঘৰি হ'ল। নৱবিবাহিত দম্পতীক অলপ এতিয়া অকলশৰীয়া সময়ৰ প্ৰয়োজন বুলি ভাবিয়েই কিজানি।

অপৰূপাৰ কাপোৰবোৰৰ গুনাৰ গছবোৰ ব'দ পৰি জিলিকিছিল। আঙুলিত জিলিকিছিল শুভ পৰিণয় উপলক্ষে স্বামীয়ে দিয়া একমাত্ৰ অলংকাৰ নামৰ প্ৰথম আখৰ লিখা সোণৰ আঙুঠিটো।

নদীখনলৈ চাই স্বগতোক্তি কৰাৰ দৰে ক'লে তাই— 'মা-দেউতাৰ কথা ৰাখ এৰিলো। অথচ ককাইদেৱেও আহিম বুলি দিয়া কথা নাৰাখিলো।" তাইৰ পৰাজিমেৰীয়া আঙুলি কেইটা নিজৰ মুঠিত সুমুৱাই তেওঁ সান্ত্বনা দিলে। ক'লে যে— "মোৰোজানো কোনোবা আহিল? অন্ততঃ ভনীজনী আহিব বুলি আশা পুহিছিলো। তাইক বিয়া দিয়াৰ সময়ত দেহা-মাটি কৰি কষ্ট কৰিছিলো মই। অথচ আজি তাই শুভ-কামনা এটিও নজনালে।'

অপৰূপাই তেওঁৰ কান্ধত মুৰ থৈ ক'ল— 'আজি আৰু নাভাবো দিয়া এইবোৰ কথা। তেওঁলোকে নিজক লৈ ব্যস্ত থাকক, আমি আমাৰ প্ৰেমক লৈ....।'

এজাক মলয়া বতাহ বলিছিল। লগতে দোলাতকৈ উঠি আহিছিল কিছুমান নতুন নতুন সপোন, জীপাল জীপাল আশা।

নগৰৰ কোনোবা একোনত দুকোঠলীয়া এটি ভাৰাঘৰৰ ব্যৱস্থা কৰি থৈছিল। তেওঁ যাৱতীয় বয় বস্তু গোটোৱা আছিল। মাত্ৰ অপৰূপাৰ মায়া লগা পৰশ পৰিবলৈ বাকী আছিল।

যাওঁ ব'লা— তেওঁ উঠিব খুজিলে।

ক'লৈ?— অপৰূপাৰ কঁপি উঠা ওঁঠ।

কিয়, ঘৰলৈ আকৌ— তেওঁ দুবাহুত ধৰি থিয় কৰাই দিলে তাইক।

ঘৰবোলোতে প্ৰথমে অতদিনে মাক-দেউতাক-ককায়েকৰ সৈতে থাকি অহা পৰিৱেশৰ কথাহে মনলৈ আহিল। তাৰপাছতহে তাই নিজকে সকীয়ালে এয়া এতিয়া সেয়া ঘৰ নহয়। য'ত ভোক লাগিলে চিঞৰিব পাৰি— 'মাঁ ভাত দে'। য'ত কাপোৰবোৰ পুৰণি হ'লেই খুজিব পাৰি 'দেউতা; পইচা দে। নতুন এযোৰ কিনিবৰ হ'ল।' ককায়েকক ক'ব পাৰি মোক অ'ত থৈ আহ; ত'ত থৈ আহ।

এয়া এক নতুন ঘৰ। য'ত সুখো তাইৰ, দুখো তাইৰ। এই ঘৰৰ এতিয়া প্ৰতিটো কথাই স্বামীৰ সন্মানৰ সৈতে জড়িত।

ভিৰ ফালি তেওঁ দুচকীয়া বাহনখন চলাই চলাই আগবাঢ়িল। পাছফালে তাই। সদায়তো বহি আহিছে তাই এনেকৈয়ে তেওঁৰ পাছৰফালে। এনেকৈ দুয়ো আগতে মহাবিদ্যালয়লৈও অহা যোৱা কৰিছিল, তাৰপাছত বিশ্ববিদ্যালয়লৈও আৰু আজি কইনা হৈও..।

বুকুৰ ভিতৰত শোকে কিছু খুকাখুন্দা লগাইছিলেও হয়তো, কিন্তু তাতকৈ হাজাৰ গুণে মধুৰ আৰু মুল্যবান আছিল এই সময়খিনি।

— শুনা।

— কোৱা।

— কোনো নথকা ঘৰখনত সোমাওঁতে মনটো বেয়া লাগিলেও চম্ভালি ল'বা। আমি সদায় এনেকৈয়ে চলিব লাগিব।

— নিশ্চয়....।

— কোনেও আদৰি নিনিয়ে তোমাক। চকুলো নটুকিবা।

— নটুকু। তোমাকতো দৰা বুলি মোৰ ঘৰখনে আদৰি নিয়া নাই, সোণৰ হাৰ পিন্ধাই চেলেং চাদৰত ধৰি ভিতৰলৈ সমুৱাই নিয়া নাই। তুমি নিজৰ দুখ প্ৰকাশ পাবলৈ নিদিলেও বুজো মই। অতদিন ধৰি ভালপাই আহিছো যে তোমাক।

গেট খুলি দুয়ো আগবাঢ়িল। বাৰাণ্ডাৰ চকীত বহি কোনোবা তেওঁলোকৰ বাবে অপেক্ষাত। কোন হ'ব পাৰে, ভাৰাঘৰৰ মালিকেই হ'ব কিজানি। যিমানে ওচৰ চাপি আহিল সিমানেই স্পষ্ট হৈ আহিল ৰজনীগন্ধাৰ থোপা, উপহাৰ আৰু চাকি ধুপৰ কাঁহী লৈ এযোৰ আগ্ৰহী হাত, উকলিমুখৰ এযোৰ হাঁহি থকা ওঁঠ। অপৰূপাই লৰি গৈ মানুহগৰাকীক সাৱটি ধৰিলে।

— ৰহমান বাইদেউ। আপুনি মোক আচৰিত কৰি দিলে।

— দিয়াচলাই আছে? ৰহমান বাইদেৱে ভিনদেউক খুজিলে।

দুয়ো মিলি চাকি ধুপ জ্বলাই উকলিৰে অপৰূপা আৰু স্বামীক ভিতৰলৈ আদৰি নিলে। তেওঁলোকৰ ল'ৰা-ছোৱালী দুটিয়ে ভিতৰখন সজাই-পৰাই তুলিলে।





অপৰূপাক ৰহিব দিয়া হ'ল। কোৱা হ'ল আজি ন-কইনাক একো কৰিবলৈ দিয়া নহ'ব। অপৰূপাই বহাৰ পৰাই তেওঁলোকৰ উৎসৱমুখৰ ব্যস্ততা চাই থাকিল। ৰহমান বাইদেউ তাই শিক্ষকতা কৰা বিদ্যালয়ৰ সহকৰ্মী হে মাথোন। অথচ কিমান আত্মীয়তা সঁচাকৈয়ে, তেজৰ সম্পৰ্ক বহু সময়ত গৌন হৈ ৰয়, মুখ্য হৈ পৰে হৃদয় আৰু হৃদয়ৰ সৈতে জড়িত সম্পৰ্ক।

(২)

তেওঁ বুজে আৰু অপৰূপাক তেওঁ বুজে কাৰণে জনাই— নজনাই তাইৰ বাবে কিবা-কিবি বান্ধিবলৈ আখলত সোমায়। পিছে ৰান্ধাতকৈ লেতেৰা কৰে বেছি। কটাৰীৰে আলু-পিয়াজবোৰ ঘপিয়াপৰলৈ ধৰে। পাঁচলিবোৰে ভয়তে কটাৰীৰ তলেৰে সাউতকৈ জাপ মাৰি আহি শোৱনি কোঠাৰ দুৱাৰমুখ পাইহি। তাই হাঁহে আৰু হাঁহি হাঁহি তেওঁক এনে কাম কৰিবলৈ বাৰন কৰে।

বহু দেৰি বহি থাকিলে তাইৰ ভৰি ফুলে। সেয়ে খৰখেদাকৈ অফিচৰ পৰা আহিয়েই তেওঁ তাইক খোজ কঢ়াবলৈ লৈ যায়। হাতত ধৰাধৰিকৈ আওহতীয়াবাট এটাৰে আগবাঢ়ে দুয়ো। গাড়ী-মটৰৰ ভিৰ কম বাটটোত। সেয়ে শুনাব পাৰি গান, কৈ কৈ যাব পাৰি অন্তৰৰ উজান দিয়া সকলো কথা। তেওঁ আলফুলে কাণ থৈ চায়- আঃ- অপৰূপাৰ উদৰতো যে আছে হৃদয় স্পন্দন।

— শুনা।

— কোৱা।

— এনে সময়ত তোমাৰ বৰ অযত্ন হৈছে অপৰূপা।

— হোৱা নাই। তেনেকৈ কিয় ভাবিছা।

— মই দুয়োখন ঘৰলৈ খবৰ পঠাইছো।

— কিয় পঠাইছা? ইমান দিনে খবৰ লৈছে জানো?

— তেওঁলোক বাৰু সংকীৰ্ণ। কিন্তু তুমিতো উদাৰ। তেজৰ সম্পৰ্ক বুলিওতো কথা এষাৰ আছে। সেই হেতুকে খবৰ দিয়া উচিত।

— মোৰ বাবে সদায় হৃদয়ৰ সম্পৰ্ক ডাঙৰ।

—জানো হৃদয়ৰ সম্পৰ্ক গুৰুত্ব দিয়া বাবেইতো আজি আমি এনেদৰে একেলগে।

আবেলিৰ পৰা গধুলি হয়, গধূলিৰ পৰা ৰাতি। ৰাতিয়ে দুয়োৰে চকুৰ পতাত ওলোমাই দিয়ে ভৱিষ্যতৰ ৰঙীণ সপোন। সপোনতভাহে এধানমান এধানমান হাত ভৰি, মাৰ্বল গুটিৰ দৰে চকুৰ মণি, কেঁচুৱাৰ কন্দকলনি। প্ৰেমৰে গঢ়া, কেৱল প্ৰেমেৰে গঢ়া দেহাল উটি।

এনে এটি সপোন ওলমা ৰাতিয়েই অপৰূপা চমকি উঠিল। হেঁচুকি হেঁচুকি তেওঁক জগায়।

— কি হ'ল, কি হ'ল হঠাতে?

— মোক ডাক্টৰৰ ওচৰলৈ লৈ ব'লা।

অপৰূপাৰ সুবীয়া মাঁতটি ক্ৰমান্বয়ে কেঁকনিলৈ ৰূপান্তৰিত হৈছিল। কেঁকালৰ পৰা বৈ বৈ বৈছিল এখন বিষধাৰী নদী। দুচকীয়া বাহনত নিব পৰা নাযায় অপৰূপাক। তেওঁ পগলা মানুহৰ দৰে টেক্সী বিচাৰি অথবা অ'ট কি পোৱা যায় বিচাৰি গৈছিল। তেৱেঁইটো সপোনটি ৰোপন কৰিছিল। এতিয়া হাৰি গ'লে নহ'ব। এটা এটা মুহূৰ্তত যেন এটা এটা যুগ। অপৰূপা, অপৰূপা আৰু এখন্তেক অপেক্ষা কৰা অপৰূপা। আন্ধাৰ ৰাতি দেখা গ'ল এচমকা চলন্ত পোহৰ।

— অ'ট, অ'ট...।

— ক'ত যাব? ষ্টেচনৰ ফালে হ'লে বলক অন্যফালে নাযাওঁ।

— মই আপোনাৰ ভৰিত ধৰিছো। আমাক হাস্পাতালত নমাই দিয়ক।

অ'ট চালক জনক কাকুতি-মিনতি কৰিলে। ভগৱানক কাকুতি কৰাৰ দৰে। সপোনটিৰ সখাতিৰত। সাপোনটিক কঢ়িয়াই ফুৰা অপৰূপাৰ খাতিৰত। অ'ট চালকজন মান্তি হ'ল। অৱশেষত; অৱশেষত....।

ল'ৰা এটি হৈছে— শুভ বগা কাপোৰ পিন্ধা নাৰ্ছগৰাকীয়ে তেওঁক সু-সংবাদটি দি গ'লহি।

সুখে উখল-মাথল লগালে তেওঁৰ বুকুত। কাক ক'ব, কাক নক'ব....।

তেওঁ এই খবৰটো সকলোকে দিলে— এটি দেৱশিশু আহিছে, সৰগৰ পৰা মৰতলৈ। আঃ অপৰূপা, সমস্ত সৰগখনেই যে তুমি নমাই আনিছা।

বহু দেৰিৰ মূৰত তেওঁক কোঠাত সোমাবলৈ দিলে। অপৰূপাৰ কপালত হাত ফুৰালে তেওঁ। চেৰীফুল আঁকা কাপোৰৰ টোপোলাৰ ভিতৰত উকমুকাই আছিল তেওঁলোকৰ সপোনটিয়ে। তেওঁৰ স্পৰ্শ কৰিবলৈকে ভয় লাগিল জানোচা সপোনটি ভাঙি যায়।

এনেতে হুৰমুৰকৈ সোমাই আহিল এজাক ধুমুহা। তেওঁৰ আৰু অপৰূপাৰ দুয়ো ঘৰৰে মানুহ। সকলোৰে মুখত আনন্দ আৰু গৌৰৱৰ হাঁহি। নাতি জন্ম পাইছে তেওঁলোকৰ। ইজনে সিজনক মিঠা খুৱাবৰ পৰ্ব চলিল অলপ সময়। তাৰপাছত কেবাখনো হাত হেঁপাহেৰে সপোনটিৰ ফালে আগুৱাই আহিল একোলা ল'বলৈ। অথচ অপৰূপাৰ আঁচলৰ দুৰ্গৰে আৱৰি ল'লে সপোনটিক আৰু তাৰপাছত ধীৰে ধীৰে তুলি দিলে তেওঁৰ হাতত। সপোনটিয়ে দেউতাকৰ কোলাত উঠি অবাক হৈ মুখলৈ চালে। অপৰূপাই অস্ফুট কণ্ঠেৰে তেওঁলোকক ক'লে— মোৰ বাবে অকল হৃদয়, তেজ নহয়, তেজ নহয়....।

(৩)

দুকুঠলীয়া ঘৰটোত এতিয়া কিৰীলিৰ পয়োভৰ, মৰম আহ্লাদৰ পৰায়োভৰ। সপোনটিক দুয়ো মিলি নাম থৈছে জীউ। তেওঁলোকৰ বুকুৰ ভিতৰৰ জীউ, প্ৰেমৰ জীউ, জীৱনৰ জীউ।

তেওঁ অফিচৰ পৰা আহি ঘৰ সোমালেই জীৱে আনন্দত থেউকি থৰি থৰি এপাক বিহু নাচি লয়। কি যে নয়ন সাৰ্থক দৃশ্য সেয়া। পিতৃ হোৱাও ইমান সুখৰনে। এয়াতো সুখৰ অপাৰ সাগৰ।

জীউৱে অপৰূপাক মাতে 'মা'। আৰু তেওঁক মাতে 'তা' বুলি।

এটাই আখৰ মাত্ৰ।

এতিয়া দুয়ো ঘৰৰে অহা যোৱা চলি থাকে তেওঁলোকৰ তালৈ। ফোন কৰি জীউৰ খবৰ লৈ থাকে মাজে মাজে। অপৰূপাই ভদ্ৰতা ৰক্ষা কৰি চলে সকলোৰে লগত। তেওঁ বুজে আৰু বুজে কাৰণেই কোনো দিনে কোনো কথাতে জোৰ নিদিয়ে অপৰূপাক। তেওঁ অপৰূপাৰ পৰাই শিকিছে, সম্পৰ্ক জোৰ-জবৰদস্তি গঢ়িব নোৱাৰি। ই আপোনা-আপুনি গঢ়ি উঠে যদিহে স্পৰ্শ কৰে হৃদয়ে হৃদয়ক, চিন্তাই-চিন্তাক।

ঠেক বাৰাণ্ডাতে জোনাক পৰিছিল। জীউ টোপনি গৈছে শোৱনি কোঠাত। বাৰাণ্ডাৰ বেৰত চকীত হেলান দি বহি আছে অপৰূপাই। তেৰোঁ বহিল আহি। সংগ দিওঁ বুলি।

— কিবা কোৱা আকৌ?

— কি ক'ম? অপৰূপা আজি ভাবুক।

— ইমান কি ভাবি আছা?

— শুনিবা?

— শুনিম।

— জীউতো লাহে লাহে ডাঙৰ হ'ব, চাকৰি-বাকৰি কৰিব, বিয়া বাৰু পাতিব।

— ও, ও নিশ্চয়।

— তুমি কিন্তু কাহানিও তেজৰ সম্পৰ্কৰ দোহাই দি জীউৰ পৰা একো নিবিচাৰিবা। না মৰম, না সহায়। যদি তাৰ সৈতে আমাৰ হৃদয় সম্পৰ্ক নিবিড় হয় তেন্তে সি নিজেই আমাৰ খবৰ ল'ব, মৰম কৰিব। যেনেদৰে আমি তাক কৰো।

তেওঁ অপৰূপাৰ হাতত হাত থৈ মৌনভাৱে জোনাক চাই ৰ'ল।

সেই ৰাতি অপৰূপাৰ জ্বৰ উঠিল। লগতে হ'ল মূৰৰ বিষ, গাৰ বিষ, চকুৰ বিষ....। তাই গোটেই ৰাতি উজাগৰে কটালে। বতৰ ভাল নহয়। ফাগুন মাহ। আই দেখা দিব নেকি বাৰু? পুৱা সুৰুয উঠাৰ লগে লগে তাই নিহালি গুচাই নিজৰ শৰীৰলৈ চালে। হয়, ভবাটোৱেই হয়। সমস্ত শৰীৰত ফাগুনে ৰঙা ৰঙা অগনন বুটা বাছি থৈছে। ভয় লাগি গ'ল অপৰূপাৰ। এই কেইদিন তেওঁৰ অফিচত মূৰ তুলিব নোৱাৰা কাম। ছুটী ল'ব নোৱাৰে। জীউৰ আহাৰ তাইৰ গাতে লাগি থাকে। তাকো যদি ফাগুনে এশিকনি শিকায় তেতিয়া? কাম কৰা বাইজনীও বতাহী এই আহিল এই গ'ল। চকুৰ পচৰতে কামকেইটা কৰি উধাও হয়। কি কৰা যায়, কি কৰা যায়!!

তেওঁ চিন্তিত হ'ল। অলপ সময় বাৰাণ্ডাত পায়চাৰি কৰি আহি পুনৰ কোঠাত সোমাল।

— শুনা।

— কোৱা।

— তোমাৰ মাৰলৈ ফোন কৰি জনালো।

— কি ক'লে?

— ক'লে মাছ-মাংস আদি গৰম বস্তু খাবলৈ নিদিবা, ভাল হৈ যাব।

— হুম্।

— মোৰ মাৰলৈও ফোন কৰি জনালো।

— কি ক'লে?

— ক'লে জিৰণি লৈ থাকিবলৈ দিবা ভাল হৈ যাব।

— হুম্।

দুয়ো নিমাত হৈ ৰ'ল কেই পলকমান। ঘৰুৱা আউল মাৰি যেনে তেনে কামলৈ ওলাই গ'ল। তেওঁ জীয়ে পাটীত বহি অকলশৰে পুতলা খেলি থাকিল। শোক উজাই আহিল অপৰূপাৰ বুকুলৈ, বুকুৰ পৰা চকুলৈ। হঠাতে বাজি উঠিল ফোনটো। বহমান বাইদেউ নামটো স্ক্ৰীনত ভাহি আছে। তেওঁলোকৰ বিয়াৰ পাছতে বহমান ভিনদেউ চাকৰি সূত্ৰে অন্য বদলি হোৱাত বাইদেৱেও ল'ৰা-ছোৱালী দুটাক লৈ ভিনদেউৰ লগতে গুচি গৈছিল। কেইছিল জীৱনটো বৰ চুটি জানা। পিছত যদি এওঁৰ সৈতে কিয় সেই মধুৰ সময়খিনি নকটালো বুলি আফচোচ কৰিবলগীয়া হয়। এনেকুৱা আবেগিক বহমান বাইদেউ।

— 'হেল্ল'....।

— অপৰূপা, তোমাৰ কিবা এটা কথাত ফোন কৰিছিলো। তেওঁ ক'লে তোমাৰ গা বেয়াৰ কথা।

— আপোনালৈ মনত পৰিছে বাইদেউ।

— মোৰো। মই তাত থকাহেঁতেন অন্ততঃ জীউক আনি আমাৰ ঘৰতে কেইদিনমান ৰাখিলো হয়। তোমাৰো সকাহ হ'ল হয় আৰু তাৰ স্বাস্থলৈও চিন্তা কৰিব লগা নহ'লহেঁতেন।

— মই জানো, অন্তৰেৰে জানো, আপুনি কৰিলে হয়.......।

— তোমাৰ কাৰণে সদায় দোৱা কৰিম। সাৱধানে থাকিবা অলপ। কিবা এটি মই দূৰৰ পৰাই পঠিয়াম। শুনি চাবাচোন, এনে সময়ত শৰীৰ, মন দুয়োটাই শাঁত পৰিব।

বিচ্ছিন্ন হৈ পৰিল সংযোগ। বুটা বছা শৰীৰ লৈ অপৰূপা তেনেকৈয়ে পৰি ৰ'ল শেতেলিত। অকণমান পাছত ম'বাইলটোত কিবা এটি বাৰ্তা আহিল বহমান বাইদেউৰ পৰা ইণ্টাৰনেট অন্ কৰি অপৰূপাই বাৰ্তাটি খুলিলে। ক্ষুদ্ৰ যন্ত্ৰটোৰ পৰা মহাপুৰুষজনাৰ বৰগীত এটি শান্তিৰ এখনি বিশাল নৈ হৈ নিগৰি নিগৰি ওলাই আহিল—

'পাৰে পৰি হৰি কাৰোহো কাতৰি প্ৰাণ ৰাখিবি মোৰ<br>
বিষয় বিষধৰ বিষে জৰজৰ<br>
জীৱনে নাৰহে মোৰ....।'

জুইৰ লেলিহান শিখাৰ দৰে দহি থকা ৰঙা বুটা বছা শৰীৰটো যেন ধীৰে ধীৰে শাঁত পৰি গ'ল। মন মগজুৰ প্ৰতি কোঁহে কোঁহে সেই সুললিত সুৰ শাখা-প্ৰশাখা মেলি সোমাই পৰিল আৰু সৌৰবাই দিলে— তেজৰ সম্পৰ্কই সকলো নহয়, প্ৰকৃততে হৃদয়েৰে গঢ়া সম্পৰ্কহে প্ৰকৃত সম্পৰ্ক। □





# প্ৰতীক্ষা

✍ গায়ত্ৰী শৰ্মা
*স্নাতক, ১ম ষাণ্মাসিক*

গভীৰ ৰাতি ক'তো কাৰো সাৰ-সুৰ নাই। মাক আৰু ৰূপহীৰ মুখলৈ চাই ৰমেনে সকলো মায়া মমতা সামৰি জীৱনৰ লক্ষ্য কি হ'ব মনতে স্থিৰ কৰি ওলাই গ'ল বহু দূৰলৈ। ক'ত গ'ল কেতিয়া আহিব কাকোৱে একো নকলে। দিন বাগৰি গ'ল। সময়বোৰে কালমায়া ৰূপ ধৰি ৰমেনৰ মাকক খেদি ফুৰিলে। মাকৰ চকুত সদায়ে ধাৰাসাৰে বৈ থাকে চকু পানী। গাভৰু বোৱাৰীক লৈ ৰমেনৰ মাকে দিন নিয়াব ধৰিলে। নিৰুপায় হৈ এদিন মাকে ক'লে— ৰূপহী মই আগৰ সন্মান কাতি কৰিলোঁ কাইলৈৰ পৰা মই বজাৰ কৰিবলৈ যাম। বাৰীয়ে ঘৰে যি পোৱা মোক গোটাই দিবা। ৰূপহীয়ে কান্দি কান্দি ক'লে— মা দেউতা এইখন গাঁৱৰ গাঁওবুঢ়া আছিল। সা-সম্পত্তি আছিল, মান-সন্মানো কোনোফালে ক'ম নাছিল। আপুনি বাৰু মূৰত পাঁচিটো লৈ কেনেকৈ যাব? মাকে ক'লে— নহয় নহয় জীয়াই থাকিবলৈ মানুহক সংগ্ৰাম লাগে। দেউতাৰাৰ সকলোবোৰ এতিয়া শেষ হৈ গ'ল। আমিও নেখায় মৰিব নোৱাৰো। শনিবাৰৰ দিনা বজাৰ বহে। জলকীয়া, আদা আৰু বঙালাও এটা লৈ ৰমেনৰ মাক বজাৰলৈ ওলাল। ঘৰৰ বাহিৰ নোহোৱা মানুহ এনেকৈ ওলোৱা দেখি সকলোৱে চালে। মানুহবোৰে ক'বলৈ ধৰিলে "কিয় নবেনে আপোনালোকক নেচায় নেকি?" ৰমেনৰ মাকে ক'লে— চায়। মোৰ পোৰা কপাল সকলোৱে চালেও ভাত-কাপোৰ নাপাওঁ। গতিকে নিজেই যোগাৰ কৰিম।" দহজনৰ দহ কথা শুনি বজাৰ সামৰি কুৰি টকা হাতত লৈ কিবা-কিবি কিনি ঘৰলৈ আনিলে।

সা-সম্পত্তিৰ মালিক যদু গাঁওবুঢ়াৰ কথা সাত গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ জানে। সম্পত্তি খাবলৈ ভাগিন চপাই আনিলে। কিন্তু আজি....। পদুলিত বোৱাৰী বৈ আছে মাকৰ অপেক্ষাত। ভৰি ধুবলৈ পানী দিলে। মাকে ক'লে আয় ঔ কাৰো কথা নুশুনিবি দৰকাৰ হ'লে আমি দিন হাজিৰা কৰিম তথাপি কাৰো ওচৰত হাত নাপাতিম। নবেনে চকুৰ আগতে ধন-সোণ কাঢ়ি নিয়া দেখি ৰমেনৰ মাকৰ পাপি পুত্ৰৰ প্ৰতি বিশ্বাস হেৰাই গৈছে। পিতাৰ অতীত জীৱনৰ কথা বোৱাৰীয়েকক ক'বলৈ ধৰিলে— মই বহু বছৰ সন্তানহীন আছিলো আই। দেউতাৰা গুণিলোক আছিল দ্বিতীয় বিবাহ কৰাবলৈ সন্মত নহ'ল। মোক বুজাইছিল মোৰ ল'ৰা বা ভনীৰ ল'ৰাৰ মাজত কোনো বিভেদ নাই। গতিকে চম্পাৰ ল'ৰা এটাকে নিজৰ ল'ৰা কৰি লওঁ। সি আমাক বিপদত চাব। মইও সন্মত হ'লো। দান পত্ৰ কৰি নবেনক নিজৰ ল'ৰা কৰিলোঁ। চহৰত পঢ়ুৱাই থাকোঁতে দেউতাৰা নৰিয়াত পৰিল। নৰিয়া গাৰে মাটি বেছি তাক পঢ়ুৱালে। ডাঙৰ মানুহক জহা চাউল, গাখীৰ, মাছ খুৱাই নবেনক চাকৰি দিলে, এতিয়া মোৰ দুৰ্গতি দেখিলি। ৰমেন বৰ দুৰ্ভগীয়া। আমাৰ বিয়া হোৱাৰ ওঠৰ বছৰ পিছত বুঢ়া বয়সত তাৰ জন্ম। মোৰ ল'ৰাটো জন্ম পোৱাৰে পৰা মাক পুতেকৰ চকু ফুটিল। সকলোবোৰ সা-সম্পত্তি পুতেকৰ হ'ব বুলি ভবা পেহীয়েৰাই ৰমেন জন্মত বৰ কষ্ট পালে। ককায়েকক কৈ মেলি চহৰৰ মাটি এবিঘা নামজাৰি কৰি ল'লে। এতিয়া সি থাকে ডাঙৰ ঘৰত মই থাকো খেৰৰ চালিত। মনৰ অশান্তি বঢ়াৰ লগে লগে বেমাৰো বাঢ়িল। ল'ৰাটিৰ ১৩ বছৰ বয়সতে তেওঁ আমাক এৰি গুচি গ'ল। মই জীয়াই আছো ল'ৰাটিৰ বাবে। তাক মই হেৰাই যাব দিব নোৱাৰো। কান্দি কান্দি বুঢ়ী অচেতন হ'ল। ৰূপহীয়ে কি কৰিব উপায় নাপায় মূৰত পানী দিলে। বহুতো যত্নৰ পিছত মাকে মাত লগালে। চাউল এমুঠি সিজাই ৰূপহীয়ে মাকক ক'বলৈ ধৰিলে— বাৰু মা, সংসাৰত ধন নাথাকিলে মানুহ জীয়াই থাকিব নোৱাৰে নেকি? পাৰে আই পাৰে। মনৰ বল ধনৰ বলতকৈ বহু বেছি। আজিৰ ৰূপহী শোৱাৰ পৰা বহিল। চুলিকোছা বান্ধি ক'বলৈ ধৰিলে— মা, মই ক'লৈ যাম মোৰচোন কোনো নাই দেউতাৰ মুখেই নেদেখিলো। মায়ে অলপ বুজি আপোনাক গতালে। এতিয়ালৈকে মাৰ একো খবৰকে পোৱা নাই। জীয়াই থকা হ'লে মোক চাবলৈ এবাৰ আহিলহেঁতেন। চাহাব বৰ বেয়া মানুহ মা....। মা মৰিল নে বাচিল এটা খবৰো নিদিলে মোক। এৰা আই, আমাৰ জীৱনৰ বিলাই-বিপত্তি কোনেনো শুনিব? শুই থাক বুলি মূৰ পিহি পিহি শুৱাই ল'লে। টোপনি নাহিল। ৰূপহীয়ে ৰাতিপুৱা ঘৰৰ কাম শেষ কৰি দাখন হাতত লৈ বাৰীলৈ গ'ল। বহু বছৰ চন পৰি থকা মাটি ঘাঁহ বনেৰে ভৰি পৰিছে। মাক বিচনাতে আছে। বন-জংগল চাফ কৰিবলৈ লৈছেহে মাথোন। ওচৰতে থকা পেহীয়েকে গালি পাৰিবলৈ আৰম্ভ কৰিলে। গাভৰু ছোৱালী হৈ আছে তাই। পালনীয়া হৈ বোৱাৰী হ'লা, এতিয়া গিৰিহঁত নাই। গুচি যা। বুঢ়ীয়ে সাৰ পাই চোতালৰ পৰাই মাত লগালে। দুয়োখন ঘৰৰ কাজিয়া লাগিল, মানুহো গোট খালে। সুখৰ এবছৰ দুখৰ প্ৰতিদিন। বাহিজেও বুঢ়ীক বহু সহায় কৰিলে। পালিত পুত্ৰ নবেনক ত্যাজ্যপুত্ৰ কৰিলে। ৰজাঘৰতে বিচাৰ হ'ল— হাকিমৰ পৰাও ত্যাজ্যপুত্ৰ কৰাৰ অনুমতি পালে। পেহীয়েকৰ খং আৰু বাঢ়িল। সদায় গালি-শপনি, হাই-কাজিয়া চলি থাকিল

ৰূপহীৰ কঠোৰ শ্ৰমৰ ফলত সিঁহত স্বাৱলম্বী হ'ল। সময় পালে বুঢ়ীয়ে দেশৰ খবৰ লয়। শাল-সূতা একোকে নেৰে সিহঁতে। গাঁৱৰ ছোৱালীবোৰ ৰূপহীৰ লগতে লাগি থাকে। হঠাৎ এদিন বজাৰৰ পৰা আহি মাকে ৰূপহীক ক'বলৈ ধৰিলে। মই শুনিলো আই হোটেলত কামকৰা ল'ৰা এটাই হেনো মেট্ৰিক পাছ কৰি চতুৰ্থ স্থান দখল কৰিলে মোৰ আনন্দ লাগিছে। ল'ৰাটিৰ নাম মোৰ বোপাৰ লগত একে। ৰমেন ক'ৰবাত থকা হ'লে। এটা হুমুনীয়াহ কাঢ়ি কান্দিছিল। বুঢ়ী বয়সীয়াল হৈ পৰিল। দুখীয়া মানুহবোৰ প্ৰায়ে সিহঁতৰ চোতালত গোট খায়। জীয়াই থকাৰ উপায় বিচাৰি ২০ জনী মহিলাই সমবায় গঢ়ি তুলিলে। চৰকাৰী প্ৰতিষ্ঠানৰ লগত যোগাযোগ কৰি কৃষি বিভাগৰ পৰা ঋণ যোগাৰ কৰিলে। পাট পলু পুহি সমবায়খনে লাভবান হ'বলৈ ধৰিলে। ৰাইজৰ লগতে চৰকাৰৰো চকুত পৰিল। পালিত পুত্ৰ নবেন আছিল কৃষি বিষয়া। গাঁওখনো নিজৰ। সেয়েহে কাম চাবলৈ তেওঁ আহিল। আশা পালি আগ্ৰহেৰে বাট চোৱা বেচেৰীহঁতৰ মনৰ আশা চূৰমাৰ হ'ল। পাব লগা টকাও বন্ধ কৰি দিলে নবেনে। ৰূপহী সহজতে হাৰমনা বিধৰ নাছিল। পুনৰ চেষ্টা কৰি মৃত্যুমুখী মহিলা সমিতিখন আকৌ গঢ়ি তুলিলে। চৰকাৰ পুনৰ গঠনৰ সময়ত নতুন প্ৰাৰ্থীৰ আগমন আৰম্ভ হ'ল। ৰাইজৰ প্ৰতিক্ৰিয়া .... এইবাৰ হেনো ঘৰ-দুৱাৰ নথকা ডেকা ল'ৰা এটাক প্ৰাৰ্থীত্ব দিব, তেওঁকে ৰাইজেও ভোট দিব। ধনী মানুহক আৰু ধনী নকৰো টকা বিলাই ৰজা হ'লে আমালৈ নাচায়। চাহ বাগিচাৰ মালিক অমল বাবুই ল'ৰাটোক প্ৰাৰ্থীত্ব দিছে। যথা সময়ত খবৰ ওলাল যুৱকজনে বিজয়ী হৈছে। শপত গ্ৰহণ কৰি কাৰ্যভাৰ ল'লে। এদিন ৰূপহীহঁত তেওঁৰ ওচৰলৈ গ'ল ৰূপহীক দেখাৰ লগে লগে ৰমেন থমকি ৰ'ল। মনৰ ঢৌ সামৰি দুই এদিনতে তেওঁ গাঁৱলৈ যাম বুলি কথা দিলে। ৰূপহীয়ে মাত লগালে.... নহয় ছাৰ, আমি বিশেষ এটা কামৰ বাবেহে আহিছো। আগত সকলো কথা ক'ব নোৱাৰি, স্থানীয় বিধায়কজনে ক'লে কি লাগে কোৱাচোন? ৰূপহীহঁতে সমস্বিতে মাত লগালে— কম খৰচত বাৰ মাহে ফুলা ফুল ৰব বিচাৰিছোঁ। অসমত ফুল কিনাৰ বাবদ দৈনিক বহু টকা ওলাই যায়। আমাৰ মাটিতো ভাল ফুলৰ খেতি হয় ছাৰ। আমি তাৰ বাবে আপোনাৰ পৰা সময় বিচাৰিছো পিছে তোমালোকে বজাৰৰ চাহিদা পূৰাব পাৰিবা। মাটি ক'ত পাবা? মহিলাজাকে একেলগে মাত লগাই ক'লে— ৰূপহীয়ে নিজৰ মাটিতে আমাক ফুল কৰবলৈ দিব। ৰূপহীয়ে ক'লে— মোৰ দেউতা নাই ছাৰ। মায়ে গাঁৱৰ বুঢ়া মাৰ ওচৰত থৈ বেমাৰ চাবলৈ চহৰলৈ গৈছিল। তেতিয়া মোৰ হেনো ৬ বছৰ বয়স আছিল মা ঘূৰি নাহিল। ১০ বছৰ হ'লত গাঁওবুঢ়ী আয়ে তেওঁৰ একমাত্ৰ ল'ৰা ৰমেনৰ লগত মোৰ বিয়া পাতিছিল। শহুৰ দেউতাৰ অন্তিম ইচ্ছা পূৰণ কৰিবৰ বাবে পাতিছিল এইখন বিয়া। গাঁওবুঢ়া দেউতা ঢুকোৱাৰ পিছত এদিন মা আৰু মোক এৰি মোৰ স্বামীও ক'ৰবালৈ গুচি গ'ল। তেওঁ ক'লৈ গ'ল ক'ব নোৱাৰো ছাৰ। শাহু মাও এতিয়া বিছনাত পৰি আছে। এই মহিলা সমিতিখনে মোৰ সৰ্বস্ব ছাৰ। অলপ সহায় কৰি আমাক আদৰ্শ মহিলা হ'বলৈ সাহস দিয়ক। ৰূপহীৰ কথা শুনাৰে পৰা ৰমেনক অতিকে আমনি কৰিবলৈ ধৰিলে। ইফালে ঘৰ পাই ৰূপহীয়ে মাকৰ আগত দুখীয়াৰ কথা শুনিব খোজা মানুহ এজন লগ পোৱাৰ আনন্দ কৈ শেষ কৰিব নোৱাৰা হ'ল। মাকে ক'লে— "মই লগ পালে ঘৰ সাজিবলৈ মাটিয়ে দিলোহেঁতেন। আমাৰ গাঁৱলৈ আহিলে ফুলৰ মালা আৰু এখন গামোচা বই দিবি। সময় বাগৰি গ'ল। ৰাইজৰ ওচৰলৈ ৰমেন আহিল। আবেগ সামৰিব নোৱাৰি ক'বলৈ ধৰিলে— সমাজ সচেতন হ'লেহে ৰাইজৰ শান্তি থাকিব পাৰিব। ময়ো আন এঠাইৰ মাক বাপেক নথকা ল'ৰা নহয়। এইখন গাঁৱতেই জন্ম মোৰ। অন্যায়ৰ প্ৰতিবাদ কৰিব নোৱাৰি সাহস গোটাবলৈ ওলাই গৈছিলো। মই গাঁওবুঢ়াৰ দুৰ্ভগীয়া সন্তান ৰমেন। ভাগ্যই মোক উপহাস নকৰিলে। মাগি খোৱা আয়ে আজিও নাজানে মই যে তেওঁৰ সন্তান।

ৰাইজৰ মাজত হুল-স্থুল লাগিল। আটায়ে আনন্দত আত্মহাৰা হ'ল। গাঁওবুঢ়া যেনে পৰোপকাৰী মানুহ আছিল পুত্ৰও আজি তেনে বাটেৰে আগবাঢ়িছে। ৰূপহীয়ে আনন্দত আত্মহাৰা হ'ল। মিটিঙৰ অন্তত সকলোৱে ৰমেনক নানা ধৰণে আদৰ সন্মান জনালে। ৰূপহীক হাতত ধৰি ৰমেন নিজঘৰত পদাৰ্পণ কৰিলে। হেৰোৱা পুত্ৰক পাই ৰমেনৰ মাকে ৰমেনক সাৱটি ধৰিলে। বুঢ়ীৰ অপেক্ষাই সৌভাগ্য হৈ ধৰা দিলে। ❑

■ ■ ■

## জানিবলগীয়া কথা ঃ

- ইংৰাজী ভাষাৰ আটাইতকৈ বেছি ব্যৱহৃত আখৰটো হ'ল 'E' আৰু আটাইতকৈ কম ব্যৱহৃত আখৰটো হ'ল 'Q'
- মানুহৰ মূৰৰ চুলিবোৰৰ আয়ুস '২'ৰ পৰা '৬' বছৰ। চেলাউৰিৰ নোমবোৰৰ আয়ুস মাত্ৰ '১০' সপ্তাহ।
- শিক্ষাই হৈছে মূল আধাৰ যি মানৱ জীৱনলৈ সুখ শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।





# মহানুভৱতা

✍ পল্লৱী বড়ো
উঃ মঃ, প্ৰথম বৰ্ষ

আবেলি ৪.৩০ মান বজাৰ সময়ত হীৰকে কলেজৰ পৰা চাইকেলেৰে আহি যেতিয়া ৰাস্তাটো পাৰ হ'বলৈ চাইকেলৰ পৰা নামে তেতিয়া হঠাতে তেওঁৰ কানৰ এজনী সৰু ছোৱালীৰ উচুপনীৰ শব্দ শুনিলে ।দোকানৰ অলপ আগত আনুমানীক ৬-৭ মান বছৰ বয়সৰ এজনী সৰু মৰমীয়াল ছোৱালীয়ে হাত দুখন চকুত লৈ উচুপি কান্দি আছে। হীৰকে চাইকেলখন ঘূৰাই লৈ ছোৱালীজনীৰ ওচৰলৈ আহিল। হীৰকে ছোৱালীজনীৰ চকু পানী মুচি দিলে। তাইৰ নামটো সুধিলে— ছোৱালীজনীয়ে ভঙা ভঙা মাতেৰে নিজৰ নামটো শ্ৰীপূৰৱী শইকীয়া বুলি কলে তাই উচুপি কান্দি কলে যে বনভোজলৈ অহা স্কুলীয়া বাছখন অলপ সময়ৰ বাবে ৰখাইছিল। লগৰীয়াৰ লগত দোকানত মিঠাই কিনিবলৈ বাছৰ পৰা তাই নামিছিল। লগৰীয়া সকলে মিঠাই কিনাৰ পাছত তাই চকলেট তিনিটা কিনিলে বেগত ভৰাই থাকোতে বাছখনে তাইক এৰি গুচি গ'ল। হীৰকে বেছি দেৰি নকৰি পূৰৱীৰ বেগখন চাইকেলত তুলি ল'লে আৰু পূৰৱীক চাইকেলত বহাই ল'লে। হীৰকে চিন্তা মনে ঘৰমুৱাকৈ চাইকেল মাৰিলে। হীৰকে ৫.৩০ মান বজাত ঘৰ আহি পালে। ভাই-ভনী মিণ্টি আৰু দেৱজীত পঢ়ি আছিল, আৰু মাকে পাক ঘৰত চাহ বনাই আছিল। হীৰকে পূৰৱীক চাইকেলৰ পৰা নমাই বেগখন পূৰৱীৰ হাতত দিলে। হীৰকৰ মাত শুনি মাকে বাহীৰত ওলাই আহিল। বগা-নীলা স্কুলৰ পোছাকৰ সৈতে মৰম লগা ছোৱালীজনীক দেখি মাকে হঠাতে থমকি ৰ'ল। মাকে হীৰকৰ মুখলৈ চাই সুধিলে কোন এই মাইনা জনী ? হীৰকে একো উত্তৰ নিদি হাতত ধৰি কুৱাৰ পাৰলৈ লৈ গৈ ভৰি-হাত ধুৱাই ঘৰৰ ভিতৰত সুমুৱাই। তেনে সময়তে দেউতাকেও মন্দিৰৰ পৰা ওলাই আহিল। হীৰকে চকিখনত বহিল। মাকে পূৰৱীক দাণ্ডি বিচনাত বহুৱাই থলে। হীৰকে মাকক কথাবোৰ কবলৈ ললে— কথা বতৰা মাত শুনি মিণ্টি আৰু দেৱজীত পঢ়া টেবুলৰ পৰা উঠি আহিল। দেউতাকেও দুৱাৰ মুখতে থিয় হৈ শুনি থাকিল। সকলো বোৰ কথা জনা শুনাৰ পাছত পূৰৱীৰ ঠিকনা বিচৰা হৈছিল যদিও কোনো ঠিকনা বিচাৰি পোৱা নগল। প্ৰথম কেইদিনমান পূৰৱী কাৰো সৈতে ভাল দৰে কথা বতৰা খেল-ধেমালি কৰা নাছিল যদিওঁ কিছুদিন পাৰ হোৱাৰ পিছত পূৰৱীয়ে লাহে লাহে মিণ্টি আৰু দেৱজীতৰ সৈতে মিলিবলৈ ধৰিলে...। এদিন গধূলী সময়ত পূৰৱীয়ে দৌৰি গৈ পাকঘৰত থকা হীৰকৰ মাকৰ ওচৰত গৈ 'মা মোৰ ভোক লাগিছে' বুলি কৈ উঠে...। পূৰৱীৰ মুখৰ পৰা 'মা' শব্দটো শুনি মাকে পূৰৱীক আকোৱালী ললে....। হীৰক, মিণ্টি, দেৱজীত আৰু দেউতাকেও পূৰৱীৰ মুখলৈ একেথিৰে চাই থাকিল....। এনেদৰে লাহে লাহে সকলোৰে মনত পূৰৱীলৈ মৰম জাগে হীৰকৰ মাক দেউতাকে পূৰৱীকো নিজৰ সন্তানৰ দৰে মৰম আদৰ কৰিব ধৰিলে। তেওঁলোকে পূৰৱীক গাওঁৰে প্ৰথমিক বিদ্যালয়ত নাম ভৰ্তি কৰি দিলে। মাকে সদায় পূৰৱীক স্কুললৈ লৈ যায় আৰু চুতিৰ পিচত ঘৰলৈ লৈ আহে। এনেদৰে দুমাহ মান যোৱাৰ পাচত দুজন মানুহে পূৰৱীক বিচাৰি হীৰকহঁতৰ ঘৰত আহে.... সেইদিনা ৰবিবাৰ আছিল। সকলোৱে ঘৰত আছিল পূৰৱীৰ সৈতে হীৰক, মিণ্টি আৰু দেৱজীত সকলোৱে মেলি হুলস্থুল কৰি আছিল... মাক দেউতাকে সিহতৰ খেল দেখি হাঁহি আছিল....। এনেতে বাহিৰত কোনোবাৰ মাত শুনি মাক দেউতাকে বাহিৰলৈ ওলাই আহি আচিনাকি মানুহ দুজনক দেখিলে তেওঁলোকক বাৰান্দাতে বহিবলৈ দিলে। মাকে ভিতৰত সুমাই দুগিলাছ পানী আনি মানুহ দুজনক খাবলৈ দিলে। পানী খাই মানুহ দুজনে পূৰৱীৰ কথা সুধিলে.....। বাহিৰত কোনোবা অহা গম পাই পূৰৱীৰ সৈতে সিহতেওঁ ওলাই আহিল....., পূৰৱীয়ে মিণ্টিৰ হাতখন এৰি দৌৰি গৈ দেউতা-দেউতা, বুলি পূৰৱীয়ে দেউতাকক সাবটি ধৰিলে। দেউতাকেও পূৰৱীক আকোৱালি ললে। এইবোৰ দেখি হীৰকৰ মাকৰ দুচকু চকুৰ পানীৰে ভৰি পৰিল। বহুত আলাপ আলোচনাৰ পাছত পূৰৱীৰ দেউতাকে পূৰৱীক লৈ যাব ওলাল। হীৰকহঁতৰ পৰিয়ালৰ সকলোৱে পূৰৱীৰ সৈতে আৰু কেতিয়াওঁ একেলগে থাকিব নোপোৱাৰ দুখতচকুলো টুকে। যোৱাৰ সময়ত পূৰৱীয়ে উচুপি উচুপি কান্দে আৰু কয় মা, দেউতা, হীৰক, দেৱজীত দাদা আৰু মিণ্টি বা মই আকৌ আহিম তোমালোক নাকান্দিবা দেই....। পূৰৱীয়ে যোৱাৰ পাছত হীৰকহঁতৰ সকলোৰে পূৰৱীলৈ মনত দুখ-বেজাৰ লাগি থাকিলে। কেতিয়াবা মাকে পূৰৱী অহা বুলি বাৰে বাৰে বাটলৈ চায়....। মিণ্টি আৰু দেৱজীতৰ লগত খেলিবলৈ এতিয়া কোনো মাইনাওঁ নাই ...। এদিন হঠাতে হীৰকে দৌৰি দৌৰি আহি মাঁ মা ক'ত আছা.... ? তোমালোকে ক'ত আছা ওলাই আহা চোৱাহি পূৰৱী আহিছে। ঘৰৰ সকলোকেইজন বাহিৰলৈ ওলাই আহি দেখিলে পূৰৱীয়ে প্ৰধান শিক্ষয়িত্ৰীজনক হাতত ধৰি তেওঁলোকৰ ঘৰলৈ লৈ আহিছে লগতে পূৰৱীৰ ঘৰৰ মাক-দেউতাক আৰু তাই আগতে পঢ়া স্কুলখনৰ শিক্ষক

**শিক্ষয়িত্ৰীজনে** হীৰকহঁতৰ পৰিয়ালটোৰ মহানুভৱতাৰ বাবে আটাইকে **ধন্যবাদ জনালে;** লগতে হীৰকৰ দেউতাকক কলে যে তেওঁলোকৰ স্কুলৰ **ফালৰপৰা হীৰক,** মিণ্টি আৰু দেৱজীতৰ সকলো পঢ়-শুনাৰ খৰচ বহন **কৰিব বুলি ক'লে ।** হীৰকৰ দেউতাকে তেওঁৰ সাধ্য আনুসাৰে তেওঁলোকক আপ্যায়ন কৰিলে। তেওঁলোকে আগবঢ়োৱা প্ৰস্তাৱৰ কাৰণে ধন্যবাদ জনালে। কিন্তু সেই প্ৰস্তাবতেওঁ গ্ৰহণ নকৰিলে কাৰণ তেওঁলোকৰ পৰিয়ালটোৱে মহানুভৱতাৰ প্ৰতিদান নিবিচাৰে। ❑

■ ■ ■

## কোনে কি কৈছিল ?

- জয় হিন্দ — সুভাস চন্দ্ৰ বসু
- কৰা নহ'লে মৰা — মহাত্মা গান্ধী
- সৰফৰুৰণী কী তমন্না অব হামাৰে দিল মে হো — ৰামপ্ৰসাদ বিস্মিল
- বন্দে মাতৰম — বঙ্কিম চন্দ্ৰ চেটাৰ্জী
- আৰাম হাৰাম হায় — জৱহৰলাল নেহৰু
- ভাৰত এৰা — মহাত্মা গান্ধী
- দিল্লী চলো — সুভাস চন্দ্ৰ বসু
- স্বৰাজ আমাৰ জন্মস্বত্ব — বাল গংগাধৰ তিলক
- ইনক্লাব জিন্দাবাদ — ভগত সিং
- সাৰে জহাঁ সে আচ্ছা হিন্দুস্থান হামাৰা — ইকবাল
- জন-গণ-মন অধিনায়ক জয় হে — ৰবীন্দ্ৰ নাথ ঠাকুৰ
- তোমালোকে মোক অলপ তেজ দিয়া মই তোমালোকক স্বাধীনতা দিম — সুভাষ চন্দ্ৰ বসু

# উদং হৃদয়ত প্ৰেমৰ পৰশ

✍ চন্দ্ৰানী কলিতা
*স্নাতক, ১ম ষাণ্মাসিক*

জোনাক............
শীতল জোনাক।
আকাশ নীলাত নয়ন নীলা
আবৰ সাগৰৰ নীৰৱ বতাহ।
ক'লা ডাৱৰৰ পৰ্দা ঠেলি
জোনাকে লুকা ভাকু খেলে,
নীলা নীলা আকাশৰ বুকুত।
শুকান আবেগ , উদং হৃদয়ত
প্ৰেমৰ পৰশৰ অনুভূতিত
দু ওঁঠত সৃষ্টি হয় কোমল হাঁহি ,
মৌনতা আৰু নিৰ্জনতাৰ ভগ্নস্তূপত
বন্দী হয় মোৰ সৰ্ব শৰীৰ।
কল্পনাই পাখি মেলি উৰি যায়
দিগন্তৰ সিপাৰলৈ...............
অসীমৰ মাজত হেৰায় দুখৰ স্মৃতি।
তৰা ভৰা নীলা আকাশ নিজম ৰাতি
চিক্-মিক্ চিক্-মিক্ পোহৰৰ ৰং,
মই বিচাৰো তোমাৰ জীৱনৰ
তেজাল পুৱা
সেউজীয়া হ'বলৈ জীৱনৰ উপত্যকা। ❑



# শীতৰ আবেলি

✍ প্ৰিয়ংকা দাস
*স্নাতক, ৫ম ষাণ্মাসিক*

শীতৰ আবেলি
নজনাকৈয়ে এদিন হঠাৎ
মনলৈ বৰষা নামিছিল
দুচকু মুদি থকাৰ পৰা
এটাও শব্দ নোহোৱাকৈ
কোৱা হৈছিল
বহুত কথা ।
নেজানো মই , তেওঁ কোন আছিল ?
যৌৱনৰ আবেগ, অনুভূতি
এটা ভগ্ন পজাত আৱদ্ধ
হৈ পৰিছিল ।
নিয়ৰৰ টোপালৰ শব্দত
হঠাৎ সাৰ পাই মই
চৌদিশে চাইছিলো
নাই কোনো নাই
মাথো দেখিছিলো
নিৰৱ নিস্তব্ধ
এটা পৰিৱেশ । ❑

## ত্যাগ আৰু অশ্ৰু


অনিন্দিতা দাস
*স্নাতক, ৩য় ষাণ্মাসিক*

মোৰ ত্যাগে যদি
কাৰোবাৰ হিয়াত বন্তি
জ্বলাব পাৰে
মোৰ ত্যাগৰ মূল্য তাতেই।
মোৰ অশ্ৰুয়ে যদি
কাৰোবাৰ দুটি ওঁঠত
মুকুতা সৰাব পাৰে
মোৰ অশ্ৰুৰ মূল্য তাতেই।
মোৰ সপোনে যদি
কেতিয়াবা বাস্তৱক স্পৰ্শ কৰে
মোৰ জীৱনৰ সাৰ্থকতা তাতেই। ❑

## কবিতা

✍ মন্দিৰা মালী
*স্নাতক, ৩য় ষাণ্মাসিক*

কবিতা তুমি মোৰ গানৰ
এপাহি সুগন্ধি ফুল।
তুমি মোৰ আবেগৰ
অনুভূতিৰ থুল।
তুমি মোৰ বিষাদৰ এচপৰা ডাৱৰ
আধৰুৱা সমীকৰণ জীৱন ছন্দৰ।
তুমি সৰগী সুৰধনী সলিলা
তোমাতেই বিচাৰো মোৰ হিয়াৰ বিনন্দিয়া। ❑



## হে জননী

✍ ৰুমী মালী
*স্নাতক, ১ম ষাণ্মাসিক*

আঁচল পাতি থিয় হৈছো
হে জননী তোমাৰ দ্বাৰত
দিয়া আই দিয়া ভিক্ষা
নকৰা নিৰাশ এই দুৰ্ভগীয়াক
কি আছে মোৰ তোমাক দিবলৈ
সকলো যে তোমাৰেই দান।
এখনি হিয়াৰ অযুত ভালপোৱা
আৰু আছে আবেগৰ বান। ❑

## নতুন তোমালৈ

✍ মিছ্‌ তছ্‌ৰিমা বেগম
*উঃ মাঃ, ১ম বৰ্ষ*

সাম্য ভাতৃত্ব স্বাধীনতা মিত্ৰতা
একান্তই যাৰ কাম্য
মোৰ প্ৰাণসম নতুন পুৰুষ
সেয়াই মোৰ বোধিবৃক্ষ। ❑





## অবুজ ভাষাৰ চকুলো

✍ বনশ্ৰী মহন্ত
*উঃ মাঃ, ১ম বৰ্ষ*

নিস্তব্ধ আকাশৰ তলত বৈ আছে
স্নিগ্ধাৰ পৰশত।
অকল শৰীয়া জীৱন পৰিক্ৰমাত
জীৱন নদীৰ নাওখন গৈ আছে,
যাওঁ অসীমলৈ।
স্বপ্ননীল দুচকুৰে বাগৰে
অবুজ ভাষাৰ চকুলো।
তথাপিও বৈ আছো এই সন্ধিক্ষণত। ❑



## তুমি

✍ অৱনীতা মালী
*স্নাতক, ১ম ষাণ্মাসিক*

তুমি বাৰু কোন?
এচাটি পচোৱা বতাহৰ দৰে
ফুলৰ ধুনীয়া কলিবোৰ।
অজানিতে ফুলিছে
মোৰ জীৱনৰ নুফুলা ফুলবোৰ
তুমি বাৰু কোন? ❑

## জয় আই অসম

✍ জুমি নাথ
*স্নাতক, ১ম ষাণ্মাসিক*

জাগ্ৰত হোৱা আজি অসমীয়া দ'ল,
নহ'লে অসম মাতৃ যাব ৰসাতল।
দিনে-নিশাই হত্যা, হিংসা, অপহৰণ,
সুৰক্ষা নাই যাব ঘৰৰ ভিতৰত।
চাৰিওফালে দেখো কেৱল হাহাকাৰ,
নিজৰ জন্মভূমিতেই নাই যাৰ অধিকাৰ।
বাংলাদেশী কাঢ়ি নিলে অসমৰ মাটি,
দুৰ্দশাত ভুগিব লাগিছে অসমীয়া জাতি।
মণিৰাম দেৱান আৰু পিয়লি ফুকন,
দেশে-বিদেশে যাৰ বৈ গ'ল খ্যাতি।
কনকলতা আছিল অসমৰ জীয়ৰী,
দেশৰ বাবে তেওঁ গুলি ললে পাতি
চিৰদিন বৈ গ'ল তেওঁৰ এই খ্যাতি
এৰাতিৰ ভিতৰতে বান্ধিলে গড়।
সেইজনা বীৰ আছিল লাচিত বৰফুকন,
দেশৰ বাবেই তেওঁ মোমায়েকক কাটিলে,
বুৰঞ্জীত ৰাখিলে নাম সুখ্যাতিৰে।
একলগ হোৱা মোৰ অসমীয়া দল,
নতুন সাহসেৰে মনত বান্ধা বল।
বীৰৰ আদৰ্শৰে আমি আগবাঢ়ি যাম,
দেশৰ বাবে আমি সকলোৰে দিম প্ৰাণ।
মাতৃৰ আশীৰ্বাদ ললো শিৰত তুলি,
জয় আই অসম বুলি দিলো প্ৰতিধ্বনি।। ❑

# মা

✍ জিন্টী দাস
*স্নাতক, ৩য় ষাণ্মাসিক*

চেনেহৰ এটি যেন মিঠা মাত মা
সকলোৰে জীৱনৰ তুমিয়ে শান্তিৰ ছাঁ।।
আশ্ৰয় নিবিড় এই সকলোৰে মা,
পৃথিবীতকৈও বিশাল তুমি মা।
পূজা আৰু ভক্তিৰ তুমিয়ে প্ৰতিমা,
তোমাৰ অবিহনে আমি নিথৰুৱা
তুমি নাথাকিলে সকলো আথৰুৱা।
মাৰ ছাঁত আমি সদায় নিৰাপদ,
মা হ'ল আমাৰ সকলো সম্পদ।
মমতাৰ প্ৰতীক যেন সকলোৰে মা,
ভগবানৰ অৱতাৰ এক তুমিয়ে মা।। ❑

# কান্দোনৰ ৰোল

✍ মিছ ৰশ্মিউল চুলতানা
*স্নাতক, ১ম বৰ্ষ*

সেয়া হৃদয়ত কান্দোনৰ ৰোল উঠিছে
বুকুখন খুব বেয়াকৈ বিষাইছে
সেয়া জানো কোনোবাই শুনিছে
মনে মনে যে উচুপি কান্দিছে।

কোনেও নুশুনে হৃদয়ৰ কান্দোন
নুবুজে মৰমৰ বান্ধোন
ভাগি যায় নিমিষতে সপোন
আপোন জনো নহয় আপোন।

চকুপানীবোৰ বিদ্ৰহী হৈ উঠে
নাকান্দো বুলি প্ৰতিজ্ঞাও কৰে
স্মৃতি বোৰলৈ ঘৃণা উপজে
লগে লগে আকৌ হৃদয়ত কান্দোনৰ ৰোল বাজে। ❑



# কবি হ'ব বিচাৰো

✍ চন্দ্ৰানী কলিতা
*স্নাতক, ১ম ষাণ্মাসিক*

যেতিয়াই নিসংগতাৰ সাগৰত
শব্দই সাতুঁৰিব বিচাৰে,
তেতিয়াই কবি হ'বলৈ মন যায়
অজানিতে, প্ৰেৰণাৰে।
সমাজৰ কলুষতা আতৰাই
সুস্থ সমাজ গঢ়িবলৈ
হৃদয়ৰ ভাষা উদং কৰি
মন যায় কবি হ'বলৈ। ❑







# জীৱন

✍ নিজৰা ৰাভা
*স্নাতক, ১ম ষাণ্মাসিক*

জীৱন মানে নহয়
হাঁহি ধেমালি
জীৱন মানে নহয়
সুখ-দুখৰ সমৃদ্ধি।
জীৱন মানে নহয়
নীৰৱতা
জীৱন মানে নহয়
মৌনতা। ❑

# এটি কবিতা


✍ দিপ্তী ৰাণী নাথ
*কাৰ্যালয় সহায়ক*

মাত্ৰ এটি কবিতা,
এটি কবিতা পাগুলি পাগুলি
মই মোৰ সময়বোৰ
অতিবাহিত কৰিছো।
আঘোণৰ এটি
সেমেকা দিনত
ডাৱৰে ঢকা আকাশৰ তলে তলে
ফিৰফিৰীয়া এজাক
বতাহ হৈ
মোৰ কলিজাৰ ভাজবোৰ
খুলি খুলি মোক কপাই
যোৱা কবিতাটো,
দিনৰ পিছত দিন
ৰাতিৰ পিছত ৰাতি,
মই পাগুলিছো
মাত্ৰ পাগুলিছো। ❑

# সপোন

✍ অনামিকা দাস
*উঃ মাঃ, ১ম বৰ্ষ*

সপোন এক আশা এক অনুভূতি
এক নতুন উৎসাহ।
সপোনে অভিমান কৰে দিঠক হ'ব নিবিচাৰে
তথাপিও শেষ নহয় সপোন
এটি গ'লে আহে এটি
জন্মে নতুন নতুন সপোন
মাথো পূৰণ কৰিবলৈ এটি সপোন। ❑





## জীৱনৰ লক্ষ্য

✍ পল্লৱী ঠাকুৰীয়া
উঃ মাঃ, ২য় বৰ্ষ

জীৱনৰ লক্ষ্য
বান্ধি থোৱা মনত,
তেতিয়া সফল হ'ব পাৰিবা
এই জীৱনত।
নিজৰ লক্ষ্যৰ পথত আগুৱাই গ'লে
এদিন সফলতা পাবা জীৱনত।
সত্য আদৰ্শ জীৱনত থাকিলে
কোনো কাৰ্যতে নহোৱা বিফল।
জীৱনৰ লক্ষ্য এটাই ৰাখিবা
সেই লক্ষ্যক কৰি লবা আপোন। □



## জীৱন কল্পনা

✍ ৰুমী দাস
স্নাতক, ৩য় ষাণ্মাসিক

এটা জীৱন এটা সোঁত
সোঁতৰ ৰেখাখণ্ড
জীৱনৰ কল্পনাবোৰ।
কল্পনাৰ সাগৰত
বাস্তৱ জীপাল
একেখন আকাশৰ তলত আমাৰ জীৱন
আমি সকলোৰে প্ৰফুল্লময়।
হিয়াৰ আমঠু
মোৰ প্ৰীতিৰ স্বপ্ন বিহীন প্ৰেৰণা সোৱাদ
এটি হিয়াৰ কলিৰ আমঠু হৈ ,
জ্বলি আছে প্ৰকাণ্ড বীৰ-বীৰণীৰে
ক্ষণ লৈ বান্ধি ৰাখিছো এনাজৰী পিটত। □

## জীৱনৰ ধুমুহা

✍ পংখী দাস
উঃ মাঃ, ২য় বৰ্ষ

গোটেই ৰাতি উজাগৰে থাকো
ধুমুহাৰ লগত খেলি ভাগৰি পৰো।
ক'ত দুৰ্যোগৰ সন্মুখীন হ'লো
জয় পৰাজয়ৰ মাজেৰে মাথোঁ
জীৱন নামৰ সাগৰখন সাতুঁৰি গ'লো। □







## জন্মভূমি

✍ ইলা কাকতি
স্নাতক, ৫ম ষাণ্মাসিক

জন্ম লভিছোঁ আই
তোমাৰ কোলাতে
মৰিব লাগিব আই
তোমাৰ বুকুতে।
তোমাৰ এই মনোমোহা
সৌন্দৰ্য দেখি,
তোমাৰ বুকুতে থাকোঁ
আমি খেলা খেলি।
গছ লতা , খাল বিল
হাবি জংগল বন ,
তাতেই প্ৰাকৃতিক সম্পদ
কৰে বিৰাজমান।
তুমি থাকা মানে
আছো আমি
তুমি নহ'লে যে হ'ব
আমাৰ অস্তিত্ব হানি। □

## নাৰী

✍ ৰীতা কলিতা
উঃ মাঃ, ২য় বৰ্ষ

নাৰী অবিহনে জগত জনহীন
নাৰীয়েই সৃষ্টিৰ মূল
নাৰী অবিহনে জীৱন আধৰুৱা
আজিৰ সমাজে এয়া পাহৰি গ'ল

আমি জীৱনত দৃঢ়তাৰে আগুৱাই যাম
কোনো সমাজৰ ওচৰত নহওঁ চাকৰ
নিজৰ ভৰিত নিজে থিয় হৈ
সমাজক আন্ধাৰৰ পৰা কৰিম পোহৰ। □



## ৰঙীণ সপোন

✍ লতিকা পাটোৱাৰী
স্নাতক, ৫ম ষাণ্মাসিক

বিমূৰ্ত অনুভূতিত আজি মোৰ
আমোল মোল সুবাস
দুটি মাথোন শব্দত
ৰঙীন সপোন
জীৱনৰ প্ৰতিটো ক্ষণ,
প্ৰতিটো দিন ৰাংময় হয়
এক নুবুজা শিহৰণত
বুকু ভৰি গাম যেন
নীলা আকাশৰ তলত। □



## বৃদ্ধাশ্রমৰ এগৰাকী মাতৃৰ আহ্বান

( এটা হিন্দী কবিতাৰ ছাঁ লৈ)

✍ ড° ৰঞ্জন ভূঞা
*উপাধ্যক্ষ*

মাহ পাৰ হৈ বছৰ বাগৰি যায়
বৃদ্ধাশ্রমৰ বাৰান্দাত বহি তোৰ বাবে অপেক্ষা কৰোতে
চাদৰৰ আচল তিতি গ'ল
এইবাৰ টকা নপঠাই, তই নিজেই আহি
মোক নিজৰ ঘৰলৈ লৈ যা

দেউতাৰ যেতিয়াই জীয়াই আছিল
সময় ঠিকেই গৈ আছিল
শেষ সময়লৈ তোক ভাল বুলিয়েই কৈ গ'ল
মোৰ হৃদয়ত এতিয়াও তোৰ সেই ছবি

আকাশত তোৰ ....
গাখীৰৰ বাবে এদিন চাহকে এৰিছিলো আমি
একেখন শাৰীকে কিমান বছৰ যে পিন্ধিছিলো
আৰু দেউতাৰাই ফটা গামোছাখনকে পিন্ধি গ'ল
বোপাই তোৰ লগত মোক
নিজৰ ঘৰলৈ লৈ যা

ঘৰৰ বাচনবোৰ মই ধুম, সৰা মোচা ময়েই কৰিম
দুবেলা ৰন্ধা বঢ়া ময়েই কৰিম
নাতি-নাতিনীক চোৱা চিতা ময়েই কৰিম
চিন্তা নকৰিবি আইতাক হওঁ বুলি কাৰো আগত নকবি
বোপাই তোৰ লগত মোক নিজৰ ঘৰলৈ লৈ যা

তোৰ বাবেই মই মা হ'ব পাৰিছোঁ
তয়েই কচোন মই অনাথ হ'লো কেনেকৈ
এবাৰ পাৰিলে আহি যা
বোপাই তোৰ লগত মোক নিজৰ ঘৰলৈ লৈ যা। ❑



## এন্ধাৰ

✍ পল্লৱী দাস
*উঃ মাঃ, ২য় বাৰ্ষিক*

এন্ধাৰ মোৰ প্ৰিয় ।
কেতিয়াবা মই নিজকে সোধো
এন্ধাৰত কোন থাকে আৰু কিয় ।
ভাল লাগে মোৰ এন্ধাৰত থাকি।
পোহৰ মই ভাল নাপাওঁ নাপাওঁ তাত থাকি
জীৱনত পোহৰ নাই এন্ধাৰেহে ৰাখিছে ঢাকি। ❑

## অপেক্ষা

মুনু দাস
*স্নাতক, ৩য় ষাণ্মাসিক*

অ' ফাগুন তুমি আকৌ আহিবা
এজাক শুকান বতাহ লৈ
ধূলিবে মিহলি হৈ......

মোৰ বুকুত সিঁচি থৈ যাবা
এক নীৰৱ ভালপোৱা
তোমাৰ প্ৰেৰণাৰে লিখিম এটা
জীৱন নামৰ কবিতা।

অ' ফাগুন তুমি আকৌ আহিবা
তুমি আহিলে মোৰ সকলো
দুখেই হয় মিঠা,

তোমাৰ পৰশেই দি যাব মোক
এটা মধুৰ কবিতা
অ' ফাগুন তুমি আকৌ আহিবা........। ❑





## জন্মভূমি

✍ গীতাঞ্জলি দাস
*উঃ মাঃ, ১ম বৰ্ষ*

হে মোৰ জন্মভূমি
তুমি কি যে ধুনিয়া,
তোমাৰ কোলাতে
জীয়াই আছো আমি,
আছে সুন্দৰ
গছ-বন ধুনীয়া প্ৰকৃতিৰ
মনোৰম সুন্দৰ দৃশ্য,
সবাটোতকৈ ধুনিয়া তুমি
হে মোৰ জন্মভূমি।
বিচাৰি ফুৰিছোঁ
তোমাৰ চৰণ দুখনি। ❑

## শৰৎ


✍ চুমী ঠাকুৰীয়া
*স্নাতক, ১ম ষাণ্মাসিক*

শৰত আহে শেৱালি ফুলে,
দুবৰি বনত নিয়ৰ সৰে
সুগন্ধি শেৱালিয়ে সুবাস বিলাই,
সাৰদি উৎসৱক আদৰণি জনায়
নদীৰ পাৰত কঁহুৱা ফুলে,
পথাৰ খনি সেউজী হৈ পৰে
পোহৰৰ উৎসৱ শৰতত আহে
শাৰি শাৰি আকাশবন্তি জ্বলে
শৰতে ধৰণী ধুনীয়া কৰে
আমাৰ মন আনন্দেৰে ভৰে। ❑

## অচিনাকি পক্ষী

✍ বিজু নাথ
*স্নাতক, ৩য় ষাণ্মাসিক*

কোন তুমি অচিন পক্ষী
ক'ৰ পৰা আহিছা তুমি
আহিয়ে কৰিছা মোক আমনি
কিনো বিচাৰিছা তুমি
কিনো চাইছা তুমি
বুজিব নোৱাৰো মই
তোমাৰ সেই মিঠা হাঁহি
শুনিব নোৱাৰো মই তোমাৰ ভাষাটি
কোন তুমি অচিনাকি পক্ষী । ❑



## বালিঘৰ

✍ পাপৰী দাস
*স্নাতক, ৩য় ষাণ্মাসিক*

ব্যৰ্থ এই জীৱন
শূণ্য মাথো শূণ্য
কাৰ আশাত,
কিহৰ মায়াত
হিয়া হয় চুৰমাৰ। ❑

# বেদনা


✍ গায়ত্ৰী শৰ্মা
স্নাতক, ১ম ষান্মাসিক

হেৰাই গ'ল মোৰ জীৱন,
হেৰাই গ'ল মোৰ আশা,
হেৰাই গ'ল মোৰ যৌৱন,
ক'তনো বিচাৰি পাম
হেৰোৱা দিনবোৰ।

এদিন আছিলো মই
ফুলজুপি হৈ ফুলি
মানুহক আদৰ দিব নোৱাৰিলো
হোলো গৈ পদৰ ধূলি
কেতিয়াবা মনত পৰে
অতীতৰ কথাবোৰ
বিচাৰিলে পাম জানো
মধুৰ সপোনবোৰ।

এতিয়া
এখানিও নাই আশা মোৰ
আছে মাথো নিৰাশা,
সিক্ত বেদনা অন্তৰত লৈ
চলচলীয়া চকুৰে আছো বৈ
ভৱিষ্যতৰ সপোনক লৈ।

হ'বনে এদিন পূৰ্ণ মোৰ
ভৱিষ্যতৰ সপোনবোৰ। ❑



# হেৰুৱাৰ বেদনাত

(স্বৰ্গীয় খগেন মহন্তৰ সোঁৱৰণিত)

✍ বৰষা মহন্ত
উঃ মঃ, ১ম বৰ্ষ

হে গণশিল্পী,
গুঁচি গ'লা মাতৃৰ বুকু শুদা কৰি
কলাক্ষেত্ৰৰ হৃদত নিদ্ৰাতিত হৈ আছা
কাকো আমনি নকৰি।
শদিয়ালৈ গ'লা
মাৰাৰ অনুমতি লৈ
কিন্তু,এইবাৰ গুঁচিগ'লা
মাতৃৰ বুকু শুদা কৰি থৈ।
তোমাৰ কণ্ঠত প্ৰাণ পাই উঠে
বিহুৰ নষ্টালজিক সুৰ
হে গণশিল্পী,
আহিবানে এবাৰ সুমলাৰ জীয়েকক চাবলৈ ?
আহিবানে আকৌ পিয়নৰ দৰে চিঠিৰ বোজা
পিঠিত কঢ়িয়াই লৈ ?
প্ৰিয় জনক হেৰুৱাই
উচুপি কান্দে হেজাৰ জনতা
তুমিয়েই যে অসমীৰ
প্ৰাণৰো প্ৰণৰ মুকুতা। ❑

# বীৰ শ্বহীদসকলৰ স্মৃতিত তিনিটা স্তৱক

## (স্বাধীনতা দিৱসত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত কবিতা)

✍ ভূমিকা নাথ
স্নাতকোত্তৰ, ৩য় ষাণ্মাসিক

(১)

সোণোৱালী আজি এই দেশ
সোণোৱালী আজি এই সময়
প্ৰতিজন ভাৰতীয়ৰ মনত
জিলিকি ৰয়
স্বাধীনতাৰ দিগ্বিজয়...........।

(২)

ক'ত ন জোৱান শ্বহীদক
সোঁৱৰিছো আজি
দেশৰ হ'কে প্ৰাণ আহুতি দিয়া
সেই দেশৰেই সন্তান আমি
ধমনীৰ শিৰাই শিৰাই
প্ৰতিজন ভাৰতীয়ৰ
তেজতে বৈ আছে
ভগৎ সিং, কনকলতা
মণিৰাম, কুশল কোঁৱৰৰ দৰে
বহু ন জোৱান শ্বহীদৰ স্মৃতি

(৩)

অহিংসা নীতিৰে যুঁজিলে গান্ধীয়ে
সত্যৰ দোলেৰে বান্ধিলে সবকে
সততাৰ বলেৰে স্বতন্ত্ৰতা গঢ়িলে
বন্দে মাতৰম 'জয়হিন্দ' ধ্বনিৰে
ভাৰত জিনিলে..........।

# ষ্টাইলিছ মহাবিদ্যালয় সপ্তাহ

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা পেৰোডি কবিতা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত কবিতা)

✍ ভূমিকা নাথ
*স্নাতকোত্তৰ, ৩য় যাণ্মাসিক*

হ'ল হ'ল আৰম্ভ হ'ল
মহাবিদ্যালয় সপ্তাহ
কোনে কি গাব?
কোনে কি নাচিব?
কলেজৰ চৌহদ এতিয়া
উদুলি মুদুলি
তাতে আকৌ আলোচনা চলিছে
জুম পাতি
কোনে কি পিন্ধিব...
ন বজাত আহি পালে
ইউনিয়ন ব'ডি
দহ বজাত আহি পালে
প্ৰীতি আইদেউ চুলি মেলি,
বৰ্মন ছাৰে দিলে গালি
গালি খাই বেচেৰী গ'ল ৰঙাপৰি।
নিকু আহিল খোপা বান্ধি,
নীলা মেখেলা পিন্ধি
ষ্টাইল মাৰি আহোঁতে
তাই খালে উজুতি.......।
পম্পীয়ে আকৌ পিছৰ পৰা
লগালে মাত,
আহিছে তাই হাই হিল মাৰি
ষ্টাইলৰ জোৰত পিন্ধিছে
হাত চুটি ব্লাউজ।
লাহে লাহে আহিল
ছোৱালীবোৰ জাক পাতি
ৰঙা নীলা কাপোৰ পিন্ধি
কাণত ওলোমা পাচা মাৰি।
ভন্টিইঁতৰ হাঁহিৰ কোৰত
প্ৰতিধ্বনিত হৈছে কলেজৰ চৌহদ
মহাবিদ্যালয় সপ্তাহৰ
এই আনন্দ আছে জানো
ক'ৰবাত!
আছে মাথো ইয়াত
কিয়নো
এয়া যে ষ্টাইলৰ জামানা
এয়াই ষ্টাইলিচ মহাবিদ্যালয় সপ্তাহ। ❑





# বিহুৱান

(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা চুটিগল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)

✍ অংগনা ঠাকুৰীয়া
*স্নাতক, ৪ৰ্থ যাণ্মাসিক*

দোকমোকালিৰ সময়তে চৰাই কুমুতিৰ মাতত প্ৰকৃতিয়ো যে সাৰ পালে। তাৰ মাজতে কু কু কৈ কুলিৰ মাতে সেই পৰিৱেশটোৱে যেন অধিক নান্দনিক কৰি তুলিছে। পৰিইঁতৰ ঘৰৰ সকলো মানুহ শোৱাপাটিৰ পৰা উঠিছে, বিহুৰ সময়, উঠিয়ে সকলো ব্যস্ত। পৰীকো মাকে বাহিৰৰ পৰাই চোতাল সাৰি সাৰি মাতি আছে; নাই তাই গমেই পোৱা নাই। পৰীয়ে সপোন দেখি আছে তাইৰ সমনীয়াৰ লগত বিহু নাচি থকাৰ, তাইৰ বুকুত কোমল কোঠাত সাঁচি ৰখা মৰমৰ দীপ দাক বিহুৱান দিয়াৰ। দীপ আৰু পৰিৰ বহু বছৰৰ পৰাই এক মধুৰ সম্পৰ্ক আছে; কিন্তু এই আন্তৰিকতাৰ সম্পৰ্কটো সিহঁতৰ মাজতে লুকাই আছে! আজিলৈ অন্তৰৰ কথা কোনেও কাৰো পৰা জনা নাই। হঠাৎ মাকৰ গালিবোৰ আহি পৰীৰ কাণত পৰাত তাই উঠি বিছনাতে বহি পৰিলে। ঘড়ীটো চাই গম পালে তেতিয়া ৮ঃ ৩০ বাজিছে, ইপিনে ১০-০০ টা বজাৰ পৰা সংঘত বিহুৰ আখৰা আৰম্ভ হ'ব। ৰাতিয়ে মাকে তাইক সোনকালে উঠি প্ৰথমে বিহুৱানৰ বাবে অনা সূতাবোৰ মহৰাত ল'ব কৈছিল আৰু ৰাতি কাঢ়ি চলাই বিস্বাই তাঁতশালত উঠাব কৈছিল। বিহুলৈ আৰু বেছিদিন নাই। গতিকে সোণকালে বিহুৱানবোৰ বৈ উলিয়াব লাগে। পৰীৰ মাক আৰু দেউতাকে তাই গম নোপোৱাকৈই চহৰৰ এজন শিক্ষকৰ লগত তাইৰ বিয়াৰ কথা পাতিছে। ল'ৰাজনে যোৱাবেলি বিহুতেই তাইৰ বিহু নাচ দেখি পছন্দ কৰিছে, তাৰোপৰি তাই আকৌ দেখিবলৈ বেছি ধুনীয়া। নতুন মিতিৰকো বিহুৱান দিব লাগে, সেয়ে মাকৰ গাত তৰণি নাই। এইবেলি হেনো দৰাঘৰে পৰীক বিহু নাচিবলৈ মানা কৰিছে। সিহঁতে বিহুৰ পিছতে বিয়াৰ দিন ল'ব। কথাবোৰ গম পোৱাৰ পিছত পৰীৰ হিয়াৰ মাজত দীপলৈ বৈ থোৱা বিহুৱানখনৰ দীগ বাণিবোৰ এডাল এডালকৈ মাটিত পৰিবলৈ ধৰিলে। বিহুৱানত তুলা বুটা ফুলবোৰে যে তৎক্ষণাতে মৰহি গ'ল। তাইৰ মৰমৰ বিহুৱানখন দীপৰ সলনি আন এজনক দিবলৈ বাধ্য কৰালে। ❑

# প্ৰযুক্তি বিজ্ঞানৰ অগ্ৰগতি

**(মহাৰিদ্যালয় সপ্তাহৰ থিতাতে লিখা ৰচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)**

✍ বৰষা চৌধুৰী
*স্নাতক, ৪ৰ্থ ষাণ্মাসিক*

**আৰম্ভণি ঃ** মানৱ সভ্যতাৰ বিকাশৰ লগে লগে প্ৰযুক্তি বিজ্ঞানেও সমানেই অগ্ৰগতি লাভ কৰি গৈ আছে। প্ৰথম জুইৰ আৱিষ্কাৰেই হ'ল মানৱ সভ্যতাৰ বিকাশৰ পথ। বিজ্ঞানেও মানুহক ক্ৰমান্বয়ে ওপৰলৈ লৈ গৈ আছে। বৰ্তমান অৱস্থাত প্ৰযুক্তি বিজ্ঞানেই সৰ্বোচ্চ হৈ পৰিছে মানুহৰ বাবে।

**প্ৰযুক্তি বিজ্ঞানৰ প্ৰয়োজনীয়তা ঃ** বিজ্ঞান বৰ্তমান মানুহৰ বাবে অপৰিহাৰ্য হৈ পৰিছে। ৰাতিপুৱা শুই উঠাৰে পৰা ৰাতি শুৱালৈকে সকলো কামতেই আমি বিজ্ঞানৰ ওপৰত ভৰষা কৰিবলগীয়া হয়। ৰাতিপুৱা শুই উঠিয়ে দাঁত ঘহিবলৈ ব্ৰাছ কলগেট লওঁ, এইবোৰো বিজ্ঞানৰে অৱদান। তাৰ পিছত মুখ ধুবলৈ পানীৰ টেপটোত হাত দিলোঁ, সেইটোও বিজ্ঞানৰে অৱদান। আমি ক'ব নোৱাৰাকৈয়ে দৈনন্দিন কাম কাজত বিজ্ঞান এনে ভাৱে ব্যৱহৃত হৈ আহিছে যে সেইটোৰ অবিহনে আমি চলাৰ কল্পনাই কৰিব নোৱাৰো। আমাৰ হাতত থকা ম'বাইল ফোনটো বিজ্ঞানৰে অৱদান। বিজ্ঞানে আমাক বহুতো সা সুবিধা আগবঢ়াইছে।

**বিজ্ঞানৰ উপকাৰ আৰু অপকাৰ ঃ** বিজ্ঞানৰ বহুতো উপকাৰ আছে। মানুহক বহুতো ধৰণে বিজ্ঞানে সহায় কৰি আহিছে। এই যান্ত্ৰিকতাৰ যুগত বিজ্ঞানে বিশেষভাৱে মানুহৰ সময় লাঘৱ কৰিছে। যেনে- আগতে মানুহে খ'তেই নাযাওক খোজ কাঢ়ি যাব লাগিছিল; কিন্তু বৰ্তমান সময়ত চাইকেল, গাড়ী, জাহাজ, উৰা জাহাজ আদি হোৱাত মানুহে এদিনতে গোটেই পৃথিৱী ভ্ৰমণ কৰিব পৰা হ'ল। কিন্তু আগতে এঠাইৰ পৰা আন ঠাইলৈ যাওতেই এদিনৰ সময় লাগিছিল। বৰ্তমান মানুহে মহাকাশলৈ যাবলৈ ধৰিছে। চন্দ্ৰত গৈছে, মঙ্গলত ঘৰ সাজিছে।

কিন্তু সকলো বস্তুৰে ভাল দিশটো থাকিলে বেয়া দিশ এটাও থাকিবই। সেইদৰে বিজ্ঞানৰো আছে। বিজ্ঞানে মানুহক ক্ৰমান্বয়ে অকামিলা কৰি আনিছে।

**সমাপ্তি ঃ** বিজ্ঞানৰ অগ্ৰগতি ব্যাপক ভাৱে হৈ আছে। যি গতিত বিজ্ঞানৰ অগ্ৰগতি হৈছে ভয় হয় যে পৃথিৱীখন ধ্বংস হৈ যাব পাৰে। ডাৰউইনে কৈছে যে- এদিন বিজ্ঞানৰ বাবেই হ য়তো মানুহৰ মূৰটো ডাঙৰ হৈ হাত ভৰিবোৰ অকামিলা হৈ ক্ৰমান্বয়ে সৰু হৈ মানুহটো দেখাত একেবাৰে কুৰূপ স্বৰূপ হৈ যাব। যি কি নহওঁক বৰ্তমান বিজ্ঞান অবিহনে মানুহৰ জীৱন যাত্ৰা অচল হৈ পৰিব।





# হে মা বাগদেৱী

**(মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা কবিতা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)**

✍ ভূমিকা নাথ
*স্নাতকোত্তৰ, ৩য় ষাণ্মাসিক*



জ্ঞানৰ দেৱী তুমি সৰস্বতী
জ্ঞান বিদ্যাৰ তুমি অধিষ্ঠাত্ৰী দেৱী,
মহা মহা জ্ঞানৰ আলয় তুমি
তোমাৰ চৰণ সেৱী আজি
কৰিছো ভকতি,
আমি কৰিছো মিনতি
হে মা! শুনা আমাৰ বাণী
দুষ্টক দমন কৰি,
অজ্ঞানতা বিনাশকাৰী
শক্তিদায়িনী, মা!
তুমিয়েই জ্ঞানৰ বাগদেৱী
জ্ঞানজ্যোতিৰে উজ্বলাই দিয়া
এই বিচিত্ৰ ধৰণী...... ❑

## মহাবিদ্যালয় সপ্তাহৰ চিত্ৰাংকন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত চিত্ৰ



দিপ্তী ৰাভা
*স্নাতক, ২য় ষাণ্মাসিক*



নিজৰা কলিতা
*স্নাতক, ২য় ষাণ্মাসিক*

# মুকলি চিঠি

## (মহাবিদ্যালয় সপ্তাহৰ থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)

✍ অংগনা ঠাকুৰীয়া
*স্নাতক, ৪ৰ্থ যাণ্মাসিক*

প্ৰতি,

মাননীয় মানৱ সম্পদ দপ্তৰৰ মন্ত্ৰী শ্ৰীমতী স্মৃতি ইৰাণী দেৱী, কেন্দ্ৰীয় চৰকাৰ।

বিষয় ঃ- নাৰীৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে আবেদন।

দিনাংক ঃ- ২৭-১-২০১৬

মহাশয়া,

পোন প্ৰথমে মোৰ দুচকু মুদি কৰযোৰে আগবঢ়োৱা শ্ৰদ্ধাৰ প্ৰণাম গ্ৰহণ কৰিব। আই অসমী জননীৰ মই পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত উপৰহালী গাঁওৰ সন্তান। হয়তো, সমগ্ৰ নাৰী জাতিৰ হৈ ওপৰত উল্লেখ কৰা বিষয়টো আপোনাক অৱগত কৰাৰ ধৃষ্টতা মোৰ নাই। মাথো বৰ্তমান সমাজত ঘটি থকা নাৰী নিৰ্যাতনৰ বিভিন্ন সমস্যাবোৰৰ পৰা মোৰ মনত সৃষ্টি হোৱা বিভিন্ন প্ৰশ্নৰ স্থায়ী সমাধানৰ বাবে এই পত্ৰখন লিখিলো।

মহাশয়া, বৰ্তমান পুৰুষ তান্ত্ৰিক সমাজখনত নাৰীৰ স্থান ক'ত বা নাৰীৰ সন্মান কিমান সেই কথা আপোনাৰ অবিদিত নহয় নিশ্চিয়। নাৰীক কেৱল উপভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা এই পুৰুষ প্ৰধান সমাজখনে কেতিয়াও নাৰীক সন্মানৰ চকুৰে চোৱা নাই। সৌ সিদিনাৰ 'ডামিনী' হত্যাৰ কথাকে ধৰক বা জি.এছ.ৰোডত হোৱা সেই জঘন্য কাণ্ডটোকে মনত কৰক। সমাজখনত বাঢ়ি অহা ধৰ্ষণ, বলাৎকাৰ, বোৱাৰী হত্যাৰ লগতে নানান অত্যাচাৰ চলিয়ে আছে। বৰ্তমানলৈ বহুকেইখন চৰকাৰ আহিলে, কিন্তু প্ৰতিশ্ৰুতিৰ বাহিৰে কোনো চৰকাৰে নাৰীৰ শীলতাহানী বন্ধ কৰিব পৰা নাই। হে মহাশয়া, আপুনিও এগৰাকী নাৰী। আজি মই বা মোৰ দৰে নাৰীবোৰে গাড়ী, কৰ্মস্থলতে হওঁক বা ৰাস্তা-ঘাটে হওঁক যিবোৰ সমস্যাৰ সন্মুখীন হৈছো, ক'ৰবাত আপুনিও তাৰ সন্মুখীন হৈছে নিশ্চিয়। সিদিনাৰ ডামিনীৰ ঘটনাটো কালিলৈ যে মোৰ লগতো নহ'ব বা ভৱিষ্যতে যৌতুকৰ বাবে যে ময়ো হত্যাৰ বলি নহ'ম তাক ন দি ক'ব নোৱাৰি।

সেয়ে মহাশয়াই নাৰীৰ নিৰাপত্তাৰ সুনিশ্চিয়তাৰ বাবে আপোনাৰ সময়ছোৱাতে এক কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰে যেন। এয়ে মহাশয়াৰ ওচৰত মোৰ সৰল মিনতি।

ইতি—
আপোনাৰ বিশ্বাসী
অংগনা ঠাকুৰীয়া
*স্নাতক, ৪ৰ্থ যাণ্মাসিক*



# উপ-সভানেত্ৰীৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক মুহূৰ্তত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, সমূহ শিক্ষা গুৰুৰ লগতে কৰ্মচাৰীবৃন্দলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে যি সকল সমাজ সচেতন, সমাজপ্ৰিয় আৰু দায়িত্বশীল ব্যক্তিৰ অশেষ চেষ্টা আৰু সহায়-সহযোগিতা আৰু দান বৰঙণিৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিছিল সেই চিৰনমস্য ব্যক্তি সকলক মই শ্ৰদ্ধাৰে প্ৰণাম জনাই সুঁৱৰিছো। লগতে মোৰ প্ৰতিটো পদক্ষেপতে শুদ্ধ পথ দেখুৱাই যোৱা আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা মোৰ তত্ত্বাৱধায়ক ড° ৰঞ্জন ভূঞা ছাৰলৈ মোৰ শ্ৰদ্ধা জনাইছো।

মই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০১৫-১৬ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত উপ-সভানেত্ৰী পদত যি সকল ছাত্ৰী বান্ধৱীয়ে এই পদটোৰ বাবে নিৰ্বাচিত কৰি মোক পুনৰ সেৱা আগবঢ়াবলৈ সুবিধাকণ কৰি দিলে সেই সকলৰ লগত মহাবিদ্যালয়ৰ সকলো বান্ধৱীকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মোৰ কাৰ্যকালৰ চমু অৱলোকন ঃ** উপ-সভানেত্ৰী পদত শপত গ্ৰহণ কৰি কাৰ্যভাৰ লোৱাৰ পিছত আমাৰ প্ৰথম কাৰ্যসূচী আছিল ২৮ তম মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস। বিগত বছৰৰ দৰে এইবেলিও ২০ নৱেম্বৰৰ দিনা বিভিন্ন কাৰ্যসূচীৰ দ্বাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। সেইদিনা ৰাতিপুৱা ৯ বজাত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰ দেৱে পতাকা উত্তোলন কৰে। তাৰ পিছত মহাবিদ্যালয়ৰ শ্বহীদ বেদীত স্মৃতি তৰ্পণ কৰা হয়। তাৰ পিছত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। গধূলি বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয়ৰ চৌহদ উজ্বলাই তোলা হয়।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰ কেইটিৰ দৰে এইবেলিও ২৯-০১-২০১৬ তাৰিখৰ পৰা ৩০-০১-২০১৬ ইং তাৰিখলৈ বাৰ্ষিক সপ্তাহ পতা হয়। এই সময়ছোৱাত আন আন খেল সমূহ আৰু সাংস্কৃতিক অনুষ্ঠান সমূহ সুচাৰুৰূপে চলায় নিয়াত সহায়-সহযোগিতা আগবঢ়াইছিলো।

**সৰস্বতী পূজা ঃ** ১৩-০২-২০১৬ তাৰিখৰ পৰা ১৪-০২-২০১৬ ইং তাৰিখলৈ সৰস্বতী পূজাখনি দুদীনিয়াকৈ পতা হয়। বিগত বছৰৰ দৰে এইবেলিও প্ৰাচীৰ পত্ৰিকা শ্ৰীপঞ্চমী আৰু ছপা ৰূপত শ্ৰীপঞ্চমী উন্মোচন কৰে। ১৩ ফেব্ৰুৱাৰীৰ দিনাখনে আমাৰ মহাবিদ্যালত ডিজিটেল ক্লাচ ৰুম উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য ড° মৃদুল হাজৰিকা দেৱে। বাকী কাৰ্যসূচীসমূহো সুচাৰুৰূপে পালন কৰা হয়।

**নৱাগত আদৰণি সভা ঃ** এইবেলি ২০-০৮-২০১৬ ইং তাৰিখে দিন-ৰাতিৰ কাৰ্যসূচীৰে মহাবিদ্যালয়ত ন-পুৰণি সতীৰ্থ সন্মিলনখন পতা হয়। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানসমূহ আৰু সকলো কাৰ্যসূচী সুচাৰুৰূপে চলায় নিয়া হয়।

**কৃতজ্ঞতাৰ শৰাই ঃ** মোৰ কৰ্মকালৰ সময়ছোৱাত সকলো ধৰণৰ কাৰ্যসূচী সুচাৰুৰূপে চলায় নিয়াত সহায়-সহযোগিতা আগবঢ়াইছিলো। এই সুযোগতে মোক সকলো সময়তে দিহা-পৰামৰ্শ দি আগবাঢ়ি যোৱাত সহায় কৰা অধ্যক্ষ মহোদয় ড° গজেন্দ্ৰ অধিকাৰী ছাৰ দেৱ, উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰ দেৱ লগতে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° নৱকান্ত অধিকাৰী ছাৰ দেৱ, ড° মিতালী কাঠকটীয়া বাইদেউ, শ্ৰীযুত হৰেণ দাস ছাৰ দেৱ, ড° মালবিকা ৰয় বাইদেউ আৰু শ্ৰদ্ধাৰ ছাৰ-বাইদেউ সকললৈ মোৰ হিয়া ভৰা শ্ৰদ্ধা যাচিছোঁ লগতে কৰ্মচাৰী সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত মোৰ মৰমৰ ছাত্ৰী-বান্ধৱীসকললৈ ধন্যবাদ জনাইছো।

সদৌ শেষত সম্পাদিকাৰ ভাব লৈ অজানিতে কৰা ভুল-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি তথা গৌৰবোজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

*'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'*

*'জয় আই অসম'*

*ধন্যবাদেৰে-*

মিছ ৰোজবেৰী চুলতানা

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা সেইসকল বৰেণ্য ব্যক্তিৰ শ্ৰদ্ধাস্পদলৈ মোৰ আন্তৰিক প্ৰণাম জনাইছো লগতে মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সমূহ শিক্ষাগুৰু সকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত তথা সমূহ ছাত্ৰী-বান্ধৱী সকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বহুবেকীয়া নিৰ্বাচনত সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুযোগ পায় মই নথৈ আনন্দিত হৈছিলো। মোক সঠিকভাৱে দিহা-পৰামৰ্শ আৰু সহায়-সহযোগ কৰা আটাইকে আন্তৰিক অভিনন্দন আৰু হিয়াভৰা কৃতজ্ঞতা যাচিছো।

সাধাৰণ সম্পাদিকাৰ দায়িত্বত থাকি মই মোৰ কৰ্তব্যখিনি সঠিকৰূপে পৰিচালনা কৰিবলৈ চেষ্টা কৰিছিলো আৰু অন্য বিভাগীয় সম্পাদিকাৰ সহযোগত মহাবিদ্যালয়খনৰ প্ৰতিটো দিশ নিয়াৰিকৈ পৰিচালনা কৰিবলৈ চেষ্টা কৰিছিলো। সাধাৰণ সম্পাদিকা হৈ শপত গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ ২৮ তম প্ৰতিষ্ঠা দিৱস। এই প্ৰতিষ্ঠা দিৱসৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ পতাকাৰে আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে।

দ্বিতীয় কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ পালন। ২৭-০১-২০১৬ ইংৰাজী তাৰিখৰ পৰা ৩০-০১-২০১৬ ইংৰাজী তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি সাংস্কৃতিক বিভাগ, ছাত্ৰী জিৰণি কোঠা, সাহিত্য আলোচনী আৰু তৰ্ক বিভাগৰ তৰফৰ পৰা বিভিন্ন ধৰণৰ আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যিসকল ছাত্ৰী বান্ধৱীয়ে এই প্ৰতিযোগিতা সমূহত সাফল্য দেখুৱাইছে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছো। মহাবিদ্যালয় সপ্তাহৰ অন্তিম দিন আছিল ২৭-০১-২০১৬ ইং তাৰিখ। এই অন্তিম দিনৰ প্ৰথম কাৰ্যসূচী আছিল 'হাৰাঘাট' উন্মোচন। উন্মোচন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত নয়নমণি দাস দেৱে। উক্তদিনা মহাবিদ্যালয়ৰ মুকলি সভাৰ ভিন্নৰঙী সাংস্কৃতিক অনুষ্ঠানৰ লগতে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাৰ সভাপতিৰ আসন গ্ৰহণ কৰে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে। উক্তদিনা মহাবিদ্যালয়ৰ মুকলি সভাৰ ভিন্নৰঙী সাংস্কৃতিক অনুষ্ঠানৰ লগতে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য তথা পলাশবাৰী সমষ্টিৰ বিধায়ক শ্ৰীযুত যতীন মালী দেৱে। নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহণ কৰে গুৱাহাটী মহকুমাৰ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত নিৰোদ কুমাৰ দাস দেৱে। মহাবিদ্যালয় সপ্তাহৰ বিশেষ আকৰ্ষণ আছিল কণ্ঠশিল্পী "দ্বীপ দৰ্শনৰ গীতৰ শৰাই। তেওঁ নিজৰ পৰিবেশনেৰে মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠানটি অতি সুন্দৰ পৰিবেশৰ ৰূপ দিয়াৰ বাবে আৰু মহাবিদ্যালয়ৰ সৌন্দৰ্য বৃদ্ধি কৰি তোলাৰ বাবে মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইয়াৰ পিছতে তৃতীয় কাৰ্যসূচী আছিল সৰস্বতী পূজা। অইনবেলিৰ দৰে এইবেলিৰ সমূহীয়াভাৱে আমাৰ মহাবিদ্যালয়ৰ সৰস্বতী পূজাখন উলহ-মালহেৰে পালন কৰা হয়। সমাজসেৱা বিভাগৰ তত্বাৱধানত পূজাখন সুচাৰুৰূপে চলাই নিয়া হৈছিল। পূজাৰ প্ৰথম কাৰ্যসূচী আছিল প্ৰাচীৰ পত্ৰিকা শ্ৰীপঞ্চমী উন্মোচন কৰে ড° গজেন্দ্ৰ অধিকাৰী অধ্যক্ষ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু হুপাৰূপত শ্ৰীপঞ্চমী উন্মোচন কৰে শ্ৰীৰূপেন কলিতা দেৱে। দ্বিতীয় কাৰ্যসূচীত আমাৰ মহাবিদ্যালয়ৰ ডিজিটেল ক্লাচৰুম উদ্বোধন কৰা হয়। ডিজিটেল ক্লাচৰুম উদ্বোধন কৰাৰ পিছত পূজাৰ বাকীবোৰ কাৰ্যসূচী সুচাৰুৰূপে পালন কৰা হয়। সৰস্বতী পূজাৰ দিনাখন পোনপ্ৰথমবাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। গীত, নৃত্য আদিৰে সৰস্বতী পূজাখন আৰু অধিক উলহ-মালহেৰে সৃষ্টি কৰে। এই সুযোগতে মই উৎসৱ পালন সমিতিৰ সম্পাদক-সভাপতি সদস্য তথা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমূহ স্বেচ্ছাসেৱিকা আৰু এই গোটৰ তত্বাৱধায়িকা বাইদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। নৱাগত সকলকলৈয়ে শিক্ষানুষ্ঠান এখনে সদায় নতুন সপোন দেখে। আমাৰ মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰী সকলক স্বাগত জনোৱা হৈছিল দুদিনীয়া কাৰ্যসূচীৰে ১৯-০৮-২০১৬ শুক্ৰবাৰ আৰু ২০-০৮-২০১৬ তাৰিখ শনিবাৰলৈ।

১৯-০৮-২০১৬ তাৰিখৰ প্ৰথম কাৰ্যসূচী আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ ফটো প্ৰদৰ্শনী উদ্বোধন।। উদ্বোধন কৰে দক্ষিণ কামৰূপ জিলা উপায়ুক্ত শ্ৰীযুত ৰাজীৱ প্ৰকাশ বৰুৱা দেৱে। মুখ্য অতিথি ভাৰতীয় ইতিহাস গৱেষণা পৰিষদৰ উত্তৰ পূৰ কাৰ্যালয় উপ-সঞ্চালক শ্ৰীযুত ৰাথাৰী দেৱ। সন্মানীয় অতিথি পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া শ্ৰীযুত পংকজ চক্ৰৱৰ্তী। ৰাষ্ট্ৰীয় সেৱা আঁচনি বিষয়া শিবিৰত অংশ গ্ৰহণকাৰী সকলৰ লগত মত বিনিময় কৰে সঞ্চালিকা ড° মিতালী কাঠকটীয়া, কাৰ্যসূচী বিষয়া ৰাষ্ট্ৰীয় সেৱা আঁচনি, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা।





বিশেষ অতিথি ড° ৰঞ্জন কুমাৰ কাকতিদেৱ, সঞ্চালক ছাত্ৰ কল্যাণ গুৱাহাটী বিশ্ববিদ্যালয় ১৯-০৮-২০১৬ তাৰিখৰ কাৰ্যসূচী সমূহ সকলোৰে সহযোগত সুচাৰুৰূপে পৰিচালনা কৰা হয়।

২০-০৮-২০১৬ তাৰিখৰ কাৰ্যসূচীৰ সভাৰ সভাপতিত্ব গ্ৰহণ কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী মহোদয়ে। প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' উন্মোচন কৰে ড° ৰঞ্জন ভূঞা দেৱে, সভাৰ মুখ্য অতিথি শ্ৰীযুত দীপাংকৰ নাথ, সদৌ অসম ছাত্ৰ সন্থা, বিশিষ্ট অতিথি শ্ৰীযুত প্ৰণৱ কলিতা, মাননীয় বিধায়ক, পলাশবাৰী সমষ্টি, সন্মানীয় অতিথি শ্ৰীযুতা হীৰা নেওগ, সভানেত্ৰী পৰিচালনা সমিতি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, নিৰ্দিষ্ট বক্তা শ্ৰীযুত নিৰোদ কুমাৰ দাস, সভাপতি, সদৌ গুৱাহাটী মহকুমা ছাত্ৰ সন্থা। এওঁলোকৰ উপস্থিতি আৰু বক্তব্যই সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই সভাৰ বিশেষ আকৰ্ষণ আছিল জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ। অসমৰ উদীয়মান কণ্ঠশিল্পী ভৃগু কাশ্যপ দেৱে নিজৰ সুমধুৰ গীত পৰিবেশনেৰে মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠানটি অতি সুন্দৰ আৰু উৎসৱমুখৰ পৰিবেশৰ ৰূপ দিয়াৰ বাবে মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নৱাগত আদৰণি সভাৰ দিনাখন পোন প্ৰথমবাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত স্থাপিত Girls Hostel ৰ আৱাসী সকলক আনুষ্ঠানিক আদৰণি জনোৱা হয়। নিমন্ত্ৰিত অতিথি হিচাপে শ্ৰীযুতা জিনা ৰাজকুমাৰীৰ সুমধুৰ কণ্ঠই আদৰণি সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

আমাৰ মহাবিদ্যালয়ৰ কাৰণে ২০১৫-২০১৬ ইং বৰ্ষটো অতি গুৰুত্বপূৰ্ণ আৰু গৌৰৱজ্জ্বল বৰ্ষ। এই বৰ্ষটোত আমাৰ মহাবিদ্যালয়ত হোৱা কিছুমান গঠনমূলক কাম হ'ল—

১। যিসকল ছাত্ৰীৰ ঘৰ দূৰত অৱস্থিত সেইসকল ছাত্ৰীয়ে মহাবিদ্যালয়ৰ ড° মামণি ৰয়ছম গোস্বামী ছাত্ৰী নিবাস যোৱা ১৪-০৮-২০১৬ ইং তাৰিখৰ পৰা ছাত্ৰী নিবাসত ছাত্ৰীসকলে থাকিবলৈ লৈছে।

২। আমাৰ মহাবিদ্যালয়ৰ Digital Class Room আৰু শিক্ষক সকলৰ বিভাগপুঞ্জৰ কাম সম্পূৰ্ণ হৈছে। বৰ্তমান ছাত্ৰীসকলে Digital Class Room ত Class কৰিব পৰা হৈছে আৰু বিভাগ পুঞ্জটো অধ্যাপক অধ্যাপিকা সকলে ব্যৱহাৰ কৰা হৈছে।

৩। U.G.C ৰ অনুদানেৰে মহাবিদ্যালয়ত Sports Complex ৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে।

৪। ছোৱালী সকলৰ বাবে নতুন প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা কৰা হৈছে। আগৰ তুলনাত প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা অধিক উন্নত কৰা হৈছে।

৫। মহাবিদ্যালয় হোষ্টেললৈ যোৱা পথৰ ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে।

৬। Digital Class Room আৰু শিক্ষক সকলৰ বিভাগ পুঞ্জৰ পৰা Canteen লৈ যাব পৰাকৈ এটি সুন্দৰ পথ নিৰ্মাণ কৰা হৈছে আৰু তেনেকুৱা একে ধৰণৰ ছাত্ৰী জিৰণি কোঠাৰ পৰা প্ৰস্ৰাৱ গাৰলৈ যোৱা ৰাস্তাটো সম্পূৰ্ণ হৈছে।

৭। আমাৰ মহাবিদ্যালয়ৰ আন এটা গঠনমূলক গুৰুত্বপূৰ্ণ কাম হ'ল NAAC ৰ মূল্যাংকণ। যোৱা ২১-০৯-২০১৬, ২২-০৯-২০১৬, ২৩-০৯-২০১৬ তাৰিখে তিনিজনীয়া সদস্যৰ এটা দলে আমাৰ মহাবিদ্যালয়খনৰ সকলো দিশ পৰ্যবেক্ষণ কৰে। আমাৰ মহাবিদ্যালয়খনক B-Grade লাভ কৰিবলৈ সক্ষম হৈছে।

৮। এই বৰ্ষটোত আমাৰ মহাবিদ্যালয়ত ছাত্ৰীসকলৰ বাবে Health Centre ৰ ব্যৱস্থা কৰে। প্ৰত্যেকগৰাকী ছাত্ৰীয়ে Health Centre ৰত নিজৰ স্বাস্থ্য পৰীক্ষা কৰিব পৰাৰ ব্যৱস্থা কৰা হৈছে।

৯। ATM ৰ ব্যৱস্থাও আমাৰ মহাবিদালখনত এই বছৰটোত আৰম্ভ কৰাৰ চেষ্টা কৰা হৈছে।

এই সুযোগতে মোক সকলো সময়তে দিহা-পৰামৰ্শ দি আগবাঢ়ি যোৱাত সহায় কৰাৰ বাবে অধ্যক্ষ মহোদয় ড° গজেন্দ্ৰ অধিকাৰী, উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰৰ লগতে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° জগন্নাথ বৰ্মণ ছাৰ দেৱ, ড° সৰস্বতী কলিতা বাইদেউ, হবিবুৰ ৰহমান ছাৰ দেৱ, হৰেণ দাস ছাৰ দেৱ, সংঘামিত্ৰা সিনহা বাইদেউ আৰু ৰঞ্জনা ডেকা বাইদেউ আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ হিয়াভৰা শ্ৰদ্ধা যাচিছোঁ।

সদৌ শেষত সাধাৰণ সম্পাদিকা হিচাপে অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। লগতে সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয় আই অসম"*

*জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়*

*জয়তু দক্ষিণ কামৰূপ ছোৱালী ছাত্ৰী একতা সভা*

*ধন্যবাদেৰে-*

**শ্ৰীদীপ্তি চৌধুৰী**

# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল বীৰ শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ যিসকল মহান ব্যক্তিয়ে নিজৰ জীৱনটো বলিদান দি আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল, তেওঁলোকলৈ মোৰ পৰম শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মোৰ শিক্ষাগুৰু সকললৈ আৰু ছাত্ৰী-বান্ধৱী সকললৈ অশেষ অভিনন্দন জনালোঁ।

গভীৰ আন্তৰিকতাৰে ধন্যবাদ জনাইছোঁ সেই ছাত্ৰী বান্ধৱী সকলক, যিয়ে ছাত্ৰী একতা সভাৰ বছৰেকীয়া নিৰ্বাচনত মোৰ সৈতে প্ৰতিদ্বন্দ্বিতাত লিপ্ত হ'বলৈ আগবাঢ়ি আহিছিল। মোক নিৰ্বাচনত সহায় কৰি সহঃ সাধাৰণ সম্পাদিকা পদত অৱতীৰ্ণ হৈ মহাবিদ্যালয়ৰ প্ৰত্যক্ষ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া ছাত্ৰী-বান্ধৱী আৰু বাইদেউ সকলক মই ধন্যবাদ যাচিছোঁ।

২০১৫-১৬ বৰ্ষৰ নৱ-নিৰ্বাচিত ছাত্ৰী একতা সভাই সকলো সময়তে মহাবিদ্যালয় সংবিধানৰ পবিত্ৰতা আৰু মৰ্য্যদা ৰক্ষা কৰি নিজৰ নিজৰ দায়িত্ব সুকলমে পালন কৰিব বুলি শপত লৈছিলোঁ। কিন্তু কিমান দূৰ সফল হ'ব পাৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য। কাৰ্যভাৰ গ্ৰহণ কৰাৰ মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। এই দিনটো অধিক উলহ মালহেৰে আৰু জাক-জমকেৰে এই অনুষ্ঠানটি উদ্‌যাপিত কৰা নগল যদিও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, ছাৰ-বাইদেউ, ছাত্ৰী-বান্ধৱী আৰু কৰ্মচাৰী তথা দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক প্ৰমুখ্যে সদস্যবৃন্দৰ উপস্থিতি তথা অনুপস্থিতিত এই অনুষ্ঠানটি উদ্‌যাপন কৰা হয়।

ইয়াৰ পিছতেই ২৭ জানুৱাৰীৰ পৰা ৩০ জানুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ খেল বিভাগ, তৰ্ক বিভাগ, সাংস্কৃতিক বিভাগ আৰু ছাত্ৰী জিৰণি কোঠা বিভাগৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই বাৰ্ষিক সপ্তাহৰ ২৭ জানুৱাৰী তাৰিখে প্ৰতিবছৰে পালন কৰি অহাৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'হাবাঘাট' উন্মোচন কৰে। ৩০ জানুৱাৰী তাৰিখে আমন্ত্ৰিত শিল্পী অতিথি দ্বীপদৰ্শনক আমন্ত্ৰণ জনোৱা হয়।

অইনবেলীৰ দৰে এইবেলিও ২৩ ফেব্ৰুৱাৰী তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ পূজাখন উলহ-মালহেৰে সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি পালন কৰা হয়। তাৰ মাজতেই নতুনকৈ গঢ়ি উঠা ডিজিটেল ক্লাছ ৰুমটি উচ্চ শিক্ষা সঞ্চালক (DHE)ক নিমন্ত্ৰণ জনাই উদ্বোধন কৰা হৈছিল।

মহাবিদ্যালয়ৰ পৰম্পৰা আৰু আনুষ্ঠানিকতা বজাই ৰাখি (যদিও কিছু পৰিবৰ্তন কৰা হৈছে) এই বছৰো নৱাগত আদৰণি সভাখন ১৯ আৰু ২০ আগষ্ট তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানটিৰ শুভাৰম্ভ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় (পতাকা উত্তোলক), দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত নয়নমণি দাস (শ্বহীদ তৰ্পণ), আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰদেৱ (হাবাঘাট উন্মোচক), দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সম্পাদক শ্ৰীযুত বিকাশ কলিতা (জোনাকী উন্মোচক), সাহিত্য বিভাগৰ তত্বাৱধায়িকা ড° সৰস্বতী কলিতা বাইদেউ (ন-পুৰণি সতীৰ্থ সন্মিলন আৰু সাংস্কৃতিক সমাবোহৰ উদ্বোধক) লগতে মুকলি সভাৰ সভাপতি অধ্যক্ষ মহোদয়, শিল্পী অতিথি জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ, বিশিষ্ট অতিথি শ্ৰীযুত প্ৰণৱ কলিতা, মুখ্য অতিথি শ্ৰীযুত দীপাংকৰ নাথ, সন্মানীয় অতিথি শ্ৰীযুতা হীৰা নেওগ, নিৰ্দিষ্ট বক্তা শ্ৰীযুত নিৰোদ কুমাৰ দাস দেৱ আদিয়ে বহমূলীয়া আৰু সাৰগৰ্ভ ভাষণৰ দ্বাৰা ছাত্ৰী-বান্ধৱীসকলক আপ্লুত কৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰে।

এই দিনটোতেই বহু বছৰৰ আশাৰ সপোন বাস্তৱত মোকলাই ড° হিতেশ ডেকা, ড° মহম্মদ আৰিফ, ড° পাহাৰী কোঁৱৰ আৰু আমাৰ মহাবিদ্যালয়ৰ ড° গজেন্দ্ৰ অধিকাৰী দেৱৰ দ্বাৰা ড° মামণি ৰয়ছম গোস্বামী ছাত্ৰী নিবাস উদ্বোধন কৰা হয়। আন এক সৌভাগ্যৰ বিষয় যে ২১, ২২, ২৩ ছেপ্তেম্বৰ তাৰিখে আমাৰ মহাবিদ্যালয়ত NAAC VISIT হয় তাত অংশগ্ৰহণ কৰিব পাই অতিকৈ আনন্দিত হৈছো।

মোৰ সকলো কাম-কাজত সকলো সময়তে সহায়-সহযোগ আৰু উৎসাহ আগবঢ়োৱাৰ বাবে মই ছাত্ৰী-বান্ধৱী তথা সন্মানীয় ছাৰ-বাইদেউ সকলক মোৰ হিয়া ভৰা শ্ৰদ্ধা জনালোঁ।

অৱশেষত মোৰ কাৰ্যকালত অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

*"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"*

*"জয় আই অসম"*

*ধন্যবাদেৰে-*

**শ্ৰীইলা কাকতি**

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে সেইসকল ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো যিসকলে নিজ দেশমাতৃৰ বাবে প্ৰাণ আহুতি দি গৈছে। লগতে যিসকল সমাজ সচেতন, সমাজ প্ৰিয় আৰু দায়িত্বশীল ব্যক্তিৰ অশেষ চেষ্টাত, সহায়-সহযোগিতা আৰু দান-বৰঙণিৰে দক্ষিণ কামৰূপৰ একমাত্ৰ ছোৱালী মহাবিদ্যালয় দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হৈছিল সেইসকল চিৰনমস্য ব্যক্তিক মই শ্ৰদ্ধাৰে প্ৰণাম জনাই সুঁৱৰিছো।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০১৫-১৬ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদিকা পদত নিৰ্বাচিত কৰি মোক সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে সমূহ ছাত্ৰী-বন্ধৱীকে ধন্যবাদ জনালোঁ। লগতে শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, তত্বাৱধায়ক ছাৰ, শিক্ষা গুৰুসকল আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ প্ৰণাম জনাইছো।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণী ঃ**

**প্ৰতিষ্ঠা দিৱস ঃ** মই কাৰ্যকাল গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মোৰ প্ৰথম কাৰ্যসূচী হিচাপে পাওঁ মহাবিদ্যালয়ৰ ২৮ তম প্ৰতিষ্ঠা দিৱস। বিগত বছৰৰ দৰে এইবেলিও ২০ নৱেম্বৰৰ দিনাখন বিভিন্ন কাৰ্যসূচীৰ দ্বাৰা মহাবিদ্যালয়ৰ ২৮ তম প্ৰতিষ্ঠা দিৱস অতি উলহ-মালহেৰে পালন কৰা হয়। সেইদিনাখন ৰাতিপুৱা ৯ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰদেৱে পতাকা উত্তোলন কৰে আৰু তাৰ পিছত মহাবিদ্যালয়ৰ শ্বহীদ বেদীত স্মৃতি তৰ্পণ কৰা হয়। ইয়াৰ পিছত বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান গীত, নৃত্য, কবিতা আবৃত্তি ইত্যাদি ছাৰ-বাইদেউ আৰু ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰা হয়। গধূলি বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয়খন উজ্বলাই তোলা হয়।

**বাৰ্ষিক মহাবিদ্যালয়ৰ সপ্তাহ ঃ** মোৰ দ্বিতীয় কাৰ্যসূচী আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহ ২৭ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়— বিভিন্ন ধৰণৰ গীত, নৃত্য, একক অভিনয়, মূকাভিনয়, ভেশচন, নাটক ইত্যাদি। কিন্তু ইয়াৰে কিছুমান প্ৰতিযোগিতা প্ৰতিযোগীৰ অভাৱত বাতিল কৰা হয়। ছাত্ৰীসকলে ভালে সংখ্যক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা, প্ৰতিযোগিতাসমূহ চলাই নিয়াত মোক সহায় কৰা শ্ৰদ্ধাৰ বিচাৰক মণ্ডলীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

**সৰস্বতী পূজা ঃ** বিগত বছৰৰ দৰে এইবেলিও ১৩ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে সৰস্বতী পূজা পালন কৰা হয়। সেইদিনাখন ওচৰৰ আন আন কলেজসমূহৰ পৰাও ছাত্ৰ-ছাত্ৰী আহি মা সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰে। এইবেলি সৰস্বতী পূজাত Digital Class room টো মুকলি কৰা হয়। ইয়াৰ লগতে এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সাংস্কৃতিক অনুষ্ঠানত প্ৰাক্তন ছাত্ৰীসকলৰ লগতে ছাৰ-বাইদেউ সকলেও অংশগ্ৰহণ কৰে।

**কৰ্মশালা ঃ** এইবেলি গ্ৰীষ্মবন্ধত ছাৰ বাইদেউ সকল আৰু ছাত্ৰী-বান্ধৱী সকলৰ সহযোগিতাত ০৩-০৭-২০১৬ ৰ পৰা ১৫-০৭-২০১৬ লৈ প্ৰথমবাৰৰ বাবে এখন কৰ্মশালাৰ ব্যৱস্থা কৰা হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসমূহ অভিনয়ৰ ক্ষেত্ৰত অলপ দুৰ্বল সেয়েহে নৃত্য আৰু নাটকৰ কৰ্মশালাৰ ব্যৱস্থা কৰা হৈছিল। শ্ৰীযুত স্বপন দাস ছাৰে নাটক আৰু আছিফ আহমেদে নৃত্যৰ প্ৰশিক্ষণ দিছিলে। ৰাজনীতি বিজ্ঞান বিষয়ৰ অধ্যাপিকা নন্দিতা ডেকা আৰু অসমীয়া বিষয়ৰ অধ্যাপক তথা মোৰ তত্বাৱধায়ক ড° জগন্নাথ বৰ্মন ছাৰে মোক এইক্ষেত্ৰত যথেষ্ট সহায় আগবঢ়োৱাৰ বাবে তেওঁলোকক কৃতজ্ঞতা জনালোঁ। তাৰোপৰি মোৰ বান্ধৱী সুপ্ৰিয়া মহন্ত আৰু মমতা নাজামিনলৈও ধন্যবাদ জনালোঁ। এই কৰ্মশালাত যথেষ্টখিনি ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। ১৫-০৭-২০১৬ তাৰিখে আমি সকলোৱে লগ হৈ 'ডাষ্টবিনত সপোন' নামৰ নাটকখন আৰু এটা দলীয় নৃত্য ছাৰ-বাইদেউহঁতৰ সন্মুখত প্ৰদৰ্শন কৰিছিলো।

**নৱাগত আদৰণি সভা ঃ** প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহা মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখন এইবেলিও ছাত্ৰী একতা সভাৰ তৰফৰ পৰা ২০-০৮-২০১৬ তাৰিখ শনিবাৰে অতি উলহ মালহেৰে অনুষ্ঠিত কৰা হয়। ৯ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰা হয়, তাৰ পিছত শ্বহীদ তৰ্পণ কৰি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা "হাৱাঘাট" উন্মোচন কৰাৰ পিছত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰীসকলে গীত, নৃত্য,

মূকাভিনয়, কৌতুক, একাংকিকা নাট আদি প্ৰদৰ্শন কৰে। এইবেলি নৱাগত আদৰণি সভাত শিল্পী অতিথি হিচাপে শ্ৰীযুত ভৃগু কাশ্যপক আমন্ত্ৰণ জনোৱা হৈছিল। এইবেলি নৱাগত আদৰণি সভাৰ শুভ মুহূৰ্তত মহাবিদ্যালয়ৰ Girls Hostel খন মুকলি কৰা হয়।

**NAAC :** মোৰ কাৰ্যকালৰ অন্তিম কাৰ্যসূচী হ'ল NAAC। এইবেলি আমাৰ মহাবিদ্যালয়খনত ২১ চেপ্তেম্বৰ, ২২ ছেপ্তেম্বৰ, ২৩ ছেপ্তেম্বৰত NAAC ৰ ৩ গৰাকী সদস্যা আহিছিল। ২১ ছেপ্তেম্বৰ তাৰিখে তেওঁলোকৰ বাবে এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয় য'ত তেওঁলোকৰ সন্মুখত অসমৰ সংস্কৃতিসমূহ দাঙি ধৰা হয়। তেওঁলোকে এই অনুষ্ঠান উপভোগ কৰি যথেষ্ট আনন্দিত হয় আৰু বহু প্ৰশংসা কৰে।

প্ৰতিবেদনৰ সামৰণিৰ আগতে মোৰ কাৰ্যকালৰ শেষ মুহূৰ্তলৈ বিভিন্ন দিহা-পৰামৰ্শৰ লগতে মোক সক্ৰিয়ভাৱে সহায় আগবঢ়োৱা মোৰ তত্বাৱধায়ক তথা শিক্ষাগুৰু ড° জগন্নাথ বৰ্মন ছাৰলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ এবছৰীয়া চমু কাৰ্যকালছোৱাত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিলো আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

*'জয় আই অসম'*

*'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'*

*ধন্যবাদেৰে-*

**শ্ৰীমাম্পী মালী**





# সমাজসেৱক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



*হে শ্বহীদ তোমাক নমস্কাৰ*
*অসমী মাতৃৰ চৰণত পৰি*
*কৰিলোঁ অঙ্গীকাৰ।*

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল বীৰ শ্বহীদলৈ সশ্ৰদ্ধা প্ৰণাম জনালোঁ, যি সকল মহান ব্যক্তিয়ে নিজৰ জীৱনটো বলিদান দি আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই আৰু দক্ষিণ কামৰূপৰ ভিতৰত একমাত্ৰ স্ত্ৰী শিক্ষাৰ উচ্চ অনুষ্ঠান হিচাপে এই পবিত্ৰ জ্ঞানৰ মন্দিৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় গঢ়ি তুলি আমাৰ মনত জ্ঞানৰ জ্যোতি বিলালে তেওঁলোকলৈ মোৰ পৰম শ্ৰদ্ধা জ্ঞাপন কৰিছো। মোৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

মই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০১৫-১৬ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সমাজসেৱা বিভাগৰ সম্পাদিকা পদত যি সকল ছাত্ৰী-বান্ধৱীয়ে মোক যোগ্য বুলি নিৰ্বাচিত কৰি মোৰ সহায়-সহযোগিতা আগবঢ়ালে, সেইসকল ছাত্ৰী বান্ধৱীক মই বিশেষ কৃতজ্ঞতা জনালোঁ।

মই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মই সঁচাকৈয়ে সুখী হৈছো, এই পদত থকা সময়ত মই আমাৰ মহাবিদ্যালয়ৰ সন্মান অটুট ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ** সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী হিচাপে ০৯-১০-২০১৫ ইং তাৰিখে আমাৰ মহাবিদ্যালয়খন চাফ-চিকুণ কৰিছিলো আৰু সেই দিনটোত চাফ-চিকুণ কৰাত আমাৰ মহাবিদ্যালয়ৰ সমূহ সদস্যই তাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়খন চাফ-চিকুণ কৰাত সহায়-সহযোগিতা আগবঢ়াইছিল।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰ কেইটিৰ দৰে এইবেলিও ২৭-০১-২০১৬ ইং তাৰিখৰ পৰা ৩০-০১-২০১৬ ইং তাৰিখলৈ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ পতা হয়, এই সময়ছোৱাত চাফ-চিকুণ কৰা, আন আন খেল সমূহ আৰু সাংস্কৃতিক অনুষ্ঠান সমূহ সুচাৰুৰূপে চলায় নিয়াত সহায়-সহযোগিতা আগবঢ়াইছিলো।

**সৰস্বতী পূজা ঃ** বিগত বছৰৰ দৰে এইবছৰো ১৩-০২-২০১৬ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত সৰস্বতী পূজাখনী অনুষ্ঠিত কৰা হয়। মোৰ ফালৰ পৰা এই পূজাখন ভালদৰে চলাই নিয়াৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলো।

**নৱাগত আদৰণি সভা ঃ** বিগত বছৰৰ দৰে এইবেলিও ২০-০৮-২০১৬ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত নৱাগত আদৰণি সভাখন শৃংখলাবদ্ধভাৱে চলায় নিয়াত মোৰ সামৰ্থ অনুযায়ী সহায়-সহযোগিতা আগবঢ়াইছিলো।

**কৃতজ্ঞতাৰ শৰাই ঃ** মোৰ কাৰ্যকালৰ সময়ছোৱাত সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বিভাগৰ তত্বাৱধায়িকা ৰঞ্জনা ডেকা বাইদেউ, N.S.S. বিভাগৰ তত্বাৱধায়িকা ড° মিতালী কাঠকটীয়া, তথা সমূহ N.S.S. গোটৰ সদস্য সকল আৰু শিক্ষা বিভাগৰ অধ্যাপিকা ড° লীলাৱতী চৌধুৰী বাইদেউ আমাৰ মহাবিদ্যালয় উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰ লগতে সমূহ ছাৰ বাইদেউ সকলক আৰু কৰ্মচাৰী সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, শেষত মোৰ মৰমৰ ছাত্ৰী-বান্ধৱী সকললৈ ধন্যবাদ জনাইছো।

সদৌ শেষত সম্পাদিকাৰ ভাৱ লৈ অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় সৰ্বাংগীন উন্নতি তথা গৌৰবোজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

*'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'*

*'জয় আই অসম'*

*ধন্যবাদেৰে-*

মিছ কমলা বেগম

# খেল বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



খেল বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদনৰ পাতনিতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত কলিজাৰ কেঁচা শোণিত বোৱাই লুইতৰ পানী ৰক্তিম কৰি তোলা দুৰ্ভগীয়া লুইতপৰীয়া বীৰ শ্বহীদ সকললৈ মই মোৰ অশ্ৰু ভৰা অঞ্জলি যাঁচি শ্ৰদ্ধাৰে সুঁৱৰিছো।

২০১৫-২০১৬ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচন দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ যিসকল ছাত্ৰী বান্ধৱী, বাইদেউ আৰু ভণ্টিয়ে মোক তেওঁলোকৰ বহুমূলীয়া ভোটেৰে জয়যুক্ত কৰি খেল বিভাগৰ সম্পাদিকাৰ দায়িত্বভাৰ অৰ্পণ কৰিলে তাৰবাবে মই তেওঁলোক সকলোৰে ওচৰত কৃতজ্ঞতা জনালোঁ।

বৰ্তমান খেল শিক্ষাৰ এক অপৰিহাৰ্য অংগ। প্ৰচলিত শিক্ষা ব্যৱস্থাত খেলাক বেছি পৰিমাণে প্ৰাধান্য দিয়া হৈছে। কিয়নো ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ জ্ঞান আহৰণ কৰাৰ ওপৰিও মনৰ উৎকৰ্ষ সাধন কৰাৰ কাৰণে খেল-ধেমালীৰ বাৰুকৈয়ে প্ৰয়োজন কিয়নো ইয়ে প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকলক শৰীৰৰ অংগ-প্ৰত্যংগ ভালে থকাৰ লগতে বাহিৰৰ জগতৰ লগত পৰিচয় হ'বলৈ সুযোগ পায়।

যোৱাবেলিৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালী (মহাবিদ্যালয় সপ্তাহ) সুচাৰুৰূপে পৰিচালনা কৰা হয় যদিও এইবেলি মহাবিদ্যালয় সপ্তাহত খেল বিভাগৰ তৰফৰ পৰা কাবাদী খেলক আৰম্ভ কৰি বিভিন্ন খেল অনুষ্ঠিত কৰা হয়। এই খেল পৰিচালনা কৰাৰ পিছত মই এটা কথা লক্ষ্য কৰিছো যে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰীৰ সংখ্যা একেবাৰে কম। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ পৰা কম পৰিমানেহে সঁহাৰি পোৱা যায়। এনে কাৰ্যই কেৱল আমাৰ ছাত্ৰীৰ খেলা-ধূলাৰ প্ৰতি থকা অমনোযোগিতা আৰু প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ সাহস নথকা দুৰ্বলতাখিনিকে বুজায়।

এজন সুস্থ সবল মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী হ'বলৈ হ'লে যিদৰে শিক্ষাৰ প্ৰয়োজন ঠিক তেনেদৰে খেলৰ মানদণ্ড উন্নত কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীক লাগে প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু সা-সুবিধা। খেল-বিভাগৰ সম্পাদিকা হিচাপে মই লক্ষ্য কৰিছো যে আমাৰ মহাবিদ্যালয়ত ছাত্ৰীৰ খেলা-ধূলাৰ প্ৰশিক্ষণৰ অভাৱ যদিও খেলৰ প্ৰয়োজনীয় প্ৰায়খিনি সুবিধা আমাৰ মহাবিদ্যালয়ত আছে। কেৱল ছাত্ৰীৰ আগ্ৰহ কম দেখা যায়। ছাত্ৰী সকলক মোৰ এটাই অনুৰোধ যেন তেওঁলোকে গুৰুত্ব বুজি সময় মতে অনুশীলনৰ দ্বাৰা নিজৰ সু-প্ৰতিভা প্ৰকাশৰ বাবে প্ৰচেষ্টা হাতত লয়।

শেষত মহাবিদ্যালয় সপ্তাহত খেল বিভাগৰ তৰফৰ পৰা হোৱা খেলসমূহ পৰিচালনা কৰাত সহায় কৰা তত্ত্বাবধায়ক শ্ৰদ্ধাৰ হবিবুৰ ৰহমান ছাৰৰ লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায়-সহযোগ কৰা বান্ধৱীবৰ্গক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয় আই অসম"*
*"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"*

*ধন্যবাদেৰে-*
শ্ৰীলক্ষ্মী ৰাভা





# তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে পোন প্ৰথমে মই যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু কষ্টৰ লগতে তেওঁলোকৰ জীৱন বলিদানৰ ফলত আমাৰ এই জাকত-জিলিকা মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল সেইসকল মহান ব্যক্তি সকললৈ মই মোৰ আন্তৰিক প্ৰণাম জনাইছো। আৰু লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু সমূহ শিক্ষাগুৰুৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক প্ৰণাম জনাইছো।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নিৰ্বাচনত মোক তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ পদত নিৰ্বাচিত কৰি সহায়-সহযোগিতা কৰিবলৈ সুযোগ দিছে সেইসকল ছাত্ৰী-বান্ধৱীক মোৰ হিয়াভৰা মৰম যাচিলোঁ আৰু লগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

প্ৰত্যেক বৰ্ষৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ত, মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ তৰফৰ পৰা কুইজ, অসমীয়া কবিতা আবৃতি, ইংৰাজী কবিতা আবৃতি আৰু আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ উপৰিও তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল যদিও মহাবিদ্যালয়ৰ ছাত্ৰীৰ সীমিত উপস্থিতিৰ বাবে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নগ'ল। মোৰ কাৰ্যকালছোৱাত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰিব নোৱাৰিলো যদিও মোৰ পৰৱৰ্তী সম্পাদিকাক এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনালোঁ আৰু লগতে মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধৱীসকলে যাতে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজৰ লগত মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনে, তাৰ বাবে মই ছাত্ৰী বান্ধৱী সকলক বিনম্ৰ অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালছোৱাত সকলো সময়তে দিহা-পৰামৰ্শ দি সহায়-সহযোগ কৰা তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ হৰেণ চন্দ্ৰ দাস ছাৰ দেৱক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ চমু কাৰ্য কালছোৱাত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে অধ্যক্ষ মহোদয়ৰ লগতে সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দ তথা ছাত্ৰী বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছো আৰু লগতে এই মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*ধন্যবাদেৰে-*
শ্ৰীচন্দনা চৌধুৰী

# ২০১৫-২০১৬ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

## খেল বিভাগ

**১। ১০০ মিটাৰ দৌৰ ঃ**
প্ৰথম স্থান ঃ নুৰজাহান বেগম *(উঃ মাঃ, ২য় বৰ্ষ)*
দ্বিতীয় স্থান ঃ ৰুমা বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ ৰবৰা মালী *(উঃ মাঃ, ২য় বৰ্ষ)*

**২। ২০০ মিটাৰ দৌৰ ঃ**
প্ৰথম স্থান ঃ নুৰজাহান বেগম *(উঃ মাঃ, ২য় বৰ্ষ)*
দ্বিতীয় স্থান ঃ ৰবৰা মালী *(উঃ মাঃ, ২য় বৰ্ষ)*
তৃতীয় স্থান ঃ ৰূপাঞ্জলী বাভা *(উঃ মাঃ, ১ম বৰ্ষ)*

**৩। চটফুট থ্ৰো ঃ**
প্ৰথম স্থান ঃ অলিভা কলিতা *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ চুমী কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ লক্ষ্মী বাভা *(স্নাতক, ২য় ষাণ্মাসিক)*

**৪। দিচ্‌কাচ্ থ্ৰো ঃ**
প্ৰথম স্থান ঃ শান্তনা দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ জেছমিন বেগম *(উঃ মাঃ, ২য় বৰ্ষ)*
তৃতীয় স্থান ঃ অলিভা কলিতা *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**৫। জেভলিং থ্ৰো ঃ**
প্ৰথম স্থান ঃ শান্তনা দাস *(উঃ মাঃ, ২য় বৰ্ষ)*
দ্বিতীয় স্থান ঃ ৰুমা বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ জয়শ্ৰী ঠাকুৰীয়া *(স্নাতক, ২য় ষাণ্মাসিক)*
মঞ্জু বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*

**৬। ১০০×৪ ৰিলেৰেচ ঃ**
প্ৰথম স্থান ঃ নুৰজাহান বেগম *(উঃ মাঃ, ২য় বৰ্ষ)*
ৰবৰা মালী *(উঃ মাঃ, ২য় বৰ্ষ)*
শান্তনা দাস *(উঃ মাঃ, ২য় বৰ্ষ)*
জয়শ্ৰী ঠাকুৰীয়া *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সাগৰিকা বাভা *(স্নাতক, ২য় ষাণ্মাসিক)*
মধুমিতা বাভা *(উঃ মাঃ ২য় বৰ্ষ)*
মেঘালী বাভা *(উঃ মাঃ, ১ম বৰ্ষ)*
মৰমী বাভা *(উঃ মাঃ, ২য় বৰ্ষ)*

**৭। হাইজাম্প ঃ**
প্ৰথম স্থান ঃ ৰুমা বেগম *(উঃ মাঃ ১ম বৰ্ষ)*
ৰবৰা মালী *(উঃ মাঃ ২য় বৰ্ষ)*
দ্বিতীয় স্থান ঃ নুৰজাহান বেগম *(উঃ মাঃ, ২য় বৰ্ষ)*
তৃতীয় স্থান ঃ ৰূপাঞ্জলী ডেকা *(উঃ মাঃ, ১ম বৰ্ষ)*

**৮। লং জাম্প ঃ**
প্ৰথম স্থান ঃ নুৰজাহান বেগম *(উঃ মাঃ, ২য় বৰ্ষ)*
ৰুমা বেগম *(উঃ মাঃ ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ শান্তনা দাস *(উঃ মাঃ, ২য় বৰ্ষ)*
তৃতীয় স্থান ঃ ৰবৰা মালী *(উঃ মাঃ ২য় বৰ্ষ)*

**৯। পাঞ্জা ঃ**
প্ৰথম স্থান ঃ ৰবৰা মালী *(উঃ মাঃ ২য় বৰ্ষ)*
দ্বিতীয় স্থান ঃ অলিভা কলিতা *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ চুমি কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
জেছমিন বেগম *(উঃ মাঃ ২য় বৰ্ষ)*

**১০। ৪০০ মিটাৰ দৌৰ ঃ**
প্ৰথম স্থান ঃ নুৰজাহান বেগম (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় স্থান ঃ মামণি কলিতা (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় স্থান ঃ জুৰি কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
জেছমিন বেগম *(স্নাতক, ২য় ষাণ্মাসিক)*

**১১। স্কিপিং ঃ**
প্ৰথম স্থান ঃ আমিনা খাটুন (স্নাতক চতুৰ্থ ষাণ্মাষিক)
দ্বিতীয় স্থান ঃ জুৰি কলিতা (স্নাতক দ্বিতীয় ষাণ্মাষিক)
তৃতীয় স্থান ঃ লক্ষ্মী বড়ো (উঃ মাঃ প্ৰথম বৰ্ষ)

**১২। কাবাডী ঃ**

| বিজয়ী ঃ | বিজিতা ঃ |
|---|---|
| গীতিকা দাস | লক্ষ্মী বাভা |
| কমা বেগম | চন্দনা চৌধুৰী |
| নুৰজাহান বেগম | বোজবেবী চুলতে |
| ৰবৰা মালী | ৰুমী বেগম |
| ধৰিত্ৰী দেৱান | অলিভা কলিতা |
| শান্তনা দাস | জয়শ্ৰী ঠাকুৰীয়া |
| কাকলি কুমাৰী | নিকুমণি দাস |
| মাকনী দাস | মানসী কলিতা |





## তৰ্ক আৰু আলোচনী বিভাগ

**১। আকস্মিক বক্তৃতা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ ভূমিকা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
বিষয় ঃ Fast Food
দ্বিতীয় স্থান ঃ মুনু দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
বিষয় ঃ তাঁতশাল
দিপ্তী চৌধুৰী *(স্নাতক, ২য় ষাণ্মাসিক)*
বিষয় ঃ গামোচা
তৃতীয় স্থান ঃ অংগনা ঠাকুৰীয়া *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
বিষয় ঃ লাড়ু
অনিন্দিতা দাস*(স্নাতক, ২য় ষাণ্মাসিক)*
বিষয় ঃ মেখেলা-চাদৰ
সীমা মেধি *(স্নাতক, ২য় ষাণ্মাসিক)*
বিষয় ঃ চাইকেল

**২। কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**
কবিতাৰ নাম ঃ 'শোভাযাত্ৰাত নিহতজনৰ কবিতা'
প্ৰথম স্থান ঃ অনিন্দিতা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সংগীতা গোস্বামী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ নিলাক্ষী মজুমদাৰ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*

**৩। ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**
কবিতাৰ নাম ঃ 'The Means to attain Happy Life'
প্ৰথম স্থান ঃ জয়শ্ৰী শৰ্মা (স্নাতক দ্বিতীয় ষাণ্মাষিক)
দ্বিতীয় স্থান ঃ ভূমিকা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*

**৪। কুইজ প্ৰতিযোগিতা ঃ**
তৃতীয় স্থান ঃ মাম্পী মালী *(স্নাতক, ২য় ষাণ্মাসিক)*
জয়শ্ৰী শৰ্মা *(স্নাতক, ২য় ষাণ্মাসিক)*
সীমা মেধি *(স্নাতক, ২য় ষাণ্মাসিক)*
জিনামণি কলিতা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

## সাহিত্য আৰু আলোচনী বিভাগ

**১। থিতাতে লিখা কবিতা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ ভূমিকা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ অনিন্দিতা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ অংগনা ঠাকুৰীয়া *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**২। থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ অংগনা ঠাকুৰীয়া *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ মুনু দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ ভূমিকা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*

**৩। থিতাতে লিখা পেৰডী কবিতা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ ভূমিকা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ জুৰি কলিতা *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ অনিন্দিতা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*

**৪। থিতাতে লিখা গল্প প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ অংগনা ঠাকুৰীয়া *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ভূমিকা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ ৰবৰা চৌধুৰী *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**৫। থিতাতে লিখা ৰচনা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ ৰবৰা চৌধুৰী *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ অংগনা ঠাকুৰীয়া *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ ভূমিকা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*

**৬। থিতাতে লিখা চিত্ৰাংকন প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ দিপ্তী বাভা *(স্নাতক, ২য় ষাণ্মাসিক)*
নিজৰা কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ বন্দনা ঠাকুৰীয়া *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ বনস্মিতা বাভা *(উঃ মাঃ, ২য় বৰ্ষ)*

## সাংস্কৃতিক বিভাগ

**১। বৰগীত প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ সাধনা কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**২। লোকগীত প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ পংখী কুমাৰী *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সাধনা কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ প্ৰীতিৰেখা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*

**৩। আধুনিক গীত প্ৰতিযোগিতা ঃ-**

প্ৰথম স্থান ঃ সাধনা কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ মৃদুপ্ৰভা অধিকাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ সংগীতা গোস্বামী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
মণি ঠাকুৰীয়া *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**৪। জ্যোতি সংগীত ঃ**

প্ৰথম স্থান ঃ ঝাম্পী মালী *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ পংখী কুমাৰী *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ সাধনা কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**৫। বিষ্ণু ৰাভা সংগীত ঃ**

প্ৰথম স্থান ঃ ঝাম্পী মালী *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সাধনা কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ পংখী কুমাৰী *(স্নাতক, ২য় ষাণ্মাসিক)*
নিচুকণি বঁটা ঃ বনস্মিতা ৰাভা *(উঃ মাঃ ১ম বৰ্ষ)*

**৬। ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ সাধনা কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ পংখী কুমাৰী *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ মণি ঠাকুৰীয়া *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
মৃদুপ্ৰভা অধিকাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
উদ্‌গনি মূলক বঁটা ঃ বনস্মিতা ৰাভা *(উঃ মাঃ ১ম বৰ্ষ)*

**৭। অসম সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ সাধনা কুমাৰীৰ দল
দ্বিতীয় স্থান ঃ ঝাম্পী মালীৰ দল

**৮। একক আধুনিক নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ ৰবষা নাথ *(উঃ মাঃ ১ম বৰ্ষ)*
মৰমী কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সীমা মেধি *(স্নাতক, ২য় ষাণ্মাসিক)*
হিমাক্ষী ডেকা *(উঃ মাঃ ২য় বৰ্ষ)*
তৃতীয় স্থান ঃ প্ৰীতিৰেখা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
ভূমিকা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*

**৯। দলীয়/একক লোকনৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ অংগনা ঠাকুৰীয়া *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ গীতাঞ্জলি শালৈ *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
মৰমী কলিতা
তৃতীয় স্থান ঃ প্ৰীতিৰেখা নাথ *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*

**১০। দলীয় আধুনিক নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ ডলি দাসৰ দল
দ্বিতীয় স্থান ঃ মমতা নাজমিনৰ দল
তৃতীয় স্থান ঃ গীতাঞ্জলি শালৈৰ দল
চিৰিমিনি দাসৰ দল
উদ্‌গনিমূলক বঁটা ঃ সীমা মেধিৰ দল

**১১। আকস্মিক নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ অনিন্দিতা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ অংগনা ঠাকুৰীয়া *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ জুমি দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**১২। অসমৰ থলুৱা পৰম্পৰাগত সাজ-পাৰ প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ প্ৰীতিৰেখা নাথ (অসমীয়া)
দ্বিতীয় স্থান ঃ মমী কছাৰী (বড়ো)
তৃতীয় স্থান ঃ ৰবষা নাথ (অসমীয়া)
পম্পী কলিতা (অসমীয়া)

**১৩। ভেশচন প্ৰতিযোগিতা ঃ**

উদ্‌গনি মূলক বঁটা ঃ মমতা নাজমিন *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
গীতুমণি কলিতা *(উঃ মাঃ ১ম বৰ্ষ)*





## ছাত্ৰী জিৰণি কোঠাৰ প্ৰতিযোগিতাৰ ফলাফল

**১। জেতুকা বুলোৱা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ অনিতা শৰ্মা *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ নিজৰা কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ পম্পী ৰাণী আহমেদ *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
ৰাবীয়া বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
নিচুকণি বঁটাঃ পম্পী মেধি *(উঃ মাঃ, ১ম বৰ্ষ)*

**২। পুষ্প সজ্জা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ দীপিকা দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ ৰবষা নাথ *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ অৰ্চনা দাস *(উঃ মাঃ, ১ম বৰ্ষ)*

**৩। কেৰম প্ৰতিযোগিতা ঃ**

**(একক)**

প্ৰথম স্থান ঃ চুফিয়া বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ অনিন্দিতা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*

**(দুজন)**

প্ৰথম স্থান ঃ ভনীতা শৰ্মা *(স্নাতক, ২য় ষাণ্মাসিক)*
পুৰবী কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ চুফিয়া বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*
অনিতা শৰ্মা *(উঃ মাঃ, ১ম বৰ্ষ)*

**৪। অজিয়া সজ্জা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ লক্ষ্মী দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ কমলা বেগম *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ জেচমিন বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
জুমি নাথ *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**৫। চিলাই প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ কমলা বেগম *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ বন্দিতা কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ অনুপ্ৰভা নাথ *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**৬। কইনা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ ঝাম্পী মালী *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ জেচমিন বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ সীমা বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*

**৭। ৰন্ধন প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ বন্দনা নাথ *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ৰবষা নাথ *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ অনিতা শৰ্মা *(উঃ মাঃ, ১ম বৰ্ষ)*
মমতা নাজমিন *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**৮। চালাদ প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ কৰবী দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ৰবষা নাথ *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ কমলা বেগম *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
নিচুকণি বঁটাঃ অনিতা শৰ্মা *(উঃ মাঃ, ১ম বৰ্ষ)*

**৯। চকীত উঠা-বহা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ লক্ষ্মী ৰাভা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ নিৰ্মলী দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ মুনু দাস *(স্নাতক, ২য় ষাণ্মাসিক)*

**১০। খোজ কঢ়া প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ পল্লৱী ঠাকুৰীয়া *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ জুবি বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ অলিভা কলিতা *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**১১। উঠা-বহা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ ৰবষা নাথ *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ লক্ষ্মী দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ ৰবষা মালী *(উঃ মাঃ, ২য় বৰ্ষ)*

# যোৱা তিনিবছৰৰ মহাবিদ্যালয়ৰ শৈক্ষিক সাফল্যৰ খতিয়ান

**H.S. Final, 2014**

| Name | H.S.L.C. Exam. P.C. | H.S. Exam. P.C. | Improvement P.C. |
|---|---|---|---|
| 1. Angana Thakuria | 60.00% | 69.80% | 9.80% |
| 2. Barnali Malakar | 50.60% | 76.20% | 25.60% |
| 3. Dharitri Nath | 57.00% | 77.80% | 20.80% |
| 4. Dipika Das | 52.30% | 74.20% | 21.90% |
| 5. Hiramani Thakuria | 49.60% | 62.40% | 12.80% |
| 6. Jeshmin Sultana | 56.10% | 67.00% | 10.90% |
| 7. Marami Das | 49.00% | 65.80% | 16.80% |
| 8. Minakshi Mazumdar | 48.80% | 66.40% | 17.60% |
| 9. Minakhsi Thakuria | 66.60% | 70.80% | 4.20% |
| 10. Najira Begum | 45.60% | 61.00% | 15.40% |
| 11. Nivamani Das | 51.30% | 60.80% | 9.50% |
| 12. Purabi Nath | 68.30% | 71.40% | 3.10% |
| 13. Ranjita Das | 55.10% | 65.60% | 10.50% |
| 14. Rituparna Das | 43.10% | 60.80% | 17.70% |
| 15. Sabita Das | 49.60% | 74.20% | 24.60% |
| 16. Surabhi Rabha | 55.10% | 63.00% | 7.90% |
| 17. Tutumani Kalita | 45.60% | 61.80% | 16.20% |
| 18. Tutumani Das | 65.10% | 78.80% | 13.70% |

**H.S. Final, 2015**

| Name | H.S.L.C. Exam. P.C. | H.S. Exam. P.C. | Improvement P.C. |
|---|---|---|---|
| 1. Archana Kalita | 44.66% | 60.20% | 15.54% |
| 2. Bandita Mali | 57% | 72.60% | 15.60% |
| 3. Chandana Das | 54.83% | 60% | 5.17% |
| 4. Chandramita Talukdar | 62.33% | 74.40% | 12.07% |
| 5. Deepti Choudhury | 59.83% | 73.20% | 13.37% |
| 6. Dulu Das | 47.33% | 67.40% | 20.07% |
| 7. Jayshri Choudhury | 62.33% | 79.80% | 17.47% |
| 8. Jayashri Sarma | 70.16% | 80.20% | 10.04% |
| 9. Jyotismita Saloi | 63.83% | 69% | 5.17% |
| 10. Kalyani Talukdar | 45% | 60.80% | 15.80% |
| 11. Mampi Mali | 65.16% | 69.80% | 4.64% |
| 12. Momina Begum | 53.33% | 62.40% | 9.07% |
| 13. Nita Mali | 62% | 67.60% | 5.60% |
| 14. Pooja Mazumdar | 63.50% | 69.40% | 5.90% |
| 15. Priyanka Das | 60.66% | 80.80% | 20.14% |
| 16. Rehana Begum | 52% | 60.80% | 8.80% |
| 17. Rubi Talukdar | 43% | 60% | 17.00% |
| 18. Rupali Das | 58.50% | 72% | 13.50% |
| 19. Sabita Kalita | 53% | 60.60% | 7.60% |
| 20. Sarjina Begum | 52.16% | 80.80% | 28.64% |
| 21. Seema Medhi | 60.66% | 74.20% | 13.54% |





**H.S. Final, 2016**

| Name | H.S.L.C. Exam. P.C. | H.S. Exam. P.C. | Improvement P.C. |
|---|---|---|---|
| 1. Ajina Begum | 65.50% | 69.00% | 3.50% |
| 2. Barasha Mazumdar | 52.66% | 62.00% | 9.44% |
| 3. Chandrama Kalita | 47.66% | 60.20% | 12.54% |
| 4. Doli Choudhury | 68.16% | 81.00% | 12.84% |
| 5. Jintimani Nath | 66.00% | 76.00% | 10.00% |
| 6. Jonali Baishya | 57.00% | 62.60% | 5.60% |
| 7. Jupitora Nath | 53.66% | 61.20% | 7.54% |
| 8. Likumoni Kalita | 75.66% | 70.80% | 4.86% |
| 9. Malati Saha | 48.66% | 62.00% | 13.34% |
| 10. Minakshi Nath | 53.83% | 62.60% | 6.77% |
| 11. Mousumi Hira | 55.50% | 65.60% | 10.00% |
| 12. Namita Thakuria | 67.33% | 83.60% | 16.27% |
| 13. Pubali Das | 72.83% | 81.00% | 8.17% |
| 14. Purabi Bora | 67.00% | 87.80% | 20.8% |
| 15. Purnima Das | 71.83% | 79.60% | 7.77% |
| 16. Rasmiul Sultana | 50.00% | 63.40% | 13.4% |
| 17. Riya Tarafdar | 47.33% | 68.00% | 20.67% |
| 18. Sabita Begum | 57.16% | 72.20% | 15.06% |
| 19. Sagarika Talukdar | 77.33% | 81.00% | 3.67% |
| 20. Sweety Kalita | 61.50% | 62.00% | 0.50% |
| 21. Tulika Kalita | 67.33% | 82.60% | 15.27% |

## Students who successfully completed B.A. from our college in the Year 2016

### Major course :

**Assamese :**

1. Dalimi Das
2. Dhira Das
3. Dipti Thakuria
4. Dipti Das
5. Gitima Mali
6. Jali Mali
7. Tulika Sarma
8. Jutika Thakuria
9. Merina Begum
10. Purabi das
11. Purabhi Rabha
12. Purnima Kalita
13. Purnima kalita
14. Runu Kumari
15. Sabita Das
16. Chandrama Kumari
17. Sangita Das
18. Chimli Kalita
19. Chintumani kalita
20. Sunita Kumari
21. Tunumani Nath
22. Thunumani Nath

**Education :**

1. Chandana Das
2. Chikumani Das
3. Dipanjali Thakuria
4. Karabi Kalita
5. Karabi Das
6. Manashi Thakuria
7. Punam Dewan
8. Semim Sultana

**English :**
1. Mamoni Malia
2. Marami Begum
3. Sehnaz Akhtar

**History :**
1. Kabita Das
2. Simarani Baishya

**Philosophy :**
1. Mamita Kumari
2. Manalisha Gogoi
3. Miduprabha Adhikary
4. Nabanita Das
5. Niva Thakuria
6. Pampi Rani Ahmed
7. Rasmi Begum

**Political Science :**
1. Imrana Begum
2. Jutika Kumari
3. Marjina Begum
4. Puja Mani Das
5. Sangita Das

**Economics :**
1. Minakshi Kalita
2. Niva Das
3. Rubia Begum

**Adv. Assamese :**
1. Lipika Devi

**General Course :**
1. Anamika Kalita
2. Anju Mani Das
3. Anupama Das
4. Arjumara Begum
5. Beauty Kachari
6. Binita Kakati
7. Chandrama Das
8. Himadri Kalita
9. Hiramani Das
10. Hiramani kalita
11. Jesmin Begum
12. Mridusmita Kalita
13. Mamoni Begum
14. Meghali Das
15. Nisha Rajbongshi
16. Phulmani Choudhury
17. Pinki Das
18. Pranita Das
19. Ranjita Begum
20. Ranju Kachari
21. Roselina Ahmed
22. Sangita Goswami
23. Sehnaz Sultana
24. Sangita Kalita

## PRINCIPAL, TEACHING AND NON-TEACHING STAFF

**PRINCIPAL : Dr. Gajendra Adhikary,** *M.A. (Double), Ph. D.*

**Department of History :**
1. Sanghamitra Sinha, *M.A.*
2. Dr. Narakanta Adhikary, *M.A., Ph.D.*
3. Pankaj Doley, *M.A. (Guest Lecturer)*
4. Himadri Gogoi, *M.A. (Guest Lecturer)*
5. Pranab Marang, *M.A.*

**Dept. of English :**
1. Dr. Malabika Roy, *M.A., Ph.D.*
2. Minakshi Bairagi, *M.A.*
3. Dr. Ranjan Bhuyan, *M.A., Ph.D. (Head of the Dept.)*
4. Ranjana Tamuli, *M.A. (Guest Lecturer)*
5. Anisha Das, *M.A. (Guest Lecturer)*
6. Prabin Hazarika, *M.A. (Net)*





**Dept. of Assamese :**
1. Dr. Saraswati Kalita *M.A. (Double), M.Phil., Ph.D.*
2. Dr. Jahnobi Devi, *M.A., M.Phil, Ph.D., NET (Head of the Dept.)*
3. Jamuna Mali, *M.A.*
4. Dr. Jagannath Barman, *M.A., Ph.D.*
5. Sewali Medhi, *M.A. SLET*
6. Rumi Das, *M.A., NET, (Guest Lecturer)*
7. Nilakshi Medhi, *M.A. (Guest Lecturer)*
8. Ajodhya Ram Adhikary,*M.A. (Guest Lecturer)*
9. Pranjit Sharma, *M.A. (Guest Lecturer)*

**Dept. of Political Science :**
1. Haren Das, *M.A.*
2. Dr. Azizul Haque *M.A., Ph.D. (Head of the Dept.)*
3. Dr. Haren Ch. Kalita, *M.A., B.Ed., Ph.D.*
4. Nandita Deka, *M.A. (Guest Lecturer)*
5. Archana Kalita, *M.A. (Guest Lecturer)*

**Dept. of Economics :**
1. Jinu Das, *M.A.*
2. Dr. Nibedita Devi *M.A., Ph.D. (Head of the Dept.)*
3. Indrani Devi, *M.A.*
4. Manashree Das, *M.Sc.*

**Dept. of Education :**
1. Habibur Rahman, *M.A.*
2. Dr. Lilabati Choudhury, *M.A.(Double), M.Phil, Ph.D. (Head of the Dept.)*
3. Dr. Mitali Kathkatia, *M.A., B.Ed., Ph.D.*
4. Rita Bhattacharya, *M.A., B.Ed.*
5. Babita Rajok, *M.A. (Guest Lecturer).*

**Dept. of Philosophy :**
1. Mitali Goswami, *M.A. (Head of the Dept.)*
2. Alaka Das, *M.A.*
3. Kamaleswar Bora, *M.A., M.Phil., SLET*
4. Debajit Baruah, *M.A. NET (Guest Lecturer)*
5. Ritumoni Das, *M.A. (Guest Lecturer).*

**Dept. of Home Science :**
1. Dr. Rekha Devi Bora, *M.Sc., PhD.*
2. Ranjana Deka, *M.Sc.*

**Mass Communication Journalisim :**
1. Rupam Das, *M.A. J.M.*
2. Nabanita Das, *M.A. J.M.*

**Environmental Science**
1. Nibedita Thakuria

**THE LIBRARY STAFF OF OUR COLLEGE**
1. Kishor Sharma, *M.A. Lib. Ph.D.*
2. Khiroda Das, *Library Bearer*

**THE NON-TEACHING STAFF OF OUR COLLEGE**
1. Niral Sarma, *B.A. (Hons.), Head Assistant*
2. Suruchi Das, *B.A., Office Assistant*
3. Kalpana Mayee Mazumdar, *Office Assistant*
4. Pradip Ch. Bora, *Office Assistant*
5. Subala Thakuria, *Office Assistant*
6. Sankar Kalita, *B.A., Office Assistant*
7. Kushal Kalita, *B.A., Office Assistant*
8. Dipti Rani Nath, *B.A. Office Assistant*
9. Rukmini Bora, *Laboratory Barear*
10. Jiten Das, *Grade IV Employee*
11. Ratneswar Das, *Grade IV Employee*
12. Nirmal Das, *Grade IV Employee*
13. Hiren Talukdar, *Grade IV Employee*
14. Nagen Ch. Das, *Grade IV Employee*
15. Jugal Das, *Grade IV Employee*
16. Nareswar Das, *Grade IV Employee*
17. Satyacharan Das, *Night chowkidar*
18. Prasanta Thakuria, *B.Com (M)*
19. Pallab Kalita, *B.Com (M)*
20. Dhrubajyoti Kalita, *B.Com (M)*

## THE UNION BODY AND THE TEACHERS-INCHARGE

| | | |
|---|---|---|
| President | : | Dr. Gajendra Adhikary |
| In-charge, Union Body | : | Dr. Ranjan Bhuyan |
| Vice-President | : | Roseberry Sultana |
| In-Charge General Secretary | : | Dr. Ranjan Bhuyan |
| Asst. General Secretary | : | Ila Kakati |
| In-Charge | : | Dr. Jagannath Barman |
| Cultural Secretary | : | Mampi Mali |
| In-Charge | : | Dr. Saraswati Kalita |
| Editor 'Sudakshina' | : | Mamata Nazmin |
| In-Charge | : | Haren Das |
| Debate Secretary | : | Chandana Das |
| In-Charge | : | Dr. Narkanta Adhikary |
| Sports Secretary | : | Lakshmi Rabha |
| In-Charge | : | Sanghmitra Sinha |
| Girls' Common Room Secretary | : | Runuka Begum |
| In-Charge | : | Ranjana Deka |
| Social Service Secretary | : | Kamala Begum |

## GOVERNING BODY-2016-17 D.K GIRL'S COLLEGE, MIRZA

| | | |
|---|---|---|
| 1. President | : | Ms. Hira Neog, M.A. |
| 2. Secretary | : | Dr. Gajendra Adhikary, Principal, D.K. Girl's College, Mirza |
| 3. Member (ex-officio) | : | Dr. Ranjan Bhuyan Vice-Principal, D.K. Girl's College, Mirza |
| 4. Member (Guardian) | : | (i) Sri Dwijen Kalita, Makadhuj, Simina<br>(ii) Sri Jugal Choudhury, Bhathipara<br>(iii) Smt. Manju Das, Rangamati |
| 5. Member (Donor) | : | (i) Sri Gobinda Kalita, Mirza |
| 6. G.U. Nominee | : | (i) Prof. Jogen Chandra Kalita Dept. of Zoology, Gauhati University<br>(ii) Prof. Jyoti Tamuli Dept. of Linguistics, Gauhati University |
| 7. Teacher Member | : | (i) Mr. Habibur Rahman Associate Professor, Dept. of Education<br>(ii) Dr. Narakanta Adhikary Associate Professor, Dept. of History |
| 8. Non Teaching Member | : | (i) Sri Niral Sarma, Head Assistant |
| 9. Special Invite | : | Sjt. Pranab Kalita, MLA, Palashbari |





## GENERAL SECRETARIES OF THE STUDENT'S UNION SINCE 1988

| | | | | | |
|---|---|---|---|---|---|
| 1. | Tanuja Goswami | 1988-1989 | 15. | Deepika Thakuria | 2002-2003 |
| 2. | Himadri Deka | 1989-1990 | 16. | Alaka Das | 2003-2004 |
| 3. | Kamaljeet Sing Laumba | 1990-1991 | 17. | Binita Kalita | 2004-2005 |
| 4. | Manju Medhi | 1991-1992 | 18. | Hemlata Rabha | 2005-2006 |
| 5. | Mamani Baishya | 1992-1993 | 19. | Priyanka Thakuria | 2006-2007 |
| 6. | Nani Mahanta | 1993-1994 | 20. | Runu Choudhury | 2007-2008 |
| 7. | Seetala Das | 1994-1995 | 21. | Purnima Talukdar | 2008-2009 |
| 8. | Geetanjali Kalita | 1995-1996 | 22. | Suman Kumari | 2009-2010 |
| 9. | Rumarani Saikia | 1996-1997 | 23. | Kalindri Das | 2010-2011 |
| 10. | Geetika Thakuria | 1997-1998 | 24. | Minakshi Thakuria | 2011-2012 |
| 11. | Nijara Kalita | 1998-1999 | 25. | Purnima Das | 2012-2013 |
| 12. | Jayshree Choudhury | 1999-2000 | 26. | Jutika Thakuria | 2013-2014 |
| 13. | Nipumani Mali | 2000-2001 | 27. | Aliviya Talukdar | 2014-2015 |
| 14. | Merina Begam | 2001-2002 | 28. | Dipti Choudhory | 2015-2016 |

## EX-EDITORS AND IN-CHARGES OF 'SUDAKSHINA'

| VOLUME | YEAR | EDITOR | PROF. IN-CHARGE |
|---|---|---|---|
| I | 1993 | Swapna Das<br>Beauty Kakati | Dr. Gajendra Adhikary<br>Bimal Mazumdar |
| II | 1994 | Kanan Kumari Talukdar | Dr. Gajendra Adhikary |
| III | 1995 | Jyotsna Kalita | Dr. Gajendra Adhikary |
| IV | 1996 | Chandramita Kalita | Dr. Gajendra Adhikary |
| V | 1997 | Dipika Das | Dr. Gajendra Adhikary<br>Dr. Jagannath Barman |
| VI | 1998 | Jonti Kalita | Dr. Gajendra Adhikary<br>Dr. Jagannath Barman |
| VII | 1999 | Pranita Das | Dr. Gajendra Adhikary<br>Dr. Jagannath Barman |
| VIII | 2000 | Kalyani Kalita | Dr. Jagannath Barman<br>Minakshi Bairagi |
| IX | 2001 | Babita Deka | Dr. Jahnobi Devi |
| X | 2002 | Pallabi Nath | Nara Kanta Adhikary |
| XI | 2003 | Jitumoni Rabha | Minakshi Bairagi |
| XII | 2004 | Parul Begum | Dr. Jagannath Barman |
| XIII | 2005 | Bandana Bordoloi | Dr. Ranjana Bhuyan |
| XIV | 2006 | Maina Thakuria | Dr. Jagannath Barman |
| XV | 2007 | Rubi Goswami | Dr. Haren Kalita |
| XVI | 2008 | Irani Kalita | Dr. Nibedita Devi |
| XVII | 2009 | Dipali Medhi | Dr. Jahnobi Devi |
| XVIII | 2010 | Kabita Das | Dr. Jahnobi Devi |
| XIX | 2011 | Reeta Kalita | Dr. Kamaleshar Bora |
| XX | 2012 | Minakshi Kumari | Dr. Jahnobi Devi |
| XXI | 2013 | Mitali Das | Dr. Jahnobi Devi |
| XXII | 2014 | Bhumika Nath | Dr. Mitali Kathkatiya |
| XXIII | 2015 | Barnali Talukdar | Dr. Lilabati Choudhory |

## মহাবিদ্যালয় সংগীত

অসমা সুষমা নিৰুপমা
আমি দখিণৰ কামৰূপা
দখিণ কোলেই আজি জ্ঞান বিদ্যাৰ শতৰূপা।।

আমি দখিণৰ বালিকা
আমি জ্ঞানৰ শলিতা
পোহৰ বিচাৰি ওলাই অহা মনোৰমা।।

প্ৰজ্ঞা আমাৰ পুথিৰ আলয়
কৃষ্টি আমাৰ সংগ্ৰহ আলয়
প্ৰজ্ঞা-কৃষ্টিক লওঁ আহা আমি আঁকোৱালি।।

সাঁচিপাতত বিচাৰোঁ বতৰা
সুদক্ষিণাক দিওঁ মনৰ বতৰা
আমি সোণালী, ৰূপালী পাতোঁ আহা দীপাৱলী
আমি যে জ্যোতিৰূপা।।

সুদক্ষিণা আমাৰ মনৰ ভাষা
হাবাঘাট আমাৰ প্ৰেৰণাৰ আশা
মনৰ সূতাৰে তৰোঁ জীৱনৰ তাঁত।।

আমি দখিণৰ ৰোৱনী শিপিনী
আমি দখিণৰ আজিৰ ছোৱালী
মহা-জ্ঞানৰ আলয় আমাৰ হিয়াত
আমি যে জ্যোতিশিখা।।

*কথা ঃ জগন্নাথ বৰ্মন*
*সুৰ ঃ আনন্দ দাস*





राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद
विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान
NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL
*An Autonomous Institution of the University Grants Commission*

# Certificate of Accreditation

The Executive Committee of the
National Assessment and Accreditation Council
on the recommendation of the duly appointed
Peer Team is pleased to declare the
Dakshin Kamrup Girls' College
Mirza, Dist. Kamrup, affiliated to Gauhati University, Assam as
Accredited
with CGPA of 2.34 on seven point scale
at B grade
valid up to November 04, 2021

Date : November 05, 2016

Director

राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद

विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान

**NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL**

*An Autonomous Institution of the University Grants Commission*

# Quality Profile

***Name of the Institution*** : Dakshin Kamrup Girls' College

***Place*** : Mirza, Dist. Kamrup, Assam

| Criteria | Weightage ($W_i$) | Criterion-wise Weighted Grade Point (Cr $WGP_i$) | Criterion-wise Grade Point Averages (Cr $WGP_i$ / $W_i$) |
|---|---|---|---|
| I. Curricular Aspects | 100 | 240 | 2.40 |
| II. Teaching-Learning and Evaluation | 350 | 780 | 2.23 |
| III. Research, Consultancy and Extension | 150 | 390 | 2.60 |
| IV. Infrastructure and Learning Resources | 100 | 220 | 2.20 |
| V. Student Support and Progression | 100 | 250 | 2.50 |
| VI. Governance, Leadership & Management | 100 | 220 | 2.20 |
| VII. Innovations and Best Practices | 100 | 240 | 2.40 |
| **Total** | $\sum_{i=1}^{7} w_i = 1000$ | $\sum_{i=1}^{7}(Cr\,WGP_i) = 2340$ | |

$$\textit{Institutional CGPA} = \frac{\sum_{i=1}^{7}(Cr\,WGP_i)}{\sum_{i=1}^{7}W_i} = \frac{2340}{1000} = \boxed{2.34}$$

***Grade* = B**

*Date : November 05, 2016*

*Director*

- This certification is valid for a period of *Five* years with effect from November 05, 2016
- An institutional CGPA on seven point scale in the range of 3.76 - 4.00 denotes A++ grade, 3.51 - 3.75 denotes A+ grade, 3.01 - 3.50 denotes A grade, 2.76 - 3.00 denotes B++ grade, 2.51 - 2.75 denotes B+ grade, 2.01 - 2.50 denotes B grade, 1.51 - 2.00 denotes C grade
- Scores rounded off to the nearest integer

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ভিতৰচৰা



অধ্যক্ষ- ড° গজেন্দ্ৰ অধিকাৰী, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়



উপাধ্যক্ষ - ড° ৰঞ্জন ভূঞা, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

## অধ্যক্ষ-উপাধ্যক্ষৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়




বহি বাওঁফালৰ পৰা : ড° মিতালী কাঠকটীয়া, ড° আজিজুল হক, ড° জগন্নাথ বৰ্মন, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), মিতালী গোস্বামী, ড° নৱকান্ত অধিকাৰী, ড° ৰেখা দেৱী বৰা, ড° সৰস্বতী কলিতা।

থিয় হৈ বাওঁফালৰ পৰা : ড° হৰেণ কলিতা, হবিবুৰ ৰহমান, কমলেশ্বৰ বৰা, সংঘমিত্ৰা সিনহা, ৰঞ্জনা ডেকা, ৰীতা ভট্টাচাৰ্য্য, ড° লীলাৱতী চৌধুৰী, অলকা দাস, শেৱালী মেধি, যমুনা মালী, ড° জাহ্নবী দেৱী, ড° মালবিকা ৰয়।

থিয় হৈ বাওঁফালৰ পৰা : দেৱজিত বৰুৱা, ৰুমি দাস, জিতুমণি দাস, নীলাক্ষী মেধি, প্ৰবীন হাজৰিকা, ৰবিতা বৰুৱা, আনিশা দাস, নিবেদিতা ঠাকুৰীয়া, ৰঞ্জনা তামুলী, বিপুণ দলে, নৱনিতা দাস, প্ৰানজিত শৰ্মা।

## অধ্যক্ষৰ সৈতে কৰ্মচাৰীবৃন্দ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়




বহি বাওঁফালৰ পৰা : কুশল কলিতা, কল্পনাময়ী মজুমদাৰ, নিৰ্মল শৰ্মা, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), কিশোৰ শৰ্মা, সুৰুচী দাস, সুবলা দাস, শংকৰ কলিতা।

থিয় হৈ বাওঁফালৰ পৰা : পল্লৱ কলিতা, ৰত্নেশ্বৰ দাস, প্ৰশান্ত ঠাকুৰীয়া, ধ্ৰুৱজ্যোতি কলিতা, ক্ষীৰোদা দাস, ৰুক্মিণী বৰা, দিপ্তী ৰাণী নাথ, জিতেন দাস, নগেন চন্দ্ৰ দাস, হীৰেণ তালুকদাৰ, যুগল দাস।

## ২০১৫-২০১৬ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিশেষ মুহুৰ্ত সমূহ
















## ২০১৫-২০১৬ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিশেষ মুহুৰ্ত সমূহ




## ২০১৫-২০১৬ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ বিশেষ মুহুৰ্ত সমূহ




## ২০১৫-২০১৬ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ বিশেষ মুহুৰ্ত সমূহ



## ২০১৫-২০১৬ ইং বৰ্ষৰ সৰস্বতী পূজাৰ বিশেষ মুহূৰ্ত সমূহ





















## ২০১৫-২০১৬ ইং বৰ্ষৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানৰ বিশেষ মুহূৰ্ত সমূহ





















## ২০১৫-২০১৬ ইং বৰ্ষৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানৰ বিশেষ মুহূৰ্ত সমূহ




























## ২০১৫-২০১৬ ইং বৰ্ষৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানৰ বিশেষ মুহূৰ্ত সমূহ



















